# গহ্বৰ

ভবেন্দ্ৰ নাথ শইকীয়া

STATE CENTRAL LIBRARY
Call No.........
ASSAM.

প'লাৰ্ড
গুৱাহাটী

GAHBAR
A collection of short stories
written in Assamese language by
Bhabendra Nath Saikia
Published by Pollard, G. N. Bordoloi Road
Gauhati-781003

দ্বিতীয় সংস্কৰণ ॥ ১৯৭৮ চন
প্ৰকাশক : প'লাৰ্ড ॥গুৱাহাটী ৭৮১০০৩
বেটুপাত অঁকা শিল্পী : বেণু মিশ্ৰ

মুদ্ৰাকৰ : প'লাৰ্ড ॥ গুৱাহাটী ৭৮১০০৩

দাম : ১০ টকা

মোৰ স্বৰ্গগতা মাতৃদেৱীৰ
নামত এই কিতাপখন
উচৰ্গা কৰিলোঁ।

ভবেন্দ্ৰ নাথ শইকীয়া

## সূচী


| | পৃষ্ঠা | ৰচনা কাল : চন |
|---|---|---|
| গহ্বৰ | ১ | ১৯৬৮ |
| যৌতুক | ২৬ | ১৯৬৯ |
| বয়স | ৪৪ | ১৯৬৩ |
| অন্সুৰ | ৬১ | ১৯৬৭ |
| এলান্ধু | ৮৩ | ১৯৬৩ |
| গ্ৰহণ | ৯৪ | ১৯৬৬ |
| অমৃত | ১১২ | ১৯৬২ |
| মৈদাম | ১২৭ | ১৯৬৬ |
| বৰ্ণবোধ | ১৫১ | ১৯৬৭ |
| খনিকৰ | ১৭৩ | ১৯৬৫ |
| নিৰ্বাণ | ১৯৪ | ১৯৬৮ |

# গহ্বৰ

প্ৰায় ষাঠিজন প্ৰেছ ৰিপ'ৰ্টাৰ আৰু ফটোগ্ৰাফাৰে হাস্পতালৰ প্ৰধান ওলোৱা-সোমোৱা বাটটোৰ সন্মুখৰ ফুলনিখনৰ ওচৰত অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছিল। তেওঁলোকৰ কোনো কোনো ফুলনিৰ ৰেলিংত বহিছিল, কোনো কোনো যীশুখ্ৰিষ্টৰ প্ৰকাণ্ড মূৰ্তিটোৰ চাৰিউকাষে থকা চিৰিবিলাকত বহিছিল, দুজনমান হাস্পতালৰ গাড়ীবাৰাণ্ডাৰ শকত স্তম্ভ দুটাত আউজি আছিল, কোনো কোনোৱে নিতান্ত অলস উদাসীনভাৱে ছিগাৰেট হুপি হুপি ইফালে-সিফালে খোজ কাঢ়ি ফুৰিছিল ; আৰু তেওঁলোকৰ প্ৰায় সকলোৱেই তিনি-চাৰিজনৰ জুম একোটা বান্ধি চিকিৎসা বিজ্ঞানৰ উজ্জ্বল সম্ভাৱনাৰপৰা আৰম্ভ কৰি বনৰীয়া ফুলৰ উচ্ছৃংখল সৌন্দৰ্য্যলৈকে বিভিন্ন বিষয়ৰ ওপৰত বিশেষজ্ঞৰ গাম্ভীৰ্য্যেৰে, তৰ্কত জিকা উত্তেজনাৰে, আড্ডাৰ মুখ্য ব্যক্তি হ'ব পৰাৰ উৎসাহেৰে আলোচনা কৰিছিল। কথা-বতৰাৰ মাজতে অলপ সময়ৰ কাৰণে নিষ্ক্ৰিয় হৈ পৰিবলগীয়া হোৱা ফটোগ্ৰাফাৰসকলে কেমেৰাৰ লেন্সখনৰ ওচৰৰ ইটো-সিটো লৰোৱা-চৰোৱা কৰিছিল, আৰু ভিউ-ফাইণ্ডাৰৰ মাজেদি হাস্পতালৰ প্ৰধান ওলোৱা-সোমোৱা বাটটোৰ চিৰিবিলাক আৰু বাৰাণ্ডাখন জুমি চাইছিল। নতুন বেলিৰ কোমল ৰ'দে চিৰিবিলাক আৰু বাৰাণ্ডাখন ঠিক ফটোগ্ৰাফিৰ কাৰণে উপযোগী তীব্ৰতাৰে পোহৰ কৰি ৰাখিছিল কাৰণে তেওঁলোকে ভাল পাইছিল ; এটা বুৰঞ্জীপ্ৰসিদ্ধ ঘটনাৰ ছবিয়ে কেমেৰাত সুন্দৰভাৱে ধৰা দিব

কাৰণে তেওঁলোকে মাজে মাজে আকাশ আৰু বেলিটোৰ প্ৰশংসা কৰিছিল।

মাজে মাজে হাস্পতালখনৰ ফালৰপৰা মানুহৰ খোজ, কথা-বতৰা, দুৱাৰ খোলা আদিৰ শব্দ আহি আছিল; আৰু প্ৰতিবাৰেই এই প্ৰেছৰ লোকসকলে ৰেলগাড়ী অহাৰ উমান পাই চঞ্চল হৈ উঠা ষ্টেশ্যনৰ প্লেটফৰ্মৰ যাত্ৰীৰ নিচিনাকৈ ব্যস্ত হৈ পৰাৰ আয়োজন কৰিছিল। কোনো কোনো ফটোগ্ৰাফাৰে ভাল ঠাই এডোখৰ অধিকাৰ কৰি ল'বলৈ চিৰিবিলাকৰ ফালে লৰ মাৰিছিল আৰু তাৰ লগে লগে দুৰৰ বাটৰ ফুটপাথত গোট খোৱা কেইবা শ মানুহৰ মাজত হাই-উৰুমিৰ সৃষ্টি হৈছিল। অভিভাৱকসকলে তেওঁলোকৰ দুই ভৰিৰ মাজত থিয় কৰাই ৰখা সৰু ল'ৰাছোৱালী-বিলাকক সাউৎকৈ কোলালৈ দাঙি লৈ আঙুলিৰে হাস্পতালৰ বাৰাণ্ডাখনলৈ সিহঁতৰ দৃষ্টি ঘূৰাবৰ চেষ্টা কৰিছিল, আৰু নিজেও উদগ্ৰীৱ হৈ সেইফালে চাইছিল। বাটেদি অহা-যোৱা কৰি থকা গাড়ীবিলাকৰ গতিও সেইকণ সময়ৰ কাৰণে মন্থৰ হৈ পৰিছিল আৰু গাড়ীৰ আৰোহীসকলে হাস্পতালখনৰ ফালে চাবলৈ উথপথপ লগাইছিল। কিন্তু অলপ সময়ৰ ভিতৰতে উত্তেজনাৰ কাৰণটো ভুৱা বুলি সকলোৱে গম পাইছিল; দুই এজনে দিয়া খেমেলীয়া মন্তব্যত চিনাকি-অচিনাকি সকলোৱে হাঁহিছিল, আৰু আকৌ শান্তভাৱে প্ৰকৃত ঘটনাটো ঘটাৰ মুহূৰ্তলৈ বাট চাইছিল। এনেকুৱা ভুৱা উত্তে-জনা শাম কটাৰ পিছতে বহুতে নতুনকৈ ছিগাৰেট জ্বলাইছিল।

প্ৰায় মাহিজন প্ৰেছ ৰিপ'টাৰ আৰু ফটোগ্ৰাফাৰৰ সতৰ্কতাক পৰাজিত কৰি আচল ঘটনাটো ঘটাৰ নিৰ্ভুল সংকেত শেষত অৰণ্যে ফুটপাথত থিয় দি থকা মানুহবোৰেই দিলে। হঠাতে এবাৰ তেওঁ-লোকৰ ফালৰপৰা হাই-উৰুমিৰ শব্দ ভাহি আহিল; প্ৰেছৰ মানুহবিলাকে সচকিত হৈ প্ৰথমতে বাটৰ মানুহবিলাকলৈ, পিছ মুহূৰ্ততে বাটৰ মানুহৰ দৃষ্টি অনুসৰণ কৰি হাস্পতালৰ বাৰাণ্ডালৈ

চালে, আৰু লগে লগে চিৰিবিলাকৰ ফালে লৰ ধৰিলে। হাস্পতাল কর্তৃপক্ষই নিযুক্ত কৰা কিছুমান কর্মচাৰীয়ে মানুহবোৰে বেছি আগুৱাব নোৱৰাকৈ চিৰিৰ নামনিত তৎক্ষণাত এটা বেষ্টনীৰ সৃষ্টি কৰিছিল; প্ৰেছৰ মানুহবিলাকে সেই বেষ্টনী ভাঙো ভাঙো কৰি, সন্মুখৰ ভাল ঠাই অধিকাৰ কৰাৰ চেষ্টাত নিজৰ ভিতৰতে প্ৰচণ্ড ঠেলাঠেলি আৰম্ভ কৰি দিলে। এজন মুভি কেমেৰামেনে কোনোবা সুৰুঙাইদি জাপ মাৰি চিৰিবিলাকৰ একাষে চাৰি ঢাপমান ওপৰত উঠি লৈ ফটোগ্ৰাফাৰসকলৰ ঠেলা-হেঁচাৰ দৃশ্যৰ চলচ্চিত্ৰ গ্ৰহণ কৰিবলৈ ধৰিলে।

হাস্পতালৰ ভিতৰৰপৰা এদল মানুহ লাহে লাহে বাৰাণ্ডাইদি চিৰিবিলাকৰ ফালে আগুৱাই আহিল। দলটোৰ সন্মুখত আছিল চাৰি গৰাকী মানুহ। একাষে বিখ্যাত চিকিৎসা বিজ্ঞানী ডক্টৰ কেম্পবেল, ইকাষে তেখেতৰ সহকাৰী ডক্টৰ মিলিন, অলপ পিছে পিছে এগৰাকী হাস্পতালৰ মেট্ৰন, আৰু এখেতসকলৰ মাজত আছিল মি° পিয়েনাৰ আৰু মিছেছ পিয়েনাৰ। দলটো চিৰিবিলাকৰ ওচৰ পোৱাৰ আগবেপৰাই কেমেৰাবিলাকৰপৰা অবিৰামভাৱে ক্লিক-ক্লিককৈ শব্দ হ'বলৈ ধৰিলে, একমুহূর্তৰ পিছতে ফুটপাথৰ শ শ মানুহৰ হাতবোৰ শূন্যলৈ উঠিল, আৰু 'মি° পিয়েনাৰ দীৰ্ঘজীৱী হোৱা, ডক্টৰ কেম্পবেল দীৰ্ঘজীৱী হোৱা'—এই ধ্বনিৰে গোটেই অঞ্চলটো মুখৰিত হৈ উঠিল। মি° পিয়েনাৰৰ শান্ত, শেঁতা মুখখন ইতিমধ্যে নতুন বেলিৰ পোহৰত উজ্জ্বল হৈ উঠিছিল, এতিয়া এই জনতাৰ আন্তৰিক অভিনন্দন আৰু আশীৰ্বাদত তেওঁৰ মুখত এটা উত্তেজনা বিয়পি পৰিল। তেওঁৰ ওঁঠ দুখন দীঘল হ'ল, দুই কোৱাৰিত দুটা সাঁচ পৰিল, নাকৰ পাহি দুটা লৰিল, কিন্তু এইবোৰে হাঁহি আৰু কান্দোনৰ কোনটো সূচালে ধৰিব পৰা নগ'ল। প্ৰেছৰ মানুহ আৰু বাটৰ জনতাৰ অভিনন্দনৰ প্ৰত্যুত্তৰত মি° পিয়েনাৰে সোঁহাতখন ওপৰলৈ তুলিব খুজি ড° কেম্পবেলৰ ফালে চালে, ড° কেম্পবেলে সন্মতিসূচক

ভংগীৰে মুখ লবালে। মি. পিয়েনাৰে জনতাৰ ফালে চাই ওপৰলৈ তোলা হাতখন লাহে লাহে লবালে, আৰু লগে লগে জনতাৰ কণ্ঠস্বৰে বিপুল উল্লাসেৰে প্ৰতিসম্ভাষণ জনালে। মি. পিয়েনাৰে হাতখন সম্পূৰ্ণভাৱে তললৈ নমাবলৈ নাপাওঁতেই এজন ৰিপ'ৰ্টাৰে এডাল পেন্সিল আৰু তেওঁৰ ন'ট লোৱা বহীখন মি. পিয়েনাৰৰ হাতখনৰ ওচৰ চপাই দিলে ; —এই বিখ্যাত ৰোগীজনে হাস্পতালৰপৰা ওলাই প্ৰথমে তেওঁৰ বহীখনত যদি সাধাৰণ আঁচ এডালো টানে,—তেওঁৰ বাতৰি কাকতখনৰ কাৰণে সেয়েই বহুত। ড. কেম্পবেলে শান্ত চাঁহিৰ অনুৰোধ এটাৰে ৰিপ'ৰ্টাৰজনৰ পেন্সিলডাল আৰু বহীখন লাহেকৈ আঁতৰাই দিলে।

কেই মুহূৰ্তমানৰ পিছতে এখন সুদৃশ্য, বগা গাড়ী প্ৰায় নিশব্দে গাড়ীবাৰাণ্ডাত ৰ'লহি। চিৰিবিলাক নমাৰ সময়ত মি. পিয়েনাৰক ড. কেম্পবেল আৰু মিছেছ পিয়েনাৰে সহায় কৰিলে। গাড়ীত উঠিবৰ সময়ত এজন ৰিপ'ৰ্টাৰে কিবা কৌশলেৰে সাউৎকৈ বেষ্টনী পাৰ হৈ গৈ সুধিলে, "আপোনাৰ কেনে লাগিছে মি. পিয়েনাৰ ?"

মি. পিয়েনাৰৰ ওঁঠ দুখন প্ৰথমতে কঁপি উঠিল ; থোকাথুকি মাতেৰে তেওঁ কলে, "এটা নতুন জীৱন ; এখন নতুন পৃথিৱী ; অভিনৱ !"

শ শ মানুহৰ হাতচাপৰি, হৰ্ষধ্বনিৰ মাজেদি গাড়ীখন হাস্পতালৰ-পৰা ওলাই গ'ল। অলপ সময়ৰ ভিতৰতে ঠাইডোখৰ নিজম পৰি গ'ল। প্ৰেছৰ মানুহ, বাটৰ মানুহ দিহাদিহি যোৱাৰ পাছতো বহুত পৰলৈকে হাস্পতালৰ বাৰাণ্ডাখনত নিষ্ক্ৰিয়, অলসভাৱে থিয়াথিয়ি কৰি থাকিল হাস্পতালৰ কৰ্মচাৰী কিছুমানে। পৰিয়ালৰ এজন অন্তৰংগ বন্ধুক বিদায় দিয়াৰ শূন্যতাৰে তেওঁলোকৰ মন ভৰি উঠিছিল। যোৱা এশ ওঠৰ দিনে এই ৰোগীজনক কেন্দ্ৰ কৰি হাস্পতালখনত এক অপূৰ্ব চাঞ্চল্য, কৰ্মমুখৰতা বিৰাজ কৰিছিল। একো একো সময়ত সমগ্ৰ পৃথিৱীৰ আগ্ৰহ এই হাস্পতালখনত

কেন্দ্ৰীভূত হৈছিল। যোৱা এশ ওঠৰ দিনৰ প্ৰতিটো দিনেই হাস্পতালখনলৈ আনিছিল অতুলনীয় সন্মান, গৌৰৱ, কৃতকাৰ্য্যতা। শেষত, সম্পূৰ্ণ সুস্থ অৱস্থাত মি. পিয়েনাৰ এইমাত্ৰ হাস্পতালৰপৰা ওলাই গ'ল। এক অৰ্থহীন বিষণ্ণতাই কৰ্মচাৰীসকলক কিছু সময়ৰ কাৰণে অলস, নিষ্ক্ৰিয় কৰি পেলালে।

প্ৰায় চাৰিমাহৰ আগতে হৃদযন্ত্ৰৰ অসুখত ভুগি মুমূৰ্ষ অৱস্থাত অইন দহজন ৰোগীৰ নিচিনাকৈয়ে মি. পিয়েনাৰ এই হাস্পতাললৈ আহিছিল। তেওঁৰ অৱস্থা দিনে দিনে বেয়াৰ ফাললৈ গৈছিল আৰু এসময়ত চিকিৎসকসকলে তেওঁৰ জীৱনৰ অন্তিম মুহূৰ্তবোৰ গণনা কৰিবলৈ আৰম্ভ কৰিছিল। কিন্তু এনে সময়তে ড. কেম্পবেলে পালে তেওঁৰ সুদীৰ্ঘ সাধনাৰপৰা এক অদ্ভুত প্ৰেৰণা, অসাধাৰণ জ্ঞান-প্ৰৰোচিত অতিমানৱীয় কৰ্মশক্তি, আৰু পালে দুৰ্ঘটনাত নিহতপ্ৰায় এক ত্ৰিছ বছৰীয়া যুৱকৰ স্পন্দনৰত হৃদপিণ্ড। মি. পিয়েনাৰৰ ৰোগগ্ৰস্ত, অকৰ্মণ্য হৈ পৰা হৃদপিণ্ড আঁতৰাই পেলোৱা হ'ল, আৰু তাৰ ঠাইত স্থাপন কৰা হ'ল সেই ত্ৰিছবছৰীয়া যুৱকৰ প্ৰাণশক্তিৰে ভৰপুৰ কলিজাটো। সেইটো এশ ওঠৰ দিনৰ আগৰ ঘটনা। এই এশ ওঠৰ দিনে নতুন কলিজাটোক দেহৰ প্ৰতিডাল শিৰ-উপশিৰেৰে আদৰি, একান্তভাৱে আপোন কৰি লৈ, আজি মি. পিয়েনাৰ এখন বগা, সুদৃশ্য গাড়ীত মিছেছ পিয়েনাৰ কাষত বহি শ শ জনতাৰ হৰ্ষধ্বনি, অভিনন্দন বাণীৰ মাজেদি ঘৰলৈ গ'লগৈ।

মিছেছ পিয়েনাৰে এই শুভদিনটো উপলক্ষে তেওঁলোকৰ ঘৰটো নতুনকৈ সজাইছিল। পৰ্দাবোৰ ধকধকীয়া বগা কাপোৰেৰে নতুনকৈ কৰাইছিল; চকী-মেজ আদি আহিলা-পাতিৰ য'তে কাপোৰৰ প্ৰয়োজন ত'তে দামী বগা কাপোৰ ব্যৱহাৰ কৰিছিল; তেওঁলোকৰ দুজনীয়া বিছনাখনো বগা কাপোৰেৰে ধুনীয়াকৈ পাৰি থৈছিল। এই কাপোৰবিলাক অৱশ্যে হাস্পতালৰ কাপোৰৰ

নিচিনা উকা নাছিল, বগা সূতাৰে তোলা বিভিন্ন আকৃতিৰ ফুল-পাতে কাপোৰবিলাকক সংসাৰী কৰি তুলিছিল। এশ ওঠৰটা বিচিত্র দিন এটা বিশেষ পৰিবেশত কটোৱাৰ পাছত হঠাতে এটা অতি-সংসাৰী পৰিবেশলৈ আহি মি. পিয়েনাৰ যাতে প্রয়োজনতকৈ বেছি উত্তেজিত হৈ নপৰে, সেই উদ্দেশ্যে ড. কেম্পবেলৰ পৰামর্শ মতে মিছেছ পিয়েনাৰে এই আয়োজন কৰিছিল।

মি. পিয়েনাৰ ঘৰ সোমোৱাৰ কিছু সময়ৰ পাছত পুলিছ বিষয়া আৰু ড. কেম্পবেলৰ অনুৰোধক্রমে ঘৰৰ সম্মুখত গোটখোৱা শুভাকাংক্ষীৰ দল লাহে লাহে আঁতৰি গ'ল। পুলিছৰ লগত অযথা তর্কাতর্কি কৰাৰ অপৰাধত দুটা ক'লা ছালৰ মানুহক গ্রেপ্তাৰ কৰা হ'ল।

ড. কেম্পবেলে বিদায় লৈ যোৱাৰ পাছত ঘৰটো নিজান হৈ পৰিল। মি. পিয়েনাৰে চ'ফা এখনত বহি দীঘলকৈ উশাহ এটা ল'লে আৰু তেওঁৰ পত্নীৰ মুখলৈ চাই লাহেকৈ হাঁহিলে। সুদীর্ঘ বিবাহিত জীৱনত মিছেছ পিয়েনাৰে যেন গিৰিয়েকৰ মুখত এনেকুৱা হাঁহি আৰু কেতিয়াও দেখা নাই। এক নতুন জীৱনৰ, এক পৰম শান্তিৰ হাঁহি। কার্পেটত আঁঠুকাঢ়ি মিছেছ পিয়েনাৰ চ'ফাখনৰ নিচেই কাষতে বহিল; তেওঁ আলফুলকৈ মি. পিয়েনাৰৰ বুকুত মুৰ থ'লে আৰু সোঁহাতখনেৰে তেওঁৰ বাহুটোত হাত ফুৰাবলৈ ধৰিলে। ভালেমান সময় মিছেছ পিয়েনাৰ তেনেকৈ পৰি থাকিল। লাহে লাহে তেওঁৰ চকু চলচলীয়া হৈ আহিল, আৰু এসময়ত গালৰ ওপৰেদি চকুপানী বৈ গ'ল। নিস্তব্ধ ঘৰটোত মি. পিয়েনাৰৰ কলিজাৰ ধপধপ শব্দবোৰ এক ক্লান্তিকৰ, আশংকাময় যুদ্ধৰ শেষৰ বিজয়সূচক ডবাৰ ধ্বনি যেন লাগিল।

সন্ধিয়া প্রকাশ হোৱা স্থানীয় বাতৰি কাকতৰ প্রথম সংস্কৰণটো সেইদিনা ছপৰীয়াই ওলাল। মিছেছ পিয়েনাৰে আটাইকেইখন কাকতৰ আটাইকেইটা সংস্কৰণ সংগ্রহ কৰি গিৰিয়েকক দিলে।

গিৰিয়েকে বাতৰিবোৰ পঢ়ি ছবিত নিজৰ চেহেৰাটো চাই চাই হাঁহিলে। পিছৰ কেইবাদিনলৈ বাতৰি কাকতত মি. পিয়েনাৰৰ বাতৰি, ঘৰৰ ভিতৰত, বাহিৰৰ ফুলনিত, বিভিন্ন ভংগীত থকা বহু ছবি প্ৰকাশিত হ'ল। মিছেছ পিয়েনাৰে যোৱা এশ ওঠৰ দিনত বহু বাতৰি কাকতৰপৰা মি. পিয়েনাৰ সম্পৰ্কীয় বহু বাতৰি সযতনে কাটি কাটি থৈছিল, সেইবোৰো তেওঁ গিৰিয়েকক চপাই দিলে। সেইবোৰকে পঢ়ি, মাজে সময়ে ঘনিষ্ঠ সম্পৰ্ক থকা শুভাকাংক্ষী আৰু প্ৰেছৰ মানুহৰ লগত দুই-এষাৰ কথা পাতি মি. পিয়েনাৰে নিৰুদ্বেগভাৱে কিছুদিন কটালে।

লাহে লাহে মি. পিয়েনাৰক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উত্তেজনাবোৰ নাইকিয়া হৈ গ'ল। এদিন মিছেছ পিয়েনাৰে ঠিক কৰিলে তেওঁ আকৌ কামলৈ যাব। "কামলৈ?" —মি. পিয়েনাৰে প্ৰশ্নসূচক দৃষ্টিৰে ঘৈণীয়েকলৈ চালে। কামলৈ যোৱাৰ নামত পিয়েনাৰ দম্পতিৰ দুডোখৰ ঠাই আছে। প্ৰথমডোখৰ ঠাই হ'ল কাগজৰ ব্যৱসায় কৰা এটি প্ৰতিষ্ঠান। বহু বছৰৰ আগতে, বিয়াৰ আগতে, মিছেছ পিয়েনাৰে অকলে এখন সৰু কাগজৰ দোকান দিছিল; বিয়াৰ পাছত মি. পিয়েনাৰে ঘৈণীয়েকৰ ব্যৱসায়ত বহু টকা খটুৱালে। লাহে লাহে তেওঁলোকৰ ব্যৱসায় বহুত ডাঙৰ আৰু লাভজনক হৈ আহিল। এসময়ত মি. পিয়েনাৰে উচ্চখাপৰ চৰকাৰী চাকৰি এৰি দি পূৰাপূৰিকৈ ব্যৱসায়তে মন দিলে। তেওঁলোকৰ দুটা ল'ৰা আছে; সিহঁতক কম বয়সতে তেওঁলোকে লণ্ডনলৈ পঠিয়াই দিলে। সিহঁতে তাতে পঢ়ে। পাছলৈ পিয়েনাৰ দম্পতিৰ ব্যৱসায় প্ৰতিষ্ঠানত কেইবাজনো সুদক্ষ, বিশ্বাসী কৰ্মচাৰী সোমাল; মিছেছ পিয়েনাৰো ব্যৱসায় পৰিচালনাত অত্যন্ত পটীয়সী; গতিকে মি. পিয়েনাৰৰ আজৰি সময় ওলাল প্ৰচুৰ। এই আজৰি সময়ৰ সুবিধা পাই ৰাজনীতি আৰু সমাজনীতি চৰ্চাই তেওঁক আৱৰি ধৰিলে। এসময়ৰ চৰকাৰৰ শাসন-বিষয়া

হিচাপে অৰ্জন কৰা অভিজ্ঞতা, কৰ্মকুশলতা আৰু চিন্তাধাৰা কামত লগাবলৈ তেওঁ অন্তৰৰ ভিতৰৰপৰা এটা উচটনি পালে। চৰকাৰৰ নৈতিক কামৰ ৰূপত মানুহৰ মাজলৈ কঢ়িয়াই নিয়া এক বেচৰকাৰী ৰাজনৈতিক সংঘত তেওঁ যোগ দিলে। নিজৰ প্ৰতিভা আৰু দক্ষতাৰ বলত অলপ দিনৰ পাছতে মি. পিয়েনাৰ সংঘৰ সম্পাদক হ'ল। এসময়ত ঘৈণীয়েকৰ কাগজৰ ব্যৱসায়ে মি. পিয়েনাৰক টানি লৈ গৈছিল, সংঘৰ সম্পাদক হোৱাৰ পাছত মি. পিয়েনাৰেও ঘৈণীয়েকক সংঘৰ কামলৈ টানি আনিলে। দিনটোৰ ব্যৱসায়-সংক্ৰান্ত কাম-বন শেষ কৰি পিয়েনাৰ দম্পতিয়ে সক্ৰিয়া নিয়মীয়াকৈ সংঘৰ আলোচনাত যোগ দিয়ে। আলোচনা চলে নানা বিষয়ৰ ওপৰত, কিন্তু সকলো আলোচনাৰ আঁৰত থাকে সংঘৰ মূল উদ্দেশ্য আৰু নীতিসমূহ; --এডোখৰ ঠাইত জন্ম গ্ৰহণ কৰিলে কাৰণেই মানুহ সেই ঠাইডোখৰৰ অধিকাৰী হ'ব নোৱাৰে। কিছুমান হাবিত হাজাৰ হাজাৰ বান্দৰে জন্ম গ্ৰহণ কৰে, কিন্তু সেই হাবিবোৰ বান্দৰৰ নহয়। এইখন দেশত বহুত ক'লা ছালৰ মানুহে জন্ম গ্ৰহণ কৰিছিল, আৰু জন্ম গ্ৰহণ কৰিছিল কাৰণেই সিহঁত এসময়ত মৰিছিল। জন্ম গ্ৰহণ কৰি এসময়ত মৰাৰ বাহিৰে সিহঁতে একো কৰা নাছিল, আজিও কৰা নাই। গতিকে যি সুসভ্য জাতিয়ে বাহিৰৰপৰা আহি হ'লেও অক্লান্ত পৰিশ্ৰম আৰু ত্যাগেৰে দেশখন গঢ়ি তুলিছে, অন্ধকাৰৰ অতল গহ্বৰৰপৰা তুলি আনি দেশখনক সভ্যতা-সমৃদ্ধিৰ উজ্জ্বল পোহৰত মেলি দিছে, সেই জাতিৰ বাহিৰে অইন কাৰো এই দেশৰ ওপৰত অধিকাৰ নাই। ধকধকীয়া বগা ছালৰ এক শ্ৰেণী মানুহ ভগবানে ভুলতে সৃষ্টি কৰা নাই। মানুহৰ ছালৰ এই দুটা ৰঙৰ মাজতে সৃষ্টিকৰ্তাৰ বক্তব্য লুকাই আছে। ক'লা ছালৰ মূৰ্খহঁতে সেই বক্তব্য উপলব্ধি কৰিব নোৱাৰি বিদ্ৰোহৰ নামত পাপ আচৰণ কৰে; কিন্তু সেই বক্তব্যৰ প্ৰতি অকুণ্ঠ শ্ৰদ্ধা জ্ঞাপন কৰাটো মি. পিয়েনাৰহঁতৰ পবিত্ৰ কৰ্তব্য।

এদল অনুগামী আৰু কৰ্মীৰ সহযোগিতাত পিয়েনাৰ দম্পতিয়ে এই পবিত্ৰ কৰ্তব্য পালন কৰে। কুৎসিত ক'লা বংবোৰ আঁতৰাই চহৰখনক বগা কৰিবলৈ, এই ক'লীয়াহঁতক খেদি নি নি পাৰিলে আকৌ গছৰ ডালত উঠাই দিবলৈ তেওঁলোকে এটা সমগ্ৰ চহৰজোৰা অভিযান পৰিচালনা কৰে।

কামলৈ যোৱা বুলিলে পিয়েনাৰ দম্পতিয়ে সংঘৰ অফিছলৈ যোৱাটোও বুজে।

মি. পিয়েনাৰৰ প্ৰশ্নৰ উত্তৰত ঘৈণীয়েকে ক'লে—তেওঁ ব্যৱসায় প্ৰতিষ্ঠানলৈ যাব। মি. পিয়েনাৰে সুধিলে, "সংঘৰ খবৰ কি?"

"যোৱা দিনখিনিত ময়ো অৱশ্যে বেছিভাগ খবৰ ফোনতহে পাইছোঁ। নতুন খবৰ বিশেষ একো নাই। কেৱল কুইন্স কলেজৰ ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি কৰাৰ সময়ত এদিন সিহঁতৰ এজাক লৰা-ছোৱালী মাক-বাপেকৰে সৈতে কলেজৰ বাৰাণ্ডাত বহি আছিল। সিহঁতকো কলেজত ভৰ্তি কৰিব লাগে; নহ'লে সিহঁত হেনো বহিয়েই থাকিব। পুলিছ আহিছিল, কিন্তু পুলিছে একো কৰিবলৈ নাপাওঁতেই কলেজত থকা আমাৰ ল'ৰা-ছোৱালী, কলেজৰ কৰ্মচাৰী আদি সকলো কলেজৰপৰা ওলাই আহিল। সন্ধিয়ালৈকে বহি থাকি থাকি সিহঁতৰ বোধকৰোঁ আমনি লাগিল; হয়তো ভোকো লাগিল; গুচি গল।" মিছেছ পিয়েনাৰে হাঁহি হাঁহি কথাখিনি শেষ কৰিলে।

মিছেছ পিয়েনাৰে কামলৈ যাবলৈ আৰম্ভ কৰাৰ ভালেমান দিনৰ পাছত এদিন আবেলি মি. পিয়েনাৰে ড. কেম্পবেললৈ টেলিফোন কৰিলে,—তেওঁ অলপ অলপ সময়ৰ বাবে অফিছলৈ যাব খোজে। ড. কেম্পবেলে কেইটামান সাৱধান বাণীৰ লগতে অনুমতি দিলে।

প্ৰথম দিনা ব্যৱসায় প্ৰতিষ্ঠানলৈ যাওঁতে তাৰ কৰ্মচাৰীসকলে মি. পিয়েনাৰক সম্ভাষণ জনাবলৈ এটা ভোজৰ আয়োজন কৰিলে।

সংঘৰ অফিছতো তেওঁৰ পুনৰ পদাৰ্পণ উপলক্ষে এক আনন্দময় পৰিবেশৰ সৃষ্টি কৰি নৈশভোজ পতা হ'ল। তাৰ পাছত তেওঁ প্ৰায় নিয়মীয়াকৈ অফিছ ছুটালৈ অহা-যোৱা কৰিবলৈ ল'লে।

সন্ধিয়া সংঘৰ অফিছৰপৰা উভতি আহি মি° পিয়েনাৰ সদায় এখন পাৰ্কৰ ওচৰত তেওঁৰ বগা গাড়ীখনৰপৰা নামে। পাৰ্ক-খনৰপৰা তেওঁলোকৰ ঘৰলৈ তুই ফাৰ্লংমান দূৰ; এইকণ বাটত তেওঁ কিছু সময়ৰ কাৰণে ইফালে-সিফালে লাহে লাহে খোজ কাঢ়ে। এইকণ খোজকঢ়া তেওঁ কাৰণে প্ৰয়োজনীয়। তদুপৰি সন্ধিয়াৰ পাছত এইখিনি ৰাস্তা বৰ নিৰ্জন হৈ পৰে, শান্তিৰে অলপ খোজ কাঢ়িব পাৰি।

এদিন এনেকৈ খোজকাঢ়ি ঘৰৰ ফালে আগবাঢ়োঁতে হঠাতে মি° পিয়েনাৰৰ সন্দেহ হ'ল, কোনোবাই তেওঁক মৃদু কণ্ঠেৰে মাতিছে, "ডাঙৰীয়া!" বহুত মানুহে সুবিধা পালেই তেওঁৰ লগত কথা পাতিব খোজে। কেতিয়াবা তেওঁৰ এনেকুৱা লাগে যেন পৃথিৱীৰ প্ৰত্যেকটো মানুহেই প্ৰেছ ৰিপ'টাৰৰ চাকৰি লৈছে। তেওঁ লাহে লাহে মানুহ-বোৰক প্ৰশ্ৰয় দিবলৈ এৰি দিছে।

তেওঁ আগবাঢ়িল; কিন্তু অলপ পাছতে আকৌ তেওঁৰ কাণত পৰিল, "ডাঙৰীয়া!"

মি° পিয়েনাৰে লাহেকৈ উভতি চালে: তেওঁৰপৰা পাঁচ-ছহাত-মান আঁতৰত এজনী ক'লা ছালৰ তিৰোতা থিয় হৈ আছে। এইবাৰ মি° পিয়েনাৰ নিশ্চিন্ত মনেৰে আগবাঢ়িল। মানুহজনীয়ে তেওঁক নিশ্চয় মতা নাই। এই ধৰণৰ মানুহৰ লগত তেওঁৰ কোনো সম্পৰ্ক নাই। তেওঁ কেৱল চিন্তা কৰিবলৈ ধৰিলে, ক'লা মানুহ থকা অঞ্চলটো ইয়াৰপৰা বহুত দূৰত, এই মানুহজনী এনে অসময়ত ইয়ালৈ আহিছে কিয়?

তেওঁ আগবাঢ়িল। তেওঁ মানুহজনীলৈ উভতি চাইছিল ছুটা ষ্ট্ৰিট লাইটৰ মাজৰ ঠাইত; তাৰপৰা আগবাঢ়ি তেওঁ এটা ষ্ট্ৰিট লাইটৰ

ঠিক তল পাইছে, এনেতে আকৌ তেওঁৰ কাণত পৰিল,—"অকণ-মান অনুগ্ৰহ কৰি—ডাঙৰীয়া—"

মি. পিয়েনাৰে এইবাৰ বৈ, সম্পূৰ্ণ আধাপাক ঘূৰি মানুহজনীলৈ চালে। পাঁচহাতমান আঁতৰত মানুহজনী থিয় হৈ আছে। ষ্ট্ৰিট লাইটৰ উজ্জ্বল পোহৰত তাইৰ কেটকেটকৈ ক'লা মুখখন জিলিকি উঠিছিল। ভয় আৰু মিনতিৰে ভৰা দৃষ্টিৰে তাই মি. পিয়েনাৰৰ মুখলৈ চাই আছিল।

ঠিক ষ্ট্ৰিট লাইটটোৰ তলতে থিয় হোৱা কাৰণে আৰু মূৰত ফে'ল্ট হেট পিন্ধি থকাৰ কাৰণে মি. পিয়েনাৰৰ গোটেই মুখত ছাঁ পৰিছিল। তেওঁৰ মুখখনৰ ৰং তিৰোতাজনীৰ মুখৰ ৰঙৰ নিচিনাই যেন দেখা গৈছিল। মানুহজনীৰ ফালে চাই থাকোঁতে হঠাতে মি. পিয়েনাৰৰ ধাৰণা হ'ল,—এই মানুহজনীক তেওঁ আগতে ক'ৰবাত দেখিছে। হয়, এইডোখৰ বাটতে কেইবাদিনো তাইক বিভিন্ন ঠাইত বৈ থকা দেখা যেন তেওঁৰ মনত পৰিছে। এনেয়ে উভতি চাওঁতে কেতিয়াবা যেন এই মানুহজনী পিছে পিছে আহি থকাৰ কথা তেওঁৰ মনত পৰিছে।

"তুমি মোক কিবা কৈছিলা নেকি?" মি. পিয়েনাৰে গম্ভীৰ কণ্ঠেৰে সুধিলে।

মানুহজনীয়ে ফুলাম ফ্ৰকটোৰে ঢাকি ৰখা আঠু দুটা শ্ৰদ্ধা জনোৱাৰ ভংগীত সামান্য বেঁকা কৰিলে, তাৰ পাছত তাই আকৌ পোন হৈ থিয় হ'ল। বুকুৰ সোঁমাজত দুইখন হাত একেলগ কৰি মৰা মুঠিটো থৈ তাই কঁপা কঁপা মাতেৰে ক'লে, "হয় ডাঙৰীয়া, হয়, মই আপোনাক মাতিছিলোঁ।"

"মইতো তোমাক চিনি পোৱা নাই। মোৰ লগত বোধকৰোঁ তোমাৰ চিনাকি কেতিয়াও হোৱাও নাই।"

"নাই হোৱা, কিন্তু মই আপোনাক চিনি পাওঁ। আপুনিও মোক চিনি পাব। মই মেৰী, স্মিথৰ পত্নী।"—তীব্ৰ উত্তেজনা আৰু আগ্ৰহ মিহলাই মেৰীয়ে একে উশাহে কথাখিনি কৈ গ'ল।

"স্মিথ ?" মি. পিয়েনাৰৰ মুখেদি আপোনাআপুনি শব্দটো ওলাই আহিল। হয় তেওঁ হাজাৰ হাজাৰ স্মিথক চিনি পায়, নহয় তেওঁ স্মিথ নামৰ কাকো চিনি নাপায়, নাইবা তেওঁ এজন স্মিথক বৰ ভালকৈ চিনি পায় ;—তেওঁ উচ্চাৰণৰ ধৰণত এইবোৰৰ কোনটো প্ৰকাশ পালে, ধৰিব পৰা নগ'ল।

"হয় হয় স্মিথ।"—মেৰী যেন ব্যাকুল হৈ উঠিল।—"মোৰ স্বামী স্মিথ, তেওঁৰ মটৰ দুৰ্ঘটনাত আহত হৈছিল ; তেওঁৰ কলিজাটো কাটি নি ডাক্তৰে আপোনাৰ বুকুত লগাই দিছে।"

"অ' !"—মি. পিয়েনাৰে এটা অস্ফুট শব্দ কৰিলে।

"হয় ডাঙৰীয়া, আমাৰ বিয়া হোৱা মাত্ৰ দুমাহ হৈছিল। সেই-দিনা দেওবাৰে আমি নেছনেল পাৰ্কলৈ গৈছিলোঁ। গোটেই দিনটো তাত আমি বৰ ফুৰ্তি কৰিছিলোঁ। এয়া, এয়া চাওক, তাত অট'মেটিক স্নেপত তোলা আমাৰ এইখন শেষ ফটো"—মেৰীয়ে অতি অসংযতভাৱে কথাবোৰ কৈ গ'ল, লগে লগে হাতৰ বেগটোৰপৰা এখন সৰু ফটো উলিয়াই কেইখোজমান আগুৱাই গ'ল, আৰু মি. পিয়েনাৰৰ নিষ্পলক, অৰ্থহীন, শূন্য দৃষ্টিৰ আগত ফটোখন দাঙি ধৰিলে। নৈৰ পাৰৰ এচটা শিলৰ ওপৰত বাহুত ধৰাধৰিকৈ স্মিথ আৰু মেৰী বহি আছে। স্মিথৰ গা উদং। তাৰ বহল, সুঠাম, কিচকিচীয়া ক'লা বুকুখনত সূৰ্য্যৰ ৰশ্মি প্ৰতিফলিত হৈছে। তাৰ ডাঠ ওঁঠ দুখনত এটা ক্ষীণ হাঁহি ওলমি আছে।

ফটোখন আকৌ বেগত ভৰাই মেৰীয়ে কৈ গ'ল,—"সেইদিনা আমি উভতি আহোঁতে পলম হৈছিল। সোনকালে ঘৰ পাবলৈ স্মিথে বৰ বেগেৰে গাড়ী চলাইছিল। গোটেই বাটটো আমি নিৰ্বিঘ্নে পাৰ হৈ আহিলোঁ। কিন্তু চহৰ সোমোৱাৰ আগে আগে—ঠিক কি হৈছিল মই ক'ব নোৱাৰোঁ। পিছদিনা হাস্পতালত মোৰ জ্ঞান আহিছিল। ইতিমধ্যে অইন এখন হাস্পতালত স্মিথৰ কলিজাটো আপোনাৰ বুকুত বহুৱাই দিয়া হৈছে—।" মেৰীৰ মাত থোকাথুকি হৈ গ'ল। বাও-

হাতেৰে চকু দুটা মোহাৰি তাই একেবাৰতে আগফাললৈ অহা চুলিকোছাও কাণৰ ওপৰেদি পিছফাললৈ বগৰাই দিলে।

নিৰৱ, নিশ্চল মি. পিয়েনাৰৰ মুখখন টুপীৰ ছাত অন্ধকাৰ হৈয়েই আছিল। ক'বলৈ তেওঁ কথা বিচাৰি পোৱা নাছিল। কেইটামান নিস্তব্ধ মুহূর্ত পাৰ হোৱাৰ পাছত তেওঁ জড়তা মিহলি মাতেৰে সুধিলে, "তুমি মোক কিয় লগ ধৰিছা?" প্রশ্নটো মি. পিয়েনাৰৰ নিজৰ কাণতে অবাস্তৱ যেন লাগিল।

"আপোনাক? আপোনাক মই দূৰৰপৰা সদায় চাইছোঁ। মোক আপোনাক ওচৰৰপৰা চাবলৈ লাগে, অপোনাৰ লগত কথা পাতিবলৈ লাগে, আপোনাৰ সান্নিধ্য লাগে। মই একেবাৰে নিঃস্ব হৈ গ'লোঁ ডাঙৰীয়া। মোৰ আৰু কোনো নাই। কিন্তু স্মিথৰ কলিজাখন আপোনাৰ বুকুত আছে। আমি কালিজাৰ লগতে মানুহৰ অন্তৰ থাকে বুলি ভাবোঁ। স্মিথৰ সুন্দৰ, মৰমেৰে ভৰপূৰ অন্তৰখনৰ শলাগ লৈ মই তেওঁৰ বুকুৰ কলিজা থকা ঠাই ডোখৰত হাত ফুৰাইছিলোঁ। সেইখন কলিজাই এতিয়া আপোনাৰ বুকুত ধপধপাই আছে, আপোনাক জীয়াই ৰাখিছে। কলিজাখনেই যদি জীয়াই থাকিল, তেনেহলে মোৰ স্মিথ কেনেকৈ মৰিল?" মেৰীয়ে চলচলীয়া চকুৰে, অসীম আগ্রহৰ দৃষ্টিৰে মি. পিয়েনাৰৰ অন্ধকাৰ মুখখনলৈ চালে। মি. পিয়েনাৰৰ মুখেদি ওলাল, "এতিয়া বহুত পলম হ'ল। তোমাক মই পাছত লগ পাম।"

"লগ পাব?" মেৰীৰ চকু দুটা উজ্জ্বল হৈ উঠিল; "অশেষ ধন্যবাদ ডাঙৰীয়া। অশেষ ধন্যবাদ।" অকণমান ইতস্ততঃ কৰি তাই আকৌ ক'লে, "আপোনালোকৰ ইয়ালৈ অহাত আমাৰ বহুত অসুবিধা আছে; তথাপি মই আপোনাক চাবলৈ আহিম। আপুনিও আমাৰ ঘৰলৈ যাবনে ডাঙৰীয়া? এইখন—এইখন—" মেৰীয়ে বেগটো খুলি বস্তুবিলাকৰ মাজত খপজপকৈ কিবা বিচাৰিলে, তাঁৰ

পাছত সরু কার্ড এখন উলিয়াই ক'লে, "এইখন আমাৰ ঘৰৰ ঠিকনা থকা কার্ড; স্মিথৰ নামৰ কার্ড। এইখন আপুনি ৰাখক।"

মি. পিয়েনাৰৰ হাতখনে যন্ত্ৰচালিত হাতৰ নিচিনাকৈ মেৰীৰ হাতৰপৰা কার্ডখন লৈ কোটৰ ভিতৰ ফালৰ, বুকুৰ ওচৰৰ জেপটোত ভৰাই থ'লে। তাৰ পাছত তেওঁ হঠাতে ঘূৰিল আৰু ঘৰৰ ফালে খোজ ল'লে। পিছফালৰপৰা মেৰীয়ে অতি আগ্ৰহেৰে উচ্চাৰণ কৰা "গুড নাইট ছাৰ" কথাষাৰৰ উত্তৰত তেওঁ মুখৰ ভিতৰতে কিবাকিবি বিৰবিৰ কৰিলে।

মি. পিয়েনাৰৰ ভৰি দুখন অৱশ লাগিছিল। তেওঁৰ মূৰটো ঘূৰোৱা যেন লাগিছিল। কোনো মতে দুই ফাৰ্লং বাট অতিক্রম কৰি তেওঁ ঘৰ সোমাল, আৰু অলপ পাছতে ক্লান্তভাৱে এখন চ'ফাত বহি পৰিল।

মানুহজনীক তেওঁ ধন্যবাদ জনাব লাগিছিল নেকি? তেওঁ এয়া এনেকৈ জীৱন্ত হৈ থাকিবলৈ পোৱাৰ কাৰণে মানুহজনীৰ প্ৰতি চিৰজীৱন কৃতজ্ঞ হৈ থকাৰ কথা ক'ব লাগিছিল নেকি? তেওঁৰ মগজটো অসাৰ হৈ গৈছিল; মগজটোৱে কাম কৰা নাছিল। এতিয়াও তেওঁৰ মগজটোৱে ভালকৈ কাম কৰা নাই। তেওঁ বৰ অস্থিৰ অনুভৱ কৰিছে। কথাবোৰ এনেকৈ তেওঁ কেতিয়াও ভবা নাছিল। তেওঁ জানিছিল—তেওঁৰ হৃদপিণ্ড সলনি হোৱাৰ ঘটনাটো মানুহৰ জ্ঞান-বুদ্ধি, কৰ্মকুশলতাৰ ক্ষেত্ৰত এক যুগান্তকাৰী কৃতিত্ব। তেওঁৰ এই নতুন জীৱন বিজ্ঞানৰ এক চাঞ্চল্যকৰ পদক্ষেপৰ জীৱন্ত প্ৰতীক। এজনৰ দেহাৰ অত্যন্ত প্ৰয়োজনীয় এটা অংগ তেওঁৰ দেহাত প্ৰতিষ্ঠা কৰাটো এক পৰম বিস্ময়। এটা যুগান্তকাৰী, চাঞ্চল্যকৰ ঘটনা। ঠিক ইমানকে তেওঁ জানিছিল। কিন্তু কাৰ হৃদপিণ্ড তেওঁৰ বুকুত স্থাপন কৰা হ'ল, সেইটো কথা চিন্তা কৰাৰ প্ৰয়োজন তেওঁ অনুভৱ কৰা নাছিল। তাৰ কাৰণে তেওঁ অৱসৰ পোৱা নাছিল। ডাক্তৰ, বন্ধু-বান্ধৱ,

প্ৰেছ ৰিপ'টাৰ কোনেও এইটো প্ৰসংগ তেওঁৰ সম্মুখত উত্থাপন কৰা নাছিল। আনকি ইমানবোৰ বাতৰি কাকতৰ সংবাদেও তেওঁৰ মনত এই চিন্তাৰ উদ্ৰেক কৰা নাছিল। স্মিথ,—এই নামটো কোনোবা উপকৃত্যা আলোচনাত তেওঁৰ কাণত পৰিছে, কিন্তু সেই আলোচনাই কেতিয়াও গুৰুত্ব লাভ কৰা নাই। নামটো গিলাচৰ ঔষধৰ বুৰবুৰণিৰ নিচিনাকৈ অদৃশ্য হৈ গৈছে। নতুন জীৱনটোৰ কথা ভাবিলেই তেওঁ কেৱল অসীম কৃতজ্ঞতাৰে ড০ কেম্পবেলৰ ঐশ্বৰিক শক্তিৰ কথা সোঁৱৰে।

কিন্তু আজি মানুহজনীয়ে ক'লে—এইটো হৃদপিণ্ডৰ নিশ্চিত-ভাৱে এজন গৰাকী আছিল। এই হৃদপিণ্ডৰ লগত এখন অন্তৰ জড়িত হৈ আছিল। হৃদপিণ্ড—হাৰ্ট—অন্তৰ! এইটো হৃদপিণ্ডৰ উত্তৰাধি-কাৰীয়ে তেওঁৰ সান্নিধ্য বিচাৰিছে। কেনেকুৱা সান্নিধ্য? তাইক কি লাগে?

মেৰীৰ মুখখন মি০ পিয়েনাৰৰ চকুৰ আগত ভাহি উঠিল। তলৰ ওঁঠখন ডাঠ আৰু ডাঙৰ, নাকটো ডাঙৰ, গালৰ হাড় স্পষ্ট, চেলাউৰিৰ ওপৰডোখৰ তললৈ সোমাৰা। গাৰ ৰং—

মি০ পিয়েনাৰে বৰ অস্থিৰ অনুভৱ কৰিলে। মিছেছ পিয়েনাৰৰ ভালেমান প্ৰশ্নৰ উত্তৰত তেওঁ কেৱল "নাই, একো হোৱা নাই;—নালাগে, ডাক্তৰক কিয় খবৰ দিব লাগিছে?"—ইত্যাদি চুটি চুটি বাক্য উচ্চাৰণ কৰিলে।

ৰাতি তেওঁৰ ভালকৈ টোপনি নাহিল। বাৰে বাৰে যেন তেওঁ তেওঁৰ কলিজাৰ ধপধপনিৰ শব্দত সাৰ পাই উঠিল। তেওঁ অনুভৱ কৰিলে—হৃদপিণ্ডটোৱে তেওঁৰ গোটেই দেহৰ তেজবোৰ একোবাৰ শুহি লৈছে, তেওঁ নিস্তেজ, বিবৰ্ণ হৈ পৰিছে; তাৰ পাছত হৃদপিণ্ডটোৱে আকৌ বিজুলী বেগেৰে, তীব্ৰ শক্তিৰে তেজবোৰ গোটেই গালৈ পঠিয়াই দিছে। তেজৰ সেই বেগ যেন তেওঁৰ শিৰ-উপশিৰবোৰে সহ্য কৰিব পৰা নাই; বিশেষকৈ কপালৰ

দুই কাষৰ শিৰ ফুডাল, মগজুৰ ভিতৰৰ শিৰবিলাক যেন ফাটি যাওঁ ফাটি যাওঁ হৈছে; যন্ত্ৰণাত তেওঁ কাতৰ হৈ পৰিছে। তেওঁ অনুভৱ কৰিলে—তেওঁৰ অৰ্ধজীৰ্ণ দেহাৰ কাৰণে হৃদপিণ্ডটো অতি শক্তিশালী হৈছে। তেওঁ চকুৰ আগত স্মিথ নামৰ এটা ক'লা মানুহ ভাহি উঠিল। ষ্ট্ৰিট লাইটৰ পোহৰত তেওঁ ফটোখনৰ স্মিথক মন কৰা নাছিল, কিন্তু সেই জাতটোৰ লগত তেওঁৰ ঘনিষ্ঠ পৰিচয় আছে। সুদৃঢ় মাংসপেশীৰে গঢ়া সিহঁতৰ বহল বুকু; সিহঁতৰ হাতৰ মুঠিটো—কিহৰ সমান—কিহৰ সমান—মি. পিয়েনাৰে অবাবতে এটা ক'লা মানুহৰ হাতৰ মুঠিৰ অবয়বৰ তুলনা বিচাৰিলে,—এবাৰ তেওঁলোকৰ সংঘৰ অফিছত গোটোৱা হাত বোমা একোটাৰ সমান? তেওঁৰ প্ৰকাণ্ড বগা গাড়ীখনৰ ডিষ্ট্ৰিবিউ-টৰটোৰ সমান? -অসংলগ্ন চিন্তাই মি. পিয়েনাৰক জুমুৰি দি ধৰিলে।--আৰু মানুহৰ হাতৰ মুঠিটো হেনো মানুহজনৰ কলিজা-টোৰ সমান!

মি. পিয়েনাৰে অলপ সময়ৰ কাৰণে হ'লেও তেওঁৰ দেহাৰ তেজ চলাচল,—বিশেষকৈ মূৰৰ ফাললৈ, বন্ধ থকাটো বাঞ্ছা কৰিলে।

ৰাতিপুৱা মি. পিয়েনাৰৰ মুখখন শেঁতা দেখা গল। আয়নাৰ সম্মুখত থিয় হৈ তেওঁ নিষ্পলক দৃষ্টিৰে তেওঁৰ প্ৰতিবিম্বটোলৈ চাই ৰ'ল। তেওঁৰ মুখৰ ৰং, গাৰ ৰং লাহে লাহে ক'লা হৈ আহিছে নেকি? তেজ চলাচল কৰোঁৱা যন্ত্ৰটোৰ কাৰণে—তেওঁ এদিন স্মিথহঁতৰ নিচিনা হৈ যাব নে কি?

মিছেছ পিয়েনাৰৰ অনুৰোধক্ৰমে সেইদিনা ড. কেম্পবেল আৰু তেওঁৰ সহকাৰীসকলে মি. পিয়েনাৰক বহুপৰ ধৰি পৰীক্ষা কৰিলে। একো হোৱা নাই। সকলো ঠিক আছে। লাহে লাহে এতিয়া মি. পিয়েনাৰে স্বাভাৱিকভাৱে কাম-বন আৰম্ভ কৰা উচিত।

সেইদিনা মিছেছ পিয়েনাৰে গিৰিয়েকক সোনকালে সংঘৰ অফিছলৈ লৈ গ'ল। কোনোবা এটা অঞ্চলত ক'লা মানুহবোৰে স্থকীয়াকৈ এখন মিউনিছিপাল ব'ৰ্ড গঠন কৰিব খুজিছে। এটা দেমাকী! এটা হাস্যকৰ পৰিকল্পনা! এটা অপৰাধমূলক বিদ্ৰোহ! সংঘৰ সভ্যসকলে গম্ভীৰভাৱে কথাটো আলোচনা কৰিবলৈ ধৰিলে। হঠাতে এবাৰ মি. পিয়েনাৰৰ মনত সন্দেহ জাগিল,—তেওঁ আলোচনাত ভালকৈ অংশ গ্ৰহণ কৰা নাই নেকি? তেওঁ গা লৰাই চকীখনত ভালকৈ বহি ল'লে। তাৰ পাছত তেওঁ প্ৰয়োজনতকৈ বেছি ডাঙৰ মাতেৰে কথা ক'বলৈ ধৰিলে। কোনো ধৰণৰ প্ৰশ্ৰয় এই মানুহবিলাকক দিব নোৱাৰি। মিউনিছিপাল ব'ৰ্ডৰ নামত এঠাইত খোপনি পূতিবলৈ পালে, সিহঁতে এটা ক্ষমতা আৰু অধিকাৰৰ চেতনা জগাই তুলিব—ইত্যাদি ইত্যাদি। সংঘৰ অইন সভ্যসকলে এটা স্থনিশ্চিত কৰ্মপন্থাৰ কথা পাতি আছিল। মি. পিয়েনাৰৰ কথাত তেওঁলোকে বহুত দিনৰ পুৰণি বক্তৃতাৰ সুৰ শুনিবলৈ পালে। তেওঁলোকে আঁৰ চকুৰে ইজনে সিজনৰ ফালে চালে। মিছেছ পিয়েনাৰে অপ্ৰতিভ দৃষ্টিৰে গিৰিয়েকক মনে মনে থাকিবলৈ ইংগিত দিলে।

ভালেমান সময় উত্তেজিতভাৱে অনৰ্গল কথা কৈ মি. পিয়েনাৰ কিন্তু ভাগৰি পৰিল। তেওঁ সহজ হৈ বহি থাকিবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁৰ বুকুখন ধপধপাবলৈ ধৰিলে। আপ্ৰাণ চেষ্টাৰে তেওঁ ধপধপনিটোৰ প্ৰতি উদাসীন হৈ থাকিব খুজিলে, কিন্তু নোৱাৰিলে। বৰঞ্চ এবাৰ তেওঁৰ ধাৰণা হ'ল স্মিথৰ সেই প্ৰকাণ্ড হৃদপিণ্ডটোৰ শক্তি অৱৰুদ্ধ কৰি ৰখাৰ কোনো সামৰ্থ্য তেওঁৰ নাই।

মি. পিয়েনাৰে সন্ধিয়া বাটত খোজ কাঢ়িবলৈ এৰি দিলে। পিছে পিছে এজনী ক'লা মানুহে এখন অন্তৰৰ সান্নিধ্য বিচাৰি আহি থকাৰ আতংকই তেওঁক আৱৰি ধৰিলে। মাজে সময়ে তেওঁ কল্পনা কৰে,—অকল সেই মানুহজনীয়েই নহয়, এটা হৃদপিণ্ডৰ

সুবিধা লৈ গোটেই ক'লা জাতটোৱে সান্নিধ্য বিচাৰি তেওঁৰ পিছে-পিছে আহি আছে। সিহঁতে আকৌ হৃদপিণ্ডৰ লগত অন্তৰ সলনি হোৱাক জড়িত কৰিছে নেকি ?

কিছুদিনৰ পাছত এদিন মি° পিয়েনাৰে ভয়ে ভয়ে বাটত খোজ কাঢ়িবলৈ ওলাল ; আৰু অলপ পৰৰ পাছতে তেওঁৰ কাণত পৰিল --"ডাঙৰীয়া --"

মেৰী যেন সুদূৰ অতীতৰপৰা প্ৰতি দিনেই এই বাটৰ লাইটৰ আঁৰত লুকাই আছে ! তাই থমক খাই ৰৈ যোৱা মি° পিয়েনাৰৰ কাষ চাপি আহিল।

মি• পিয়েনাৰে হঠাতে বাঘৰ মুখামুখি হৈ যোৱাৰ সাহসেৰে গৰ্জি উঠিল, "তোমাক কি লাগে ?"

মেৰী প্ৰথমতে থতমত খাই গ'ল ; কিন্তু পিছ মুহূৰ্ততে তাই সাহস গোটাই ল'লে আৰু মিনতি ভৰা কণ্ঠেৰে ক'লে, "মোক মাত্ৰ এবাৰ আপোনাৰ বুকুত মূৰ থৈ মোৰ স্মিথৰ কলিজাটোৰ স্পন্দন শুনিবলৈ, অনুভৱ কৰিবলৈ লাগে। বহুদিন সেই স্পন্দন শুনা নাই। সেই স্পন্দন এই পৃথিৱীতে আছে, অথচ মই শুনিবলৈ নাপাওঁ, এইটো বৰ কষ্টৰ কথা ডাঙৰীয়া। অসহ্য যন্ত্ৰণা।"

"কি স্পৰ্ধা !" বুলি দ্বিতীয়বাৰ গৰ্জন কৰি মি° পিয়েনাৰ শূন্য ৰাইফলত গুলি ভৰাই আনিবলৈ যোৱাৰ উত্তেজনাৰে আঁতৰি গ'ল।

এইবাৰ মিছেছ পিয়েনাৰক একো হোৱা নাই বুলি কোৱাৰ শক্তি মি• পিয়েনাৰৰ নাথাকিল। ঘৰ সোমোৱাৰ পিছৰ এঘণ্টামান তেওঁ নিজৰ লগতে যুদ্ধ কৰিলে, আৰু তাৰ পাছত ক্লান্ত স্বৰেৰে ঘৈণীয়েকক মানুহজনীৰ কথা ক'লে। ক'লে মানুহজনীয়ে তেওঁৰ বুকুত মূৰ থৈ—

ক্ৰুদ্ধা সাপিনীৰ নিচিনাকৈ মিছেছ পিয়েনাৰে ফোঁচফোঁচাই উঠিল। তেওঁ কি কৰিব এতিয়া ? সংঘৰ অফিছলৈ ফোন কৰিব নেকি ?

নে ড. কেম্পবেললৈ ? তেওঁ অস্থিৰভাৱে গোটেই ঘৰটোত ঘূৰি ফুৰিবলৈ ধৰিলে ।

ৰাতি দুখন পালেং লগ লগাই এখন কৰা বহল বিচনাখনত দুই পিয়েনাৰ অসাৰভাৱে পৰি আছিল। কাৰ টোপনি আহিছিল, কোন সাৰে আছিল, তাৰ খবৰ কোনেও লোৱা নাছিল। মিছেছ পিয়েনাৰৰ মগজুত যেন এটা তীব্ৰ পোৰণি উঠিছিল । আধামেলা চকুৰে এবাৰ গিৰিয়েকৰ বুকুখনলৈ চাই তেওঁ আকৌ চকু মুদিলে। ক্ষীণ পোহৰত তেওঁ গিৰিয়েকৰ বুকুখন উঠা-নমা কৰা দেখিছিল নে ? দেখিছিল । বুকুখনে স্পষ্টভাৱে, যথেষ্ট উঠা-নমা কৰি আছে । কলিজাটোৰ সলনি যেন এটা ডাঙৰ পাম্পে বুকুখনৰ ভিতৰত কাম কৰি আছে। সুদীৰ্ঘ বিবাহিত জীৱন তেওঁ গিৰিয়েকৰ বুকুৰ স্পন্দন অনুভৱ কৰিছে ; কিন্তু কি বিৰক্তিকৰ এই অস্বাভাৱিক উঠা-নমা ! কিমান অচিনাকি এই হৃদপিণ্ড ! অতি প্ৰিয়জনৰ, অত্যন্ত মৰমিয়াল, ইমান আপোন অন্তৰৰ কেন্দ্ৰত এইটো কাৰ হৃদপিণ্ড ? এইটো কলিজাৰ লগত তেওঁৰ কি সম্পৰ্ক ? তীব্ৰ অভিমান আৰু ঘৃণাত মিছেছ পিয়েনাৰৰ নাক কোঁচ খাই উঠিল।

মাজনিশা গভীৰ নিস্তব্ধতাৰ মাজত মিছেছ পিয়েনাৰে এক ভয়াল গুম গুম শব্দ শুনিবলৈ পালে। গিৰিয়েকৰ বুকুৰপৰা আহিছে সেই শব্দ। লাহে লাহে সেই শব্দ ডাঙৰ হৈ আহিল ;— ডাঙৰ,—আৰু ডাঙৰ,—আৰু ডাঙৰ। এসময়ত সেই শব্দই শৱদেহৰ অন্তিম ক্ৰিয়াৰ সময়ত বহুত মানুহে সমলয়ত বজোৱা বাদ্যৰ ৰূপ লৈ মিছেছ পিয়েনাৰৰ কাণৰ গহ্বৰ ভৰাই পেলালে। তেওঁ বিচনাত উঠি বহিল।

দুদিনমানৰ পাছত মিছেছ পিয়েনাৰে পালেং দুখনৰ যোৰ ভাঙিলে। দীঘল শোৱনী কোঠাটোৰ সিটো মূৰলৈ তেওঁ নিজৰ বিচনাখন আঁতৰাই নিলে। গিৰিয়েকক তেওঁ বুজালে—তেওঁ অলপ অসুস্থ, তেওঁৰ কাৰণে ৰাতি গিৰিয়েকৰ টোপনিত ব্যাঘাত জন্মিব পাৰে ; সেইটো অবাঞ্ছনীয়।

টোপনিৰ ব্যঘাত ? মি. পিয়েনাৰৰ অন্তৰে এটা ক্ৰুৰ হাঁহি হাঁহিলে । তেওঁ শুইছিল কেতিয়া ?

মিছেছ পিয়েনাৰৰ যুক্তি, ব্যাখ্যা অথলে গ'ল । মি. পিয়েনাৰৰ আত্মাই কেনেবাকৈ গম পালে, ঘৈণীয়েকে তেওঁক ঘিণ কৰিছে । ঘৈণীয়েকে তেওঁলৈ ভয় কৰিছে । ইতিমধ্যে মানুহে ৰাতি ভয় খোৱাকৈ তেওঁৰ চেহেৰা সলনি হৈ গৈছে নেকি ? তেওঁৰ আৰু মনত পৰিল,---ইতিমধ্যে সংঘৰ অফিছত, ব্যৱসায়ৰ অফিছত, বাটত মানুহবোৰে তেওঁৰপৰা আঁতৰত গুণগুণকৈ কথা পাতে ; তেওঁৰ ফালে মানুহবোৰে এক অদ্ভুত দৃষ্টিৰে চায় । সেই দৃষ্টি সহ্য কৰিব নোৱাৰি ।

মি. পিয়েনাৰৰ এই মানুহবোৰৰপৰা লুকাই থাকিবৰ মন গ'ল । সিহঁতৰ দৃষ্টিলৈ তেওঁৰ ভয় লগা হ'ল । আৰু এটা দৃষ্টিৰ কথা বাৰে বাৰে তেওঁৰ মনত পৰিল,—মেৰীৰ দৃষ্টি । কাতৰ, অসহায়, অশ্ৰুসিক্ত দৃষ্টি । সেই দৃষ্টিলৈও তেওঁৰ ভয় লাগে, কিন্তু সেই দৃষ্টিত ঘৃণা নাই, সেই দৃষ্টি ভয়াৰ্ত নহয় । হঠাতে মি. পিয়েনাৰৰ এবাৰ মেৰীৰ ওচৰলৈ যাবৰ মন গ'ল । ক'ত বা থাকে তাই! কিমান বা দূৰত থাকে ! নিজৰ বিচনাখনত শুই থকা অৱস্থাৰপৰাই দীঘল কোঠালিটোৰ সিটো মূৰৰ বিচনাখনলৈ চাই তেওঁ ভাবিলে—অন্ততঃ ইমান দূৰত নহয় চাগৈ !

কোটবিলাকৰ জেপ খুচৰি খুচৰি মি. পিয়েনাৰে স্মিথৰ ঠিকনা থকা কাৰ্ডখন বিচাৰি উলিয়ালে । পিন্ধি থকা কোটটোৰ বুকুৰ ভিতৰ জেপত তেওঁ কাৰ্ডখন ভৰাই ল'লে আৰু ড্ৰাইভাৰে চলোৱা মটৰত বহি ঘৰৰপৰা ওলাই গ'ল ।

এসময়ত, চহৰৰপৰা বহুত দূৰত থকা এক ক'লা অঞ্চলত মি. পিয়েনাৰৰ বগা গাড়ীখন উপস্থিত হ'লগৈ । এটা ঘৰৰ সন্মুখত গাড়ীখন ৰ'ল ; আৰু লগে লগে ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী বহুত মানুহে গাড়ীখন আগুৰি ধৰিলে । হঠাতে মানুহবিলাকৰ

মাজৰপৰা "পিয়েনাৰ পিয়েনাৰ" চিঞৰ উঠিল। ঘৰবোৰৰ দুৱাৰ-খিৰিকীবোৰ মেল খালে, একোখন মুখে খিৰিকীয়েদি ভূমুকি মাৰিলে, আৰু অলপ পাছতে মানুহবোৰ লৰি লৰি বাটলৈ ওলাই আহিল। কিছু সময়ৰ ভিতৰতে বাটটো শ শ মানুহেৰে ভৰি গ'ল। সিহঁতে "পিয়েনাৰ পিয়েনাৰ" শব্দেৰে গোটেই অঞ্চলটো মুখৰিত কৰি তুলিলে। কি এক আনন্দত উদ্বাউল হৈ মানুহবোৰে যেন গাড়ীখনৰ চাৰিওকাষে নচাৰ উপক্ৰম কৰিলে। কিছুমান অতি উৎসাহী মানুহে গাড়ীৰ খিৰিকীয়েদি হাত ভৰাই অতি সন্তৰ্পণে মি° পিয়েনাৰৰ বুকুত লাহেকৈ হেঁচা একোটা দি মনৰ এক অবুজ ভাব ব্যক্ত কৰিলে। প্ৰতিটো হেঁচাৰ লগে লগে স্মিথৰ ঠিকনা থকা কাৰ্ডখন মি° পিয়েনাৰৰ বুকুত নিবিড়ভাৱে লাগি লাগি গ'ল।

শ শ মানুহৰ এই সাদৰ-সম্ভাষণৰ প্ৰত্যুত্তৰ স্বৰূপে মি° পিয়েনাৰৰ এবাৰ সোঁহাতখন শূন্যলৈ তুলি লাহে লাহে লৰাবৰ মন গ'ল। হাতখন দাঙিব খুজি তেওঁ এবাৰ সকৰুণ দৃষ্টিৰে ইফালে-সিফালে চালে; বোধহয় তেওঁ কাৰোবাৰ অনুমতি বিচাৰিলে। কিন্তু অনুমতি দিওঁতা কোনো নাই। তেওঁৰ সাৰথি ড্ৰাইভাৰটো গম্ভীৰ মুখেৰে সম্মুখলৈ চাই বহি আছে। তাৰ বাহিৰে চাৰিওফালে ক'লা, ক'লা -কেৱল ক'লা। মিঃ পিয়েনাৰে বৰ ক্লান্ত অৱশভাৱে, যেন অতি গধুৰ বোজা এটাৰ তললৈ টনা শক্তিৰ বিৰুদ্ধে সংগ্ৰাম কৰি কৰি, হাতখন দাঙিবলৈ ধৰিলে। শেষ পৰ্য্যন্ত হাতখন ওপৰলৈ উঠিল; লাহে লাহে লৰিল। মানুবোৰৰ কণ্ঠস্বৰে বিপুল উল্লাসেৰে মি° পিয়েনাৰৰ হাতখনক প্ৰতিসম্ভাষণ জনালে। মি° পিয়েনাৰে এক অদ্ভুত যন্ত্ৰণা অনুভৱ কৰিলে। হঠাতে এই মানুহবোৰলৈও তেওঁৰ ভয় লাগিল। মানুহবোৰৰ গাৰ ৰঙে যেন অন্ধকাৰৰ ৰূপ ধৰি তেওঁক চাৰিওকাষৰপৰা আগুৰি আনিলে। তেওঁ ড্ৰাইভাৰক গাড়ী চলাবলৈ ক'লে।

গাড়ীখন বৈছিল মেৰীৰ ঘৰৰ সন্মুখত। মানুহৰ ভিৰত তাই যেন নিজৰ ঘৰৰ সন্মুখতে হেৰাই গল। গাড়ীখনৰ এঠাইত ধৰি গোটেই সময়খিনি তাই মনে মনে কান্দি আছিল।

মি. পিয়েনাৰৰ নিষিদ্ধ এলেকা ভ্ৰমণৰ কাহিনী মিছেছ পিয়েনাৰৰ কাণত পৰিল। তেওঁ গিৰিয়েকৰ চকুৰ ওপৰত স্থিৰ দৃষ্টি ৰাখি সুধিলে, "এইবোৰ কি ?"

এক অবোধ অপৰাধী শিশুৰ নিচিনাকৈ মি. পিয়েনাৰ মনে মনে থাকিল।

তাৰ পিছদিনাই সংঘৰ এজাক মানুহেৰে পিয়েনাৰৰ ঘৰ ভৰি গ'ল। মি. পিয়েনাৰক বহুতে বহুত ধৰণে নানা কথা সুধিলে, জেৰা কৰিলে; বহুতে বহুত ধৰণে বুজালে,—হৃদপিণ্ড মানুহৰ দেহৰ এটা যন্ত্ৰ; কেৱল এটা যন্ত্ৰ; ঠিক মটৰ গাড়ীৰ ডিষ্ট্ৰিবিউটৰৰ নিচিনা এটা যন্ত্ৰ। এই যন্ত্ৰটোৰ লগত মানুহৰ সভ্যতা, আদৰ্শৰ বিনিময় নহয়। মি. পিয়েনাৰৰ বুকুত বহুউৰা হৃদযন্ত্ৰটো ভীখাৰো হ'ব পাৰিলেহেঁতেন। হৃদযন্ত্ৰবোৰ ভীখাৰে সাজিবলৈ ল'লেই যে ভীখাৰ মান সোণৰ মানলৈ উঠিব, সেইটো মিছা কথা। মি. পিয়েনাৰে মনত ৰখা উচিত হ'ব,—এদল ভুল চিন্তাধাৰাৰে প্ৰভাৱান্বিত মানুহে যাতে এটা সুসভ্য জাতিৰ সাধনা কলংকিত কৰিব নোৱাৰে। এসময়ৰ সংঘৰ সম্পাদক মি. পিয়েনাৰক বেছি কথা বুজাবলগীয়া হোৱাটো দুখৰ কথা হ'ব।

সংঘৰ সম্পাদকে পিছদিনা লিখিতভাৱে মি. পিয়েনাৰক জনালে তেওঁ যেন কিছুদিন ঘৰতে থাকে। ড. কেম্পবেলেও লিখিতভাৱে জনালে - তেওঁ যেন কিছুদিনলৈ সম্পূৰ্ণ বিশ্ৰাম লয়।

সম্পূৰ্ণ বিশ্ৰাম? এদিন মি. পিয়েনাৰে এই কথাষাৰ অকলে অকলে, তেওঁৰ নিৰ্জন কোঠালিটোত উচ্চাৰণ কৰিলে। কেনেকুৱা বিশ্ৰামক সম্পূৰ্ণ বিশ্ৰাম বোলে? বহুদিন এই নিৰ্জন কোঠালিটোত বিশ্ৰাম লৈ তেওঁ উপলব্ধি কৰিছে, - সমগ্ৰ জাতিটোৱে তেওঁৰ

ঘৃণনীয় জীৱনটোক এয়া কাৰাগাৰত দিছে। মানুহৰ জ্ঞান, কৰ্ম-কুশলতাৰ অন্যতম সাধকসকলে তেওঁক এয়া বন্ধ কৰি ৰাখিছে। এই জীৱনটোকে নিজৰ জীৱন বুলি গ্ৰহণ কৰা এজনী মানুহে এইখন বুকুৰ ধপধপনি কাণত পৰাৰ ভয়ত একেটা ঘৰৰ ভিতৰতে পলাই ফুৰে। আৰু যিটো যন্ত্ৰই সেই ধপধপনি তোলে, তাক একেবাৰে নিজৰ বুকুৰ ভিতৰত সুমুৱাই লৈযো তেওঁ তাৰ স্বৰূপ নাজানে। বৰ কষ্টকৰ। নিজৰ দেহৰ এটা অংগ যেতিয়া পৰ হৈ যায়, তেতিয়া তাক সহ্য কৰিবলৈ বৰ টান।

'বৰ সৰু, বৰ সৰু;' মি৹ পিযেনাৰে আপোন মনে বিৰবিৰ কৰিবলৈ ধৰিলে। 'এখন অন্তৰে আৱৰি থকা হৃদপিণ্ড এটা বহুৱাবলৈ আমাৰ বুকুবোৰ বৰ সৰু। ঠাই বৰ কম। সেই কাৰণেই মই ইমান যন্ত্ৰণা পাইছোঁ। সঁচাকৈয়ে যদি হৃদযন্ত্ৰটো কেৱল এটা যন্ত্ৰই হ'লহেঁতেন, তেনেহ'লে হয়তো বৰ কম ঠাই লাগিলহেঁতেন। তাঁথাৰে সজা হ'লে আৰু কম ঠাই লাগিব।'

মি৹ পিযেনাৰ থিয় হ'ল। পৃথিবীবিখ্যাত, যুগান্তকাৰী ৰোগী মি৹ পিযেনাৰে কোঠালিটোৰ ভিতৰত অস্থিৰভাৱে ঘূৰি ফুৰিবলৈ ধৰিলে। 'পৃথিৱীৰ ভিতৰত শ্ৰেষ্ঠ পংগু, সকলোতকৈ নিঃস্ব, একেবাৰে অকলশৰীয়া, কলিজা নোহোৱা জাৱ, –'প্ৰলাপৰ সুৰত কথাবোৰ উচ্চাৰণ কৰি মি৹ পিয়েনাৰে মূৰৰ চুলিবোৰৰ মাজত আঙুলি ভৰালে। অলপ সময় থিয় হৈ থাকি তেওঁ এযোৰ ভাল কাপোৰ পিন্ধিলে। স্মিথৰ ঠিকনাৰ কাৰ্ডখন আকৌ বুকুৰ জেপত ভৰাই ল'লে। তাৰ পাছত তেওঁ এটা ৰিভলভাৰ জেপত ভৰাই ল'লে— এসময়ত সংঘই দিয়া ৰিভলভাৰ।

গাড়ী, ড্ৰাইভাৰ সকলো মিছেছ পিযেনাৰে অফিছলৈ নিলে। অলপ দূৰ গৈ তেওঁ এখন টেক্সিত উঠিল আৰু এসময়ত গৈ মেৰীৰ ঘৰৰ সন্মুখত টেক্সিৰপৰা নামিল।

মেৰীয়ে বিস্ময়ত চিঞৰি উঠিল—"ডাঙৰীয়া !"

মি. পিয়েনাৰ চকী এখনত বহিল। অসংযত সুৰত তেওঁ ক'লে, "স্মিথৰ কলিজাটোৰ স্পন্দন ধ্বনি শুনিবলৈ তোমাৰ বৰ মন যায়, নহয় ?"

মেৰীৰ চকু ছুটা তিৰবিৰাই উঠিল। তাই ক'লে, "হয় ডাঙৰীয়া, হয়।"

"আহঁা আহঁা, মোৰ বুকুৰ ওপৰত মূৰ থোৱা। প্ৰাণভৰি কলিজাটোৰ শব্দ শুনি লোঁৱা। আহঁা।" মি. পিয়েনাৰে চকীত আউজি দিলে।

মেৰী হতবাক হৈ মি. পিয়েনাৰৰ মুখলৈ চাই ৰ'ল। তেওঁ তীব্ৰ কণ্ঠস্বৰেৰে ক'লে, "আহঁা"।

"আপুনি কিয় এনেকুৱা কৰিছে ডাঙৰীয়া? আপোনাৰ কি হৈছে ?"

"ইমানবোৰ কথাৰ উত্তৰ দিবলৈ মোৰ সময় নাই। মোৰ হাতত বৰ কম সময় আছে।" নিৰ্বিকাৰ সুৰত মি. পিয়েনাৰে ক'লে। অলপ পৰৰ পাছত হঠাতে তেওঁ কাতৰ অনুৰোধৰ সুৰত ক'লে, "আহঁা মেৰী আহঁা ; যিমানে পলম হৈ যাব সিমানে মই বেছি কষ্ট পাম। এয়া, চোঁৱা মোৰ হাতটো ঘামি গৈছে।" কথাৰ লগে লগে তেওঁ হাতৰ মুঠিত ৰিভলভাৰটো জেপৰপৰা উলিয়াই আনিলে।

"কি ?"-- মেৰীয়ে চিঞৰি উঠিল ; "আপুনি আত্মহত্যা কৰিব ?" জঁাপ মাৰি গৈ তাই মি. পিয়েনাৰক সাৱটি ধৰিলে। মাটিত আঠুকাঢ়ি তাই মূৰেৰে মি. পিয়েনাৰৰ বুকুত হেঁচা মাৰি ধৰিলে। — "নহয় নহয়, আপুনি এনে কাম নকৰিব। আপুনি জানে,-- আপুনি আৰু এতিয়া আত্মহত্যা কৰিব নোৱাৰে,--কৰিলে বৰ বেছি আপুনি স্মিথক হত্যা কৰিব পাৰে। সেইটো কলিজা আপুনি এনেকৈ ধ্বংস নকৰিব। য'তে থাকক, যেনেকৈয়ে থাকক— মোৰ স্মিথক আপুনি জীয়াই ৰাখক।" মেৰীয়ে ব্যাকুলভাৱে কাকুতি কৰিবলৈ ধৰিলে। তাৰ পাছত তাই নিৰৱে মি. পিয়েনাৰৰ বুকুত কাণ থৈ মৃতপ্ৰায় হৈ পৰি থাকিল।

এসময়ত মি. পিয়েনাৰ মেৰীৰ ঘৰৰপৰা ওলাই আহিল। ৰিভলভাৰটো তেওঁ তাতে পেলাই থৈ আহিল।

অন্ধকাৰ বাটত, দূৰে দূৰে তিনিজন মানুহে নিশব্দে মি. পিয়েনাৰক অনুসৰণ কৰিলে।

পিছদিনা পুৱা ঘৰৰ ওচৰৰ পাৰ্কখনত মি. পিয়েনাৰৰ মৃতদেহটো পৰি থকা দেখা গ'ল।

সংঘৰ অফিছত ৰাতি এখন জৰুৰী গোপন সভা বহিছিল। কেইবাজনো মানুহৰ মাজত ড. কেম্পবেল গম্ভীৰ মুখেৰে বহি আছিল। তেখেতৰ সম্মুখত কাগজ-কলম আছিল। এজন সভ্যই তেখেতক বুজাইছিল; "চাওক ড. কেম্পবেল, কাইলৈ পুৱাই প্ৰেছৰ মানুহে আপোনাক বেৰি ধৰিব। সেই কাৰণে আপোনাৰ বিবৃতি আজিয়েই প্ৰস্তুত কৰিব লাগিব। আপুনি পৃথিৱীৰ শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰিছে। আপোনাৰ সিদ্ধান্তৰ ভুল উলিয়াবলৈ মানুহৰ বহু বছৰ লাগিব। কিন্তু কাইলৈ আপুনি যি ক'ব, মানুহে তাক শ্ৰদ্ধাৰে গ্ৰহণ কৰিব। এনেকুৱা এটা কথা হ'ব নোৱাৰে নে ডক্টৰ—যে সকলো জাতৰ মানুহৰ কলিজা সকলো জাতৰ মানুহৰ দেহত খাপ নাখায়? এই ধৰি লওক পানী পাম্প কৰিবলৈ প্ৰস্তুত কৰা পাম্প এটা তেল পাম্প কৰিবলৈ ব্যৱহাৰ কৰিব নোৱাৰি। কোনোবাই যদি কৰে, তেনেহ'লে প্ৰথমতে হয়তো কেইদিনমান পাম্পটো চলিব, তাৰ পাছত বন্ধ হৈ যাব। মি. পিয়েনাৰৰ যন্ত্ৰটো যদি সেই কাৰণেই বন্ধ হৈ গ'ল!"

মানুহজনে মেজৰ ওপৰত থকা বগা কাগজখিনি ড. কেম্পবেলৰ ফালে আগুৱাই দিলে।

# যৌতুক

এইযে পাটৰ পঞ্জাৰী চোলা পিন্ধি মানুহ এটা দৰা হয়, পাছলৈ তেওঁৰ সেই পঞ্জাৰীটোৰ কি হয়গৈ ? বিয়াৰ দিনা আবেলিবেপৰা তেওঁতো পাটৰ পঞ্জাৰী পিন্ধিয়েই থাকিল ; পিছদিনা এনেয়ে খা-খবৰ কৰিবলৈ গ'লে দেখা যায় তেওঁ বিয়াৰ আগৰ দুদিন নোওৱাৰ পাছত পিন্ধিবলৈ কৰোৱা কপাহী পঞ্জাৰী দুটাৰ এটা পিন্ধি থাকে। জাপ নোখোলা কাপোৰৰ নিচিনা নতুন পস্তীগৰাকী, আৰু হাতৰ মুঠিত টৰ্চলাইট এটা লৈ গধূলি-গধূলি ইঘৰ-সিঘৰলৈ ফুৰিবলৈ যাওঁতে তেওঁ পাটৰ পঞ্জাৰীটো পিন্ধি যায়। কিছুদিনৰ পাছত বেণ্ডপাৰ্টিৰ বাকী থকা টকাকেইটা নিবলৈ অহা মানুহজনে, দিনটোৰ যি কোনো সময়তে নাহক লাগে, তেওঁক কপাহী পঞ্জাৰী পিন্ধি থকা অৱস্থাতে পায়। ঘৰখনত এজনী নতুন গাভৰু ছোৱালী আছে, তেওঁৰ আগত কেৱল বনিয়নটো পিন্ধি থাকিবলৈ, অপৰিপাটী হৈ থাকিবলৈ, গাটোৰ বেছি ঠাই উদং কৰি ৰাখিবলৈ মানুহটোৱে বেয়া পায়।

কিন্তু কেতিয়া, কেনেকৈ এই মানুহটো এখন অ'ত-ত'ত ফটা চুৰিয়া দুতৰপ কৰি কঁকালত মেৰিয়াই দুটা ডাঙৰ ডাঙৰ, অসাৱধান খোঁচনি মাৰি, গুদা গাৰে ঘূৰি ফুৰিব পৰা হৈ যায় ? ঠিক কেতিয়াৰপৰা মানুহটো পিঠিত নোম আৰু চমকা চমক চোম পৰাৰ দাগবোৰ, দীঘল দীঘল নোম কেইডালমান থকা বুকুৰ বগৰী গুটিৰ সমান মাহটো উন্মুক্ত কৰি, গুদা গাঁৰে, বাটেদি জাক পাতি

যোৱা উনৈছ-বিছ বছৰ বয়সীয়া ছোৱালীৰ আগত, দৈণীয়েকৰ লগৰ ওচৰ-চুবুৰীয়া তিৰোতাৰ আগত নিসঙ্কোচে ঘূৰি ফুৰিবপৰা হৈ যায় ?

এই কথাখিনিৰে দীননাথে এটা গল্প আৰম্ভ কৰিছে। কেই-দিনমানৰ আগতে গল্পটো লিখা শেষ কৰি তেওঁ জীয়েক সুৰভিক কপি কৰিবলৈ দিছে। কপি কৰিবলৈ দিওঁতে কৈছে,—"সাৱধানে, মন দি কৰিবি।" তাৰ পাছত এইকেইদিন তেওঁ জীয়েকৰ তেনেকৈ মুখামুখি হোৱাই নাই। গল্পটো কপি কৰি শেষ হোৱাৰ সময় বোধহয় হৈ গৈছে; কিন্তু কামটো হ'লনে নাই তেওঁ তাৰ খবৰ লোৱা নাই।

দীননাথৰ সাহিত্য-কৰ্মৰ বুৰঞ্জীখন জীয়েকক সক থাকোঁতে তেওঁ বান্ধি দিয়া বহীখনৰ নিচিনা। অফিছৰপৰা অনা, এপিঠিত বৰ জটিল জটিল কথা থকা, মামৰৰ ৰঙৰ কাগজেৰে বন্ধা প্ৰকাণ্ড বহী; খালী পিঠিটোত লিখি লিখি জীয়েকে বহীখন শেষ কৰিলে, কিন্তু কথা বিশেষ একো নাই। কোনোবা পিঠিত ঈশ্বৰ বৰ দয়ালু, কোনোবা পিঠিত এটা কচু পাত, কোনোবা পিঠিত কটা-কটি খেল। এটা পিঠিত যদি ৰঙীন পেন্সিলৰ দাগ, অইন এটা পিঠিত কাঠ পেন্সিলৰ; তাৰ পিছৰ পিঠিটো হয়তো বোলাই থোৱা আছে চিয়াঁহীৰে। বিচিত্ৰ ৰং, বিচিত্ৰ সম্ভাৰ। উচ্ছৃংখল, অবিবেচক, শিশু-হাতৰ উপদ্ৰৱত পাতবোৰ ছিৰাছিৰ হ'ল, কেৱল অলৰ-অচৰ হৈ থাকিল দীননাথে দিয়া মোটা বটীয়াৰ বান্ধটো। বৰ মজবুত আছিল সেই বান্ধ। আৰু সেই কাৰণে শেষলৈকে তিষ্ঠি থাকিল শেষ হৈ যোৱা বেংকৰ চেকবহীৰ কাউণ্টাৰ-ফয়লৰ নিচিনাকৈ বান্ধটোৰ চেপাত অলপ অলপ কাগজ। দীননাথৰ সাহিত্য-কৰ্মৰ বুৰঞ্জীখন ঠিক সেই বহীখনৰ নিচিনা।

ৰায়বাহাদুৰ গগনেন্দ্ৰ মজুমদাৰৰ প্ৰাসাদোপম বাসভৱনৰ সন্মুখৰ কুলনিত এক পথহাৰা বিকলাংগ ভিখাৰী, বাঁহীৰ সুৰেৰে সকলোকে মুগ্ধ, তন্ময় কৰি বাটে বাটে বাঁহী বেচিবলৈ ঘূৰি ফুৰা এক উদাস,

যাযাবৰ হেন যুৱকৰ প্ৰতি ধনীৰ দুলালীৰ অনুকম্পা, ৰাজনী হেন মাহীমাক আৰু তেওঁৰ হাতৰ পুতলা হেন দেউতাকৰ অত্যাচাৰত জৰ্জৰিত ডেকা চিত্ৰশিল্পীৰ বিষময় জীৱন—এনেকুৱা কাহিনী লৈ দীননাথে এসময়ত বহুত গল্প লিখিছিল। কিবা এক তীব্ৰ নিচাৰ বশবৰ্তী হৈ তেওঁ দিনটো যেনেকৈ অফিছত কেৰাণীৰ কলম চলাইছিল, ঘৰতো, কেতিয়াবা মাজনিশালৈকে, তেওঁ তেনেকৈ গল্প লিখা কলম চলাইছিল। কিন্তু দীননাথৰ কিছুমান কথাত বৰ অসুবিধা হৈছিল। যিখন আলোচনীৰ পিছৰ সংখ্যাটোত প্ৰকাশৰ বাবে তেওঁ বৰ যত্ন কৰি গল্প এটা কপি কৰি উলিয়াইছিল, সেইখন আলোচনীৰ পিছৰ সংখ্যাটো নোলাইছিল, আলোচনীখন বন্ধ হৈ গৈছিল। যিখন আলোচনা চক্ৰত পঢ়িব বুলি তেওঁ চোলাৰ জেপত আথেবেথে গল্প এটা ভৰাই লৈ গৈছিল, সেইখন আলোচনা-চক্ৰৰ বৈঠক তেওঁ গল্প পঢ়িবলৈ পোৱাৰ আগতে শেষ হৈছিল! আৰু যিবোৰ আলোচনা বন্ধ হৈ যোৱাৰ সম্ভৱতে কোনো সম্ভাৱনা নাছিল, সেইবোৰ আলোচনাৰ সম্পাদকসকলে দীননাথৰ গল্পবোৰৰ মূল কথা আৰু ভাববোৰ দুৰ্বল, পুৰণি, বহুব্যৱহৃত, নতুনত্বহীন বুলি ওভোতাই দিছিল।

দুৰ্বল? পুৰণি? অফিছৰ চকীত বহি, বাঁওহাতৰ তলুৱাত কপালৰ ভেজা দি দীননাথে কথাবোৰ চিন্তা কৰিছিল। কেতিয়াবা ওচৰৰ কেৰাণী হৃদয়ানন্দক গোপনে সুধিছিল; "হেৰা, চহৰখনত ফুলনিৰ সংখ্যা দিনে দিনে বাঢ়ি গৈছে; আৰু বিকলাংগ ভিখাৰীৰ সংখ্যা তাতোকৈ বেছি হাৰত বাঢ়িছে; গতিকে ফুলনিত ভিখাৰীয়ে চকুপানী টোকা ঘটনাও নিশ্চয় বাঢ়িছে; কিন্তু তেখেতসকলে ক'লে--গল্পৰ কাৰণে বোলে এই ঘটনাবোৰ দুৰ্বল হৈ গ'ল,—পুৰণি হৈ গ'ল!"

হৃদয়ানন্দ বৰ মেজাজী আৰু কথকী মানুহ। দীননাথৰ গোপন প্ৰশ্নটোৰ উত্তৰ তেওঁ ৰাজহুৱা সভাৰ বক্তৃতাৰ শাৰীলৈ তুলি লৈছিল। তেওঁ কৈছিল, "শুনা বাপা, সন্মুখত যেতিয়া দহ বীম

কাগজ লিখিবলৈ থাকিব, তেতিয়া এই কলমটো বৰ দুৰ্বল; যেতিয়া দহ লৰী খৰি ফলাব কৰা উঠে, তেতিয়া তোমাৰ কুঠাৰখন বৰ দুৰ্বল, যেতিয়া তুমি দহটা বদমাচ সন্তানক পিটি ঠাণ্ডা কৰিবলগীয়া হয়, তেতিয়া তুমি বৰ দুৰ্বল বাপেক। এই মিছা কথা কোৱা মানুহৰ কথাটোকে ধৰা। মিছা কথা কোৱা মানুহৰ সংখ্যা কিমান বাঢ়ি গৈছে! গৈছে নে নাই? সেই অনুপাতে তো আজি ৰাস্তাৰ খুটাই খুটাই সদায় সঁচা কথা কৰা বুলি লিখা থাকিব লাগিছিল! পিছে আচলতে হৈছে কি? আজি সদায় সঁচা কথা ক'বা বোলা কথাষাৰ পুৰণি, আওপুৰণি হৈ গৈছে। হাঃ হাঃ হাঃ—"

নিজৰ বক্তৃতাৰ সাৰমৰ্ম নিজেই আটাইতকৈ ভালকৈ বুজি হৃদয়ানন্দই উচ্চকণ্ঠেৰে হাঁহিবলৈ ধৰিছিল।

দীননাথে গল্প লিখি সম্পাদকৰ ওচৰলৈ যাবলৈ এৰি দিছিল। পুৱা-গধূলি অইন কাম নাথাকিলে কেতিয়াবা খুটখুটকৈ কিবা লিখি-ছিল, আলোচনা-চক্ৰৰ মানুহৰ শেষৰ শাৰীত জুপুকা মাৰি বহি থকা কৰিছিল; জেপত গল্প-চল্প একো নিনিছিল। পিছলৈ তেওঁ লিখিব-লৈকে এৰি দিছিল। তেওঁৰ লিখাৰ অভ্যাসো নোহোৱা হৈ গৈছিল।

বহুত বছৰৰ মূৰত এই যে গল্পটো লিখিছে, এইটো লিখিবলৈ তেওঁৰ তিনিমাহ সময় লাগিছে। লিখোঁতে তেওঁৰ বৰ কষ্ট হৈছে।

দেউতাকৰপৰা গল্প কপি কৰাৰ হুকুম পাই সুৰভিও অবাক হৈছে। দেউতাৰ আকৌ হ'ল কি? হঠাতে গল্প? সুৰভিয়ে আলোচনীত প্ৰকাশিত ভাল ভাল লেখকৰ গল্প-উপন্যাস বহুতো পঢ়িছে। দেউতাকে বা আকৌ এইটো কি লিখিছে! দেউতাকে কোনোবা আলোচনীৰ সম্পাদকলৈ গল্পটো পঠিয়াই লঘু হ'বলগীয়া অৱস্থাত পৰে বুলি সুৰভিৰ মনত আগতীয়াকৈ শংকা জন্মিল। কেনেবাকৈ কোনোবা তলখাপৰ আলোচনীত গল্পটো ছপা হৈ গ'লে বন্ধু-বান্ধৱীৰ আগত তাই কিমান লাজ পাব, সেইটো কথা ভাবি সুৰভিৰ বৰ অস্বস্তি লাগিল।

কপি কৰাটো এনেয়ে টান কাম, বৰ ধৈৰ্য্যৰ কাম; তাৰ ওপৰতে এইবোৰ কথা! তথাপি সুৰভিয়ে মনৰ বিৰক্তি প্ৰকাশ নকৰিলে। আজিকালি দেউতাকৰ কোনো কথাত তাই আপত্তি নকৰে। যি কৰিলে দেউতাকে ভাল পায়, কষ্ট হ'লেও তাই তাকে কৰে। বৰ্তমানে তাই প্ৰেমত পৰি আছে। অইন এখন চহৰৰ প্ৰমোদ নামৰ কেৰাণী কাম কৰা ল'ৰা এটা অফিছৰ কামত এইখন চহৰলৈ আহিছিল। সুৰভিৰ দেউতাকৰ অফিছতে প্ৰায় এমাহ দিন ল'ৰাটোৱে কিৰাকিৰি কৰিছিল। সেই মাহটোৰ ভিতৰতে সুৰভিহঁতৰ ঘৰৰ লগত তাৰ এটা আপোন সম্পৰ্ক গঢ়ি উঠিছিল। ল'ৰাটো নিজৰ চহৰলৈ উভতি যাবলৈ ওলোৱাৰ আগে আগে সুৰভিয়ে অনুভৱ কৰিছিল যে ইতিমধ্যে সিহঁত দুটাৰ মাজত ভাল পোৱা-পুই হৈ গৈছে। তাৰ পাছত এইখন চহৰত ল'ৰাটোৰ কাম মাজে মাজে ওলায়েই থকা হ'ল। আৰু এইখন ঘৰত নোহোৱা-নোপজা ঘটনা,--পিয়নে সুৰভিৰ মাকৰ নামৰ চিঠি দি যোৱা কৰিলে। লেফাফাৰ ভিতৰত থাকে পুজনীয়া খুড়ীদেউলৈ লিখা সৰু চিঠি এখন, আৰু সুৰভিলৈ লিখা এখন দীঘলীয়া চিঠি। সুৰভিলৈ লিখাখন ঘৰৰ সকলোৱে পঢ়িব পৰা চিঠি; কিন্তু তাৰ অৰ্থ ঘৰৰ অইন সকলোৱে বুজে এটা, সুৰভিয়ে বুজে অইন এটা। শব্দ, বাক্য, ভাষাৰ বিচিত্ৰ ছদ্মবেশ। দুটা শব্দৰ মাজত একোডাল এক ইঞ্চিমান দীঘল সৰল ৰেখা থাকে, সেই সহজ সৰল ৰেখাডালে সুৰভিক বৰ দীঘল বাক্য এটাতকৈ বেছি কথা কয়।

আজি প্ৰায় ছমাহমানৰ আগতে সুৰভি আৰু প্ৰমোদে ঠিক কৰিছে—সিহঁতৰ এই প্ৰেম কালজয়ী, অবিনশ্বৰ, অক্ষয়। সিহঁত দুয়ো বিবাহ-পাশত আবদ্ধ হ'বলৈ চেষ্টা চলাই যোৱাটো এতিয়া সিহঁতৰ এটা অপৰিহাৰ্য্য কৰ্তব্য।

দীননাথে কথাটো গম পাইছে। যিদিনা গম পালে, সেই-দিনাৰপৰা দীননাথ বৰ গম্ভীৰ হৈ পৰিছে। মানুহজনে সুৰভিৰ মাকৰ আগতো হেনো এই বিষয়ে একো কোৱা নাই; সুৰভিকতো কোৱাই নাই। কিন্তু দেউতাকৰ এই মৌনতা সুৰভিৰ কাৰণে বেছি ৰহস্যময়—প্ৰমোদৰ চিঠিৰ সেই এক ইঞ্চিমান দীঘল সৰল ৰেখাবোৰৰ নিচিনা। কোনদিনা দেউতাকৰ এই গাম্ভীৰ্য্যৰ বিস্ফোৰণ ঘটে, কোনদিনা ওন্দোলাই থকা বতৰ বিজুলী-ঢেৰেকনিৰে নামি আহে, সেই কথা ভাবি সুৰভি শংকিত, সন্ত্ৰস্ত হৈ আছে। দেউতাক মেজাজী মানুহ; হঠাতে তেওঁ কোনোবা এদিন "খবৰদাৰ, তাৰ লগত যেন এই ঘৰৰ কুটা এগছৰো লেনদেন নহয়"—বুলি হুংকাৰ তুলিলে সুৰভিৰ জীৱনলৈ দুৰ্যোগ নামি আহিব।

সেই কাৰণে সুৰভিয়ে যোৱা ছমাহ দেউতাকৰ একান্ত অনুগত হৈ দিন কটাইছে। ভৰি ধোৱা পানী, ভৰি মচা গামোচা, মুখ মচা গামোচা, দাঁত ঘঁহা এঙাৰ, গোৰোৱা ঘঁহা ভোলৰ বাহ, চাবোন, ভগা পিয়লাত পানী, পুৰণি আয়না আদিৰে ঠিক ঠাইত ঠিক সময়ত ডাড়ি খুৰোৱাৰ সৰঞ্জাম—এইবোৰৰ একোৰে অভাৱ দেউতাকক অনুভৱ কৰিবলৈ সুৰভিয়ে দিয়া নাই। যিমানেই টান কাম নহওক লাগে, গল্পটো তাই কপি কৰি দিব।

ৰাতি ভাত খাই উঠি, লেমটো লাহেকৈ জোকাৰি কিমান তেল আছে তাৰ আন্দাজ এটা কৰি, এদিস্তা মুগাবৰণীয়া কাগজ সম্মুখত লৈ সুৰভি গল্পটো কপি কৰিবলৈ বহিল।

দেউতাকৰ হাতৰ আখৰ ভাল। পাতবোৰত বহুত কটা-কটি আছে যদিও পঢ়িবলৈ অসুবিধা নহ'ব। সুৰভিয়ে আৰম্ভ কৰিলে। কিন্তু প্ৰথম বাক্য কেইটামান পঢ়ি চাই তাই অলপ পৰ থমকি ৰ'ল; আৰু তাৰ পাছত তাই কপি কৰাৰ আগতে গল্পটো শেষলৈকে এবাৰ পঢ়ি লোৱাত লাগি গ'ল, প্ৰায় অজ্ঞাতসাৰেই।

দেউতাকে গল্পটো প্ৰথম পুৰুষত লিখিছে।

মোৰ বিয়াত মই তিনিটা পঞ্জাৱী চোলা চীয়াইছিলোঁ। এটা পাটৰ, বাকী দুটা কপাহী। পাটৰ চোলাটোত তিনিটা কপাহী চোলাৰ দাম পৰিছিল। মুঠতে কেৱল কপাহী চোলা লোৱা হ'লে মই পাঁচোটা চোলা ল'ব পাৰিলোঁহেঁতেন। কিন্তু বিয়া নপতা হ'লে মই একেলগে পাঁচোটা চোলা কেতিয়াও নললোঁহেঁতেন। একেলগে দুটা চোলাও মই কেতিয়াও লৈ পোৱা নাছিলোঁ। মোৰ হিচাপমতে সেই পাঁচোটা চোলা মই তিনি বছৰত ল'লোঁহেঁতেন। তাকো ইমান ভাল কাপোৰৰ চোলা মই নল'লোঁহেঁতেন। আগতে কেতিয়াও লোৱা নাছিলোঁ।

দেউতাকে একেবাৰে নিজৰ কথা কোৱাৰ নিচিনাকৈ, ঘৰত পতা কথাৰ ভাষাৰে গল্পটো আৰম্ভ কৰিছে। কি বা লিখে পিছলৈ? অশ্রুধাৰা, মৌন আকুতি, মৃদু শিহৰণ, নিবিড়—আৰু নিবিড়, বিখ্যাত লেখকসকলে লিখা এইবোৰ শব্দ দেউতাকেনো ক'ত ব্যৱহাৰ কৰিব চাগে? কথাখিনি ভাবি সুৰভিয়ে আকৌ পঢ়িবলৈ ধৰিলে।

পাটৰ চোলাটো পিন্ধি পিছে মোৰ বৰ ভাল লাগিছিল। গাটো পাতল পাতল লাগিছিল। লগতে মনটোও পাতল পাতল লাগিছিল। বিয়া কৰাই অনা তিৰোতাজনী সাজি-কাচি ওলালে, পাটৰ চোলাটোৰে মই তেওঁৰ ওচৰত শুৱাই পৰিছোঁ বুলি মোৰ ভাব হৈছিল। প্ৰথম অৱস্থাত মই ৰাতি ভাত খোৱাৰ সময়লৈকে চোলাটো নুখুলিছিলোঁ। মানুহজনীৰ আগত শুৱনি হৈ থাকিবলৈ মই বৰ ভাল পাইছিলোঁ। বিছনাত উঠোঁতেও কপাহী চোলা এটা পিন্ধিহে উঠিছিলোঁ। মানুহজনীৰ আগত চোলা নিপিন্ধাকৈ দেখা দিয়াটো মই ভাল নাপাইছিলোঁ। সেইটো লাজৰ কথা বুলি ভাবিছিলোঁ।

লাহে লাহে মোৰ টৰ্চলাইট এটা আৰু লগত মানুহজনীক লৈ গধূলি গধূলি মানুহৰ ঘৰলৈ ফুৰিবলৈ যোৱাটো শেষ হৈ

আহিল। প্ৰায়বোৰ মানুহৰ ঘৰলৈকে এবাৰকৈ যোৱা হ'ল। তাৰ পাছত মই সন্ধিয়া, মাত্ৰ অলপ সময়ৰ কাৰণে, ইটো-সিটো কামত ওলাই যোৱা কৰিলোঁ। পাটৰ চোলাটো পিন্ধি। দিনৰ ভাগতচো চোলাটো পিন্ধিবলৈ নাপাৰেঁই, গতিকে সন্ধিয়া চখটো পূৰাওঁ। এদিন অফিছলৈ চোলাটো পিন্ধি গৈছিলোঁ, কিন্তু মোৰ লগৰ হৃদয়ানন্দ নামৰ কেৰাণী এজনে মোক বৰ ঠাট্টা কৰিলে, "বুইছা বাপা, এইটো এটা থিয়েটাৰৰ ড্ৰেছহে, এইটোতো সদায় পিন্ধা চোলা নহয়! আৰু এইটো পিন্ধি তুমিতো কলম পিহিবও নোৱাৰিবা! থৈ দিয়া, থৈ দিয়া, জাপি-কুঁচি থৈ দিয়া; আমাৰ নিচিনা দুৰ্ভগীয়াই কেতিয়াবা সেই থিয়েটাৰখন পাতিলে ভাৰালৈ আনিম।" তাৰ পাছৰপৰা চোলাটো অফিছলৈ পিন্ধি নাযাওঁ। সন্ধিয়া ওলাই গ'লে পিন্ধি যাওঁ। এদিন গেলামালৰ দোকানখনলৈ গ'লোঁ। সেইখন দোকানৰপৰা মই বিয়াৰ কাৰণে ময়দা, চেনি, ঘিউ আদি ভালেমান বস্তু বাকীকৈ আনিছিলোঁ। দোকানৰ মালিকে কেইবাদিনো মোক পইচাখিনি দিবলৈ কৈ আছিল। সেইদিনা তেওঁৰ অইন কাৰোবাৰ ওপৰত খং উঠি আছিলেই নে কি ক'ব নোৱাৰোঁ, পইচাখিনিৰ কথা তেওঁ মোক বৰ টানকৈ ক'লে। মোক তেওঁ গালিয়ে পাৰিলে। মোৰ গাৰ ফিৰফিৰীয়া পাটৰ চোলাটো আৰু তেওঁৰ মুখৰ গালি,—এই দুটা বস্তুক মই কোনোমতে খাপ খুৱাব নোৱাৰিলোঁ। সেইদিনা ঘৰলৈ আহি মই চোলাটো খুলি, জাপি এওঁৰ বাকচটোৰ তলিত থৈ দিলোঁ।

মানুহৰ বেঁকা কথা, অলপ অলপ টান কথা, মই বিয়াৰ সাদিনমানৰ পাছৰপৰাই শুনিবলৈ আৰম্ভ কৰিছিলোঁ। বেণ্ডপাৰ্টিৰ মানুহটো আহিছিল, বিয়াত বাছ এখন ভাৰা কৰিছিলোঁ,—সেই বাছৰ মালিকজন আহিছিল, গাঁৱৰ মানুহ এটাই দুমোন দৈ গাখীৰ দিছিল, —সিও আহিছিল। সকলোকে মই দহ টকাৰ ঠাইত ছটকামানকৈ দি বিদায় দিছিলোঁ। তেতিয়াও

বিয়াৰ ৰভাৰ খুটাবিলাক আগফালে এঠাইত দ'ম হৈ পৰি আছিল, খুটাৰ গাঁতবিলাক মাটিৰে পুৰাবলৈ বাকী আছিল, মোৰ গাত ধকধককৈ বগা কপাহী পঞ্জাৱী চোলা আছিল, ভিতৰত কইনাজনী আছে বুলি আগফালে থিয় হৈ কথা পতা মানুহেও গম পাইছিল;—এইবোৰ কাৰণতে হ'বলা সেই মানুহবোৰে মোক ডাঙৰ মাতেৰে বেছি টানকৈ একো কোৱা নাছিল। "একেবাৰে আদায় কৰি দিয়া হ'লে ভাল পালেঁহেঁতেন ; আমাৰো বহুত লেঠা" —বুলি কেৱল আপত্তি কৰিছিল। কিন্তু গেলামালৰ দোকানৰ মালিকজনে প্ৰথমে মোৰ গাৰপৰা পাটৰ চোলাটো খহাই দিছিল ।

গতিকে আকৌ কপাহী চোলা দুটাকে সম্বল কৰিলোঁ। বিয়াৰ আগৰ যিটো ভাল চোলা আছিলগৈ, তাৰে ফাকুৱা খেলিলোঁ। হাজাৰ হওক, বিয়াৰ পিছৰ ফাকুৱাতো,—অইন বছৰৰ নিচিনাকৈ ফটা কাপোৰৰ টোপোলাৰপৰা ঘুগুলা উঠা চোলা বিচাৰি উলিয়াবলৈ নহ'ল। ফাকুৱা খেলা চোলাটোৰ জীৱনো সেইদিনাই শেষ হ'ল। লাওৰ ডিঙিৰে সজা ছাবত আলকতৰা সানি কোনোবাই মোৰ বুকুৰে-পিঠিয়ে চাব মাৰিলে—মূৰ্খ মূৰ্খ মূৰ্খ মূৰ্খ···। বুটামকেইটা কাটি ৰাখি মই চোলাটো এওঁক অইন কামত লগাবলৈ ক'লোঁ।

ধোবাক দিলে কাপোৰ সোনকালে ফাটে। নাফাটিব কিয় ? ধোবা-আছাৰা দিয়া কামটো চাগৈ এই ধোবাবিলাকেই কৰে। সেই কাৰণেই মই চোলা দুটা ধোবাক ধুবলৈ নিদিছিলোঁ।। নতুন মানুহজনীয়ে প্ৰথম দিনা চোলা ধুবলৈ লওঁতে মোৰ বেয়া লাগিছিল। পিছে তেওঁ ধুই বেয়া নাপালে। চোলা দুটা চাফাও হৈছিল যথেষ্ট। ধোবাই ধোৱাতকৈ বেছিহে চাফা হৈছিল। ধোবাই ধোৱানো কি আৰু ? ইস্ত্ৰিটোহে ! পিছে সেই কামটোও মানুহ-জনীয়ে কেতিয়াবা কৰি থৈছিল। দেউতাহঁতৰ দিনৰ ডাঙৰ, চেপেটা তলিৰ কাঁহৰ বাটি এটাত আঙঠা ভৰাই মানুহজনীয়ে মই পিন্ধি নোযোৱা চোলাটো ইস্ত্ৰি কৰি থৈছিল ।

মই চোলা দুটাৰ বৰ যত্ন লৈছিলোঁ। মই জানিছিলোঁ যে দুইটা চোলা একেলগে ফাটিলে আৰু দুটা চোলা সতকাই লোৱাটো মোৰ কাৰণে টান কথা হ'ব। মোৰ সকলো মিলাই মুঠতে এহাজাৰ এশ পঁচিছ টকা ধাৰ আছে। বিয়াখনৰ কাৰণে কৰিছিলোঁ। আঠজন মানুহৰ ওচৰত এই ধাৰখিনি আছে। এই আঠজন মানুহৰ দুজনে যদি কেইবামাহলৈ মোৰ কথা পাহৰি থাকে, বাকী ছজনে সপ্তাহত এবাৰকৈ খবৰ কৰি থাকে। খবৰ মানে মোৰ কুশল-সংবাদ নহয়, পইচাৰ খবৰ। এই ছজনৰ দুজন অলপ দিনৰ কাৰণে ভাপ মাৰিলে, সেই মোৰ কথা পাহৰি থকা দুজন সক্রিয় হৈ উঠে।

যাৰপৰা টকা ধাৰ কৰিছোঁ, তেওঁলোকতকৈ মোৰ মুখৰ হাঁহিটোৰ ডাঙৰ শত্রু কোনো নাই। এই আঠজন শত্রুৰ মাজেদি বছাই আনি নতুন মানুহজনীক মোৰ হাঁহিটো দেখুৱাবলৈ যে কিমান কষ্ট হয়, সেইটো কেনেকৈ বুজাম ?

মই পদে পদে সাৱধান হ'বলৈ চেষ্টা কৰিছিলোঁ। ঘৰত চোলা পিন্ধি থকাটো এদিন বাদ দিলোঁ। চোলাকেইটাৰ অন্ততঃ অলপ হ'লেও আয়ুস বাঢ়ক। আৰু নিজৰ মানুহজনীৰ আগতনো উদং গাটো কি কথা ? এইটো মোৰ গা; মোৰ পিঠিত আৰু বুকুত চোম পৰাৰ চমকা-চমক দাগ আছে, পিঠিৰ ঠায়ে ঠায়ে নোম আছে, বুকুত বগৰীগুটি এটাৰ সমান এটা মাহ আছে, মাহটোত কেইডালমান দীঘল দীঘল নোম আছে—

দেউতাকে একেবাৰে নিজৰ গাটোৰ বৰ্ণনা দিছে। সুৰভিয়ে কথা-ষাৰ চিন্তা কৰি অলপ ৰ'ল। দেউতাকে আটাইবোৰ নিজৰ কথাকে কৈ গৈছে নে কি ? সুৰভিৰ মনটো অলপ গধুৰ গধুৰ লাগি আহিল।

এইটোৱেই গা। ইয়াতভো আৰু ডকাইতি কৰিবলৈ যাওঁতে পুলিচৰ গুলী খোৱাৰ দাগ নাই ! আৰু যিজনী মানুহৰ গোটেই

জীৱনটোৱেই উদং হৈ গৈছে, তেওঁৰ আগত গাটো খালী কৰি ৰখাটোনো কি কথা! অৱশ্যে আবুৰ এটা ৰাখিব পাৰিলে ভাল আছিল। আবুৰ এটা থাকিলে মোহ এটাও থাকে। কিন্তু চোলা নাই যেতিয়া আৰু কি কৰা যায়! এদিন ৰাতিপুৱা বিচনাৰপৰা উঠোঁতে মনত পৰিল—এটা চোলা এওঁ ধুই থৈছে, ইটো চোলা মাত্ৰ কালিহে অফিছলৈ পিন্ধি গৈছিলোঁ, আৰু দুদিন পিন্ধিব পৰা যাব; গতিকে চোলা নিপিন্ধাকৈয়ে পুৱাবেলাটো কটাই দিলোঁ। বেয়াওতো তেনেকৈ একো নালাগিল!

ফটা হওক ছিটা হওক বনিয়ন একোটা কিছুদিনলৈ গাত লাগি আছিল; কিন্তু পাছত যেতিয়া পাগঘৰৰ মুধত অকণমান ঠাই উলিয়াই জলকীয়া আৰু বাৰমহীয়া বেঙেনা পুলি কেইটামান লগোৱাৰ আয়োজন কৰিলোঁ, তেতিয়া বনিয়ন পিন্ধিবলৈ এৰিলোঁ। গাত ধুলি-মাকটি লাগিলে গাটো ধুই দিম, চাফা হৈ যাব। বনিয়নটোক লটিঘটি কৰোঁ কিয়? মিছাতে চাবোন খৰচ।

তাৰ পাছত বহুত বছৰ পাৰ হৈ গৈছে। মই আজিকালি ঘৰ সোমায়েই খালী গা হৈ লওঁ। গা-মন পাতল পাতল লাগে। এওঁৰ লগৰী ওচৰচুবুৰীয়া বোৱাৰীহঁত আহে, তেওঁলোকে তেওঁলোকৰ ভাৱে কথা পাতে, মই মোৰ কাম কৰি থাকোঁ। আগফালে পিৰালিৰ কাষে কাষে কেইশাৰীমান বৰ লাই, চুকা, ধনিয়া লগাইছিলোঁ; আবেলি সেইবোৰৰে অলপ যতন লওঁ; বাটেদি জুম পাতি পাতি উনৈছ-বিছ বছৰীয়া ছোৱালীহঁত যায়;—মোৰ অকণো অস্বস্তি নালাগে। অস্বস্তি লাগিবলৈ মোৰ জীৱনটোত এতিয়া আৰু ঠায়েই নাই। কচুপাতত যেনেকৈ পানী লাগি ধৰিবলৈ ঠাই নাই—তেনেকৈ।

অস্বস্তি লাগিলেও তাক ঢাকিবলৈ মই একো ব্যৱস্থা কৰিব নোৱাৰিলোঁ। মই দিনে দিনে বৰ নিঃকিন মানুহ হৈ আহিলোঁ। মোৰ বিয়াৰ ধাৰৰ সাতশ আশী টকা মাৰিবলৈ থাকোঁতেই মোৰ

প্ৰথম ছোৱালীজনীৰ জন্ম হৈছিল। তেতিয়া মোৰ ধাৰ এঘাৰশ টকালৈ বাঢ়িছিল। সেই এঘাৰশ টকাৰ ধাৰৰ সাতশ টকা মাৰেঁাতে মোৰ দেউতা ঢুকাইছিল। মই মৰাৰ পিছলৈকে জীয়াই থকা হ'লে দেউতাই মুঠতে মোৰ যিমান খাই ঢুকুৰালেহেঁতেন, দেউতাৰ শ্ৰাদ্ধত মই তাতোকৈ বেছি টকা খৰচ কৰিবলগীয়াত পৰিছিলোঁ। মোৰ কেঁচুৱা ছোৱালীজনীক এটোপা পনীয়া গাখীৰ খুৱাবলৈ মই হাঁহাকাৰ কৰিছিলোঁ, কিন্তু দেউতাৰ শ্ৰাদ্ধত আশী টকা দামৰ গৰু এজনী দান কৰিছিলোঁ। মোৰ ধাৰ বাৰশ টকালৈ বাঢ়িছিল। তাৰ পাছত মোৰ শাহু ঢুকাইছে, শহুৰ ঢুকাইছে, মোৰ আৰু দুটা পুত্ৰ সন্তানৰ জন্ম হৈছে, আৰু এইবোৰ জন্ম-মৃত্যুৰ লগে লগে মই ক্ৰমান্বয়ে নিঃস্ব হৈ গৈছোঁ। যিজনী মানুহৰ আগত এদিন মই মোৰ খালী গাটো উলিয়াবলৈ লাজ কৰিছিলোঁ, সেইজনী মানুহৰ গাটো ঢাকি ৰাখিব নোৱৰা লাজকো আজিকালি মই লাজ বুলি ভাবিবলৈ এৰি দিছোঁ। মোৰ লগত শাকনিবাৰীত কাম কৰেঁাতেও তেওঁ কেতিয়াৰা হোমৰ গুৰিলৈ ওলোৱা মেখেলাখন পিন্ধে। নিপিন্ধিলে উপায় নাই। আৰু মোৰ ল'ৰাকেইটাক মই সকৰেপৰা ঘৰত খালী গাৰে থাকিবলৈ শিকাইছিলোঁ।

এতিয়া মোৰ প্ৰথম ছোৱালীজনী ডাঙৰ হৈছে। ঘৰত ৰাখিব নোৱৰাকৈ ডাঙৰ হৈছে।

সুৰভিয়ে লেমটো বঢ়াই দিলে। ইতিমধ্যে মহ এটাই ভৰিত কামুৰি গ'ল, এতিয়া খজুৱাইছে। তাই মেজৰ তললৈ হাতখন নিছিল মহে কামোৰা ঠাইডোখৰ খজুৱাবলৈ; কিন্তু হাতখন ওভোতাই আনি তাই পোন হৈ বহিল।

প্ৰথম সন্তান বুলিয়েই নে কি ক'ব নোৱাৰেঁা, এইজনী ছোৱালীক মই বৰ মৰমেৰে ডাঙৰ-দীঘল কৰিছোঁ। পিছে মৰমহে

দিছোঁ; অইন একো দিব পৰা নাই। তাইক কি কি দি ডাঙৰ কৰিব লাগিছিল, সেইটো কথা ভাবিলেই মোৰ মনলৈ আহে— এই ছোৱালীজনীয়ে কোনোবা ডাঙৰ মানুহৰ ঘৰত জন্মগ্ৰহণ কৰিব লাগিছিল। এসময়ত মই এটা অনধিকাৰ চৰ্চা কৰিছিলোঁ;— কেতিয়াবা সন্ধিয়া এখন সাহিত্যৰ আলোচনা চক্ৰত বহি আছিলোঁগৈ। কিন্তু তাৰপৰা উভতি আহি প্ৰায়েই দেখিছিলোঁ— মোৰ পত্নীয়ে এহাতে তাইক লৈ আনহাতে চকুৰ ওপৰৰ পাচলি চম্ভালিছিল। ভোকতেই নে চকুত ধোঁৱা সোমোৱাৰ কাৰণেই ছোৱালীজনীয়ে চিঞৰি-চিঞৰি কান্দিছিল। এই দৃশ্যৰ লগত সাহিত্যৰ আলোচনা চক্ৰৰ কোনো সম্পৰ্ক নাছিল, তুলনা নাছিল। মই আলোচনা চক্ৰলৈ যোৱাটো বন্ধ কৰিছিলোঁ। এতিয়া কোনোবাই যদি কয়,—তাইৰ কাৰণেই মোৰ সাহিত্য চৰ্চা গ'ল, মই আপত্তি নকৰোঁ। পুৰা-গধুলি মই তাইক কোলাত লৈ, নিচুকাই, তাইৰ লগত ধেমালি কৰি বহুত দিন কটালোঁ। এতিয়াও মোৰ তাইক কোলাত ল'বলৈ মন যায়; তাইৰ লগত ধেমালি কৰিবলৈ মন যায়, কিন্তু এতিয়া তাই বৰ গধুৰ হ'ল, তাইৰ কাৰণে মোৰ ধেমালিবোৰ পুৰণি হ'ল। তাইৰ দেহ-মনৰ সন্মুখত মই দিনে দিনে বেছি অক্ষম, বেছি অপদাৰ্থ হৈ আহিছোঁ।

এনে অৱস্থাত আজি মোৰ একমাত্ৰ আনন্দৰ কথা হ'ল— তাইৰ এটা ডেকাৰ লগত মনৰ মিল হৈছে।

সুৰভিয়ে নিশাহটো এৰি দিবলৈ পাহৰি গৈছিল। তীব্ৰ গতিৰে তাই যেন আখৰবোৰ গিলি গৈছিল।

মই বৰ আনন্দ পাইছোঁ। এই দুৰ্বল দেহাৰে টলো টলোকৈ ঘুৰি এটা ল'ৰা যোগাৰ কৰাৰ দুশ্চিন্তাৰপৰা তাই মোক ৰেহাই দিছে। নিদিব কিয়? তাই মোৰ দুখ-বুজা ছোৱালীটো!

কিন্তু মোৰ সকলো দুশ্চিন্তাৰ শেষ হোৱা নাই। মই তাইক ল'ৰাটোৰ হাতত গতাই দিওঁ কেনেকৈ? —মোৰ প্ৰথম ছোৱালী-জনীৰ বিয়া…। তাইৰ কপালৰ সোঁমাজত এটা ৰঙা ফোঁট থাকিব, সেই ফোঁটৰপৰা দুয়োখন গাললৈকে দুলানি সৰু সৰু ফোঁট নামি যাব; ডিঙি, হাত, কাণ, কপাল সকলোতে সোণৰ মাজৰপৰা অসংখ্য বাখৰে তিৰবিৰাই থাকিব। এসময়ত তাই মোক সেৱা কৰিবলৈ আহিব। খমখমীয়া কাপোৰৰ মাজৰপৰা তাই হাত দুখন উলিয়াওঁতেও অইনে সহায় কৰি দিব লাগিব। সেৱা কৰিবলৈ লৈ তাই মোৰ ভৰিতে বাগৰি পৰি যাব। তাইৰ বিয়া বুলি ময়ো এটা নতুন পঞ্জাবী চোলা পিন্ধিম। সেই চোলাৰ আস্তিনত মই চকু পানী মচিম। সেই সময়ত দূৰত বেণ্ডপাৰ্টিয়ে বজোৱা সুৰটো বৰ দুখৰ যেন শুনা যাব।

এইবোৰ ভাবোঁ ঠিকেই। কিন্তু মই জানো এইবোৰ ভাবি লাভ নাই। মোৰ বিয়াতো বেণ্ডপাৰ্টি অনাইছিলোঁ। কিন্তু পিছৰ দিনবোৰত সেই বেণ্ডপাৰ্টিৰ কথা ভাবিলে মোৰ এনেকুৱা লাগিছিল যেন মোৰ জীৱনটোৰ ছালখন চেলাই লৈ তাৰে কোনোবাই এটা ঢোল সাজিলে, আৰু অতি নিষ্ঠুৰ হাতেৰে দিনে-নিশাই সেই ঢোল বজাই থাকিল। আজিৰপৰা তিনি বছৰৰ আগতে আঢ়ৈ শ টকাৰ শেষ কিস্তিটো দি মই যি ধাৰৰপৰা মুক্ত হলোঁ, সেই ধাৰত এটা টকা হ'লেও মোৰ বিয়াৰ ধাৰ সোমাই আছিল। কি দৰকাৰ আছিল আমি মানুহহালে এখন ঘৰ পতাৰ দিনা আমাৰ ঘা-লগা গলধনত এক জীৱনজোৰা ধাৰৰ ঘুঁৰলি তুলি লোৱাৰ? মোৰ গাভৰু ছোৱালীজনী সম্মুখত লৈ, মোৰ বিয়াৰ কথা ভাবি আজি মই বৰ বিৰক্ত হৈছোঁ। অফিছত লগৰ কেৰাণীয়ে চাহ এপিয়লা খুৱাবলৈ ধৰিলে দহটামান ডাল-জোৰা দিয়া যুক্তিৰে মুখ পোলোকা দিওঁ, আৰু মোৰ বিয়াত মই ধাৰ কৰা ধনেৰে পাঁচ শ মানুহক মসগোৱা-লুচি-ভাজি খুৱালোঁ! মইতো সেইখিনি ধনেৰে একটা

মাটি পালোঁহেঁতেন! এটা জুপুৰি সাজিতো আমি মানুহহাঁলে নিজৰ ঘৰ বুলি মূৰ সুমুৱাই থাকিব পাৰিলোঁহেঁতেন!

আৰু মোৰ আত্মীয়-কুটুম-বন্ধুহঁতে মোক কাগজেৰে মেৰিয়াই পোন্ধৰখন শৰাই আৰু সাতোটা বটা উপহাৰ দি গুচি গ'ল। সেই শৰাইৰে মই দুৰ্ভাগ্যৰ বাহিৰে আন কাকো আদৰিবলৈ নাপালোঁ। এটা বটাও নিয়মমতে তামোল-পাণেৰে সজাই ৰাখিব নোৱাৰিলোঁ।

মিছা। এইবোৰ মিছা কথা। আজিকালি এখন অ'ত-ত'ত ফটা চুৰিয়া দুজাপ কৰি দুটা ডাঙৰ ডাঙৰ খোঁচনিৰে কঁকালত ওলোমাই ল'বৰ সময়ত মই সদায় ভাবোঁ—ঠিক, মোৰ লগৰ হৃদয়ানন্দই কোৱা কথাই ঠিক,—ভুৱা সাজ পিন্ধি জীৱনৰ এখন সঁচা নাটকৰ অভিনয় আৰম্ভ কৰাৰ কোনো প্ৰয়োজন নাই। মই বৰ কষ্ট পালোঁ। অবৰ্ণনীয় কষ্ট। মোৰ সন্তানৰ এনে কষ্ট হ'বলৈ মই দিব-নোখোজোঁ। মই থিয়েটাৰ নাপাতোঁ।

সেই কাৰণেই আজি মই মোৰ ছোৱালীজনীক ওচৰত বহুৱাই লৈছোঁ। মই লাজ কৰা নাই। এটা বাপেক হিচাপে গোটেই জীৱনটোত সিহঁতৰ সম্মুখত ইমান লজ্জিত হলোঁ, সিহঁতক ইমান লাজ দিলোঁ যে আজি আৰু মই লাজ কৰা নাই। হাতত কাগজ-কলম তুলি দি তাইক মই এখন চিঠি লিখিবলৈ ক'লোঁ—তাই মনৰ আদান-প্ৰদান কৰা ল'ৰাটোলৈ। চকু দুটা মুদি মই ক'লোঁ,—মই কৈ যাওঁ তই লিখি যা—

"পূজনীয় দাদা,

আমাৰ বিয়াখনৰ কথা আপুনি কি ভাবিছে মই ক'ব নোৱাৰোঁ। আপুনি চাগে বৰ কষ্ট কৰি পইচা গোটাইছে। বিয়াৰ খৰচৰ কাৰণে চিন্তা কৰি আপুনি এতিয়াৰপৰাই চাগে বহুত চখ বাদ দিছে। মনৰ চখ পূৰাই বিয়াখন পাতিবলৈ চাগে বহুত কথা চিন্তা কৰিছে। কিন্তু দাদা, বিয়াৰ চখটো পূৰা হোৱাৰ পাছত এতিয়া আপুনি যিবোৰ চখ বাদ দি পইচা গোটাইছে, সেইবোৰ

চখ ঘূৰাই অনাৰ সুবিধা পাবনে ? আমাৰ দেউতাই কৈছে— তেখেতৰ হেনো আজিলৈকে চখ বাদ দিওঁতেই গ'ল। এতিয়া হেনো তেখেতৰ কেৱল এটাই চখ আছেগৈ,—আমাৰ বিয়াখন নেদেখাৰ চখ।

সুৰভিৰ বুকুখন মোচোকা খাই উঠিল। তাইৰ গোটেই গাটো যেন জিকাৰ খাই উঠিল।

বুজিছে দাদা, এটা কথা ক'বলৈ আজি মই অকণো লাজ নকৰোঁ। কথাটো হ'ল—আমাৰ দেউতাৰ সমান নিঃসম্বল দুৰ্ভগীয়া প্ৰাণী পৃথিৱীত বৰ কম আছে। এইটো কথা আপুনি জানি থোৱা ভাল। আমাৰ মা যেতিয়া বন কৰা কাপোৰ পিন্ধি প্ৰথমে দেউতাৰ ওচৰলৈ আহে, তেতিয়া দেউতাই হেনো মনে মনে ভয় খাইছিল; ভাবিছিল এই সুন্দৰ, দামী কাপোৰ পিন্ধা মানুহজনীক মই কেনেকৈ ৰাখিম ? কিন্তু লাহে লাহে মাৰ নিঃকিন ৰূপটোও ওলাই পৰিছিল। দেউতায়েই মাৰ সেই ৰূপটো উলিয়াই লৈছিল। এতিয়াও মাই বনকৰা মেখেলাখন পিন্ধে; কিন্তু অইন কাপোৰ ঠিক সময়ত নুশুকায় কাৰণেহে পিন্ধে। তাৰ মানে বুজিব,— দেউতাই মোকো সৰহকৈ দিব পৰা নাই, নহ'লে মাই মোৰ কাপোৰকে পিন্ধিলেহেঁতেন। মাক বুজোঁতে দেউতাৰ যিকণ সময় লাগিছিল, মই আপোনাৰ কাৰণে সেইকণ সময় আৰু কমাই থলোঁ। এটা চিনাকি আজিয়েই দি থলোঁ। থিয়েটাৰৰ ড্ৰেছৰ নিচিনা সাজ পিন্ধি এদিন আপোনাৰ আগত থিয় হোৱাৰ খৰচী ধেমালি এটা নকৰিলে নহ'ব জানো ?

শুনক দাদা, আজি দেউতাই মোৰ আগত চকুপানী মচিছিল। আচলতে কোনো ছোৱালীয়েই দেউতাকৰ চকুপানী দেখিব নাপায়। দেউতাই কৈছিল—মা, তোক উলিয়াই দিবৰ কাৰণে মই নিশ্চয়

পইচা কেইটামান গোটাইছোঁ,—কিন্তু সেইকেইটা পইচা মই কিয় মানুহক ৰসগোল্লা খুৱাই খৰচ কৰোঁ, কচোন ? তাতকৈ চা, এদিন যদি আমি বুঢ়া-বুঢ়ী হাল তইঁতৰ ঘৰত ওলাওঁগৈ, তইঁতে যদি আমাক ধাৰ নকৰা পইচাৰে কিনা ছুটা ৰসগোল্লা খুৱাব পাৰ, আমি কিমান আনন্দ পাম !

দাদা, ৰসগোল্লা খুউৱা বিয়াতো দেউতাই পাতিব নোখোজেই, আনকি হাকিম এটা মাতি আনি কাগজ এখন চহী কৰাৰ কথাও তেখেতে নাভাবে ; কাৰণ আমাৰ মনতকৈ বোলে কোনো হাকিমৰ কাগজ ডাঙৰ নহয় । আনকি আমি যদি সুখী হ'ম বুলি ভাবিছোঁ, তেনেহ'লে মই আপোনাৰ ওচৰলৈ পলাই গ'লেও দেউতাই বেয়া নাপায় । কাৰণ মই সুখী হ'ব পৰা মানুহ এটা গেৰান্টি দি দেউতায়ো উলিয়াই দিব নোৱাৰে । আৰু দ্বিতীয়তে, - মানুহবোৰে ৰসগোল্লাৰ সোৱাদ আৰু মই পলাই যোৱাৰ কাহিনী—এই ছুয়োটাকে একে সময়তে পাহৰিব ।

তেনেহলে দাদা, মোক উলিয়াই দিবৰ কাৰণে দেউতাই যি-কেইটা পইচা গোটাইছে, মোক গ্ৰহণ কৰিবলৈ আপুনি যিকেইটা পইচা গোটাইছে, সেইখিনি গোটাই আমি আমাৰ কাৰণে এখন সংসাৰ নাপাতোঁ কিয় ? আমাৰ ছুজনৰহে বিয়া ! তেনেহ'লে অযথা আমি এখন থিয়েটাৰ পাতি - নিঃসম্বল, পংগু হওঁ কিয় ?

এইখিনি কথা ক'বলৈকে চিঠিখন লিখিলোঁ । মই এদিন ফুৰিবলৈ ওলোৱাৰ নিচিনাকৈ ওলাই ৰৈ থাকিম । দেউতা আৰু মাই মোক হিয়া উবুৰিয়াই আশীৰ্বাদ দিব । আপোনাকো দিব । তাৰ পাছত আপোনাৰ লগত মই বৰ দীঘলীয়া, সুন্দৰ বাটেদি ফুৰিবলৈ ওলাই যাম । ইয়াতকৈ বেছি হুলস্থুল কৰি যেন আমি আমাৰ বাটটোৰ শান্তি নষ্ট নকৰোঁ ।

মোক যদি আপুনি মৰম কৰে, তেনেহ'লে মোৰ কথা আপুনি ৰাখিব ! আমাৰ ভৱিষ্যতক, মোৰ জৰাজীৰ্ণ দেহ-মনৰ দেউতাক

ৰেহাই দিবলৈ এই কামটো যেন আপুনি কৰে। এয়ে মোৰ মিনতি। মোক নিবলৈ এদিন আহিব।”

বৰ লাহে লাহে, চিঠিৰ শ্ৰুতলিপিটো দিলোঁ। মোৰ ছোৱালীজনীয়ে তলমূৰকৈ লিখি গৈছিল। মাজতে কাগজৰ ওপৰত টপ টপকৈ তাইৰ চকুপানী পৰিছিল। শেষত মই তাইক ক'লোঁ। —“হ'ল আৰু। দে এতিয়া, চহীটো দে। শুনিছ মা? চহীটো দে। দে।”

গল্পটো শেষ হ'ল। সুৰভি বহুত সময় অলৰ-অচৰ হৈ বহি ৰ'ল। এসময়ত তাই মুগাবৰণীয়া কাগজ দিস্তা গাৰ ফালে টানি ল'লে। লাহে লাহে, গোট গোট আখৰেৰে তাই গোটেই গল্পটো নহয়,—কেৱল শেষৰ চিঠিখন কপি কৰিলে। মাজতে কাগজৰ ওপৰত টপটপকৈ তাইৰ চকুপানী পৰিল। কপি কৰা হোৱাৰ পাছত তাই দেউতাকৰ গল্পটোৰ শেষ শাৰীকেইটাত আকৌ চকু ফুৰালে। “দে এতিয়া, চহীটো দে; শুনিছ মা? চহীটো দে। দে।”

সুৰভিয়ে চিঠিখনৰ শেষত চহীটো দিলে। পিছদিনা তাই প্ৰমোদলৈ বুলি চিঠিখন ডাকত দিলে।

# বয়স

চন্দ্ৰিকা, গুণেমাই, ফুলৰ মাক, লাহতী, নীৰলা, সাবিত্ৰী আৰু ৰত্নমলা,—এই সাতজনী পোহাৰী মনৰ জোৰ, বিৰক্তি আৰু উত্তেজনাত অলপ অলপকৈ আগবাঢ়ি বাঢ়ি চৰকাৰী ৰাস্তাৰ প্ৰায় মাজ পালেগৈ। সিহঁতজাক যিডোখৰ ঠাইত থিয় হৈ আছিল, তাৰপৰা কিছুদুৰ গৈ চৰকাৰী ৰাস্তাটো নামি গৈছে; বাছ এখন আহিলেই প্ৰথমতে আগফালৰ মুখটো দেখি, তাৰ পাছত লাহে লাহে গাটো দেখি, অলপদুৰ আগুৱাই আহিলেহে বাছ নে ট্ৰাক ভালকৈ ধৰিব পাৰি। মুঠতে পৃথিৱী ঘূৰণীয়া হোৱাৰ কাৰণে সাগৰৰ পাৰলৈ আহি থকা জাহাজৰ মাস্তুলৰ কি অৱস্থা হয়, এইডোখৰ ঠাইতে বুজিবলৈ ভাল।

পোহাৰী সাতজনীয়ে পুৱা আঠ বজাৰপৰা এতিয়া এঘাৰ বজালৈকে, এই তিনি ঘণ্টা সময়ৰ ভিতৰত বহুত গাড়ীৰ মুখ দেখিলে, কিছুদুৰ আগুৱাই আহি বহুত মুখ বাছ হৈ গ'ল; প্ৰত্যেকখন বাছকে সিহঁতে ৰখাবলৈ চেষ্টা কৰিলে, কিন্তু এখনো নৰ'ল। প্ৰথম অৱস্থাত নীৰলাই দুখনমান বাছৰ ফালে চাই, পাচিটো কাষলতিৰ তলত লৈ কেৱল দুখোজমান আগুৱাই আহিছিল; তেওঁৰ ভাবটো এনেকুৱা আছিল, "ৰ'বিচোন, আমি উঠি লওঁ।" আনকি তেওঁ নিজে আগবাঢ়ি লগৰকেইজনীক মাতিছিলো, "আহহঁত আহ; হয়েৰা ফুলৰ মাক, জলকা লাগি কি কৰিছা; তেনেকৈ থাকোঁতে এখি থৈ গুচি যাম, গম পাবা।"

বাছে কেৰেপেই কৰা নাছিল। দুয়োখন দুৱাৰৰ হেণ্ডেলত ধৰি ওলমি থকা, খিৰিকীৰ মুখত ঠাহ খাই থকা মানুহবোৰৰ দৃষ্টি পোহাৰীকেইজনীৰ ওপৰেদি মজিয়াত শোঁতা চোচৰাদি চুচৰি গৈছিল। বাটৰ কাষৰ নিজৰ ঠাইলৈ উভতি গৈ নীৰলাই পাৰ হৈ যোৱা আটাইকেইখন বাছৰ ড্ৰাইভাৰক গালি পাৰিলে,—"বেটাহঁত খাটিৰ কৰি কৰি কুটুৰি কুটুৰি তুলি নিয়, বাটৰ কিনাৰত এনেয়ে বহি থাকিলেও মটৰ ৰখাই সোধ, আজি আকৌ কেৰাহিকৈয়েই নাচায় !"

তাৰ পাছত অহা দুখন বাছক চন্দ্ৰিকাই পুলিছৰ ভংগীৰে হাত তুলি ৰ'বলৈ নিৰ্দেশ দিছিল; অতিৰিক্ত বোজাৰে আওগৰীয়া বাটডোখৰ কোনোমতে উঠি এইখিনিৰ সমান বাটত বাছবোৰে নতুনকৈ পূৰ্ণ গতি লাভ কৰে; সেই পূৰ্ণ গতিৰেই দুয়োখন বাছ গুচি গ'ল। পুলিছৰ আত্মবিশ্বাস আৰু দম্ভেৰে হাত দাঙি থিয় হৈ থকা চন্দ্ৰিকাই ভাবিছিল, অন্ততঃ আজি বাছ ৰখোৱা কামটো নীৰলা বুঢ়ীৰ মেওঁ মেওঁ স্বভাৱেৰে নহ'ব; কিন্তু বাছ দুখন গুচি যোৱাৰ পাছত চন্দ্ৰিকাৰ মাতটোও অলপ মেওঁ মেওঁ হৈ গল; তেওঁ লগৰকেইজনীক বুজাবলৈ চেষ্টা কৰিলে যে আচলতে ড্ৰাইভাৰৰ গাত দোষ নাই; সিহঁতৰ চাগৈ ৰখোৱাৰ ইচ্ছা আছিলেই; কিন্তু মটৰকেইখনৰ চালে-বেৰে মানুহবোৰ লেতেকুৰ থোপা ওলমাদি যেনেকৈ ওলমি গৈছে, সি ৰখায় কোনটো সাহেৰে !

শেষৰ ফালে গুণেমাই আৰু লাহতীয়ে বাটৰ কাষত থিয় হৈ বাছ, ট্ৰাক যিয়েই আহিল, সকলোকে দুয়োখন হাত তুলি তুলি আধা অনুৰোধ, আধা মিনতি কৰিবলৈ ধৰিলে, পিছে একো নৰ'ল; পাৰিলে বাছবোৰে সিহঁতৰ ওচৰতে দুজনমান যাত্ৰীক নমাই থৈ যায়হে !

উপায়ান্তৰ হৈ সাতোজনী পোহাৰীয়ে এবাৰ গছজোপাৰ গুৰিত বহি ল'লে, তাৰ পাছত তেওঁলোকে মুকলি মাতেৰে কিছুমান কথা

কটা-কটি কৰিলে;—দুজনী-এজনী মানুহ ৰৈ থকা দেখিলে ড্রাইভাৰহঁতে ভয় নাখায়, কিন্তু সাতজনী মানুহ একেলগে দেখিলে সিহঁত কিয় ৰ'ব? বাছবোৰ যেনেকৈ ঠাহ খাই খাই আহিছে, বৰ বেছি এজনীদুজনীৰ কাৰণে ঠেলি-হেঁচুকি ঠাই উলিয়াব পাৰি। তাৰ উপৰিও বেলি দুপৰীয়া শোৱাৰপৰা উঠি, গোটেই বাটটো মেল মাৰি মাৰি পাতিহঁাহৰ খোজেৰে আহি ইমান পলমকৈ চৰকাৰী বাট পালেহি কোনে সিহঁতক কইনা আদৰাদি আদৰি মটৰত তুলিব? কাম থাকিলে ধান্দা থাকিব লাগে, খৰধৰকৈ ধলপুৱাতে ওলাই আহিব লাগে, তেহে। তেতিয়া চাগে মটৰত এনেকুৱা ঠেলা-হেঁচা নাছিলেই।

কথাবোৰ সকলোৱে মুখে মুখে ক'লে, কিন্তু কোনে কাক ক'লে তাৰ একো ঠিক নাছিল। আটাইকেইজনীয়ে কৈছিল, কিন্তু কোনেও কথাবোৰ গাত পাতি লোৱা নাছিল, নিজৰ নিজৰ গাত চিকুট মাৰিও চোৱা নাছিল। মনটো কোঁচ খাই গৈছিল কেৱল সাবিত্রীৰ।

সাবিত্রীয়ে কালিয়েই গম পাইছিল, তাইক লগত নিবলৈ বাকী ছজনীৰ মনটো বৰ মুকলি নহয়, অলপ গোমা। আৰু পলমকৈ ঘৰৰপৰা ওলাই অহা অইন তিনিজনীৰ কি হৈছিল তাই ক'ব নোৱাৰে, কিন্তু ৰাতিপুৱা তাইৰ এৰাব নোৱৰা কাম আছিল; ৰাতিপুৱাই পোহাৰলৈ ওলাই যোৱা মানুহ এজনীয়ে ঘৰৰ মানুহটোৰ কাৰণে অগত্যা থিথিনি কৰি থৈ নগ'লে নহয়, তাইৰ সেইখিনি কাম আছিল।

এসময়ত কথা কটা-কটিৰ জোৰ কমিল; খং আৰু বিৰক্তিত আটাইকেইজনী মানুহ মনে মনে বহি থাকিল; আটাইকেইজনীৰ চকু কেৱল সেইফালে থিৰ হৈ থাকিল,—যি ফালৰপৰা বাছ আহে।

তাৰ পাছত প্ৰায় এঘাৰ বজাত এইখন বাছ আহিছে। এইবাৰ আৰু হাত দঙা, অনুৰোধ কৰা, এইবোৰ নাই; আওগৰীয়া

বাটটোত মুখটো দেখাৰ লগে লগেই আটাইকেইজনী পোহাৰী থিয় হ'ল; বাছ বুলি চিনি পোৱাৰ লগে লগেই আটাইকেইজনীয়ে নিজৰ নিজৰ পাচিটো কাষলতিৰ তললৈ তুলি ল'লে, তাৰ পাছত মনৰ জোৰ, বিৰক্তি আৰু উত্তেজনাত আটাইকেইজনী বাটৰ প্ৰায় মাজ পালেগৈ, আৰু "হয় আমাক তুলি নে, নহয় চেপি থৈ গুচি যা"—এনেকুৱা এটা ভাব লৈ থিয় হৈ থাকিল। দূৰৰপৰা সিহঁতক বিয়াৰ হেঙাৰ ধৰা মানুহৰ নিচিনা দেখা গ'ল।

আচৰিত কথা, বাছখন এইবাৰ ৰ'ল; আৰু তাতোকৈ আচৰিত কথা, ভিতৰখন ঠাহ খাই থকা সত্ত্বেও বাছৰ কণ্ডাক্টৰে মানুহ-কেইজনীক তুলি ল'বৰ ব্যৱস্থা কৰিলে। ভিতৰৰপৰা যাত্ৰী কিছুমানে আপত্তি কৰিলে; মানুহকেইজনী যেনতেন, পাচিবোৰ থকাৰ কাৰণে কণ্ডাক্টৰেও ভোৰভোৰাই দেখুৱালে। শেষত যেতিয়া বাছখন চলিল আৰু দুৱাৰৰ হেণ্ডেলত কণ্ডাক্টৰ ওলমিল, তেতিয়া দেখা গ'ল বাছৰ ভিতৰত সাতজনী পোহাৰী অ'ত ত'ত ধৰি থিৰেৰে থিয় হৈ থকাৰ চেষ্টা কৰিছে। ফুলৰ মাকৰ এনেকুৱা জোকাৰণি সহ্য নহয়, তেওঁ অলপ দূৰ গৈয়েই দুই শাৰী বেঞ্চৰ মাজৰ ঠাইডোখৰতে বহি দিলে। অলপ পাছত গুণেমায়ো বহিল; তাকে দেখি চন্দ্ৰিকাই অকণমান সময় কিবা ভাবিলে, তাৰ পাছত ফুলৰ মাক আৰু গুণেমাইৰ পাছি দুটাৰ ওপৰতে আটাইকেইটা পাচি আলফুলকৈ জাপিলে আৰু বাকীকেইজনীকো বহিবলৈ ক'লে। ছজনী মানুহ জুম পাতি মাজতে বহাৰ পাছত বাছখনত থিয় হৈ থাকিল আগৰেপৰা থিয় হৈ অহা মতা মানুহকেইটা।

অকণমান পৰৰ পাছত হঠাতে চন্দ্ৰিকাহঁত ছজনীৰ মনত খেলালে, সাবিত্ৰী ক'লৈ গ'ল? আটাইকেইজনীয়ে ইফালে-সিফালে চাই দেখিলে, সাবিত্ৰী বেঞ্চত বহি আছে। বেঞ্চখনত আগৰেপৰা দুজন মানুহ বহি আছিল; তেওঁলোকৰ ভিতৰৰ মাজৰ বাটটোৰ কাষত বহাজনে ইঞ্জনক আৰু অলপ খিৰিকীৰ ফালে ঠেঁচুকি অকণমান

ঠাই উলিয়ালে, আৰু তেওঁৰ বাহুতে চাদৰৰ আগটো পেলাই থিয় হৈ থকা সাবিত্ৰীক বহিবলৈ ক'লে। ইমানবোৰ মানুহৰ আগত থিয় হৈ থাকি সাবিত্ৰীয়ে লাজ পাইছিল, কিন্তু মানুহজনে বহিবলৈ কওঁতে তাইৰ বেছি লাজ লাগিল। মহা সমস্যাত পৰা মানুহৰ নিচিনাকৈ তাই ইফালে-সিফালে চালে; দেখিলে প্ৰায় আটাইকেইখন বেঞ্চতে তিনিজনকৈ মানুহ বহিছে, তাৰ ভিতৰত কেইবাজনীও তিৰোতা মানুহ আছে। অত্যন্ত সংকোচেৰে মানুহজনে উলিয়াই দিয়া অকণমান ঠাইৰো অকণমান বাদ দি, বাকীকণত তাই এনেকৈ বহিল যেন ওচৰৰ মানুহজনৰ গাত আঙঠা আছে, অকণমান ইফাল-সিফাল হ'লেই তাইক পুৰিব।

মজিয়াত বহি থকা নীৰলাই বৰ বেয়া গোন্ধ এটা পোৱাৰ নিচিনাকৈ নাক-মুখ কোঁচাই ৰত্নমলাৰ মুখলৈ চালে। তুকুৰি বছৰ বয়সত নীৰলাই কাষলতিৰ তলত পোহাৰৰ পাচি তুলি লৈছিল; আজি বাৰ বছৰে তেওঁ বহুত বজাৰ দেখিলে; আৰু দেখি দেখি বাটে-ঘাটে তিৰোতা মানুহৰ চলন-ফুৰণ কেনেকুৱা হ'ব লাগে, সেই বিষয়ে বহুত শিকিলে। সেই কাৰণে সাবিত্ৰীৰ কাণ্ড দেখি তেওঁৰ নাক-মুখ কোঁচ খাই গ'ল।

ৰত্নমলাৰ দাঁত কেইটামান সৰিছে, কিন্তু চুলি ফালি নাচালে পকা চুলি চকুত নপৰে। তেওঁৰ চুলি নপকাৰ কাৰণ হৈছে বংশৰ গুণ আৰু জীৱনৰ বেছিভাগ সময় উপভোগ কৰা সুখ। বোৱাৰীয়েকহঁতৰ কুবুদ্ধি শুনি পুতেক দুটাই এৰি থৈ নোযোৱা হ'লে বুঢ়ীয়ে এতিয়াও ভৰিৰ ওপৰত ভৰি তুলি মহাসুখে খাই-বৈ থাকিলেহেঁতেন। কাৰো ওচৰত হাত পতাৰ অভ্যাস নাই কাৰণেই ৰত্নমলা বুঢ়ীয়ে যোৱা সাত বছৰে এই পোহাৰত ধৰিছে, কিন্তু সেই বুলি বংশৰ গুণ, তিৰোতাৰ মান-সন্মান এইবোৰৰ প্ৰতি বুঢ়ীৰ চকু পুৰা মেল খোৱা। নীৰলাৰ কোঁচমোচ খোৱা মুখখন দেখি তেৰেঁা তলৰ ওঁঠখন বিকটাই দিলে, তেওঁৰ কপালখনে খোপা

পাভিলে, তাৰ পাছত "এইবোৰৰ কথা নকবি দে"—এনেকুৱা এটা ভাবত মহা বিৰক্তিৰে তেওঁ অইনফালে মুখ ঘূৰালে।

লাহতীৰ কঁকালৰ বিষ এটা আছে। দুকুৰি বছৰ সয়সলৈকে তেওঁ বিষ-কোপ, অসুখ-বিসুখ কাক বোলে চিনিকে নাপাইছিল; যোৱা কেইবছৰমানৰ ভিতৰতে ক'ৰপৰা এই বিষটোৱে তেওঁৰ কঁকালত বাহ ল'লেহি তেওঁ ক'ব নোৱাৰে। গাত লাগি ঔষধ-পাতিৰো ব্যৱস্থা কৰিব পৰা নাই; হাট-বজাৰৰপৰা উভতি যাওঁতে তেওঁ যি ঔষধ কিনে সেয়া বুঢ়াৰ কাহৰ ঔষধ। ৰাতিপুৱাৰেপৰা গছজোপাৰ গুৰিত বহি থাকোঁতে থাকোঁতে তেওঁৰ বিষটো উঠোঁ উঠোঁ কৰিছিল; এই সময়ত আকৌ মজিয়াত এনেকৈ নবহি বেঞ্চত বহিবলৈ পোৱা হ'লে তেওঁৰ কঁকালটোৱে অকণমান সকাহ পালেহেঁতেন। তেওঁ বেঞ্চত বহা সাবিত্ৰীৰ ফালে কেৰাহিকৈ চাই গুণেমাইৰ চকুলৈ চালে।

দেখাই-শুনাই, কথাই-বতৰাই, সাজে-পাৰে যেনেকুৱাই নহওক, গুণেমায়ে মতা মানুহক বিশ্বাস নকৰে। বিয়াৰ পাছত বহুদিন ধৰি তেওঁক ইমানকৈ মৰম-চেনেহ কৰি ঘৰ-সংসাৰ কৰা মানুহটোৱেই যেতিয়া আনো বুলিয়েই আৰু এজনী মানুহ ঘৰ চপালেহি, তাৰ পাছত আৰু তেওঁ মতা মানুহক বিশ্বাস কৰাৰ উপায় নাছিল। সাবিত্ৰীৰ ওচৰৰ মানুহটোৰ ফালে এবাৰ চাই লৈ গুণেমায়ে চেপা মাতেৰে "লাজ-মানৰ ভু পালেহে" বুলি নাকৰ পাহি ফুলালে।

চন্দ্ৰিকাই অন্যায়-অধৰ্ম বেছিপৰ সহ্য কৰি থাকিবই নোৱাৰে। ধৰ্মৰ নামত তেওঁ কেইবাবাৰো হাট-বজাৰ, বেপাৰ-বণিজ এৰি বৈষ্ণৱী হৈ গুচি যোৱাৰ কথাই ভাবিছিল, ওচৰ-চুবুৰীয়া আৰু লগৰীয়াহঁতেহে ধৰি ৰাখিছে। তথাপি তেওঁৰ মনোবাঞ্ছাৰ সাক্ষী হিচাপে তেওঁৰ শকত-আৱত দেহাটোৰ লগত খাপ খোৱা ডাঙৰ ডাঙৰ বৃক্ষজাত মণিৰ বৈষ্ণৱী মালা এধাৰ ডিঙিত ওলমি আছে। চকু দুটা টেলেকা কৰি তেওঁ সাবিত্ৰীলৈ চাই আছিল; হঠাতে

খংটো অসহ্য হৈ যোৱাত তেওঁ ওচৰতে বহি থকা ফুলৰ মাকক ক'লে, "সেই দেখিহে মই এইবোৰক লগত আনিব নোখোজোঁ!"

ফুলৰ মাক আচলতে এজাক ল'ৰা-ছোৱালীৰ বুঢ়ীমাক। হাইস্কুলত পঢ়া বুঢ়ীৰ নাতিয়েকহঁতেও মান-সন্মানৰ ভু পোৱা হৈছে; সিহঁতে প্ৰায়েই তেওঁক হাট-বজাৰলৈ যাবলৈ মানা কৰে; কাৰণ সিহঁতৰ বোলে লাজ লাগে। ইফালে বুঢ়ীয়ে হাট-বজাৰ ফুৰিবলৈ আৰম্ভ কৰিছিল নাতিয়েকহঁতৰ বয়সতে। এতিয়া হাট-বজাৰ পৰিলেই বুঢ়ীৰ মনটোৱে লকলকাই থাকে; ব্ৰহ্মাণ্ডৰ ভোগ আনি মুখৰ আগত দ'মাই দিও বুঢ়ীক কোনেও ৰাখিব নোৱাৰে। আৰু হাটৰপৰা উভতি আহোঁতে বুঢ়ীয়ে নাতিয়েকহঁতৰ কাৰণে মাটি-পেন্সিল, কাঠপেন্সিল, ৰবৰ, শ্ৰীৰামপুৰী কাগজ লৈ আহে।

চন্দ্ৰিকাৰ কথাষাৰ শুনি ফুলৰ মাকে ঘনঘনকৈ চকু পিৰি-কিয়াবলৈ ধৰিলে। কি ক'ব ঠিক কৰিব নোৱাৰিলে বুঢ়ীয়ে এনেকুৱা কৰে। ড্ৰাইভাৰৰ বাওঁফালে মটৰখনৰ বেৰত থকা ফুটা এটাইদি হো হোকৈ বতাহ সোমাইছিল; ঠাণ্ডাত বুঢ়ীৰ গাটো শিৰশিৰাই গৈছিল; "হয়তো, ডেকা-গাভৰু মানুহ, গা বছাই চলিব লাগে" বুলি বুঢ়ীয়ে চাদৰখনেৰে গাটো ভালকৈ ঢাকিবলৈ চেষ্টা কৰিলে। বুঢ়ীৰ আকৌ চোলা পিন্ধাৰ অভ্যাসেই নাই।

সাবিত্ৰীয়ে দুতৰপ চোলা পিন্ধে। ওপৰত ব্লাউজ এটা, তাৰ তলত আৰু কিবা এটা। তাইৰ গোটেই সাজটোৱেই দুতৰপীয়া। গাত লোৱা চাদৰখনো আৰু এখন খনিয়া কাপোৰেৰে ঢাকি থোৱা আছে। এই কেইবাতৰপো কাপোৰৰ মাজেদিয়েই তাইৰ ত্ৰিছ বছৰীয়া গাটোৰ বাহুটো যেতিয়া বাছৰ জোকাৰণিত ওচৰৰ মানুহটোৰ বাহুত লাগে, তেতিয়া তাইৰ অশান্তি লাগে, লাজ লাগে, মনটো কোঁচ খাই যায়।

আৰু বাহুত বাহুটো লাগিলেই ওচৰৰ মানুহটোৱে অন্যমনস্কৰ ভাও ধৰি বাহিৰলৈ চায়; চাই চাই ভাবে, ছোৱালীজনী কোন?

তাইৰ বয়স কিমান? বাইছ? পঁচিছ? সাতাইছ? তাইৰ কাৰ লগত আহিছে? উঠোঁতে এই পোহাৰীজাকৰ লগতে একেলগে উঠিছিল; কিন্তু সিহঁত জাকৰ লগত তাইৰ নিশ্চয় কোনো সম্পৰ্ক নাই।

এসময়ত বাছ ৰৈ গ'ল। এমাইল দীঘল, আধামাইল বহল ঠাই জুৰি মেলা বহিছে; তাৰ কিছুদূৰতে বাছ ৰ'ল; পুলিছে আৰু আগলৈ যাবলৈ নিদিয়ে। এইখিনি বাট মেলা চাবলৈ মানুহবোৰ খোজকাঢ়ি যাব লাগিব।

নীৰলাহঁত আটাইকেইজনীয়ে নামিয়েই হাত-ভৰি পোনাবলৈ ধৰিলে। সাবিত্ৰী নামোতে অলপ পলম হ'ল। তাই চাপি আহি যেতিয়া ওচৰত থিয় হ'ল তেতিয়া বাকীকেইজনীৰ ওফোন্দা মুখবিলাকত এনেকুৱা এটা ভাব ফুটি উঠিল যে সিহঁতৰ লগত তাইৰ কোনো সম্পৰ্কই নাই। কোনেও একো নোকোৱাকৈয়ে সাবিত্ৰীৰো নিজকে কিবা এটা দোষত অপৰাধী অপৰাধী লাগিছিল।

এই ওফোন্দা ভাবটো বেছি সময় নাথাকিল; চন্দ্ৰিকাই টান মাতেৰে সাবিত্ৰীক সুধিলে, "চিনি নাপাৰ, জানি নাপাৰ, ক'ৰ মানুহ, কি কথা, ঠিক নাই, তোৰনো সাউতকৈ মানুহটোৰ ওচৰত বহিবলৈ লাজ নালাগিলনে?"

সেয়া আৰম্ভ। তাৰ পাছত ছজনী পোহাৰীয়ে সাবিত্ৰীক থকাসৰকা কৰিবলৈ ধৰিলে। সিহঁতকেইজনী নথকা হ'লে কোনোবাই কোলাত বহিবলৈ কোৱা হ'লেও সাবিত্ৰীয়ে বহি দিলেহেঁতেন। এইবোৰ গাভৰু মানুহক লগত আনিলে এনেকুৱাই; কেতিয়া আটাইজাকৰে নাক-কাণ কটায় ঠিক নাই। দেহাৰ বেহা কৰিবলৈ আহিছেনে কিহৰ বেহা কৰিবলৈ আহিছে তাইৰ মনেহে জানে; গুড়ৰ পিঠা বেচিবলৈ অহাটো চেলুহে।

সাবিত্ৰীয়ে তলমূৰকৈ মনে মনে থিয় দি ৰ'ল। কিন্তু তাই উচাপ খাই উঠিল যেতিয়া নীৰলা বুঢ়ীয়ে ভোৰভোৰালে, "নহয় নহয়,

এইবোৰ ইমান সহজে এৰি দিয়া কথা নহয়। লুকুৱাই থওঁতে থওঁতে ভিতৰি ভিতৰি কথা কোনোবাখিনি পাবগৈ, শেষত মানুহে আমাক দায় দিব। উভতি গৈ এইবোৰ কথা ক'বগৈ লাগিব; তাক ভদ্ৰকো ক'ব লাগিব।"

ভদ্ৰ নামটো শুনি সাবিত্ৰী অধীৰ হৈ উঠিল। ভদ্ৰ তাইৰ গিৰিয়েক। সি এমুঠি ভাতেৰে ঘৰখন পুহিব নোৱৰা দুখীয়া মানুহ; কিন্তু মৰম চেনেহেৰে তাইক পুহিব পৰা ভাল মানুহ। এই বয়সত তাইক হাট-বজাৰলৈ আহিবলৈ ভদ্ৰই কোনোমতে নিদিয়ে; কিন্তু তাৰ দিন-হাজিৰাৰপৰা হোৱা উপাৰ্জন বৰ কম, বৰ অনিয়মীয়া, সেই কাৰণে তাক মৰমৰ বুজনিৰে বুজাই বুজাই সাবিত্ৰীয়ে পোহাৰলৈ অহাৰ ব্যৱস্থাটো কৰি লৈছে; কামটো তায়ো ভাল নাপায়, তথাপি। হাট শেষ হ'লে ভদ্ৰৰ ওচৰ পাবলৈ তাই যিমান উত্ৰাৱল হয়, ভদ্ৰও সিমান উদ্বিগ্নতাৰে বাটৰ মুখত ৰহি থাকে—এই আহিব, এই আহিব বুলি।

ছজনী বুঢ়ীয়ে গৈ গাঁৱৰ মানুহক, ভদ্ৰক, এইবোৰ কথা ক'লে তাই কেনেকৈ সহ্য কৰিব? তাই কাক কি বুজাব? তাই দুটা ল'ৰা-ছোৱালীৰ মাক; এই বয়সত তাইৰ নামত গাঁৱত লাজ কথা ওলাব? ভদ্ৰই হয়তো বিশ্বাস নকৰিব; সি তাইক বেয়াও নাপাব; তথাপি।

সাবিত্ৰীয়ে বুঢ়ী ছজনীক তথাপি একো নক'লে; তাই ভাবি থ'লে, উভতি আহোঁতে তাই ছজনী বুঢ়ীৰ মাজতে বহিব, আৰু হাতে-ভৰিয়ে ধৰি তেওঁলোকক কাকুতি কৰিব, তাই জানি-শুনি একো দোষ কৰা নাই; গাঁৱত যেন এইবোৰ কথাৰ তেওঁলোকে একো তুলিয়ায়।

মুখৰ ভোৰভোৰণি নেৰাকৈয়ে পোহাৰীকেইজনীয়ে মেলাৰ ফালে মুখ ঘূৰালে। বিৰাট মেলা। যিমান দূৰলৈকে দৃষ্টি যায়, সিমান দূৰলৈকে কেৱল মানুহ মানুহ আৰু মানুহ। ইমান

ডাঙৰ মেলা এইখন দেশত আগতে হোৱা নাই। যোৱা দুমাহ ধৰি এই মেলাখনৰ কথাই গোটেই দেশতে বজনজনাই আছে; আৰু এতিয়া মেলাখন বহোঁতে গোটেই দেশৰ মানুহ আহি খুপ খাইছেহি। জনাবুজা মানুহৰ মুখত চন্দ্ৰিকাহঁতে শুনিছে গোটেই ভাৰতৰ আটাইবোৰ চুক-কোণৰপৰা সাদিন থকাকৈ মানুহ আহিছে, কিন্তু সমুখৰ মানুহৰ সাগৰখনলৈ চাই সিহঁতৰ এনেকুৱা লাগিল যেন ভাৰতখনৰ ক'তো আৰু মানুহ নাই, সকলো আজি ইয়াতে আছেহি।

মেলা চোৱাটো পিছৰ কথা, আগতে বেচিবলৈ অনা বস্তুখিনি শেষ কৰিব লাগিব। পোহাৰীকেইজনী মানুহৰ ফালে আগবাঢ়িল। বহিবলৈ সুবিধাৰ ঠাই এডোখৰ বিচাৰিব লাগিল। সিহঁত আটাইকেইজনীয়ে গুড়ৰ পিঠা বেচিবলৈ আনিছে; সেই কাৰণে আটাইকেইজনী একে ঠাইতে জুম পাতি বহিবলৈ ব্যৱসায়ৰ ফালৰপৰা অসুবিধা হ'ব; কিন্তু এই বিৰাট মানুহৰ সাগৰৰ মাজত ইজনীৰপৰা সিজনী আঁতৰি যোৱাৰো উপায় নাই; অকণমান ইফাল-সিফাল হ'লেই কোন ক'ত হেৰাব ঠিক নাই। বিশেষকৈ সাবিত্ৰী। তাইৰ ওপৰত আটাইকেইজনীয়ে অনবৰত চকু ৰাখিব লাগিব। নীৰলাৰ এনেকুৱা মেলাৰ বহুতো অভিজ্ঞতা আছে। মানুহৰ মাজে মাজে আগবাঢ়োতে তেওঁ কৈ গ'ল—"এইবোৰ ঠাইত পাপ-বুধি পেটত লৈ থকা মানুহেই বেছি; নানা বুদ্ধি-ফন্দি কৰি ফুচুলাই কোনে কাক কোনখিনি পোৱায়গৈ তাৰ ঠিক নাই। কিছুমান তিৰোতা মানুহো আকৌ সেইবোৰ বুদ্ধি লৈয়েই আহে।" কথাযাৰ কৈ নীৰলাই আঁৰ চকুৰে এবাৰ সাবিত্ৰীৰ চকুকৈ চালে।

মুঠতে ঠিক হ'ল, তেওঁলোক অলপ আঁতৰে আঁতৰে অথচ ইজনীয়ে সিজনীক দেখি থকাকৈ বহিব; আৰু সকলো সময়তে আটাইকেইজনীয়ে সাবিত্ৰী আৰু হাজাৰ মানুহৰ পাপ চিন্তাক

পহৰা দিব। কথাটো এনেকুৱা হ'ল যেন কম বয়স আৰু গাৰ জীয়া মঙহে সাবিত্ৰীক এজনী অসংযত হৰিণী কৰি পেলালে; তাই হৰিণী হ'ল কাৰণে মেলাৰ হাজাৰ হাজাৰ মানুহ বাঘ হৈ গ'ল; আৰু পঞ্চাছ-ষাঠিটা বছৰে খুন্দি-পিটি, শুকুৱাই-পুৰি, ভাঁজ লগাই, ছজনী পোহাৰীক ছটা গুলী ভৰোৱা ৰাইফল কৰি থৈ গ'ল, সিহঁতৰ মনবোৰক নিৰ্মম চিকাৰী কৰি থৈ গ'ল।

গুড়ৰ পিঠা বেচা আৰু মেলা চোৱা দুয়োটা কামৰ সুচল কৰি চন্দ্ৰিকাহঁতে যিডোখৰ ঠাই বাছি ল'লে, ভলণ্টিয়াৰে তেওঁলোকক তাত বহিবলৈ নিদিছিল। দোকান-পোহাৰৰ ঠাই বেলেগ আছে। মানুহৰ মাজত দোকান-পোহাৰৰ ঠাই বিচাৰি উলিয়াওঁতে তেওঁলোকৰ এপৰ লাগিল। তাৰ পিচত সমুখত পাচি লৈ পোহাৰীহঁত বহিল; আৰু তেওঁলোকে পাচিৰ ওপৰৰ ডলাত গুড়ৰ পিঠা উলিয়াই দিলে। চন্দ্ৰিকাহঁতে এনেয়ে বিভিন্ন বস্তুৰ ব্যৱসায় কৰে, আজি মেলা বুলিহে গুড়ৰ পিঠাৰ ব্যৱস্থা হৈছে। প'ষ্টকাৰ্ড একোখনৰ সমান গুড়ৰ পিঠা; গুড়ৰ মাজৰপৰা অ'ত ত'ত দুই এটা বুটমাহে ভুমুকি মাৰিছে—যেন মেলা চাইছে।

বিভিন্ন ৰুচিৰ হাজাৰ হাজাৰ মানুহৰ মাজত সাতজনী পোহাৰীৰ গুড়ৰ পিঠাৰ পাচি উদং কৰি দিয়া মানুহো বহুত ওলাল। দূৰ গাঁৱৰ পৰা মেলা চাবলৈ দল বান্ধি অহা মানুহ ওলাল, মাটিকটা মানুহৰ দল ওলাল, মেলা চোৱা মানুহ আৰু মৰাপাটৰ দৰ-ভাও বুজি যাবলৈ অহা পমুৱাৰ দল ওলাল। সন্ধিয়াৰ আগে আগে চন্দ্ৰিকাহঁতৰ পোহাৰ শেষ হ'ল।

এখন দোকানত চাহ খাই লৈ চন্দ্ৰিকাহঁতে অলপ মেলা চোৱা আৰু তাৰ পিচত ঘৰলৈ যোৱাৰ কথা পাতিলে। চাহ খোৱাও হ'ল, অলপ মেলা চোৱাও হ'ল, কিন্তু ঘৰলৈ যোৱাৰ ব্যৱস্থা দেখি তেওঁলোক আটাইকেইজনীৰ চকু থিয় হ'ল। একোখন বাছ যাবলৈ ওলায়, শ শ মানুহে বাছখন গচকি-মোহাৰি গুড়া কৰিব খোজে।

ছুঘণ্টা তিনিঘণ্টামান এই দৃশ্য চাই চাই নিশা বাৰমান বজাত চন্দ্ৰিকাইঁতে আজি ৰাতি ঘৰলৈ ওভতাৰ আশা এৰি দিলে। ৰাতি হ'ল বুলিয়েই মেলাখন মৰি যোৱাৰ কোনো লক্ষণ নাই ; মানুহে পিনপিনাই ফুৰিছে, ছুমাইল ঠাই বিজুলী চাকিয়ে দিন যেন কৰি ৰাখিছে। আকৌ একো গিলাচ চাহ খাই চন্দ্ৰিকাইঁত এখন চাহৰ দোকানৰ আগফালে গা-মূৰ কাপোৰেৰে ঢাকি লৈ পৰি থাকিল।

বৰ অসুবিধা হ'ল ৰাতিপুৱা। গোটেই অঞ্চল জুৰি এনেকুৱা মেলা বহিছে, এডোখৰ আওহতীয়া ঠাই নাই, পানী এটোপাৰ কাৰণে খাল এটা নাই।

আটাইতকৈ বেছি অসুবিধা হ'ল সাৰিত্ৰীৰ।

মেলাই আটাইকেইজনীকে আমুৰালে। গোটেই দিনটো আটাইকেইজনী কেৱল ঘৰলৈ উভতি যোৱাৰ কাৰণে মটৰ এখনৰ সুবিধা বিচাৰি টলৌটলৌকৈ ঘূৰি ফুৰিলে। গাৱঁৰ ফালে চলি থকা বাছ এখনত বহিবলৈ নালাগে, থিয় হ'বলৈ নালাগে, তেওঁলোকক যেন ওলোমাই নিলেও হয়। নীৰলাই এবাৰ ভলণ্টিয়াৰ এজনক কাকূতি কৰিলে, "বোপাই আমি কালিয়েই আহিলোঁ, বুঢ়ীমানুহ, বৰ কষ্ট পাইছোঁ, আমাক কিবা এটা কৰি গাড়ীত উঠাই দিয়া বোপা। সেইবোৰ মানুহ যেনেকৈ মটৰত উঠিছে, তাৰ মাজত সোমালে আমি টেপাতে মৰিম।"

ভলণ্টিয়াৰৰ কাৰণে এইবোৰ আওপুৰণি কথা। তেওঁ বুজাই দিলে, কালি অহা মানুহ কিয়, তিনিদিনৰ আগতে অহা মানুহো উঠিব পৰা নাই। মানুহ বৰঞ্চ হস্পিতাললৈ গৈছে, ঘৰলৈ যাব পৰা নাই।

দিনটো যেনেতেনে গ'ল। সন্ধিয়াৰ লগে লগে মুকলি পথাৰৰ অস্থায়ী ঘৰবোৰৰ টিনপাত-বাঁহত জনজননি তুলি চেঁচা বতাহ ব'বলৈ ধৰিলে। ঠাণ্ডাত ফুলৰ মাকৰ চকুৰ কোটৰত পানী

গোট খালে; বুঢ়ীৰ খোজকঢ়াৰ শক্তি নাছিল; তেওঁ এঠাইত ৰহিবলৈ সকলোকে মিনতি কৰিলে। ভাতৰ ভোক, অনিদ্ৰা, চিন্তাই আটাইকেইজনীকে জুৰুলা কৰি পেলাইছিল; তেওঁলোকেও ৰহাৰ কথাকে ভাবিলে। টিনপাতৰ চাল-বেৰ দি এঠাইত এটা অফিছ ঘৰ সাজি লোৱা হৈছে; সেইটো অফিছত চৰকাৰী বাছৰ অহা-যোৱাৰ ব্যৱস্থা কৰা হয়। চৰকাৰী বাছত আকৌ সেইটো অফিছৰপৰা টিকট এখন দিলেহে উঠিব পাৰে। সেই টিকট আকৌ সকলোৱে নাপায়। ভলন্টিয়াৰৰ পৰামৰ্শমতে গৈ চন্দ্ৰিকাহঁতৰ দলটোৱে তাত কেইবাবাৰো ডাবি খাই উভতি আহিছে।

এইবাৰ কিবা এটা নোহোৱালৈকে এইটো অফিছৰ আগতে পৰি থকাটোকে চন্দ্ৰিকাহঁতে ঠিক কৰিলে। বতাহৰ কোবটো লাহে লাহে বাঢ়ি আহিল। ৰাতি বাঢ়ি গল, জাৰ বেছি হৈ আহিল। মানুহৰ সংখ্যা কমি গ'ল; কেৱল অফিছটোত ৰাতিৰ দায়িত্ব লোৱা দুজনমানে ওলোৱা-সোমোৱা কৰি থাকিল। তাৰে এজন স্বাস্থ্যবান, আদহীয়া মানুহে ওলাওঁতে সোমাওঁতে চন্দ্ৰিকা-হঁতক এষাৰ-দুষাৰ কথা কৈ গ'ল,—"তোমালোকে মিছাতে ইয়াত আশা কৰি পৰি থাকিলে কিটো হ'ব?"—"সোঁ তালৈ গৈ প্ৰাইভেট বাছতে চেষ্টা কৰাগৈ"—ইত্যাদি।

কেইবাবাৰো মানুহজনৰ লগত সাবিত্ৰীৰ চকুৱে চকুৱে পৰিল, আৰু প্ৰত্যেকবাৰেই তাই মুৰে-গায়ে ভালকৈ কাপোৰ মেৰিয়াই লৈ বুঢ়ীকেইজনীৰ লগত মিলি যাবলৈ চেষ্টা কৰিলে।

নিশা দুপৰ হোৱাৰ পাছত থাকি থাকি জোৰেৰে বতাহ ব'বলৈ ধৰিলে। অস্থায়ী বিজুলী যোগানৰ ব্যৱস্থাত বাৰে বাৰে বিজুতি ঘটিবলৈ ধৰিলে; এবাৰ এঠাইত, ইবাৰ সিঠাইত চাকিবোৰ মুমাই যায়, আকৌ দপকৈ জ্বলি উঠে। অফিছৰ ভিতৰত মানুহকেইটা শুলে; কেৱল সেই আদহীয়া মানুহটোৱে এবাৰ

হামিয়ায়, এবাৰ কাহে, এবাৰ বাহিৰলৈ ওলাই আহে, এবাৰ ভিতৰলৈ গৈ বহে।

বুঢ়ীকেইজনীৰ একোবাৰ চিলমিলকৈ টোপনি যায়, আকৌ ঠাণ্ডাত, চিন্তাত, কষ্টত তেওঁলোক সাৰ পাই উঠে। একেবাৰে সাৰে থাকিল কেৱল সাবিত্ৰী; তাইৰ ত্ৰিছ বছৰীয়া গাটোৱেই যেন তাইক ভয় খুৱাই সাৰে ৰাখিলে। তাইৰ বুকুৰ ভিতৰখনত তোলপাৰ লাগিছিল: দুটাকৈ ৰাতি, ভদ্ৰই কি ভাবিছে চাগৈ! বেমাৰী শাহুৱেকে ল'ৰা-ছোৱালী দুটা ৰাখিব পাৰিছেনে? সিহঁতে চাগৈ কালিৰেপৰা চিঞৰি চিঞৰি কান্দিছে। ভদ্ৰতো তাইক বিচাৰি মেলা পাবহি লাগিছিল! নে ছজনী বুঢ়ীৰ লগত আছে কাৰণে সি চিন্তা কৰা নাই?

এবাৰ হঠাতে সেই মানুহজন ভিতৰৰপৰা ওলাই আহিল; সাবিত্ৰীয়ে লৰালৰিকৈ কাপোৰৰ তলত মূৰ সুমুৱালে। মানুহজনে কিন্তু ঘটনাটো দেখিলে। তেওঁ সুধিলে, "তোমালোক দুৰাতি ইয়াত পৰি নাথাকি খোজকঢ়া হ'লেই দেখোন ঘৰ পালাগৈহেঁতেন। কত মানুহ খোজ কাঢ়ি গৈছে। কিমান দূৰ তোমালোকৰ গাওঁ?"

সাবিত্ৰীয়ে একো উত্তৰ নিদিলে। কাপোৰৰ তলত তাই মানুহজনী জিকাৰ খাই উঠিল। অলপপৰ ৰৈ থাকি মানুহজন সোমাই গ'ল।

ধৰমৰকৈ কাপোৰৰ তলৰপৰা মূৰ উলিয়ালে লাহতী, চন্দ্ৰিকা আৰু নীৰলাই। চিলিমিলীয়া টোপনিৰ মাজতে তেওঁলোকে কোনোবাই কাৰোবাক কিবা কোৱা যেন শুনিছিল। নীৰলাই সাবিত্ৰীক ঠেলা মাৰি সুধিলে, "কোন অ'?"

"অফিছৰ মানুহটো।" সাবিত্ৰীয়ে কলে।

"কি সুধিছিল?"

সাবিত্ৰীয়ে ক'লে কি সুধিছিল।

"তই কি ক'লি?" চন্দ্ৰিকাই সুধিলে।

"একো নক'লোঁ।" সাবিত্ৰীয়ে গম্ভীৰ মাতেৰে ক'লে।

"কিয়নো নক'লি ?" লাহতী আচৰিত হ'ল।

হয়তো; কিয় একো নক'লে ? চন্দ্ৰিকা আৰু নীৰলাও আচৰিত হ'ল। বাকী তিনিজনী বুঢ়ীয়েও কাপোৰৰ মাজৰপৰা মূৰ উলিয়ালে।

"সেইবোৰ চৰকাৰী মানুহ। দিওঁ বুলিয়েই আমাক মটৰত উঠাই দিব পাৰে। উপযাচি আহি কথা সুধিছে, তইনো কথা এষাৰ কৈ মুখখন ৰাখিব নোৱাৰনে ?" চন্দ্ৰিকাই সাবিত্ৰীক আধা খং আধা তোষামোদ কৰিলে।

হয়; মুখখন সাবিত্ৰীয়েই ৰাখিব পাৰে। বুঢ়াহঁতে ইয়াৰ আগতে কেইবাবাৰো এইটো অফিছতে ডাবি খাই গৈছে।

তাৰ পাছত বহুত সময় নিমাত নিস্তব্ধ। ৰাতি তিনিমান বজাত মানুহজন আকৌ ওলাই আহিল। সাবিত্ৰীয়ে আঁঠুৰ ওপৰত গাল থৈ দূৰৰ শাৰী শাৰী বিজুলী চাকিলৈ চাই চাই কিবা ভাবি আছিল; মানুহজন ওচৰত থিয় হোৱাটো তাই গমেই নাপালে। মানুহজনে ক'লে, "শুনা—"

সাবিত্ৰী উচাপ খাই উঠিল।

"ৰাতি নৌপুৱাওঁতেই ইয়াত মানুহৰ ভিৰত থাকিব নোৱৰা হ'ব। তেতিয়া তোমালোকক টিকট দিলে গণ্ডগোলো লাগিব। মই তোমালোকক এতিয়াই সাতখন টিকট দি থ'ব খুজিছোঁ; মিছামিছিকৈ কষ্ট খাইছা। আহা।"

ইতিমধ্যে ছজনী পোহাৰীয়ে মূৰ তুলি চাইছিল; তেওঁলোকে কথাবোৰ শুনিলে; আৰু দেখিলে - মানুহজনে কথাবোৰ সাবিত্ৰীক কৈছে। নীৰলা, চন্দ্ৰিকা, লাহতী, ৰত্নমলা, গুণেমাই, ফুলৰ মাক, আটাইকেইজনীয়ে সৰু সৰু মাতেৰে, হাতেৰে, ইংগিতেৰে, গাৰ ঠেলাৰে সাবিত্ৰীক ক'লে,—"যা"।

সাবিত্ৰী মৌন হৈ বহি ৰ'ল। অলপ পৰ থিয় হৈ থাকি মানুহজনে "বাৰু, মই টিকটবোৰ লিখোঁগৈ; হ'লে মাতিম, আহিবা" বুলি সোমাই গ'ল।

ছজনী মানুহে সাবিত্ৰীৰ হাতে-ভৰিয়ে ধৰিলে, তাই যেন পোৱা টিকটকেইখন নেহেৰুৱায়। এনেকুৱা বিপদ, এনেকুৱা যমৰ যন্ত্ৰণাৰপৰা ইচ্ছা কৰিলেই সাবিত্ৰীয়ে সকলোকে উলিয়াই নিব পাৰে।

লাহে লাহে আকৌ মাত-কথা নাইকিয়া হৈ আহিল। বুঢ়ীইঁতৰ মুৰ আকৌ কাপোৰৰ তলত সোমাল। হঠাতে এবাৰ হো-হোকৈ এজাক বতাহ আহিল, টিনপাতবোৰ জনজনাই গ'ল ; বাঁহ-কাঠবোৰে মেটমেটাই উঠিল ; আৰু লগে লগে এই অঞ্চলৰ বিজুলী চাকিবোৰ নুমাই গ'ল ; দূৰৰ চাকিৰ পোহৰত ঠাইডোখৰ অকণ অকণ পোহৰ হৈ থাকিল।

অফিছটোৰ ভিতৰত এডাল মমবাতি জ্বলিল।

অলপ পাছতে মানুহজন বাহিৰলৈ ওলাই আহিল ; তেওঁ সাবিত্ৰীক মাতিলে, "আহাঁ।"

সাবিত্ৰী কঁপি উঠিল ; তাই তলমূৰ কৰিলে। চন্দ্ৰিকা ওচৰতে সাৰে আছিল ; তেওঁ তাইক ঠেলা এটা মাৰি ফুচফুচকৈ ক'লে, "যা, ময়ো যাওঁ ব'ল বাৰু।"

সাবিত্ৰী মন্ত্ৰমুগ্ধ মানুহৰ নিচিনাকৈ থিয় হ'ল। মানুহজন ভিতৰ সোমাই গ'ল। সাবিত্ৰীও পিছে পিছে গ'ল। অফিছৰ ভিতৰ সোমোৱাৰ আগমুহূৰ্ত্তত তাই এবাৰ উভতি চালে, চন্দ্ৰিকা লগে লগে আহিছেনে নাই। আহিছে।

মমবাতিডাল খুটা এটাৰ আঁৰত আছে ; খুটাটোৰ এটা আহল-বহল ছাঁ পৰিছে ; সেই ছাঁতে চকী এখনত মানুহজন বহি আছে। একেটা ছাঁয়েই অফিছলৈ সোমোৱা দুৱাৰমুখখনো আন্ধাৰ কৰি থৈছে। সেই আন্ধাৰত থিয় হৈ চন্দ্ৰিকাই ভাবিলে, তাই আৰু আগবাঢ়িব নে নাবাঢ়ে। জনোচা তাইক দেখিলেই মানুহজনে টিকটকেইখন নিদিয়া হয়। তাই এটা চুকত আন্ধাৰতে ৰৈ গ'ল।

হঠাতে দপকৈ বিজুলী চাকিবোৰ জ্বলি উঠিল। বুহাৰপৰা জোৰকৈ মেলি দি সাবিত্ৰীৰ হাতখন ছোৱা মানুহজনৰ হাতখন

লগে লগে পিছুৱাই আহিল। উজ্জ্বল পোহৰত অপ্ৰস্তুত মানুহজন, হতভম্ব চন্দ্ৰিকা আৰু বিবৰ্ণ সাবিত্ৰীৰ চকুবোৰে চোৱা-চুই কৰিলে। বিজুলী চাকি হঠাতে জ্বলি উঠাৰ বাহিৰে ক'তো যেন একো হোৱাই নাই, এনেকুৱা ভাবত, বেছি গম্ভীৰ মাতেৰে মানুহজনে লৰালৰিকৈ ক'লে, "ওঁ, এই সাতখন টিকট; সেইফালে বাছ বৈ থাকে; আমাৰ ভলন্টিয়াৰ থাকে, সিহঁতক দেখুৱাবা, সিহঁতে কোনখন বাছত উঠিব লাগে দেখুৱাই দিব।"

সাতখন এশটকীয়া নোট জুইত পেলাই দিয়াৰ ভংগী আৰু ভাবেৰে মানুহজনে সাবিত্ৰীৰ হাতত টিকট সাতখন দি দিলে।

ৰাতিপুৱাই চৰকাৰী বাছৰ খিৰিকীৰ কাষত বহি গাৱঁলৈ উভতি আহোঁতে সাবিত্ৰীয়ে গোটেই বাটটো লুকুৱাই লুকুৱাই কান্দিলে। গম পাইছিল ওচৰতে বহা চন্দ্ৰিকাই। তেওঁ বাৰে-বাৰে ডিঙিৰ ডাঙৰ ডাঙৰ ৰুদ্ৰাক্ষজাত মণিৰ মালাধাৰ হাতেৰে ছুই কৈছিল, "কিয় কান্দিছ? আমি আটাইকেইজনীয়ে গুৰু গোসাঁইৰ শপত খাই কৈছোঁ, এইবোৰ কথা মৰি গ'লেও আমি গাৱঁৰ কাকো নকওঁ। নকওঁ বুলিছোঁ।"

সাবিত্ৰীয়ে মনে মনে নিজকে কৈছিল---তাই ক'ব; আটাইবোৰ ভাঙি-পাতি ক'ব; ভদ্ৰক।

# অসুৰ

তিনি দিনৰ ভিতৰত গিদৱানী, খেমকা, পুৰকায়স্থ, তেৰাৱী আৰু চৌধুৰী—এই পাঁচজন মাটিৰ গ্ৰাহকে ইন্দ্ৰ ৰাজবংশীক লগ ধৰিলে। তিনিদিনৰ আগতে ৰাজবংশীয়ে খবৰটো উলিয়াই দিছিল— তেওঁ আধা কঠা মাটি বেচিব। তাৰ পিছৰ তিনি দিনত এই গ্ৰাহকসকল আহিছে, তেখেতসকলে মাটি চাইছে, আৰু নিজ নিজ সাধ্যমতে দামৰ কথা উল্লেখ কৰিছে। গিদৱানীয়ে দিছে চাৰে পাঁচ হাজাৰ, খেমকাই বৰ বেছি সাত হাজাৰলৈকে যাব পাৰিব, পুৰকায়স্থই ছয়, চাৰে ছয়—এনে ধৰণৰ অনিশ্চিত মনোভাৱ এটা দেখুৱাইছে, তেৰাৱীয়ে—"ছহাজাৰত যদি দিয়ে, তেনেহলে মোৰ বাহিৰে কাকো নিদিব,—কথা ৰ'ল"—বুলি কৈ গৈছে। মনে মনে জুকিয়াই গৈছে, আৰু মাটিডোখৰ কিনি কোনে কি কামত লগাব সেইটো সুধি গৈছে। প্ৰত্যেকজনেই মাটিডোখৰত লৰালৰিকৈ একোটা ঘৰ সজাব, তাৰ পাছত গিদৱানীয়ে খুলিব যন্ত্ৰ-পাতিৰ সহায়ত কাপোৰ ধোৱা ব্যৱসায়, খেমকাই খুলিব তেখেতৰ মটৰ-পাৰ্টছৰ মূল দোকানখনৰ এটা ব্ৰাঞ্চ, পুৰকায়স্থই চীনা মাটি আৰু এলুমিনিয়াম বাচন-বৰ্তনৰ দোকান এখন খুলিব আৰু পিছফালে নিজে থাকিবও, আৰু তেৰাৱীয়ে তেখেতৰ বিড়িৰ গুদাম আৰু কাৰখানাটো বৰ্তমানৰ অস্থায়ী ভাৰাঘৰৰপৰা ইয়ালৈ স্থায়ীভাৱে তুলি আনিব।

কেৱল চৌধুৰীক—কিমান দাম দিব পাৰিব, মাটিডোখৰ কিনি কি কৰিব—এইবোৰ একো ৰাজবংশীৰ সুধিবলৈ নহ'ল। চৌধুৰী

অহা সময়টো বেয়া আছিল। অফিছৰপৰা ওলাই সেইদিনা ৰাজবংশীয়ে বাহিৰে বাহিৰে চেৰাপ ভাটীত সোমাই এপালি ঔষধ খাই আহিছিল। এপালি ঔষধ মানে এপোৱা দেশী মদ। ৰাজবংশীয়ে নিয়মীয়াকৈ মদ নাখায়; ঘৰত টান কাম কৰিবলগীয়া থকা, ঘৰত জঞ্জালৰ সন্মুখীন হোৱাৰ আশংকা থকা, মনত দুখ লগা, হঠাতে আনন্দ লগা আৰু সেই অনুপাতে হাতত পইচা থকা, এনে ধৰণৰ অৱস্থা কিছুমানত ৰাজবংশীয়ে এপালি বা দুপালি, মানে এপোৱা বা আধাসেৰ দেশী মদ খায়। তেনেকুৱা দিনত ঘৰ সোমায়েই তেওঁ ঘৈণীয়েক সুৰবালাক কয়—"আজি এপালি খাই আহিছোঁ। একদম গণ্ডগোল নকৰিবা। উমাকো গণ্ডগোল কৰিবলৈ মানা কৰি দিয়া; শান্তিত থাকিব লাগিব, চব শান্তিত থাকিব লাগিব।"

গধূলিৰ অলপ আগে আগে পেটতপৰা ঔষধ পালিয়ে সাধাৰণতে গধূলিৰ অলপ পাছতে ৰাজবংশীক বাজোচিত মেজাজ এটা দিয়ে, আৰু সেইদিনা সেই সময়তে মাটিডোখৰৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিবলৈ চৌধুৰী আহিছিল। চৌধুৰীয়ে কৈছিল, "বুইছা ইন্দ্ৰ, গ্ৰাহক বহুত পাবা। সেইবিলাকৰ তুলনাত মই অৱশ্যে বেছি দাম দিব নোৱাৰিব পাৰোঁ। সেইবোৰ হৈছে ডকা-হকা দি জাল-জুৱাচুৰি কৰি পইচা অৰ্জা মানুহ। সিহঁতৰ পইচাৰ কি আকাল?"

ৰাজবংশীয়ে—বেৰত থৰ হৈ থকা জেঠী এটাৰ চাৰিও কাষৰ অঞ্চলটোত জেঠীটোৱে সন্থহতে খাবলৈ পোক-পৰুৱা কিবা আছেনে নাই তাকে চাবলৈ চকু দুটা সৰু কৰি, কপাল থূপ খুৱাই আছিল—তাকে চাই থাকিয়েই ক'লে, "মোৰ পিছে পইচাৰ বৰ আকাল। নহ'লে মই মাটি নেবেচিলোঁহেঁতেন; পাৰিলে কিনিলোঁহেঁতেন।"

"সেই বুলি আৰু তুমি বাছ-বিচাৰ নকৰাকৈ যাকে-তাকে মাটি বেচিবানে?" মাটিৰ দালাল চৌধুৰীয়ে কথাত দালালী সুৰ মিহলাই ক'লে। "কেইটামান টকা বেছি পাবা বুলিয়েই সেইবিলাক

আওভাও নোপোৱা, আসৈ নোপোৱা বিদেশী মানুহক ঘৰ চপাই ল'বানে ? মোৰ হিচাপত দুটকা কম পালেও নিজৰ জ্ঞাতি বন্ধু, দেশী ভাইৰ লগত লেন-দেন কৰা ভাল ।”

“কিহৰ জ্ঞাতি-বন্ধু হে ?” ৰাজবংশীয়ে আচম্বিতে চিঞৰ মাৰি উঠিল । তেওঁ একে কোবেই চকীৰপৰা ভৰি দুখন নমাই পোন হৈ বহিল । চৌধুৰী চ'ক খাই উঠিল । “কিহৰ জ্ঞাতি-বন্ধু ? মোৰ কেৱল এখন তৰকাৰীৰে ভাত খাবলৈ মাহটোত বিছ-পঁচিছ টকা কম পৰে, কোনটো জ্ঞাতি, বন্ধু, দেশী ভাই, আও-ভাও পোৱা, আসৈ পোৱা মানুহে মোক মাহৰ শেষত বিছটা টকা দিয়ে ? মোৰ সৌজনী গাভৰু ছোৱালীয়ে মাহৰ শেষত পাঁচ ৰাতি-দুৰাতি নিঠা আলু সিজোৱা খাই পৰি থাকে, কোনোবা জ্ঞাতি-বন্ধুৱে এটামান ফুটা কড়ি দিছেনে ? সোধাচোন তাইক মাতি আনি । উমা, অ'ই উমা !” - ৰাজবংশীয়ে তেওঁৰ কথাষাৰ মুখা-মুখিকৈ ৰিজাই দিবলৈ জীয়েকক চিঞৰিলে, জীয়েক যদি ওচৰৰ কোঠালিটোতে আছিলো, চিঞৰ শুনি চাগৈ লৰালৰিকৈ আঁতৰি গ'ল ।

“এ-স্, মইহে এতিয়া আও-ভাও নোপোৱা বিদেশীকেইটাক মই মোৰ নিজৰ টকা-পইচাৰ লোকচান ভৰি আগচি ধৰিব লাগে ? বুইছা, মই যদি সিহঁতক মাটি নেবেচোঁ সিহঁতে মাটি ক'ৰবাত নহয় ক'ৰবাত কিনিবই। মই সিহঁতক ৰাস্তাৰ কিনাৰৰ মাটি বেচিবলৈ ওলাইছোঁ, কিন্তু চাবা কোনোবাই সিহঁতক পাগঘৰৰ চেপৰ মাটি বেচিব। আৰু সিহঁতক যদি আগচিবই লাগে তেনেহলে দেশখনত সোমাবলৈ নাপাওঁতেই, একেবাৰে সেই ত'তে নাগচা কিয় ? সেইবোৰ ফাল্টু মাৰ্কা উল্টা-পাল্টা কথা মোক নক'বা বুইছা ? আই ড'ণ্ট লাইক ইট ।”

সেই তিনি দিন মাটিৰ গ্ৰাহকৰ আহ-যাহ চলিল, পিছৰ কেইদিনৰ এদিন আহিল কেইগৰাকীমান তিৰোতা,—চন্দ্ৰ উকীলৰ ঘৈণীয়েক, মাধৱীৰ বুঢ়ীমাক, ৰম্ভা বুঢ়ী আৰু ফুল মাষ্টৰণী । তেখেতসকলে

ৰাজবংশীক বুজালে—“চোৱা বোপা, তোমাৰ দেউতাৰাৰ যত্নতে এই অঞ্চলৰ গোপিনীসকলে আজি ইমান দিনে একেলগ হৈ তুআষাৰ ধৰ্ম কথা শুনিবলৈ, তুটা শাস্ত্ৰৰ কথা আলোচনা কৰিবলৈ পাইছে। আমি নিতৌ তেখেতৰ নাম এবাৰ নহয় এবাৰ উলিয়াওঁয়েই। নামঘৰটোৰ ওচৰে-পাজৰে মুকলি ঠাই বুলিবলৈ সেইকণহে আছে। বাপুদেউৰ কাৰণে জুপুৰি এটাৰ বন্দোৱস্ত হওক নহওক, মূৰটো তুলি চকুহাল পোনাবলৈকে সেইকণ ঠাই লাগে। অকণমান হেৱা-বতাহ আহিবলৈও সেইটোৱেই যি ৰাস্তা, নহ'লেতো দেখিছাই চাৰিওফালৰপৰা নামঘৰটো দোকান-বজাৰে একেবাৰে চেপা মাৰি আনিছে। সেইকণ ঠায়ো তুমি বেচিবলৈ ওলাইছা বুলি শুনি আমাৰ গোপিনীসকলে বৰ তুখ পাইছে।”

ৰাজবংশীৰো যেন তুখ লাগিল; তেওঁ উদাস অৰ্থহীন দৃষ্টিৰে খোলা তুৱাৰখনেদি যিমান দূৰলৈ পাৰে চাই পঠিয়ালে।

ৰাজবংশীৰ দেউতাকৰ কাঠৰ ব্যৱসায় আছিল। কেনেকুৱা কাঠৰ ব্যৱসায় তেখেতে কৰিছিল, তাৰ চিনাকি এই ঘৰটোৰ কাঠবোৰতে সোমাই আছে। যেতিয়া এই ঘৰটো সজা হৈছিল, তেতিয়া ইন্দ্ৰ ৰাজবংশীয়ে আগফালৰ মুকলি প'টিক'ৰ চুকৰ খুটা এটা সাবট মাৰি ধৰি এটা হাতৰ আঙুলিৰ আগ ইটো হাতৰ আঙুলিৰে চুব নোৱাৰিছিল। তেওঁলোকৰ তিনিজন ভাই-ককায়ে এই ঘৰটোৰ ভিতৰত লুকা-ভাকু খেলোঁতে লুকোৱা তুজনক বিচাৰি উলিয়াবলৈ বহুত সময় লাগিছিল। বৰষুণীয়া বতৰত ঘৰটোৰ পিছ বাৰাণ্ডাতে ৰাজবংশীৰ মাকে কম দীঘৰ কাপোৰৰ বাটি কাঢ়িছিল। দেউতাকৰ টকা-পইচা কিমান আছিল ৰাজবংশীয়ে ক'ব নোৱাৰে, কিন্তু তেখেতৰ মৃত্যুৰ আগলৈকে তিনিওজন ভাই-ককায়ে দেউতাকৰ টকা-পইচাৰ উত্তাপ অনুভৱ কৰিছিল। দেউতাকৰ শেষ বয়সত সেই উত্তাপে তেওঁলোক তিনিওজনকে অস্থিৰ আৰু অসংযত কৰি তুলিছিল। ব্যৱসায়ত সহায় কৰাৰ নামত অৰ্ধশিক্ষিত পুতেকক্ৰেইজনে দেউতাকৰ অৰ্থক্ষয়ৰ

বাহিৰে একো কৰা নাছিল, আৰু শেষ সময়তো ডাঙৰ দুজনে তেখেতে বেলেগ বেলেগ ঠাইত প্ৰতিষ্ঠা কৰা ব্যৱসায়-কেন্দ্ৰ আৰু মাটিবাৰী-সম্পত্তি নিজৰ নিজৰ ভাগত পেলাই লৈ, নিজ নিজ পৰিয়াল লগত লৈ, মূল ঘৰখনৰপৰা ওলাই যোৱাৰ বাহিৰে একো কৰিব নোৱাৰিলে। সৰু ল'ৰা ইন্দ্ৰ ৰাজবংশীৰ ভাগত পৰিল এই ঘৰটো, দেউতাকৰ নগদ টকাখিনি আৰু বুঢ়া দেউতাক নিজে।

বুঢ়াই পুতেকহঁতৰ আচৰণত মনত কষ্ট পাইছিল; গোটেই জীৱনটো হাবিয়ে-হাবিয়ে ঘূৰি বুটলি অনা বিষবোৰ তেখেতৰ দেহাৰ গাঁঠিবোৰত থূপ খাইছিল; আৰু এখন আহল-বহল বনচোম কাঠৰ চকীত বহি তেখেতে শেষ দিনকেইটাত সেইবোৰকে অনুভৱ কৰিছিল। ঘৰৰ সমুখৰ মুকলি ঠাইডোখৰলৈ তেখেতে প্ৰায়েই একেথৰে চাই আছিল, যেন পৃথিৱীৰ আটাইবোৰ হাবি-বননিৰপৰা বহু আঁতৰৰ কোনো এক মুকলি ঠাইৰ শূন্য শোভাই তেখেতক তন্ময় কৰিছিল। তাৰ পাছত এদিন, কিবা ভাবি বুঢ়াই সিদ্ধান্ত কৰিলে—সমুখৰ মুকলি ঠাইডোখৰৰ একাষে তেখেতে এটা নামঘৰ সজাব। তেখেতৰ নিজৰ অৱশ্যে ধৰ্ম কৰাৰ সময় নাই, তথাপি ঘৰটো থাকিব, ওচৰ-চুবুৰীয়া কাৰোবাৰ যদি কেতিয়াবা মন যায়—এখন্তেক বহিবহি পাৰিব।

বুঢ়া থাকোঁতেই নামঘৰটো সম্পূৰ্ণ হ'ল। তিনিফাল মুকলি, পকা ভেঁটিৰ টিনৰ ঘৰ, সমুখৰ ফালটো আধা বেৰা, কেৱল থাপনাৰ ঠাইডোখৰ সম্পূৰ্ণকৈ বেৰা। বুঢ়াই নিজে দেখি গ'ল, আবেলি আবেলি ওচৰৰ বয়সীয়া তিৰোতাসকলে থাপনাৰ ওচৰত বন্তি এগছ জ্বলাই নাম ধৰে।

নামঘৰটোৰ কাষত আধা কঠাতকৈ অলপ বেছি মাটি মুকলি হৈ থাকিল। দেউতাকে থৈ যোৱা পইচাখিনিৰে কাঠৰ ব্যৱসায় কৰিব বুলি ৰাজবংশীয়ে তাতে এখন চালি দি বাতাম, তক্তা এসোপা গোটাই ল'লে। দেউতাকৰ পইচাখিনি এসময়ত টুকাল, তাৰ পাছতো

ব্যৱসায়টোৰপৰা তেওঁ কোনোমতে চলি আছিল, কিন্তু তেওঁৰ ল'ৰা দুটা ৰামগোপাল আৰু হৰকুমাৰ, আৰু কনিষ্ঠ সন্তান উমা ডাঙৰ হৈ অহাৰ লগে লগে ব্যৱসায়টোৱে উশাহ নোপোৱা হৈ আহিল। শেষত এদিন চালিখনৰ তল উদং হৈ গ'ল ; ৰাজবংশীয়ে চালিখনৰ টিনপাত-কেইচলা এটা বেপাৰীক বেচি দিলে, আৰু কাঠ-বাতামৰ অৱশিষ্টখিনি লাহে লাহে পাগঘৰৰ চৌকাত লুকাই গ'ল ।

ৰামগোপাল আৰু হৰকুমাৰৰ পঢ়া-শুনা বৰ বেছি একো নহ'ল। এসময়ত ৰামগোপাল ফৰেষ্ট গার্ড হৈ ক'ৰবাৰ জংগললৈ গুচি গ'ল । পাছত সি এজনী নেপালী ছোৱালী বিয়া কৰোৱাৰ খবৰ এটা আহিল। হৰকুমাৰৰ বহুত দিনৰেপৰা ফিলিমত উঠাৰ চখ হৈছিল, এদিন সিও ঘৰৰপৰা ওলাই বহুদূৰ পালেগৈ। মাজতে সি সেই ফিলিমৰ ৰাজ্যৰ চাহৰ দোকান এখনত কাম কৰে বুলি খবৰ এটা আহিছিল, তাৰ পাছত আৰু কোনো চিঠি-পত্ৰ নাই। উমাই ঘৰতে থাকি পঢ়া-শুনা কৰিছিল। ৰামগোপালে তাইৰ পঢ়াৰ খৰচ দি থকাৰ কথা আছিল, কিন্তু পাছলৈ সি তাপ মাৰিলে। উমাই মেট্ৰিক পৰীক্ষা ফেল কৰিলে, তাৰ পাছত তাই মনে মনে ঘৰতে বহি থাকিল ।

তেনেকুৱা সময়ত এদিন ৰাজবংশীয়ে সন্ধিয়া দুপালি খাই আহি ঘৈণীয়েক সুৰবালাক কৈছিল, "মই মৰিলে,—খবৰদাৰ কাকো মোৰ দেহাটো ছুবলৈ নিদিবা। তোমালোক দুইজনীয়ে চোঁচোৰাই নি পিছফালে পুতি থৈ দিবা । মই জীয়াই থাকোঁতেতো কথাই নাই, মই মৰাৰ পাছতো যদি সিহঁত দুটাই এই ঘৰৰ মজিয়াত ভৰি দিয়েহি, তেনেহ'লে চাই থাকিবা—মই পিছফালৰ গাঁতৰপৰা উঠি আহি সিহঁতৰ নেলু চেপি ধৰিম ।"

সুৰবালা আৰু উমা বেলেগ বেলেগ ফালে চাই মনে মনে আছিল ; অলপ পাছতে দুইজনীৰে কাৰণে কোঠালিটোলৈ যেন ঘন কুঁৱলী সোমাই আহিছিল। দুয়োজনীয়ে ইজনীয়ে সিজনীক নেদেখাকৈ বাহুত মুখ ঘঁহাই নাক আৰু চকুৰ পানী মচিছিল।

কিন্তু তিনিখন মুখৰ কাৰণেতো কিবা এটা কৰিব লাগিল! ৰাজবংশীয়ে আধা বয়সত চৰকাৰী বাছৰ অফিছৰ চাকৰিত সোমাল। কণ্ডাক্টৰৰ চাকৰি। বহুত দিন চলিল সেই চাকৰি, পিছে লাহে লাহে বাছৰ হেন্দোলনি বেছি হৈ আহিল, ড্ৰাইভাৰহঁতৰ হাতত মটৰৰ গতি বেছি হৈ আহিল, ৰাজবংশীতকৈ পেছেঞ্জাৰৰ তৰ্ক কৰাৰ শক্তি বেছি হৈ আহিল,—গতিকে এদিন কৰ্মকৰ্তাসকলে ৰাজবংশীৰ অনুৰোধ মঞ্জুৰ কৰি তেওঁক অফিছতে বহি বহি হিচাপ কৰাৰ কামত লগাই দিলে। ইয়াৰ মাজতে ছল-বুধি কৰি ৰাজবংশীয়ে তিনিটা বাকচহেন পাণ-তামোল-বিড়ি-ছিগাৰেটৰ দোকানঘৰ সজালে, আৰু নামঘৰটোৰ সমুখত, বাটৰ কাষে কাষে ঘৰকেইটা পাতি প্ৰতিটোৰ কাৰণে মাহে দহ টকাকৈ লৈ তিনিটা দোকানীক ভাৰা দিলে। সেই সময়তে ডুগৰাকীমান বুঢ়ীয়ে ৰাজবংশীক কৈছিল,—"তুমি দোকানকেইখন একেবাৰে নামঘৰটোৰ আগতে বহুৱালা, কোনোমতে ওলোৱা সোমোৱা বাটটোহে ৰ'ল।"

ৰাজবংশীয়ে হাঁহি এটা মাৰি সঁচা কথাষাৰ অইনফালে ঘূৰাবলৈ চেষ্টা কৰিছিল, "হওক দিয়ক আই, আপোনালোক বহে থাপনাৰ ফালে মুখ কৰি, বাটৰ ফালে পিঠি দি। মই বাটৰ ফালটো বন্ধ কৰি দিছোঁ, ভালহে কৰিছোঁ, আপোনালোকক বাটৰ মানুহে নেদেখা হৈছে!"

ৰাজবংশীৰ অৱশ্যে উপায়ো নাছিল। বাটলৈকে মুকলি হৈ থকা আধা কঠা মাটিৰ কাষে কাষে আৰু তিনিখন দোকান বহুৱাৰ কথা তেওঁ ভাবি আছে, কিন্তু ঘৰকেইটা সজাব পৰা নাই। আৰু এটা কথা—নামঘৰ বুলিলে আশে-পাশে বহুত মুকলি ঠাই থাকিব লাগে; কিন্তু এইডোখৰ ঠাইত সেইটো কেনেকৈ হ'ব? এইডোখৰ হৈছে ব্যৱসায়ৰ অঞ্চল। গোটেই অঞ্চলটো দোকানেৰে গিজ খাই আছে সমুখত চকী-মেজৰ দোকান, কাঁহী-বাতিৰ দোকান, চাহৰ দোকান, জোতাৰ দোকান, ঔষধৰ দোকান, আৰু এই পাৰে হ'ল প্ৰায়বোৰেই

লোহা-লক্কৰৰ দোকান; নামঘৰটোৰ কাষুতে সেইটো তিনি মহলীয়া ঘৰ উঠিল, তাৰ তলৰ মহলাত খুলিলে এখন মাটিৰ তলৰপৰা পানী তোলা যন্ত্ৰৰ দোকান। মুকলি মাটিডোখৰৰ কাষৰটো মটৰৰ কাৰখানা; সেই কাৰখানাৰ মানুহবোৰে আকৌ ঠাই নহ'লে কেতিয়াবা একোখন প্ৰকাণ্ড ট্ৰাক বা বাছ ৰাজবংশীৰ মুকলি মাটিডোখৰত থৈ দিয়ে। ৰাজবংশীয়ে এই ঘটনাটোত আপত্তি কৰে; ঠাইডোখৰ মটৰৰ চকাৰ তলিত পৰি নষ্ট হয়, মবিল পৰি ক'লা হয়; আৰু ডাঙৰ কথা হৈছে —নামঘৰলৈ অহা দূৰৰ বুঢ়ীসকলে লগত একোজনী সৰু ছোৱালী সাৰথি কৰি আনে, আৰু কেইবাজনীও সাৰথি লগ লাগি সেই ঠাইকণতে খেলে।

এই আধা কঠা মাটি ৰাজবংশীয়ে বেচিব। সেই খবৰটো পাই প্ৰথম তিনিদিন আহিল গ্ৰাহকসকল, তাৰ পাছত আহিছে এয়া আইসকল। অকণমান মুকলি হেৰা-বতাহ পাবলৈ, মুৰটো তুলি চকুহাল পোনাবলৈ এইকণ ঠাই তেখেতসকলক লাগে।

ৰাজবংশীয়ে অলপ সময় উদাস, অৰ্থহীন দৃষ্টিৰে বাহিৰলৈ চাই বহি ৰ'ল; তাৰ পাছত তেওঁ লাহে লাহে ক'লে, "মই কথাবোৰ বুজোঁ আই। মোৰ আচলতে এনেকুৱা লাগে যে দেউতাই যি পাৰে কৰি গ'ল, মই এতিয়া নামঘৰটোৰ লগতে মণিকুট এটা সজাই দিওঁ, চাৰিওফাল মুকলি কৰি কদম পুলি এশাৰী ৰোৱাই দিওঁ, পাণ-দোকান কেইখনৰ ঠাইত বাটচ'ৰা এটা সজাই দিওঁ। কিন্তু আইসকল, মই কদম পুলি ৰোৱাম কি, পিছফালৰ লেচু গছজোপাৰ ডাল কাটি ফালি নল'লে চাউলকেইটা সিজাবলৈ খৰি এপোলা যোগাৰ কৰিব নোৱাৰোঁ। মোৰ আপোনালোকৰ আগত লুকুৱাবলৈ একো নাই। সদায় আবেলি আপোনালোকে মোৰ ছোৱালীজনী দেখিছে, আপোনা-লোকৰ চকুৰ আগতে তাই ডাঙৰ হৈছে। মাকে হিচাপ দিছে তাইৰ বয়স এতিয়া তেইছ বছৰ হ'ল। মই যদি যি কোনো উপায়ে তাইৰ এটা গতি নলগাওঁ তেনেহ'লে মোক পাপে চুবুৰ জানো? এইবোৰকে

ভাবি-চিন্তি মই ঠিক কৰিছোঁ—মাটিডোখৰ বেচোঁ, বেচি যি পাওঁ তাৰে মই ছোৱালীজনীক উলিয়াই দিওঁ। যি তুপইচা বাকী থাকে, তাকো তাইৰ লগতে দিম, আমাৰ নিচিনাকৈ চকুৰ পানী নাকৰ পানী মচি মচি যাতে তাই ভাত খাবলগীয়া নহয়। পাছলৈ কি হ'ব সেইটো তাইৰ কপালে জানে। বিশ্বাস কৰক আইসকল, মই মাছ-ভাত খাবলৈ মাটিডোখৰ বেচিব খোজা নাই।"

বন্তা বুঢ়ীয়ে ক'লে, "হওঁতে কথাটো হয। আমাৰ গোপিনীসকলে আকৌ ভাবি আছিল—তোমাক সুধি-মেলি সেইডোখৰ ঠাইতে আমি বাপুদেউৰ কাৰণে সৰুকৈ খেৰ-বাঁহৰে ঘৰ এটা সজাম, বাকীডোখৰ ঠাই থাকিব মুকলি হৈ।"

মাধবীৰ বুঢ়ীমাকে ক'লে, "পিছে এটা কথা বোপা ; ছোৱালীকণ পৃথিৱীলৈ আহিল যেতিয়া, মহাপ্ৰভুৱে তাইৰ কপালত নিশ্চয় কিবা লিখি থৈছে ; আৰু তুমি আমি যিমানে চেষ্টা নকৰোঁ, সেই লিখনমতেহে কাম হ'ব। মাটি বেচা পইচাৰে তুমি তাইৰ কপালৰ লিখন সলাব নোৱাৰা। সেই কাৰণে কৈছোঁ, মাটিডোখৰ তুমি নেবেচিবা। গোপিনীসকলৰ সুবিধাৰ কাৰণে তাত বাপুদেউৰ ঘৰটোকে সাজিবলৈ দিয়া। দেউতাৰাৰ লগতে তোমাৰো নাম হ'ব।"

চন্দ্ৰ উকীলৰ ঘৈণীযেকে ক'লে, "আৰু গোপিনীৰ আশীৰ্বাদনো অথলে যাবনে? আমি তোমাৰ ছোৱালীৰ নামত সদায় একো জোলোকা আশীৰ্বাদ দিম দিয়া।"

সেইদিনা গধূলি ৰাজবংশীয়ে এপালি খাই পোনে পোনেই ঘৰলৈ উভতিল। সোমায়েই তেওঁ সুৰবালাক ক'লে, "হোঃ, আশীৰ্বাদ দিব! তেওঁলোকৰ আশীৰ্বাদলৈহে মোৰ ছোৱালীৰ কপালখনে বাট চাই আছে! কাৰ ঘৰত কি হ'ল, কাৰ ঘৰৰ বোৱাৰী বাহী গাই পাগঘৰত সোমাল, কাৰ ঘৰৰ ছোৱালীয়ে কাৰ ঘৰৰ ল'ৰাৰ লগত ফুচফুচীয়া মেল পাতিলে, কাৰ ঘৰত কোনে এমুঠি দাইলতে এচৰু পানী দি খালে, সেইসোপা চৰ্চা কৰিবলৈ লগ নাই কাৰণে নামঘৰলৈ

আহিব; সেইসোপা মেল মাৰি থাকোঁতেই বস্তিৰ তেল পুৰি শেষ হৈ শলিতা এঙাৰ হ'ব, আৰু তেওঁলোকে আশীৰ্বাদ দি মোৰ ছোৱালীক উদ্ধাৰ কৰিব!" তাৰ পাছত ৰাজবংশীয়ে ডিঙিৰ মাত আৰু এখোপ ওপৰলৈ তুলিলে, "নিজৰ নিজৰ ঘৰত, চৰকাৰী ৰাস্তাত যেয়ে যি কৰে কৰি থাকক; কিন্তু এই নামঘৰৰ মজিয়াখন এনেকৈ লেতেৰা কৰি মোৰ ঘৰৰ চৌহদটোকে তেওঁলোকে পাপত লেটিয়ালে বুইছা? মোৰ চৌহদৰ ভিতৰৰ এইবোৰ পাপৰ কাৰণেই আজি মোৰ উন্নতি নহ'ল। আৰু দেউতাৰ আশীৰ্বাদকণ নথকা হ'লেতো ইমান দিনে মোৰ ভেঁটিয়েই উচন হ'লহেঁতেন। মোৰ সৰ্বনাশ হ'লহেঁতেন।"

সুৰবালাই চেপা মাতেৰে ক'লে, "এহ, মনে মনে থাকক। কোনোবাই শুনিব লাগিলেহে সৰ্বনাশ হ'ব।"

"কিডাল সৰ্বনাশ হ'বহে? তেওঁলোকে মোক সৰ্বনাশ হ'ব নোৱৰাকৈ ঢোকা দি ৰাখিছেনে কি? অই উমা, এইফালে আহ। তয়ো সেইবোৰ মেলত যোগ দিয় নেকি?"

উমাই লাহেকৈ ক'লে, "নিদিও।"

"ওঁ; খবৰদাৰ, যাবি, যেতিয়ালৈকে ভাল কথা ওলাই থাকে, তেতিয়ালৈকে থাকিবি, আৰু সেইবোৰ কথা ওলালেই চিধা ঘৰলৈ গুচি আহিবি। আৰু শুনিছা, তুমিও। শুনিছানে নাই?"

"শুনিছোঁ।" সুৰবালাই ক'লে।

"ওঁ; আধাফুটীয়া মাহ-চাউল আৰু তিনিডোখৰ কৰা কলটুকুৰা খাবলৈ পৰচৰ্চা কৰি বহি থাকিব নালাগে। শুনিছ?"

"শুনিছোঁ" এইবাৰ উমাই শলাগিলে।

উমাহঁত নামঘৰলৈ যায়; সেই কাৰণে সিহঁতে জানে— দেউতাকৰ কথাবোৰ মিছা নহয়। বহুত কথা অৱশ্যে সুৰবালাৰ মুখৰপৰাই ৰাজবংশীয়ে শুনে। বাপুদেৱে পুথিৰ অধ্যায়টো পঢ়ি শেষ কৰি কথাবোৰ এবাৰ বুজায়, বন্ধুদেৱে কেঁচুৰা কোলাত লৈ

গৈ আছে, গৈ আছে···এনেতে দেখিলে সমুখত,—” আৰু সেই সময়ত চন্দ্ৰ উকীলৰ ঘৈণীয়েক হয়তো গৈ গৈ ৰমানন্দ হাকিমৰ ঘৰ পায়গৈ, “মইতো শুনিয়েই বিষ্ণু বিষ্ণু কৰিলোঁ। বুইছে ? নিজৰ ঘৈণীয়েকজনীক বিশ্বাস নকৰি মানুহটোৱে ষ্ট’ৰ ৰুমটোত তলা মাৰি থয় ! মানুহনো এনে হ’ব লাগেনে ?”

উমাই কথাবোৰ শুনো·বুলি নুশুনে, তথাপি কথাবোৰ তাইৰ কাণত পৰে। কথাবোৰ শুনিবলৈ অৱশ্যে তাইৰ বেয়াও নালাগে, কিন্তু এইবোৰ কথাত ভাগ ল’বলৈ তাইৰ কোনো উপায় নাই। যিবোৰ মানুহৰ কথা আইসকলে উলিয়ায়, সেইবোৰ মানুহৰ সৰহভাগকে তাই চিনি নাপায়। আইসকলৰ কথাৰ মাজত মাত মাতিবলৈ তাইৰ মাতটোৱেই কাৰো লগত খাপ নাখায়। তথাপি উমা প্ৰায় সদায় নামলৈ যায়। বাপুদেউৰ কথাবোৰ তাইৰ বৰ ভাল লাগে। মানুহজনে বৰ শুৱলা সুৰেৰে পুথি পঢ়ে, কথাবোৰ পাছত বৰ সুন্দৰকৈ বুজাই দিয়ে। উমাৰ অনবৰত শুনি থাকিবৰ মন যায়। কেইগৰাকীমান বুঢ়ীয়ে কেতিয়াবা —“আজিলৈ সামৰিব লাগে আৰু, বতৰটোও ভাল নহয়।”—বুলি পুথি পঢ়া বন্ধ কৰি দিয়ে; উমাৰ তেতিয়া বৰ বেয়া লাগে।

চন্দ্ৰ উকীলৰ ঘৈণীয়েক, মাধবীৰ বুঢ়ীমাক আদি এইসকলে ৰাজবংশীক লগ ধৰি যোৱাৰ পিছদিনা নামঘৰত আকৌ উমাক বেঢ়ি ধৰিলে,—তইনো ইমান চিন্তা কৰিছ কিয় অ’ আই ? তোৰ নামটোও হ’ল উমা ; উমাই কিমান তপস্যা কৰিবলগীয়া হৈছিল, তই নাজান হ’বলা ? হেৰা বাপু, দিবাচোন এদিন এইক সেইটো অধ্যায় বুজাই।

বাপুদেৱে হাঁহি হাঁহি ক’লে, “দিম বাৰু।”

উমাৰ কাণ দুখন গৰম গৰম লাগিল। তাই তলমূৰ কৰিলে। আইসকলে তাইক বুজালে, তাই যেন দেউতাকক ধৰি-মেলি মাটিভোখৰ বেচাটো বন্ধ কৰে।

নাটিডোখৰৰ কথাটো ওলালেই উমাৰ বৰ অস্বস্তি লাগে। তাইক পোনে পোনে কোনোৱাৰ কথাটো বেলেগেই, মাক-দেউতাকে, নাইবা দেউতাকে অইন মানুহৰ আগত মাটিডোখৰৰ কথা পাতিলেও তাইৰ অস্বস্তি লাগে। মেট্ৰিক পৰীক্ষা দিয়াৰ পাছত এই সাত বছৰ কাল তাই এই প্ৰকাণ্ড ঘৰটোত নিৰৱে কটাই দিছে। কাম নাই, বন নাই, মাত নাই, কথা নাই;—তাইৰ বৰ আমনি লাগিছে। প্ৰকাণ্ড ঘৰটোৰ খালী কোঠালিবোৰে তাইৰ মনটো বৰ উকঙা কৰি ৰাখিছে। মনত পৰাৰেপৰা তাই এইটো ঘৰৰ মজিয়া সাৰিছে; আজিকালি তাই ঘৰটো দিনে দুবাৰকৈ সৰা কৰিছে, আৰু যিমানে সাৰিছে সিমানে যেন ঘৰটোৰ মজিয়াবোৰ বহল হৈ গৈ আছে; ঘৰটো বেছি উকা হৈ গৈ আছে। কেতিয়াবা তাইৰ বিৰক্তি লাগে! বেৰৰ, ছিলিঙৰ মাটি খহি দ'ম হৈ থাকিলেও, মকৰাজাল কোঠালিৰ মাজ পালেহিও—তাইৰ একো কৰিবৰ মন নাযায়। এইবিলাকেৰেই ঘৰটো ভৰে যদি ভৰক। কিন্তু তাই কিবা-কিবি এটা কৰিওতো থাকিব লাগিব! গতিকে আকৌ সেই শোটা-বাঢ়নী, পানীৰ চৰিয়া, ফটাকানিৰ সোপা! ঘৰটোৰ খুটাবিলাকৰ গুৰিৰ পকাবিলাক চাৰিওফালে অকণ অকণ আঁতৰি একোটা ঘূৰণীয়া ফাঁক হৈছে, তাৰ চেপত পৰুৱা হৈছে; উমাই সযতনে সেই চেপবিলাকেদি পানী ঢালি দিয়ে; কি ঠিক পৰুৱাবিলাকে কিজানি তলত একোটা ধোন্দ কৰিছে! কেতিয়াবা পানী ঢালি দিয়াৰ লগে লগে ক'লা ক'লা চটফটী পৰুৱা কিছুমানে মুখত একোটা বগা বগা কণী লৈ ওলাই আহে; উমাই জুপুকা মাৰি বহি সিহঁতকে চাই থাকে।

উমাৰ আমনি লাগিছে। তাইক কোনোবাই কিবা উপায়েৰে ব্যস্ত কৰি পেলালে তাই বৰ ভাল পাব। তাইৰ একালৰ লগৰ ছোৱালী মাকৰ ঘৰলৈ আহিলেও বৰ ব্যস্তভাৱে বাটেদি যায়। তেতিয়া তাই প'ৰ্টিক'ৰ চুকৰ শকত খুটা এটাৰ আঁৰত আঁৰ হৈ থাকিব পাৰিছে বুলি ভাবি থাকে। তেনেকুৱা এটা ব্যস্ততা তাইৰো

হ'লে বৰ ভাল হয়। কিন্তু তাইৰ বিয়াৰ কাৰণে যেতিয়া বাৰে বাৰে ঘৰখনত, নামঘৰত মাটি আধা কঠাৰ কথা ওলায়, তেতিয়া তাইৰ বৰ অস্বস্তি লাগে; কেতিয়াবা অকণমান পাতল আনন্দই তাইক লাজ দিয়ে, কেতিয়াবা এটা যন্ত্ৰণাই তাইক আৱৰি ধৰে।

মাজতে এবাৰ খেমকাই মাটিডোখৰৰ খবৰ কৰি গ'ল। ৰাজবংশীয়ে ক'লে,—তেওঁ এতিয়াও কাকো একো কথা দিয়া নাই, —এসপ্তাহমানৰ ভিতৰতে তেওঁ নিজে খেমকাক খবৰ দিবগৈ। খেমকাই ক'লে, তেঁওঁ এমাহমানৰ কাৰণে দেশলৈ যাব, উভতি আহিয়েই মাটিডোখৰ কিনি পেলাব। গতিকে দৰকাৰ হ'লে এহাজাৰমান টকা এডভান্স—

নালাগে নালাগে। ৰাজবংশীক এডভান্স নালাগে। এনেয়ে পইচাখিনি নষ্ট হ'ব। কথাটো ভালেই হৈছে, এই এমাহৰ ভিতৰতে তেওঁ যেনে তেনে উমাৰ কাৰণে ল'ৰা এটা বিচাৰ কৰি উলিয়াব। কিন্তু ইতিমধ্যে যদি বিশেষ দৰকাৰত পৰি অইন কাৰোবাক মাটিডোখৰ বেচি দিবলগীয়া হয়, তেনেহ'লে যেন খেমকাই বেয়া নাপায়।

"নাপাওঁ নাপাওঁ, কিয় বেয়া পাম?" বুলি খেমকা গুচি গ'ল।

তাৰ দুদিনৰ পাছত কেইগৰাকীমান গণ্যমান্য লোক ৰাজবংশীৰ প'ৰ্টিক'ত থিয় হ'লহি। চন্দ্ৰ উকীল, মাধবীৰ দেউতাক, বিপিন ঠিকাদাৰ, ৰুদ্ৰ তালুকদাৰ, এখেতসকল। এখেতসকলে ৰাজবংশীক কথাটো এইবাৰ ভালকৈ বুজাই ক'লে। আপুনি নিজেই মন কৰিছে, চাৰিওফালে ব্যৱসায়, ব্যৱসায়, ব্যৱসায়; কেৱল টকা টকা টকা। মানুহে শান্তিৰে ঈশ্বৰক চিন্তা কৰিবলৈ এডোখৰ ঠাই নোপোৱা হ'ল। তথাপি চেপাত সোমাই এইকণ ঠাই আছেগৈ, আমাৰ সকলোৰে ঘৰৰ আই, মাহী, পেহী, খুড়ীহঁতে নামঘৰ বুলি কথাষাৰ উচ্চাৰণ কৰিব পাৰিছে। আমিও যিমান পাৰোঁ আঁৰত থাকিয়েই সহায় কৰিছোঁ, এই ধৰক বৃত্তিৰ ভেলকণ, মাহপ্ৰসাদৰ খৰচটো, বাণীৰ

দক্ষিণাৰ পইচাকেইটা। পিছে আজি কিছুদিনৰপৰা এওঁলোকে কোৱাকুই কৰি আছে যে ইতিমধ্যে মানুহো সৰহ হ'ল, নামঘৰটোৰ নাম-প্ৰসংগ ইত্যাদিয়ে এটা গঢ় লৈছে—মানে কথাবোৰ চিজিললৈ আহিছে; কেৱল এই বাপুৰ ভাল ব্যৱস্থা এটা কৰি দিব নোৱৰাৰ কাৰণে অসুবিধা হৈছে। তেওঁ থাকে সাত মাইল দূৰত, স্কুল কৰে ইয়াত; স্কুলৰ পাছত ছাইকেল মাৰি ঘৰলৈ গৈ গা-পা ধুই আকৌ সাত মাইল ছাইকেল মাৰি এইখিনি পায়হি মানে কাৰোবাৰ ক্বাৰোবাৰ ঘৰলৈ উভতিবৰে হয়। হ'বও দিয়কচোন; ঘৰৰ লেঠা নো কাৰ নাই? কেইবাগৰাকী বুঢ়ীয়ে আকৌ ৰাতিৰ সাজহে খায়, তাকো নিজে ৰান্ধি খায়। এইবোৰ কথা শুনি আমিও ওচৰ চাপি আহিছিলোঁ, চান্দাও তুলিলোঁ দুশমান টকা; ভাবিছিলোঁ আৰু দুশমান টকা তুলি একেবাৰে আপোনাৰ ওচৰলৈ আহিম, মাটিডোখৰৰ পাৰ্মিছন ল'ম, তাৰ পাছত বাপুৰ কাৰণে সৰুকৈ ঘৰ এটা সজাম। আমি সিফালে কৰিছোঁ সেইবোৰ আয়োজন, ইফালে বোলে আপুনি মাটিডোখৰ বেচিবলৈ ওলাইছে। তাকে শুনি আমি লৰি আহিছোঁ।

মুল বুৰঞ্জী শেষ কৰি মানুহকেইগৰাকীয়ে ৰাজবংশীক নামঘৰৰ কাষৰ মাটিডোখৰ বেচাটো কিমান অসুবিধাৰ কথা, সেইটো বুজাই দিলে। বিজিনেছমেনবিলাক সাংঘাতিক টেঙৰ, সিহঁতে মাটি কিনিব আধা কঠা, পাছত দেখিবা বেৰখন উঠাব নামঘৰৰ গাতে, তোমাৰ ওলোৱা-সোমোৱা কৰা বাটটোৰ মাটিকণ এৰি দিওঁতেও দেখিবা এশটামান হুজ্জতি। আৰু সিহঁতে কিহৰবা বিজিনেছ কৰে তাৰ কি ঠিক! এই ধৰি লোৱা সিহঁতে চামৰাৰ বিজিনেছ আৰম্ভ কৰিলে, তুমিয়েই বাৰু কথাটো ভাল পাবানে? তাতকৈ দেউতাৰাৰ, তোমালোক সকলোৰে নামটো থাকক দিয়াচোন। সেইফালে একাষৰীয়াকৈ বাপুৰ ঘৰটো সজালোঁ, তোমালোকৰো একো অসুবিধা নহ'ল, ইফালে ৰাইজৰো বহুত সুবিধা হ'ল। প্ৰায়বোৰ নামঘৰৰ লগতে বাপুদেউৰ থকাৰ বন্দোবস্ত এটাও থাকেই।

তোমাৰ দেউতাৰাই, আৰু অলপদিন থকা হ'লে কিজানি সেইটো কামো সম্পূৰ্ণ কৰি থৈ গ'লহেঁতেন। আৰু এইখিনিত বাপুদেউ থাকিলে তোমালোকৰ অসুবিধা হ'ব জানো? তেওঁকতো তোমালোকে দেখিয়েই আছা—সুন্দৰ মানুহ, বৰ ভাল মানুহ—।

"নহয় নহয়, বাপুদেউ থকাৰ কাৰণে আমাৰ একো অসুবিধা নহয়।"—এইটো কথাত সহজে সন্মত হ'ব পাৰি কাৰণে ৰাজবংশীয়ে বহুত পৰৰ মূৰত কথা এষাৰ ক'লে। বাপুদেউ সঁচাকৈয়ে ভাল মানুহ। তেওঁৰ সুন্দৰ স্বাস্থ্য, সুন্দৰ চেহেৰা, বয়স প্ৰায় ত্ৰিছ বছৰ; ভাল স্বাস্থ্যৰ কাৰণেই হ'বলা গাল-মুখ ৰঙচুৰা হৈ থাকে। তেওঁৰ নাম অনন্ত। চহৰৰ সৰস্বতী স্কুলত তেওঁ মাষ্টৰ কাম কৰে, তলৰ শ্ৰেণী দুটাত সংস্কৃত পঢ়ায়। তেওঁৰ মাক-দেউতাক, আত্মীয়-স্বজন কোনো নাই। নাম-কীৰ্তন কৰি তেওঁ বহুদিন বহু ঠাই ঘূৰিলে, এতিয়া ইয়াতহে কেৰল নিগাজীকৈ থাকিবলৈ লৈছে। ৰাজবংশীয়ে তেওঁৰ লগত কথা-বতৰাও পাতিছে বহুত দিন। কিবা অসুবিধাত সুৰবালা বা উমা নামলৈ যাব নোৱাৰিলে অনন্তই নামৰ শেষত প্ৰায়েই প্ৰসাদ অলপমান লৈ ৰাজবংশীৰ ঘৰলৈ যায়। ৰাজবংশী ঘৰত নাথাকিলেও তেওঁ সুৰবালা আৰু উমাৰ লগত কিছু সময় কথা পাতে আৰু ৰাতি বেছি হোৱাৰ আগতে ছাইকেল মাৰি চহৰৰ বাহিৰৰ অকলশৰীয়া জুপুৰিটোলৈ যায়গৈ।

ৰাজবংশীয়ে মানুহকেইগৰাকীক—"মোক দুদিনমান সময় দিয়ক, মই ভাবি চাওঁ"—বুলি বিদায় দিলে আৰু সেইদিনাই উমাক ক'লে, "বাপুদেউক ক'বিচোন আজি গধূলি আমাৰ ঘৰলৈ আহিবলৈ; মোৰ অলপ কথা আছে।"

উমাই উৎসুক হৈ দেউতাকৰ চকুলৈ চালে। দেউতাকৰ বাপুদেউৰ লগত কি কথা থাকিব পাৰে, তাই ভাবি উলিয়াবলৈ চেষ্টা কৰিলে, কিন্তু নোৱাৰিলে। কথাটো কিন্তু তাই ভাল পালে। উমাই তপস্যা কৰাৰ অধ্যায়টো তেওঁৰ মুখৰপৰা শুনিবলৈ তাইৰ

বৰ হেঁপাহ হৈ আছিল; আজি যদি সুবিধা হয়, দেউতাকৰ কথা শেষ হোৱাৰ পাছত তাই বাপুদেউক ক'বলৈ ক'ব।

সন্ধিয়া অলপ পলমকৈ, এপালি থাই ৰাজবংশী ঘৰলৈ উভতিল। অনন্ত আগৰেপৰা বহি আছিল; তেওঁক দেখিয়েই ৰাজবংশীয়ে হাঁহিবলৈ আৰম্ভ কৰিলে। লাহে লাহে তেওঁৰ হাঁহিটো ডাঙৰ হৈ গ'ল; কথা নাই, বতৰা নাই—তেওঁ কেৱল হাঁহিয়েই আছে, হাঁহিয়েই আছে,—এই হাঁহিৰ যেন শেষ নাই। অনন্তই আঁৰ চকুৰে এবাৰ তেওঁলৈ চাই মিচিক-মিচিককৈ হাঁহিবলৈ ধৰিলে। মানুহজনক অনন্তই বৰ ভালকৈ চিনি পায়। উমাৰ মুখত তেওঁৰ কথা অনন্তই বহুত শুনিছে, আৰু যিটো গতিত উমাই ক'বলৈ আৰম্ভ কৰিছে, কিছুদিনৰ ভিতৰতে কিজানি তেওঁ মানুহজনৰ বিষয়ে প্ৰায় সকলো কথাই শুনা শেষ কৰিব!

হাঁহোতে হাঁহোতে ৰাজবংশীৰ চকুপানী ওলাই গ'ল। চোলাৰে চকুপানী মচি, ডোখৰ ডোখৰকৈ হাঁহি, তাৰ মাজে মাজে তেওঁ অনন্তক সুধিলে, "হেৰা বাপু তুমিয়েই কোঁৱাচোন, শান্তিৰে ঈশ্বৰক চিন্তা কৰিবলৈ কেনেকুৱা ঠাই লাগেহে? এখেতসকলে দেখোন মোক ক'লে—শান্তিৰে ঈশ্বৰক চিন্তা কৰিবলৈ বোলে এডোখৰ ঠায়েই নোহোৱা হ'ল।"

ৰাজবংশীয়ে আকৌ এবাৰ প্ৰাণ খুলি হাঁহি ল'লে; তাৰ পাছত ক'লে, "মই আকৌ ওলোটাটোহে ভাবি আছিলোঁ বুইছা? মই ভাবিছিলোঁ সকলো কাম তুমি দেখুৱাই কৰিব পাৰা, সকলো কামৰ কাৰণে তোমাক লগ লাগে, এডোখৰ ঠাই লাগে; কিন্তু ঈশ্বৰ-চিন্তা তুমি সেইবোৰ নোহোৱাকৈও কৰিব পাৰা।" এইবাৰ ৰাজবংশীয়ে হাতেৰে ভাও-ভংগী দেখুৱাই যাবলৈ ধৰিলে, "তুমি মাছ-মাংস ভাত খাবা মই নেদেখাকৈ, তুমি উপাৰ্জন কৰিবা মোক লগ নধৰাকৈ, তুমি বেংকত টকা জমা থ'বা অকলে, আৰু

ঈশ্বৰক চিন্তা কৰিবলৈ তোমাক পঞ্চাছজন মানুহ লগত লাগে, হেৱা- বতাহ আহি থকা পথাৰ এখন লাগে!"

কথাখিনি কৈ থাকোঁতে ৰাজবংশীৰ হাঁহিটো নাইকিয়া হৈ আহিছিল, কথাখিনি শেষ হোৱাৰ লগে লগে তেওঁ বৰ গম্ভীৰ হৈ গ'ল। আচৰিত হোৱা কণ্ঠস্বৰেৰে তেওঁ ক'লে, "মই সকলোকে পৰিষ্কাৰকৈ বুজাই দিছোঁ—মোক মাছ-ভাত খাবলৈ টকা নালাগে—মই মাটিডোখৰ বেচিবলৈ ওলাইছোঁ মোৰ ছোৱালীজনী বিয়া দিবৰ কাৰণে। কিন্তু তেখেতসকলে ভুলতো এবাৰ মোৰ ছোৱালীজনীৰ জীৱনটোৰ কথা নুলিয়ালে। তেখেতসকলে মোক এটা উপায় নিদিলে!"

ৰাজবংশী বৰ অস্থিৰ হ'ল। হঠাতে তেওঁ অসংযত হৈ পৰিল। তেওঁ খঙৰ সুৰত কৈ গ'ল, "সেই কাৰণে মই তোমাক মাতিছোঁ। তুমি ধৰ্মত থকা মানুহ। ইউ আৰ গুড মেন। মই তোমাৰ লগত কথা পাতিম। তেখেতসকলৰ লগত মোৰ কোনো কথা নাই। ড'ণ্ট টক। তেখেতসকলৰ টকা আছে, মোৰ টকা নাই। আই এম পুঅ'ৰ মেন। কিন্তু তেখেতসকলৰ আধা কঠা মাটি নাই, মোৰ আধা কঠা মাটি আছে। তেখেতসকলক মাটি লাগে, মোক টকা লাগে। তেখেতসকলে মাটি কিনক, মই মাটি বেচিম। আৰু কোনো কথা নাই। ড'ণ্ট টক। বুজিছা তুমি মই কি কৈছোঁ? আণ্ডাৰষ্টেণ্ড? কিন্তু এটা কথা। মোৰ দেউতাই ধৰ্ম কৰিছিল; মই কৰাৰ ভিতৰত এতিয়ালৈকে কেৱল অধৰ্ম নকৰাকৈ আছোঁ"—

ৰাজবংশীক শান্ত কৰিবলৈ বুলি ইতিমধ্যে উমাই সুৰবালাক পঠিয়াই দিছিল; সুৰবালা আহি দুৱাৰডলিত থিয় হৈছিলহে মাথোন, ৰাজবংশীয়ে সুধিলে, "কোৱা, তুমিয়েই কোৱা, ইউ স্পিক মি, মই অধৰ্ম কৰিছোঁ? উমাক মাতা, তাইকো সোধোঁ— কেতিয়াবা অধৰ্ম কৰিছোনে কি!"

সুৰবালাই ক'লে, "মনে মনে থাকককচোন।"

"ইউ ষ্টপ! হোৱাই আই ষ্টপ্?" ৰাজবংশীয়ে ডবিয়াই দিলে। তাৰ পাছত তেওঁ অনন্তলৈ চাই নতুন সুৰত ক'লে, "কিন্তু এইবাৰ মই ধৰ্ম কৰিম। খেমকাই মোক মাটিডোখৰৰ কাৰণে সাত হাজাৰ টকা দিব,—সেয়া আটাইতকৈ বেছি, আৰু গিদৰানীয়ে দিব চাৰে পাঁচ হাজাৰ,—সেয়া আটাইতকৈ কম; কিন্তু তেখেতসকলে যদি মাটিডোখৰ কিনে তেনেহ'লে মই,—মোৰ দেউতাৰ নামত,—চাৰে পাঁচ হাজাৰ টকাত মাটিডোখৰ দি দিম। এইটো মোৰ শেষ কথা! মই সিমানখিনিলৈকে কৰিব পাৰোঁ। কিন্তু মোৰ ছোৱালীজনীৰ হাড়ত মঙহ শুকুৱাই, বিনা পইচাৰ হেৰা-বতাহ খাই, শান্তিৰে ঈশ্বৰ চিন্তা কৰাৰ নিচিনা পাপ মই মোৰ চৌহদত কাকো কৰিবলৈ নিদিওঁ! এইবোৰ কথা তুমি তেখেতসকলক কৈ দিবা। আৰু শুনা—আৰু এটা কথা ক'বা,—মোৰ লগত কথা পাতিলে তেখেতসকলে কোনেও যেন মোৰ দেউতাৰ নাম উল্লেখ নকৰে। কাৰণ তেখেতসকলৰ সকলোতকৈ মোৰ দেউতাক মই বেছি ভাল পাওঁ। হি ইজ মাই ফাদাৰ।"

এপালি ঔষধৰ জাল আৰু কিছু পৰলৈ থকাৰ কথা, কিন্তু হঠাতে ৰাজবংশী বৰ ম্ৰিয়মান, ক্লান্ত হৈ পৰিল। তেওঁ তলমূৰকৈ বহি ৰ'ল।

সেই ৰাতি উমাৰ বাপুদেউক উমাৰ তপস্যাৰ কথা সুধিবলৈ নহ'ল।

ৰাজবংশীৰ মাটি বেচাৰ নতুন প্ৰস্তাৱটো ইতিমধ্যে সকলোৰে মাজত জনাজনি হ'ল। কেইদিনমানৰ ভিতৰতে ওচৰৰ পাঠশালাৰ চৌহদত তিৰোতাসকলৰ এখন সভা বহিল। সেই সভাত ৰাজবংশীৰ প্ৰস্তাৱটো সকলো ঈশ্বৰপ্ৰেমী মানুহৰ কাৰণে এটা প্ৰত্যাহ্বান হিচাপে গণ্য কৰা হ'ল। অনতিপলমে ছহাজাৰ টকা সংগ্ৰহ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। কেইদিনমানৰ ভিতৰতে সম্পাদিকাৰ চহী, আদায়কাৰীৰ চহী—এই ধৰণৰ কথাৰ এশখিলা

পাত থকা একুৰি বৰঙণি তোলা বহী প্ৰেছৰপৰা আহিল। বাৰ গৰাকী মুখিয়াল তিৰোতাই একোখন বহীৰ দায়িত্ব ল'লে। বাকী আঠখন বহী মুনিহসকলক দিয়া হ'ল।

আবেলি আবেলি তিৰোতাসকলে তিনি-চাৰি গৰাকীৰ দল একোটা বান্ধি চুবুৰিয়ে-চুবুৰিয়ে দোকানে-দোকানে ঘূৰা কৰিলে। নামঘৰলৈ মানুহ প্ৰায় কোনো নহাই হ'ল। অনন্ত আহে; তেওঁ বন্তিগছ জ্বলায়, এক অধ্যায় পুথি পঢ়ে, কেতিয়াবা সুৰবালা আৰু উমাই শুনে, কেতিয়াবা অসুবিধা হ'লে তেওঁলোকো নাহে। কেতিয়াবা কাৰোবাৰ ঘৰৰ শৰাই পৰিলে নাম হয়, তেনেকুৱা দিনত সুৰবালা আৰু উমাৰ নামঘৰলৈ আহিবলৈ সংকোচ লাগে। মানুহবিলাকৰ লগত যেন তেওঁলোকৰ সম্পৰ্কটো অলপ বেয়া হ'ল। নামৰ শেষত আশীৰ্বাদ দিবৰ সময়ত কোঠালিৰ ভিতৰতে হাতযোৰ কৰি উমাই আশীৰ্বাদ লয়। তাইৰ একোবাৰ ভয় লাগে— মানুহবিলাকে নামঘৰত তাইক মনে মনে শাও দিয়া নাইতো?

এমাহমান যোৱাৰ পাছত লাহে লাহে আকৌ আবেলি আবেলি নামঘৰত মানুহ গোট খোৱা হ'ল। বৰঙণি তোলা কামটোত অলপ অসুবিধা হৈছে। বাধিকাই পাঁচখিলা পাতত দহ টকা তুলি বহীখন ওভোতাই দি মাজু জীয়েকৰ তালৈ গ'ল; মাজু জীয়েকৰ অহা মাহত প্ৰসৱৰ সময়। চন্দ্ৰ উকীলৰ ঘৈণীয়েক এটা প্ৰতিনিধি দলৰ লগত বহুত ঠাইলৈ যাবলগীয়া হ'ল। ষণ্ডা বুঢ়ীৰ গা ভালে নথকা হ'ল। মাধবীৰ বুঢ়ীমাকে বহীখন হেৰুৱালে। ঠিকাদাৰৰ ঘৈণীয়েকক ফুল মাষ্টৰনীয়ে কিবা বেয়াকৈ ক'লে, সেই কাৰণে তেওঁ এইবোৰ কামলৈ নোলাৱাটোকে ঠিক কৰিলে। ইত্যাদি। মুনিহসকলক দিয়া বহীকেইখন অফিছৰ ড্ৰয়াৰে-ড্ৰয়াৰে, প'ৰ্টফলিঅ' বেগে-বেগে আৱদ্ধ হৈ আছে, সেইবোৰৰ হবণ-ভগন একো হোৱা নাই।

এদিন গধূলি ৰাজবংশীয়ে ঘৰ সোমাই ঘৈণীয়েকক ক'লে, "নামঘৰ সমিতিৰ টকা কিমান উঠিল জানা? মই আজি খবৰ পালোঁ, এশ

আঠচল্লিছ টকা !” কথাষাৰ কৈয়েই তেওঁ হাঃ হাঃৈক হাঁহিবলৈ ধৰিলে।

সুৰবালাই আন্তৰিক বিৰক্তি প্ৰকাশ কৰি ক'লে, “আজিনো আকৌ সেইসোপা খাই আহিল কিয় ? ডাঙৰ কথা এটা ক'বলগীয়া আছিল।”

“কোৱা কোৱা, কি কথা ক'বা কোৱা।”

“এ-স্, এনেকৈ মানুহক যেতিয়াই তেতিয়াই যেই-সেই কথা ক'ব পাৰি নেকি ?” সুৰবালা কোঠালিটোৰপৰা যাবলৈ ওলাল।

ৰাজবংশীয়ে সুৰবালাক আগভেটি ধৰিলে, “কোৱাচোন কি ক'ব খুজিছিলা। কথা এটা আছে বুলি কৈ কথাটো নক'লে মোৰ বৰ বেয়া লাগে বুইছা ?”

সুৰবালাই কথাটো এতিয়া কোৱা ঠিক হ'ব নে নহয় ভাবিবলৈ ধৰিলে। ৰাজবংশীয়ে অস্থিৰ হৈ পেৰাপেৰি কৰিবলৈ ধৰিলে। শেষত সুৰবালাই তেওঁক চকী এখনত শান্ত হৈ বহিবলৈ ক'লে, আৰু তাৰ পাছত তেওঁৰ নিচেই কাষতে থিয় হৈ ক'লে, “অনন্ত বাপুৱে উমাক বিয়া কৰাব খুজিছে।”

ৰাজবংশীয়ে নিস্তব্ধ, অপলক দৃষ্টিৰে সুৰবালাৰ মুখলৈ চাই ৰ'ল। অলপ সময়ৰ পাছত তেওঁ ক্ষীণ মাতেৰে সুধিলে, “সঁচা ?”

জীৱনত প্ৰথমবাৰৰ কাৰণে ৰাজবংশীয়ে নেমু টেঙাৰ ৰস খাই ঔষধ পালিৰ নিচা কটাই ল'লে।

মাজনিশা তেওঁ এবাৰ সুৰবালাক জগাই লৈ সুধিলে, “বাপুটো বৰ ধাৰ্মিক মানুহ ; নহয়নে ?”

নিশা তিনিমান বজাত তেওঁ সুৰবালাক আকৌ জগালে ; সুধিলে, “আমাৰ ইমান ডাঙৰ ঘৰটো আছে, বাপুটো ইয়াতে থাকিব পাৰিব যেতিয়া মাটিডোখৰ নেবেচোঁ আৰু, কি কোৱা ? ঠাইডোখৰ মুকলি হৈ থাকিলে ভেখেতসকলেও ভাল পাব বুলিছিল, বাপুটোৰো থকাৰ বন্দোৱস্ত হ'ল—।”

কেইদিনমানৰ আগলৈকে আবেলি আবেলি নামঘৰটো মানুহেৰে ভৰি আছিল, কিন্তু হঠাতে এদিন নামঘৰত এগৰাকী মানুহো নোহোৱা হ'ল। অনন্ত বাপু বৰ আচৰিত হ'ল। কেইবাদিনো বাট চাই এদিন তেওঁ নিজেই কাৰণটো বিচাৰি চুবুৰিত এপাক মাৰিবলৈ ওলাই গ'ল; আৰু অলপ সময়ৰ পাছত বৰ বেজাৰ মনেৰে উভতি আহিল।

উমাক বিয়া কৰিবলৈ ওলাই, মদপী অসুৰ এটাৰ ঘৰত থাকিবলৈ ওলাই বাপুদেৱে বৰ লেতেৰা কাম কৰিছে; তেওঁৰ ছাঁটোৰ স্পৰ্শও আৰু কোনেও নিবিচাৰে।

"কি?"—চকু দুটা সৰু সৰু কৰি, কপাল থূপ খুৱাই ৰাজবংশীয়ে কথাষাৰৰ অৰ্থ বুজিবলৈ চেষ্টা কৰিলে; কিন্তু কোনেও একো বুজাবলৈ নাপাওঁতেই তেওঁ ঘৰৰপৰা ওলাই গ'ল আৰু এঘণ্টাৰ পাছত তিনি পালি ঔষধ খাই উভতি আহিল।

"কাম উইথ মি", -দুৱাৰডলিত থিয় হৈ বিৰাট জনতাক আহ্বান কৰাৰ সুৰেৰে তেওঁ সুৰবালা আৰু উমাক মাতিলে। "আঁহা, মোৰ লগত আঁহা। আঁহা আমি নামঘৰলৈ যাওঁ।"

কালৈকো অপেক্ষা নকৰি ৰাজবংশী নামঘৰটোৰ মজিয়া পালেগৈ। ভয়ে ভয়ে সুৰবালা আৰু উমাও পিছে পিছে আহিল। ৰাজবংশীয়ে ক'লে, "যোৱা সেৱা কৰি লোৱাগৈ। দীঘল দি পৰি নামঘৰৰ মজিয়াৰ লগত নিজকে এবাৰ মিলাই লোৱা। বুকুৰ ভিতৰত নামঘৰটো পাতি লোৱা।"

"ইনছাইড, ইনছাইড" -বুলি ৰাজবংশীয়ে নিজৰ বুকুত ধপ ধপকৈ দুটা চাপৰ মাৰিলে। তাৰ পাছত ক'লে, "এই নামঘৰ আৰু নাথাকে। খেমকাৰপৰা সাত হাজাৰ টকা ল'ম, সাত হাজাৰ টকাৰে ইয়াত, এই মজিয়াত মই মানুহ থকা ঘৰ সাজিম। ভাল মানুহ থকা ঘৰ সাজিম। গুড মেন। ভেৰি গুড মেন। গোটেই চহৰখনৰ চুৱনিৰ চুৱাপাত মই আৰু ইয়াত গোট খাবলৈ নিদিওঁ।

চোৰা চোৰা—এয়া পাপৰ ভৰত ভেঁটিটো কেনেকৈ বহি গৈছে দেখিছা? পাপৰ বোজা পাতলাবলৈ ইয়ালৈ আহিবি, আৰু মোৰ দেউতাক ডিছটাৰ্ব কৰিবি?"

ৰাজবংশীয়ে দাঁত কামুৰি ধৰি অত্যন্ত অসংযত হৈ তীব্ৰ ৰোষেৰে কথাবোৰ কৈ গ'ল। তাৰ পাছত তেওঁ থাপনাখনৰ ওচৰলৈ গ'ল। অনন্ত বাপুৱে জ্বলাই যোৱা বন্তিগছ তেতিয়াও স্থিৰ হৈ জ্বলি আছিল। থাপনাখনৰ ওচৰত ৰাজবংশী দীঘল দি পৰিল। হঠাতে তেওঁৰ কণ্ঠস্বৰ একেবাৰে সৰু হৈ গ'ল। তেওঁ বিৰবিৰকৈ ক'বলৈ ধৰিলে, "দেউতা, আপোনাক ডিছটাৰ্ব কৰাৰ কাৰণে মই বৰ দুখ পাইছোঁ। আই এম ভেৰি ছৰি। মই একো কৰিব নোৱৰাৰ কাৰণে মোক ক্ষমা কৰিব। এতিয়াৰপৰা মই আপোনাক চাম। প্ৰমিজ। ইয়'ৰ ম'ষ্ট অবিডিয়েণ্ট ছাৰ্ভেণ্ট—"

তেনেকৈ পৰি থাকিয়েই ৰাজবংশীয়ে খুক খুককৈ কান্দিবলৈ ধৰিলে।

# এলাহ্মু

গাঁৱৰ ৰাইজে শেষত ঠিক কৰিলে, চহৰত বৰঙণি তুলি নগদ ধন অলপ গোটাই আনিব নোৱাৰিলে কাম নহ'ব। ওচৰ-পাজৰৰ কোনো কোনো গাঁৱত তুখনকৈও হাইস্কুল হ'ল, কিন্তু এই ইমান ডাঙৰ গাঁওখনত ইমান জাক মানুহে আজি তুবছৰে হেঁচুকি হেঁচুকি মাইনৰ স্কুলখন হাইস্কুল কৰিব পৰা নাই। ডাঙৰকৈ মেল এখন বহিলে মানুহজাকৰ মুখৰ কথাৰ অন্ত নাই; লাগে লাগে, এইবেলিয়ে আমাৰ হাইস্কুল হ'ব লাগে; তিনিমাইল দূৰৰ হাইস্কুললৈ আমাৰ ল'ৰা-ছোৱালীৰ খোজ কাঢ়ি-কাঢ়ি অহা-যোৱাটোহে সাৰ হৈছে, পঢ়া-শুনা একোটো হোৱা নাই। তাৰ পাছত ৰাইজৰ মুখত হাইস্কুলখনৰ ঘৰ-তুৱাৰ, মাষ্টৰ, পানীকল, ফুলনি, চকমাটি পৰ্য্যন্ত, আটাইবোৰৰে যোগাৰ হৈ যায়; কিন্তু মেলখন ভগাৰ কেইদিনমানৰ পাছতে সকলো কথা আকৌ তল পৰে; মাইনৰ স্কুলৰ হেডমাষ্টৰ মোহনে দৰমহাৰ কাৰণে সাত-আঠ তাৰিখৰপৰা ছেক্ৰেটেৰি নীলকান্তৰ ঘৰলৈ অহা-যোৱা আৰম্ভ কৰে; স্কুললৈ আহি ল'ৰা-ছোৱালীয়ে শ্ৰেণীৰ ভিতৰত গোটেই নিশা শুই থকা উদণ্ডীয়া গৰু খেদি উলিয়াই দিয়ে; হেডমাষ্টৰে বিৰক্ত হৈ ল'ৰাৰ হতুৱাই গৰু ধৰাই বান্ধি থোৱায়; পাছত গৰু নিবলৈ আহিলে গৰাকীৰপৰা আঠ অনা পইচা জৰিমনা লয়; গৰাকীৰ ল'ৰা-ছোৱালীৰ হতুৱাই কোঠালিৰ মজিয়া চাফা কৰায়।

হাইস্কুলৰ কাৰণে বৰঙণি তুলিবলৈ গ'লে কোনোবাই একুৰি বাঁহ দিম বুলি কয়, কোনোবাই সীমাত থকা সোণাৰু গছ এজোপা দেখুৱাই দিয়ে,—কমেও দুটা খুটা হ'ব, ৰাইজে কাটিকুটি ঠিকঠাককৈ লওক; কোনোবাই এশ খেৰ যাচে; ধান-চাউল, মাহ-সৰিয়হ, পঠা ছাগলী, ৰঙালাও, যাৰ ঘৰত যি আছে সকলোৱে আগবঢ়ায়; আৰু বস্তু-বাহানি গোট খালে দেহা মাৰি হজ কৰি স্কুলঘৰটো থিয় কৰি দিবলৈ সকলোৱে কথা দিয়ে। মোহন মাষ্টৰে ধীৰে-সুস্থিৰে কথাবোৰ ভাবি চায়; তেওঁ সকলোকে বুজায়, ৰাইজে বল দেখুৱাইছে, সেইটো ভাল কথা; কিন্তু এইবোৰ বস্তুৰে হোৱা স্কুল এখনক চলাইহে ৰাখিব পাৰে, নোহোৱা স্কুল এখনক হোৱা কৰিব নোৱাৰে নহয়!

গতিকেই শেষত ঠিক হ'ল, চহৰত বৰঙণি তুলি নগদ ধন অলপ গোটাই আনিব নোৱাৰিলে কাম নহ'ব। আৰু চহৰত বৰঙণি তোলা কথাটো ওলাবলৈহে পালে, "মই যাওঁ মই যাওঁ" কৈ এজাক মানুহ চহৰলৈ যাবলৈ ওলাল। মাইনৰ স্কুলৰ ছেক্ৰেটেৰি নীলকান্তই কেইটামানক ভেকাহি মাৰিলে, "তহঁত কি কৰিবলৈ যাব? আমি জিলাত টকা চাবলৈ যাবলৈ ওলাইছোঁ নেকি? নে জিলাৰ দোকানত চাহ-জেলেপি খাবলৈ ওলাইছোঁ? এটাও নোৱাৰ যাব তহঁত। তাতকৈ কাম দেখুৱাই দি যাওঁ, কাম কৰ। এই নৰকান্তই বাঁহ দহোটা দি থৈছে নহয়, বাঁহকেইটা আনিবি, আনি স্কুল ঘৰটোৰ পিছফালৰ বেৰখন আৰু মাষ্টৰ বহা কোঠালিটোৰ বেৰখন ঠিক কৰি দিবি। আগফালৰ জেওৰাখনো বান্ধি দিবি। আমি টাউনৰপৰা উভতি আহি কামখিনি হৈ থকা পাবহি লাগিব।"

নীলকান্ত মুখ চলাব জনা মানুহ। তেওঁ বাছি বাছি দহজনীয়া দল এটা উলিয়ালে। কেৱল মথুৰা বুঢ়াই অলপ কেৰেঁাঘেহেঁা কৰিছিল,— "মইনো এইটো দেহাৰে ইমান দূৰ গৈ, দিনটো টলৌটলৌকৈ ঘূৰি উভতি ঘৰ পামহিনে? মইতো স্কুলঘৰখনৰ কাৰণে যিমান পাৰেঁা

ইয়াতে কৰিয়েই আছোঁ ; শক্তিয়ে কুলাই মানে কৰি থাকিমো ; জিলালৈ তইঁতেই যা বোপাইহঁত ।”

আটাইখন মানুহে মুখে মুখে ধৰিলে, “তই এইবোৰ কি কথা কৰ ববপিতাই ? ব'লচোন ব'ল, তোৰ দেহাই নাটানে যদি আমি তোক দাংকোলাকৈ লৈ যাম, ব'ল । এইখন তোৰে স্কুল, তোৰ ভাগিনীয়েৰ টাউনত ইমান ডাঙৰ মানুহ হৈ আছে, তেওঁলোকৰ ওপৰতে ভাৰসা কৰি আমি যাবলৈ ওলাইছোঁ, নগ'লে কেনেকৈ হ'ব ? ব'ল ব'ল, তই লগত নাথাকিলে তোৰ ভাগিনীয়েৰে আমাক চিনি পায়েই বা নাপায় ?”

মথুৰা বুঢ়াৰ গাঁতত সোমোৱা চকু দুটাই দুবাৰমান পিৰিকিয়ালে ; নিৰ্মল হাঁহি এটাই তেওঁৰ সোতোৰা-সুতুৰি গালখনত আৰু দুটামান কোঁচ বঢ়াই দিলে, দাঁত সৰি উদং হোৱা মুখখন অলপমান মেল খাই গ'ল ।

দেওবাৰে টাউনৰ মানুহক ঘৰত লগ ধৰিবলৈ ভাল । দহজনীয়া মানুহৰ দলটো দেওবাৰে পুৱাই গাঁৱৰপৰা ওলাল । প্ৰথমতে ৰে'ল ষ্টেছনলৈ দুমাইল খোজ কাঢ়ি, তাৰ পাছত ৰে'ল । মথুৰা বুঢ়াই আগদিনাই ওচৰৰ ঘৰৰ আজলীৰ মাকৰ হতুৱাই পঞ্জাবী চোলাটো আৰু চুৰিয়াখন ধোৱাই থৈছিল । বৰ বাকচটোৰপৰা পুৰণি এৰীয়া কোটচোলাটো উলিয়াই ৰ'দত দি, জাৰি-জোকাৰি চাফা কৰি থৈছিল ; একালত তেখেতৰ ঘৈণীয়েকে নিজ হাতে বোৱা গুণাৰ ফুলবছা আশীসূতাৰ চাদৰ এখন উলিয়াই থৈছিল ; বহুদিন ধৰি এচুকত পৰি থকা জোতাযোৰো তিতা ফটাকানিৰে মচি চিকুণ কৰি লৈছিল । এইযোৰ সাজ পিন্ধি পদুলিলৈ ওলাই অহাৰ লগে লগেই আগৰপৰা গোট খাই থকা আটাইমখাই চিঞৰি উঠিল, “এৰা—এতিয়াহে ! তোৰ লগত দেখোন এতিয়া আমি যাবই নোৱাৰিম ববপিতাই !”

“কিয়নো ঠেটা-মস্কৰা কৰ অ' বোপাইহঁত ?” বুলি বৰপিতায়ে পৰম তৃপ্তিৰে এবাৰ হাঁহিলে; তাৰ পাছত “ব'ল, ব'লহঁত; কামত নলগা

কথা চোবাই থাকিব নালাগে”—বুলি তেখেত আগবাঢ়িল। পিছে পিছে যোৱা বাকী নজনে অলপ দূৰলৈকে “ক’ত দাংকোলাকৈ নিবা, এতিয়া বৰপিতাইহে দেখোন আগবাঢ়িল; এতিয়া আমি লগে লগে খোজ দিয়াটোহে কথা। ভাগিনীয়েকৰ নামত বৰপিতাইৰ গাই সাতখন আঠখন কৰিছে হ’বলা—” ইত্যাদি ধেমালি কৰি কৰি খোজ ল’লে।

মথুৰা বুঢ়াই এনেয়ে কঁকালত চুৰিয়া এডোখৰ মেৰিয়াই থয়; গাত গেঞ্জি এটা কেতিয়াবা মন গ’লে পিন্ধে, মন নগ’লে নিপিন্ধে; বিহুৰে-সংক্ৰান্তিয়ে ওচৰ-চুবুৰীয়াই দিয়া গামোচা গোট খাই তেখেতৰ বাকচত এজাপ হৈছে; তাৰে এখন গাত পেলাই থৈ দিয়ে। সেই মথুৰা বুঢ়াই আজি চুৰিয়া-পঞ্জাবী-জোতা পিন্ধি খোজ লওঁতে গাঁৱৰ ৰাইজে তেখেতক বহুত দিন নেদেখা মানুহ এজন দেখাদি দেখিলে। এবাৰ মাজতে তেওঁলোকে কোৱাকুই কৰিলে, মানুহটোৰ পিন্ধন-উৰণত লাগ-বান্ধ নাই কাৰণেহে; পিন্ধিলে কিন্তু শুৱাই পৰে।

মথুৰা বুঢ়াৰ এসাজ ভাল কাপোৰে শুৱাই তুলিব পৰা চেহেৰা আছে। ওখ-পাখ গা, নাক-মুখ শুৱনি; একালৰ আটিল স্বাস্থ্য বয়স আৰু সংসাৰৰ ঢৌৱে কোবাই কোবাই উটুৱাই নিছে যদিও চালে চকুত পৰা চিন এতিয়াও তেখেতৰ গাত লাগি আছে! একালৰ গৌৰৱ ধৰি ৰাখিব খোজা মথুৰা বুঢ়াৰ চ’ৰাঘৰৰ প্ৰকাণ্ড পহু শিংযোৰৰ নিচিনাকৈ বুঢ়াৰ মুখখনৰ অ’ত-ত’ত থোপা পাতি থকা সেন্দুৰীয়া ৰংকণে তেখেতৰ একালৰ সুখৰ সাক্ষী দিব খোজে। বুঢ়াই মুখখনৰ এই ৰং কেইবা পুৰুষ ধৰি সমৃদ্ধি আৰু প্ৰতাপেৰে এই অঞ্চলত জিলিকি থকা এক আঢ্যৱন্ত পৰিয়ালৰ উত্তৰাধিকাৰ হিচাপে পোৱা। মথুৰা বুঢ়াৰ দেউতাকে নিজে বৰবিল হাবিলৈ খাঁজি মৰা বন্দুক লৈ গৈছিল, আহোঁতে এটা পহু লৈ উভতি আহিছিল; পহুটো কিমান ডাঙৰ আছিল এতিয়া জীয়াই থকা গাঁৱৰ মানুহ কোনেও ক’ব নোৱাৰে, কিন্তু মথুৰা বুঢ়াৰ চ’ৰাঘৰৰ প্ৰকাণ্ড পহু শিংযোৰে

ক'ব পাৰে। মুখখনৰ অ'ত-ত'ত একোটা ক'লা চমকা-চমক দাগে এতিয়া মথুৰা বুঢ়াৰ মুখৰ সেন্দুৰীয়া ৰংটো ঢাকি আনিব খুজিছে; জাৰকালি জুই পুৱাবলৈ ধৰা সোণাৰু গছৰ মুঢ়াৰ জুইৰ ধোঁৱা পছ শিংযোৰত এলান্ধু হৈ বন্দী হৈ গৈ আছে; কিন্তু এতিয়াও বুঢ়াৰ নিসংগ ঘৰটোৰ ভিতৰলৈ সোমালে, সময়ক তাচ্ছিল্য কৰা ঘৰটোৰ শিল যেন খুটা, চ'তি, মাৰলিবোৰ দেখিলে গাটো সিৰসিৰাই আহে; এতিয়াও এসাজ ভাল কাপোৰ মথুৰা বুঢ়াৰ গাত শুৱাই পৰে।

নিজৰ জীৱনতে মথুৰা বুঢ়াই তেখেতৰ সবল হাত দুখনেৰে বহুত ৰঙৰ লগত খেলিমেলি কৰিলে; জীৱনৰ পছ শিঙৰ ফেৰেঙণিত সুখ-শান্তি-শক্তি-সামৰ্থ্যৰ বহুতো সামগ্ৰী সজাই সজাই থ'লে। একুৰি বছৰ বয়সত চফল ডেকা মথুৰাই নমাটি পামৰপৰা চাৰি হাজাৰ পকা ৰঙালাও প্ৰকাণ্ড নাৱত ভৰাই জোনাক নিশাৰ নৈয়েদি উজাই গাঁৱলৈ আনে, নাৱৰ চৈৰ তলত আকাশৰ তৰা চাই চাই বৰগীত গায়; একুৰি চৈ নোহোৱা ম'হৰ গাড়ীত মেটমৰাকৈ ধানৰ বোজা দি, নিজে এখন গাড়ীৰ গাৰোৱান হৈ ঘৰলৈ ধান কঢ়িয়ায়। অৰ্জুনৰ ভাৱৰ কাৰণে জিলালৈ গৈ নিজৰ সাজ-পাৰ নিজৰ খৰচেৰে সুকীয়াকৈ সীয়াই আনে; দেশক স্বাধীন কৰিবলৈ দুশ মোন ধানৰ দাম বৰঙণি দিয়ে, দুষ্প্ৰাপ্য বিলাতী মাটি যোগাৰ কৰি ওখকৈ পকাভেঁটিৰ ঘৰ এটা সাজি বুঢ়াকালত দেউতাকক সুখেৰে ৰখাৰ কথা চিন্তা কৰে।

কিন্তু ঘৰৰ ভেঁটি পকা হোৱাৰ আগতেই মথুৰা বুঢ়াৰ দেউতাকৰ দেহা মাটি হৈ গ'ল আৰু তাৰ লগে লগেই যেন তেখেতৰ জীৱনৰ ভেঁটিয়ে ফাঁট মেলিলে। মথুৰা বুঢ়াৰ নিজৰ ভাই-ককাই নাই; বৰদেউতাক, দদায়েকহঁতৰ ল'ৰা-ছোৱালী আছে। এজনী ভনীয়েক আছিল, টাউনৰ বিপিন মণ্ডললৈ বিয়া দিলে। দেউতাক ঢুকুৱাৰ পাঁচ বছৰৰ ভিতৰতে বৰদেউতাক, দদায়েকৰ ল'ৰাহঁতে মাটি-বাৰী সম্পত্তি ভগাই-বটাই লোৱাৰ কথা উলিয়ালে। কিয় মাটি-সম্পত্তি ভাগ ভাগ কৰিব লাগে, মথুৰা বুঢ়াই তাৰ একো অৰ্থ নুবুজিলে;

কিন্তু তেখেতে অর্থ বুজাৰ আগতেই ভাগ-বাটোৱাৰা হৈ গ'ল। তেখেতৰ ভাগত কি পৰিল সেইটোলৈ চকু দিবলৈ তেখেতৰ মন নাছিল, কেৱল পৈতৃক ভেঁটিটো যে তেখেতৰ ভাগত পৰিল সেইটো কথাতে তেখেতে বৰ আনন্দ পালে।

দেউতাক জীয়াই থাকোঁতেই লগ লগাই দি যোৱা ঘৈণীয়েকৰে সৈতে মথুৰা বুঢ়াই প্ৰকাণ্ড ঘৰটোত অকলে নতুন সংসাৰ আৰম্ভ কৰিলে। কোনেও মন নিদিয়াৰ কাৰণে চ'ৰাঘৰৰ প্ৰকাণ্ড পছ শিংযোৰৰ যোৰা লাগি থকা ঠাইত ফাট এটা মেলিছিল; তেখেতে এদিন বেত-সুতেৰে টানি টানি শামুকীয়া গাঁঠি এটা দি ফাটটো যাতে আৰু বহল হৈ নাযায়, তাৰ চেষ্টা কৰিলে।

কিন্তু বুঢ়াৰ জীৱনৰ ফাটত কোনো ফালৰপৰা গাঁঠি নপৰিল. পুৰুষৰ পিছত পুৰুষ ধৰি তেখেতসকলৰ বংশটোত সতি-সন্ততিৰ সংখ্যা কম; মথুৰা বুঢ়াৰো সন্তান বুলিবলৈ আছিল ল'ৰা এটা। গাঁৱত স্কুল নাই, বুঢ়াৰ পুতেকে দুমাইল খোজ কাঢ়ি গৈ ওচৰৰ গাঁৱৰ স্কুলত পঢ়িবলৈ যায়। অকণমান ল'ৰাটোৰ কষ্ট সহিব নোৱাৰি মাকে কয়,—"নালাগে সি স্কুল পঢ়িব।" মথুৰা বুঢ়াই কয়, "নহয় নহয়, পঢ়িব লাগে, পঢ়িব লাগে। দিনকাল সলনি হৈছে। আমাক দেউতাই পঢ়াবলৈ বৰ চেষ্টা কৰিছিল; চেষ্টা কৰিও দেউতাই ল'ৰাক শিক্ষিত কৰিব নোৱাৰিলে; মই এবাৰ চাওঁচোন চেষ্টা কৰি।"

বুঢ়াৰ চেষ্টা চেষ্টা হৈয়েই থাকিল; এদিন স্কুলতে তেখেতৰ ল'ৰাটোৰ জ্বৰ উঠি আহিল, আৰু কেইদিনমান বিচনাত পৰি থাকি, মাক-বাপেকহালক ফাঁকি দি সি গুচি গ'ল।

বুঢ়াৰ কাৰণে পৃথিৱীখন উৰুঙা হৈ গ'ল। পথাৰৰ পকা ধান দেখি তেখেতৰ বিৰক্তি লগা হ'ল; পামৰ পকা ৰঙালাও কোনোবাই গাড়ীয়ে গাড়ীয়ে চুৰ কৰিছে বুলি খবৰ দিলে লগনীয়াকেইটাৰ ওপৰত তেখেতৰ খং উঠা হ'ল। যেয়ে বিচাৰিলে তাকে তেখেতে মাটি আধি দিলে;

আঘিৰ ধান ঘৰলৈ কিমান আহিল তাৰ খবৰ কোনোদিনেই নল'লে। মাটিৰ খাজনা বছৰৰ পাছত বছৰ পৰি থাকিল; খেতিৰ মাটি আটাই-সোপা নিলামত উঠিল; খাজনা আদায় কৰি দিলে ৰবদেউতাক, দদায়েকৰ ল'ৰাহঁতে; কিন্তু পাছত সিহঁতে দাবী কৰিলে, সকলো মাটি সিহঁতে নিলামত কিনি লৈছে। কথাটো সঁচা নে মিছা বুঢ়াই কাচাৰীত গোচৰ তৰি জানি ল'ব পাৰে।

গামোচাৰ আগেৰে চকু মোহাৰি বুঢ়াই ঘৈণীয়েকক ক'লে, "মোৰ দেউতাই হাজাৰ পুৰা মাটি চলাই খালে, এদিনলৈ কাচাৰীৰ বাকৰিত থিয় হৈ নাপালে; ময়ো মৰিশালীলৈ যোৱাৰ আগতে কাচাৰীৰ বাকৰিলৈ নাযাওঁ।"

মাটি-সম্পত্তি বুঢ়াই একো ৰাখিব নোৱাৰিলে; আৰু দিনে দিনে শুকাই যোৱা তেখেতৰ ঘৈণীয়েককো ৰাখিব নোৱাৰিলে। কঁপালত সেন্দুৰৰ ফোঁট এটাৰে চাং এখনত শুৱাই এদিন তেওঁকো তেখেতে পঠিয়াই দিলে।

প্ৰকাণ্ড ঘৰটোত অকলশৰীয়া মথুৰা প্ৰকাণ্ড পছু শিংযোৰৰ নিচিনা নিমাত-নিস্তব্ধ-নিষ্প্ৰভ হৈ গ'ল। অকণমান টৌ এটাত বুঢ়াই কেতিয়াবা দুটামান চাউল সিজায়; ওচৰৰ ঘৰৰ আজলীৰ মাকে কেতিয়াবা ভাত-তৰকাৰী কাঁহী এখনত দি পঠিয়ায়। বেছিভাগ সময় বুঢ়াই পদুলিমুখত পুৰণি গছ এজোপাৰ মুঢ়া এটাৰ ওপৰত বহি বাটৰ সিপাৰৰ মুকলি ঠাইডোখৰলৈ চাই থাকে। নিজৰ ঘৰটো থকা মাটিকণৰ বাহিৰে সেই মুকলিকণেই বুঢ়াৰ নিজৰ মাটি; তাতে তেখেতে একালত পকা ভেঁটিৰ ঘৰ এটা সজাব বুলি ভাবিছিল। বহুত দিনৰ মূৰত গাঁওখনত স্কুল এখন পতাৰ কথা ওলাওঁতে বুঢ়াই গছৰ মুঢ়াটোৰ ওপৰৰপৰাই গাঁৱৰ মানুহক ক'লে, "সাজ সাজ, এইডোখৰ মাটিতে সাজ; মাটিডোখৰ মই স্কুল সাজিবলৈকে দিলোঁ দে। আমাৰ গাঁৱৰ ল'ৰা আৰু হুমাইল খোজ কাঢ়ি লোকৰ গাঁৱৰ স্কুললৈ যাব নালাগে।"

পঢ়ক পঢ়ক, পঢ়িব লাগে, পঢ়িব লাগে; বুঢ়াই প্ৰায়েই মুখৰ ভিতৰতে বিৰবিৰকৈ আপোনমনে কৈ থাকে। স্কুলৰ কথা ওলালেই তেখেতে এনেকুৱা এটা ভাব দেখুৱায়, যেন পৃথিৱীৰ সকলোকে তেখেতে নিজে পঢ়ুৱাই পঢ়ুৱাই মনৰ হেঁপাহ পলুৱাব।

এই হেঁপাহ বুঢ়াই পলুৱাইছিল জিলাৰ ভাগিনীয়েকটোৰ ওপৰত। বিপিন মণ্ডল বেমাৰী ৰুগীয়া মানুহ, পুতেক নকুলক পঢ়াবলৈ বল নাই। মেট্ৰিক পৰীক্ষাৰ আগে আগে এবাৰ নকুলে আহি ক'লে, "মোমাইদেউ, টকা সোতৰটা দিব পাৰিবনে? পৰীক্ষাৰ মাচুল দিবলৈ লাগে।"

মথুৰা বুঢ়াক যেন স্বৰ্গৰপৰা পুতেকটোৱে হাতবাউল দিহে মাতিলে! দৌৰি গৈ বৰপেৰা খুলি এটা চুকত গোট খাই থকা বহুদিনীয়া চিকাৰূপ সোতৰটা বুঢ়াই লগে লগে আনি ভাগিনীয়েকৰ হাতত দিলে!

ভাগিনীয়েক নকুলে বৃত্তি পাই মেট্ৰিক পাছ কৰিলে, তাৰ পাছত কলেজ পালেগৈ। কলেজৰপৰা সি মাজে মাজে টকা খুজি মোমায়েকলৈ চিঠি দিয়ে, বুঢ়াই দৌৰি ডাকঘৰলৈ গৈ মনিঅৰ্ডাৰ কৰি টকা পঠিয়ায়। চাৰি বছৰৰ ভিতৰত বুঢ়াই বহুতবাৰ মনিঅৰ্ডাৰ কৰিলে। ভাগিনীয়েকে চহী কৰি দি পঠিওৱা মনিঅৰ্ডাৰৰ কাগজবোৰ বুঢ়াই ভগা ছাতিৰ তাঁৰেৰে সজা হঁাকোটা এডালত আথেবেথে চিলাই থয়; কেতিয়াবা বৰ হেপাহেৰে হাকোটাডালৰ কাগজবোৰ লিৰিকি-বিদাৰি চায় আৰু অকলে পৰম তৃপ্তিৰে হাঁহে।

ভাগিনীয়েক নকুল এতিয়া ডাঙৰ মানুহ হৈছে; চহৰত তাৰ নাম-যশ হৈছে। বুঢ়াই বহুতদিন তাক দেখাই নাই; আগতে বল-শক্তি থাকোঁতে মাজে মাজে গৈছিল, আজিকালি নোৱৰাত পৰিছে। আৰু এটা কথা, চহৰত সিহঁতৰ চাফচিকুণ, বগা পকীঘৰ; ডেকা নকুল আৰু তাৰ গাভৰু ভনীয়েক লুকিমাৰ নিমজ সেন্দুৰীয়া গাল মুখ চিকচিকাই থাকে; সিহঁতৰ সাজপাৰ বগলী পাখি, ৰামধেনুৰ

ৰঙৰ নিচিনা শুৱনী ; মথুৰা বুঢ়াৰ চুটি চুটি, পকা পকা দাড়ি-গোঁফ, জধলা সাজ ; বুঢ়াৰ লাজ লাগে ; অকলে অকলে তেখেতৰ হাঁহি উঠে। যিহে ৰূপটো !

আজি বহুত দিনৰ মূৰত মথুৰা বুঢ়া ভাগিনীয়েকৰ তালৈ যাব। গাঁৱৰ স্কুলখনত তেখেতৰ ভাগিনীয়েকৰ পইচা দুটামান সোমাব; এইটো বৰ আনন্দৰ কথা। আৰু এটা কথা ; লুকিমাৰ বিয়াৰ বন্দোবস্ত হৈছে বুলি তেখেতে আৰ-তাৰ মুখত খবৰ পাইছে। একমাত্ৰ ভাগিনীয়েকৰ বিয়া ! বুঢ়াই বৰ বাকচৰ তলিত থকা টকাকেইটা গণিলে ; চাৰিকুৰি আছেগৈ ; এই চাৰিকুৰি টকা বুঢ়াই লুকিমাক সোণৰ মণি এধাৰ কৰাই ল'বলৈ দি আহিব। আজিকালিৰ দিন, চাৰি কুৰি টকাৰে মণি এধাৰ হয় বা নহয় ! নহ'লেও জোনবিৰিটো হ'ব।

ৰেলৰ খিড়িকীৰ কাষত বহি বাহিৰলৈ চাই থকা বুঢ়াৰ মুখত অকলশৰীয়া হাঁহি এটা বিৰিঙিল ; তেখেতে এবাৰ কোটচোলাৰ বুকুৰ জেপত হাত ভৰাই টকাখিনি চালে ; আছে।

নকুলহঁতৰ ঘৰ পাই মানুহজাকক মথুৰা বুঢ়াই "আহহঁত আহ, বহ ইয়াতে" বুলি পৰম গৰ্বেৰে নিজে বাৰাণ্ডাৰ দীঘলীয়া বেঞ্চ দুখন ঠেলি-হেঁচুকি ঠিকঠাক কৰি দিলে; তাৰ পাছত "মই এতিয়াই বোপাইক পঠিয়াই দিমগৈ ; আছে বা নাই ঘৰত !" বুলি লৰালৰিকৈ সোমাই গ'ল।

নকুল ঘৰত আছিল। অলপ পাছত সি বাহিৰলৈ ওলাই আহি গাঁৱৰ মানুহৰ লগত কথা পতাত লাগিল; ভিতৰত মথুৰা বুঢ়াই লুকিমাৰ বিয়াৰ খা-খবৰ ল'লে। "চাওঁ চাওঁ, তহঁতে গহনা-পাতি কি কৰিছ ?" বুঢ়াই বৰ আগ্ৰহেৰে সুধিলে। লুকিমাৰ এতিয়া আকৌ বাকচ খুলি গহনা উলিয়াবলৈ বিৰক্তি লাগিল; তাই "অইন এবাৰ আহিলে চাব দিয়ক" বুলি কথাটো পাতলাই দিয়াৰ চেষ্টা কৰিলে। বুঢ়াই কিন্তু নেৰিলে। শেষত দুবাৰমান নবৌয়েক আৰু তাইৰ

মাজত গহনাখিনি আনিবলৈ ঠেলিয়াঠেলি হ'ল ; শেষত উচাট মাৰি গৈ লুকিমায়েই আনি সৰু বাকচ এটা বুঢ়াৰ সন্মুখত থ'লেহি। ভিতৰত নীলা মখমল কাপোৰৰ ওপৰত পৰি তিৰবিৰাই থকা নেকলেছ, চেইন, লকেট, ব্ৰেছলেট, আঙঠিবোৰলৈ চাই বহুত সময় মথুৰা বুঢ়া থৰ লাগি বহি থাকিল। এই বাকচটোৰ ভিতৰত তেওঁৰ জেপৰ চাবিকুৰি টকাৰ গহণা এপদ থ'বলৈ ঠাই অকণমান বিচাৰি যেন তেওঁৰ বুকুখন কোঁচ খাই গ'ল। এবাৰ তেওঁ মুৰ তুলিলে ; হওক— এটা ভাল আঙঠিতো হ'ব ; আৰু মোমায়েকে দিয়া আঙঠি, তাৰ চাগৈ আদৰেই বেলেগ হ'ব।

অলপ পাছত নকুল সোমাই আহিল। তাৰ মুখখন গম্ভীৰ। "চাওঁ মোমাইদেউ, এইফালে আহকচোন" বুলি সি কোঠালি এটাৰ ভিতৰলৈ সোমাই গ'ল। পিছে পিছে মথুৰা বুঢ়াও সোমাই গ'ল।

কোঠালিটোৰ ভিতৰত নকুলে সৰু অথচ গহীন মাতেৰে সুধিলে, "আপুনি গাঁৱৰ মানুহবোৰক মোৰ কথা কি কয় ?"

মথুৰা বুঢ়াই চকু দুটা মেলি ভাগিনীয়েকৰ মুখলৈ চালে, তাৰ পাছত ক'লে, "তোৰ কথা ? তোৰ কথানো কি ক'ম বোপাই ? মই যি কওঁ তোৰ ভাল কথাটোহে কওঁ !"

নকুলে ক'লে, "আপুনি বোলে কৈ ফুৰে মোক কলেজত আপুনি পঢ়ুৱাইছিল ?"

মথুৰা বুঢ়াই অবাক দৃষ্টিৰে ভাগিনীয়েকৰ মুখলৈ চাই ৰ'ল। নকুলে এচুকত থকা বাকচ এটা খুলিলে ; এজাপ নোটৰপৰা ফৰফৰকৈ কিছুমান নোট গণিলে ; তাৰ পাছত বুঢ়াৰ কাষলৈ আহি নোটখিনি আগবঢ়াই দি ক'লে, "ইয়াত তিনিশ টকা আছে ; আপুনি মোলৈ যিমান পঠিয়াইছিল, তাতকৈ ইয়াত বেছি আছে ; লওক।"

মথুৰা বুঢ়াৰ উত্তেজনাত আগবাঢ়ি থকা হাতখন কোঁচ খাই আহিল। তেখেতে এবাৰ ভয়ে ভয়ে নোটজাপলৈ চালে। এক মুহূৰ্তৰ কাৰণে তেখেতৰ ভগা ছাতিৰ তঁাৰৰ হাঁকোটাত সী খোৱা

মনিঅৰ্ডাৰৰ ৰছিদখিনিলৈ মনত পৰিল। অলপ সময় তেখেতে তলমুৰকৈ থাকিল, তাৰ পাছত লাহে লাহে ক'লে, "বাপু, মই জানো তোক টকা খাবলৈ দিছিলোঁ? তইঁতে পঢ়, পঢ়ি ডাঙৰ হ, সেই আশাতহে যি পাৰিছিলোঁ দিছিলোঁ। মোৰ ল'ৰাটোক মই পঢ়াবলৈ নাপালোঁ; সেই হেঁপাহতে তোক সেইকেইটা টকা দিছিলোঁ।" বুঢ়া অকণমান পৰ ৰ'ল তাৰ পাছত তেখেতে ক'লে, "তোৰ কথা গাঁৱৰ, মানুহক মই কিবা কৈছিলোঁ যদি আনন্দত গৰ্ব কৰিহে কৈছিলোঁ। বাপু, বেয়া নাপাবি।" বুঢ়াৰ সোতোৰাসুতুৰি গালেদি বৈ আহি কেইটোপালমান চকুপানী টপ টপকৈ নকুলইঁতৰ পকা মজিয়াত পৰিল। "আৰু নকওঁ দে বাপু" বুলি মথুৰা বুঢ়া ওলাই আহিল।

বাহিৰলৈ আহিয়েই মথুৰা বুঢ়াই গাঁৱৰ মানুহজাকক "ব'লইঁত এতিয়া, ব'ল" বুলি নিজে আগবাঢ়ি বাৰাণ্ডাৰপৰা নামি আহিল। অকণমান দূৰৰ বননিখনত আটাইজাকে তেখেতক বেঢ়ি ধৰি সুধিলে, "কি হ'ল আচল কথাটো ?"

বুঢ়াই চাদৰখনেৰে চকুযোৰ মোহাৰিলে; তাৰ পাছত হাঁহি এটা মাৰি ক'লে, "দিলে দিলে, তইঁতক নকওঁনে সদায়, মোৰহে ভাগিন তেওঁ। এযা চা, চাৰি কুৰি টকা দিছে।"

কোটৰ ভিতৰজেপৰপৰা উলিয়াই মথুৰা বুঢ়াই নীলকান্তৰ হাতত টকা চাৰি কুৰি দি দিলে।

# গ্ৰহণ

ইহঁতে মোক বুৰ্বক বুলি ভাবে হ'বলা। যদি ভাবে তেনেহ'লে সিহঁতে ভুল কৰে। সিহঁতৰ বয়সত মই, সিহঁত এতিয়া যিমান চালাক, তাতকৈ বেছি চালাক আছিলোঁ। এইযে এদিন গীতাই আহি মোক ক'লেহি, "দেউতা, এয়া সুবোধ দাদা, মইযে আপোনাক কৈছিলোঁ—মোৰ লগৰ সুৰভিহঁতৰ"—ইত্যাদি ইত্যাদি আৰু মইযে হাঁহি হাঁহি সুবোধক সম্ভাষণ জনালোঁ, সেইটো কথাত গীতাই চাগৈ ভাবিলে—দেউতাতো সহজ-সৰল, বেঙা, বুৰ্বক মানুহ; চিনাকি কৰি দিয়াৰ কামটো বাকী আছিল, কৰি থ'লোঁ, লেঠা মৰিল; দেউতাই আৰু এইবোৰ কথা লৈ মগজ ঘোলা নকৰে। কিন্তু আচলতে মই ইমান বুৰ্বক নহওঁ। মই চালাক মানুহ। মই ঠিক বুজিলোঁ—এইযে ঘৰখনলৈ সুবোধ আহিল, তাৰ মানে এটা লেঠা আহিল। ইয়াৰ মাজত গণ্ডগোল আছে। জীয়েকৰ বান্ধৱীৰ ককায়েক হৈ আহি দেউতাকক শান্ত, নিৰীহ, পৃথিৱীৰ কোনো পাক-চক্ৰৰ আওভাও নোপোৱা ভংগীৰে প্ৰণাম জনোৱা,—এইবোৰ অতি পুৰণি কথা। আমাৰ দিনত আনকি এইবোৰ কথা লৈ গল্পও লিখা হৈছিল; এটা-দুটা নহয়, অজস্ৰ গল্প। পাছলৈ এনেকুৱা হৈছিলগৈ যে গল্পটো পঢ়িবলৈ আৰম্ভ কৰি কোনটো পেৰাগ্ৰাফত এনেকুৱা ডেকা ল'ৰা এটাৰ আবিৰ্ভাৱ হয় তালৈ বাট চাই থকা কৰিছিলোঁ; আৰু ডেকাৰ আবিৰ্ভাৱৰ অলপ পাছতে গল্পটো শেষত কি হ'বগৈ অনুমান কৰি পেলাইছিলোঁ। আৰু গল্পটো শেষলৈকে পঢ়িছিলোঁ। কেৱল

মোৰ অনুমানৰ লগত মিলে নে নিমিলে তাকে চাবলৈ। বান্ধৱীৰ ককায়েক, বন্ধুৰ ভনীয়েক, পঢ়িবলৈ অহা ছাত্ৰী, পঢ়াবলৈ অহা ছুখীয়া ফটা পঞ্জাবী পিন্ধা অথচ মহাগুণী ডেকা টিউটৰ,—এইবোৰ মোৰ কাৰণে টেঁকীয়াৰ নিচিনা বস্তু ;—কোনেও হেঁপাহ কৰি খেতি নকৰে, কিন্তু সদায় গজে, পালেং-বাবৰি-চুকা-ধনিয়াৰ মাজেদিয়েই কেতিয়াবা পাকঘৰ সোমায়হি ; খাই বেয়া নালাগে, লাগিলেও বেয়া পাওঁ বুলি কোৱাৰ সাহ নাই, ক'লেই সকলোৱে খেংখেঙাই আহে।

অথচ মই কথাবোৰ বুজোঁ বুলি ইহঁতে আনকি সন্দেহো নকৰে। "দেউতা, গৰম কোট এইটো, মইযে কৈছিলোঁ অৰ্ডাৰ দিছিলোঁ বুলি"—ঠিক তেনেকুৱা এটা সুৰত গীতাই "এয়া সুবোধ দাদা" বুলি নিসংশয়ে, নিৰ্ভয়ে কৈ থৈ দিলে। গৰম কোট বা সুবোধ সম্পৰ্কে যেন মোৰ ক'বলগীয়া একো নাই! অৱশ্যে এইটো ঠিক যে গীতাই যদি পিছফালটো জেব্ৰাৰ ছালৰ নিচিনা আঁচ-আঁচ থকা আৰু আগফালটো নাহৰফুটুকী বাঘৰ ছালৰ নিচিনা ফুট-ফুট থকা, বুটামবিলাকত পৰী একোজনীৰ ছবি থকা কোট এটাও আনিলে-হেঁতেন, তথাপি মই কেৱল ক'লোঁহেঁতেন, "ভালেই হৈছে দে। কাপোৰৰ ডিজাইনটোনো কি কথা, তাপটোহে আচল কথা! উম আছে নে নাই কাপোৰটোৰ? আছে? তেনেহ'লে ঠিক আছে। পিছে এটা কথা, থওঁতে ভালকৈ থ'বি, আৰু মাজে সময়ে ৰ'দত দি ভালকৈ ব্ৰাছ কৰিবি। কেনেবাকৈ পোকে কুটিব লাগিলে সৰ্বনাশ হ'ব। হেৰি কৰিবি ; জেপত,—ভিতৰফালে জেপ আছে নে নাই চাওঁ,—অ' আছে ;—ওঁ, সেই ভিতৰৰ জেপত নেপথেলিণ কেইটামান ভৰাই থ'বি।" ইয়াতকৈ বেছি মই একো নক'লোঁহেঁতেন।

ইহঁতক মই বেছি কথা নকওঁ। "এ—দেউতা বুঢ়া মানুহ, দেউতাৰ টেষ্টৰ লগত আমাৰ টেষ্ট"—ইত্যাদি বুলি সিটো কোঠালিত সিহঁতে ভোৰভোৰাব ; কথাবোৰ মই নুশুনিলেও মোৰ আত্মাটোৱে শুনিব ; মই লঘু হ'ম, সৰু হ'ম ; তেনেকুৱা অৱস্থা এটাত পেলোৱাৰ সুবিধা মই সিহঁতক নিদিওঁ।

সুবোধৰ বিষয়েও মই একো কোৱা নাই। গীতাই চিনাকি কৰি দিওঁতে সি আমাৰ দিনৰ গল্পৰ নায়কৰ নিচিনাকৈ শান্ত, নিৰীহ, পৃথিৱীৰ কোনো পাকচক্ৰৰ আও-ভাও নোপোৱা ভংগীৰে প্ৰণাম জনালে। মোৰ দুইখন হাত ওপৰত লগ লগাই নমস্কাৰটো সম্পূৰ্ণ কৰাৰ প্ৰয়োজন নাছিল; মই বয়সস্থ মানুহ, গুৰুস্থানীয় মানুহ; অসময়তে বেয়া স্বাস্থ্যৰ কাৰণে অৱসৰ লোৱা কলেজৰ প্ৰিন্সিপাল মানুহ; —মই সোঁহাতখন কপালৰ ওচৰলৈ তুলিলোঁ, আৰু নমাই আনোতে চচমাযোৰ চকুৰপৰা খুলি লৈ আহিলোঁ! অভ্যাসবশতঃ বুকুৰ ওপৰত চোলাৰ কাপোৰত চচমাযোৰ ঘহিলোঁ, তাৰ পাছত আকৌ চচমাযোৰ পিন্ধি দেখোঁ গীতাই মোৰ কালে উৎসুক দৃষ্টিৰে চাই আছে। তাইৰ চাগে এক মুহূৰ্তৰ কাৰণে হ'লেও, অমূলক হ'লেও অকণমান আশংকা হৈছে—দেউতাইবা প্ৰথম পৰিচয়ৰ মুহূৰ্তত সুবোধ দাদাক কি হিচাপে গ্ৰহণ কৰে! মই লগে লগে সুবোধলৈ চালোঁ। চচমাযোৰ মচাৰ এইকণ সময়ৰ মৌনতাৰ কাৰণে অভ্যৰ্থনাটো শীতল হৈ গ'ল নেকি? নহয় নহয়; মই তেনেকুৱা এটা ধাৰণাৰ সৃষ্টি হ'বলৈ দিব নোৱাৰোঁ। মই সুৰুচি-পূৰ্ণ সামাজিক আচাৰ-ব্যৱহাৰত অভ্যস্ত ভদ্ৰ মানুহ। সুবোধৰ মুখলৈ চাই মই বহুত দিনৰ আগৰ চিন পাহৰি যোৱা বন্ধুক দেখা পোৱাৰ সুৰেৰে চিঞৰ মাৰি দিলোঁ,—"অ'—! বহা, বহা, বহা। তোমাৰ নামটো মই এইৰ মুখত শুনিয়েই আছোঁ। তুমি দেখোন কেতিয়াবাই অহাৰ কথা আছিল।" কথাষাৰ কৈ মই হাঁহিলোঁ। সুবোধ বা গীতাৰ সলনি মই হোৱা হ'লে মোৰ হাঁহিটোক খোলা হাঁহি বুলিয়েই বৰ্ণনা কৰিলোঁহেঁতেন।

দেহ-মন দুয়োটাকে সংকুচিত কৰি সুবোধ বহিল। মোৰ কথাৰ উত্তৰত সি লাজুকীয়া, সেমেকা হাঁহি এটা মাৰিলে। তাৰ পাছত অলপ সময় কাৰো মুখত মাত নাই। হঠাতে মোৰ মনত খেলালে —এইটো বেয়া কথা। মই গৃহস্থ, মই কথা-বতৰা আৰম্ভ কৰি নতুন অতিথিৰ জড়তা নাইকিয়া কৰিব লাগে।

"হেৰি নহয়"—মই কথা আৰম্ভ কৰিলোঁ, "তুমি ভিক্টোৰিয়া কলেজত—তই ভিক্টোৰিয়া কলেজত বুলি কোৱা নাছিলি জানো গীতা? —ওঁ। কেনে? কলেজৰ খবৰ-বাতৰি কেনে আজিকালি? —হ'বইতো, ভাল নহ'ব কিয়! আচল কথা হৈছে বেছিক ফাউণ্ডেশ্যনটো। ফাউণ্ডেশ্যনটো ভাল হ'লে পাছলৈ ভালে ভালে চলি থাকে। মাজে মাজে দুই-এটা সৰুসুৰা উত্থান-পতনৰ নিচিনা ঘটনা ঘটিবই, কিন্তু মেজৰ ক্ৰাইছিছ তেনেকৈ একো নহয়। —হেৰি নহয়, সেই লাইব্ৰেৰিৰ ওচৰৰ এপ্ৰিল ফুলজোপা—তইঁতে আন কিবা এটা নামহে কৰ হবলা—কি কৰ গীতা? — ওঁ কৃষ্ণচূড়া —কৃষ্ণচূড়াজোপা আছেনে নাই? কাটিলে? ছি ছি ছি, বৰ বেয়া কথা হ'ল। তোমালোকে দেখিছিলানে নাই? —এ তেনেহ'লে তোমালোকে কি বুজিবা! কি প্ৰকাণ্ড গছ! তোমাৰ- গুৰিটো— সৌ পিতলৰ ফুলদানিটোৰপৰা— নহয় আৰু ডাঙৰ—সৌ ফুলথোপা যে পৰি আছে—অ' গীতা সৌ ফুলথোপা লৈ যাবিচোন, শুকাই গৈছিল, মই অথনি পেলাই দিম বুলি উলিয়ালোঁ, উলিয়াই অইন কিবা এটা কামত লাগি পাহৰিলোঁ তাতে থাকিল। সেই থোপা পেলাই নতুন ফুল অলপমান ফুলদানিটোত থ'বিহিচোন। নহ'লে এটা কাম কৰ দে, সদায় সদায় ফুল সজাই থোৱাটোও এটা আননেছেৰেৰি বদাৰেশ্যন –ফুলদানিটোকে লৈ যা, ভিতৰৰ আল-মাৰিত সুমুৱাই থগৈ। অঁ। তোমাৰ সেই ফুলথোপাৰপৰা এই-খিনিলৈকে –ইমান শকত গছজোপাৰ গুৰিটো। আৰু গছজোপাৰ মাটিৰ ওপৰত ওলাই থকা শিপাবোৰেই আছিল আমাৰ কেইটামানৰ কমন-ৰুম বুইছা? এবাৰ হ'ল কি –প্ৰিয়তোষবাবু—তোমালোকে চাগৈ নামেই শুনা নাই, –প্ৰিয়তোষবাবুৰ হিষ্টৰিৰ ক্লাছ আছিল। ক্লাছত তেওঁ বৰ ডবিয়ায় বুইছা? --আমি কেইটাই কি মন গ'ল জানো—ঠিক কৰিলোঁ—নকৰোঁ ক্লাছ। আহিলোঁ, আহি বহিলোঁ গছৰ শিপাৰ ওপৰত ।• কেইমিনিটমান গৈছে মাত্ৰ, এনেতে দেখোঁ

স্রিফালৰপৰা তোমাৰ প্ৰিন্সিপাল ডবচন চাহাব পিছফালে হাত ভুখন দি গহীন-গম্ভীৰ খোজেৰে ইফালে-সিফালে চাই আহি আছে। দেখিয়েই আমাৰ বহি থকা শিপাকেইডাল অজগৰ সাপ যেন লাগিল। সাউৎকৈ আটাইকেইটা উঠি গছজোপাৰ সিলুটিলৈ গ'লোঁ। প্ৰকাণ্ড গছ--আমাৰ কেইটাক কিয়- আৰু দহোটামানক সি নিৰ্বিঘ্নে লুকুৱাই ৰাখিব পাৰে। আমি ভাবিলোঁ। গছজোপাই আমাক ভাল লুকুৱালে। পিছে তাৰ পিছৰ ইকনমিক্সৰ ক্লাছটোত বহিছোঁ, প্ৰফেছাৰে ৰোল কল কৰি উঠিছে, এনেতে পিয়ন এটাই প্ৰফেছাৰক কাগজ এটুকুৰা দি গ'লহি। কাগজ টুকুৰাত আমাৰ আটাইকেউটাৰে নাম প্ৰিন্সিপালে আমাক মাতিছে। বুজিলা কথাটো? ময়োতো প্ৰিন্সিপাল আছিলোঁ। ল'ৰাইঁতক চিনি পোৱা দূৰৰে কথা, কলেজ-খনত ল'ৰাৰ সংখ্যা কিমান বুলি ফৎকৰে সুধিলে ক'ব পাৰিম নে হেডক্লাৰ্কক মতাই পঠিয়াম ঠিক নাই।”

তাৰ পাছত মই সুবোধক প্ৰিয়তোষ বাবুৰ বৰ্ণনা এটা দিলোঁ। কি গোঁফ, কি মাত, কি চকুৰ পাক আৰু কি জ্ঞান! প্ৰসংগক্ৰমে ভাইছ-প্ৰিন্সিপাল লেভিনে ফুচুলাই ল'ৰাক গিৰ্জালৈ নিয়াৰ কথা ওলাল, স্বদেশী আন্দোলনৰ সময়ত নিবাৰণ বাবুৱে চাহাব প্ৰিন্সিপালৰ তলত চাকৰি নকৰোঁ বুলি চাকৰি ইস্তফা দিয়াৰ কথা ওলাল আৰু এইবোৰ কথাৰ আঁৰে আঁৰে কলেজৰ সেই দিনবোৰত মোৰ ব্যক্তিগত জীৱনটোৰ কথাবোৰে ভুমুকি মাৰিবলৈ ধৰিলে। মোৰ ভুখন চুৰিয়া আছিল এখন বুধবাৰে গধুলি ধুইছিলোঁ, ইখন দেওবাৰে ধুইছিলোঁ। মোৰ গাৰঁৰ ঘৰৰ চোতালত সৰু সৰু গোলগোলকৈ পোকে খোৱা ভৰিৰ তলুৱাখন কলেজ খোলা থকা দিনকেইটাত ভাল হৈছিল, বন্ধত ঘৰলৈ আহোঁতে কেইদিনমানৰ ভিতৰতে আকৌ পোকে খাইছিল। কথাবোৰ মোৰ ক'বলৈ বৰ মন গ'ল।

“বুজিছা”--আৰম্ভ কৰিব খুজি গীতাৰ চকুৱে চকুৱে পৰি মই

ৰৈ গ'লোঁ। শুকান ফুলৰ থোপাটো লৈ গীতা ওলাই গৈছিল, মই নিবাৰণ বাবুৰ কথা কৈ থাকোঁতে তাই এবাৰ আহি কোঠালিটোত ইফাল সিফাল কৰিছিল, তাৰ পাছত এয়া আকৌ দ্বিতীয়বাৰ তাই দুৱাৰডলিটোত থিয় হৈছেহি।

সুবোধক ক'ব খোজা বাক্যটো আৰম্ভ নকৰি মই গীতাৰ চকুৰ ভাষা পঢ়িবলৈ চেষ্টা কৰিলোঁ। কি ? মই বিৰক্তিকৰভাৱে বেছি কথা কৈছোঁনেকি ? গীতাই সেইয়া মই দেখাকৈ তাইৰ হাতঘড়ীটোত সময় চাইছেনেকি ? হঠাতে ঘড়ী চাই দি বিৰক্তিকৰ মেল শেষ কৰিবলৈ চেষ্টা কৰা নাইবা মানুহ খেদাৰ বুদ্ধি এটা আছে বুলি মই জানো ; মোক বুৰ্বক বুলি ধৰি লৈ গীতাই সেইটো বুদ্ধি মোৰ ওপৰত প্ৰয়োগ কৰিছেনেকি ? নহয় নহয়, মই সেইটো হ'বলৈ দিব নোৱাৰোঁ। ক'তা, মইতো তেনেকৈ একো দীঘলীয়া বক্তৃতা মৰা নাই! কিন্তু গীতা দুবাৰ আহিল—ইফাল-সিফাল কৰিলে—সেয়া ঘড়ী চালে ; তেন্তে পাছত সুবোধৰ আগত তাই ক'বনেকি— "দেউতাটো আজিকালি বৰ ব'ৰ হ'ল" বুলি ? ছি ছি ছি, সেইটো কেতিয়াও হ'বলৈ দিব নোৱাৰোঁ।

মই লৰালৰিকৈ ক'লোঁ, "হেৰি নহয় গীতা, এওঁৰ কাৰণে চাহ-তাহ কৰিছনে নাই ?"

"চব ঠিক হৈ আছে, মই চাহ বাকিবলৈ ৰৈহে আছোঁ।"—গীতাই ক'লে।

"এ হয়নেকি ?" মই চিঞৰি উঠিলোঁ, "তইনো নকৰ কিয় ? মই ভাবিলোঁ,—তই ভিতৰত চাহৰ আয়োজনত ধৰিবিগৈ ; ইয়াত এওঁ অকলে অকলে মনে মনে বহি ব'ৰিং ফিল কৰিব ; সেইবুলিহে। যোৱা বোপা, তোমালোকে সৌটো কোঠালিলৈকে যোৱা, তাতে বহি চাহো খাবা, কথাও পাতিবা। নাই নাই, মোৰ হ'ব বাৰু ; মই দিনটো চাহ খায়েই থাকোঁ।" মই বৰ সন্ত্ৰস্ত হৈ উঠিছিলোঁ ; দ্বিতীয়বাৰ যাতে সুবোধৰ লগত কথাত মগ্ন হৈ যোৱাৰ সুবিধা নহয়,

সেই উদেশ্য মই তাক একেবাৰে বিদায় দি দিলোঁ,—"হেৰি নহয়, সময় সুবিধা পালে আহি থাকিবা।"

"নিজৰ ঘৰ বুলিয়েই ভাবিবা" জাতীয় কিবা এষাৰ ক'ব লাগিছিল হবলা, কিন্তু প্ৰথম দিনাই তেনেকুৱা কথা মানুহে কয়নে নকয় ঠিক কৰিব নোৱাৰি নকলোঁ।

গীতাৰ পিছে পিছে সুবোধ ওলাই গ'ল। মই ঘড়ীটোলৈ চালোঁ। এতিয়াৰ সময়টো পালোঁ; কিন্তু সুবোধৰ লগত কথা আৰম্ভ বা কৰিছিলোঁ কেই বজাত! ছি ছি ছি! ব'ৰ হোৱাটোক মই মনে-প্ৰাণে ঘিণ কৰোঁ। ডেকা বয়স,—নহয়, তাতোকৈ আগৰেপৰা, এইখন চহৰত থিতাপি লোৱাৰ দিনৰেপৰা চহৰখনৰ লেমলেমীয়াকৈ বিৰক্তিকৰ কথা পাতি ধৈৰ্যচ্যুতি ঘটাবৰ উপক্ৰম কৰা প্ৰত্যেকটো বুঢ়াৰ জীৱন-চৰিত্ৰ, কথা কোৱাৰ সুৰ, খোজকাটল, মুদ্ৰাদোষ আদি আমাৰ কেইটামানৰ বসাল আলোচনাৰ বিষয়-বস্তু আছিল। আমি চালাক আছিলোঁ। সদানন্দই প্ৰতাপ মৌজাদাৰৰ মাতটো হুবহু নকল কৰিব পাৰিছিল, "যোৱা বাৰু, তোমালোক কামৰ মানুহ, ধৰি নাৰাখোঁ" বুলি কোৱাৰ পাছতো যে গিৰীণ গোসাঁয়ে ছুই-তিনিঘণ্টা কথা শেষ নকৰে, সেই কৌশলটো কমলাপতিয়ে আমাৰ ওপৰত ধেমালিতে প্ৰয়োগ কৰিছিল। মোৰতো প্ৰায় প্ৰত্যেক দিনাই বিপদেই হৈছিল। মই থকা ঘৰটোৰপৰা কেইঘৰমানৰ ইফালে ঘন বুঢ়াৰ ঘৰ। তেওঁৰ ঘৰৰ আগফালৰ বাৰাণ্ডাত হেলনীয়া চকীখন আৰু ঘন বুঢ়া, এই ছুয়োকো আমি একেটা বস্তুৰে ছুটা অংশ বুলি ধৰিছিলোঁ। কেতিয়াবা জৰুৰী কামত এফালে লৰালৰিকৈ যাবলগীয়া থাকিলে দূৰৰপৰা মই ভয়ে ভয়ে চকীখনলৈ চাওঁ; ভাগ্যক্ৰমে কেতিয়াবা চকীখনত বুঢ়া নাথাকিলে মূৰৰ তেল লাগি লাগি হোৱা চকীখনৰ কাপোৰৰ ক'লা গোলটোকে দেখি সন্ত্ৰস্ত হওঁ, থমক খাই বৈ ভালকৈ এবাৰ মনিবলৈ চেষ্টা কৰোঁ;—অ' বুঢ়া নহয়, গোলটোহে। তাৰ পাছত লৰালৰিকৈ

তেওঁৰ ঘৰৰ চৌহদটো পাৰ হওঁ। তেওঁৰ চৌহদটোৰ আগফালে দহজোপা পাতফুলৰ শাৰী এটা আছে। গছবোৰ জোপোহা, বাটেদি যোৱা মানুহ ঘন বুঢ়াৰ চকুৰপৰা একোবাৰ আঁৰ হয়, একোবাৰ তেওঁৰ আগত ওলাই পৰে। প্ৰথম দুজোপা গছৰ ফাঁকটোত মানুহটো পৰিলেই ঘন বুঢ়া চকীখনত পোন হয়, বেলিৰ পোহৰৰ উগ্ৰতা অনুসৰি কেতিয়াবা দ্বিতীয়, কেতিয়াবা তৃতীয় কেতিয়াবা চতুৰ্থ ফাঁকটোত তেওঁ মানুহজন চিনাক্ত কৰে আৰু তাৰ পাছত কৰে আহ্বান। মই প্ৰায়েই বাটৰ সিটো দাঁতিয়েদি সিফালৰ মানুহকেইঘৰৰ বেৰত যেন ছবিৰ প্ৰদৰ্শনী হৈছে তেনে এটা ভাবেৰে লৰালৰিকৈ খোজ পেলাওঁ আৰু মনে মনে অস্থিৰ হৈ হিচাপ কৰোঁ। —এটা ফাঁক গ'ল—বাচিলোঁ, দুটা ফাঁক গল—বাচিলোঁ, তিনিটা—

"হেৰা সেয়া নীৰেণ নেকি হে ?"

"হয় বৰদেউতা।"

"চাওঁ আহাচোন—"

"বৰদেউতা মই বজাৰলৈ আহিছিলোঁ, আলহী এজন আহিছে—"

"এহ যাবা দিয়াচোন বজাৰলৈ! বজাৰখন কিবা উঠি যাবনে ? আহাচোন আহা। তোমাৰনো আকৌ ক'ৰ আলহী ওলালহি ?"

আলহী বুলি মই যিজন মানুহৰেই নাম কম, সেইজন মানুহকেই নাইবা তেওঁৰ বংশৰ কোনোবা নহয় কোনোবা এজনক ঘন বুঢ়াই চিনি পায়। সেইজন মানুহক কেন্দ্ৰ কৰি তেওঁ মানৱ জাতিৰ বুৰঞ্জী, আমাৰ দেশৰ ভূগোল, এইটো চুবুৰিৰ ক্ৰমবিকাশ, মাধৱ মাষ্টৰৰ ঘৰৰ উত্থান, হৰিহৰ বিষয়াৰ পতন - এই সকলো বিষয়ৰে আলোচনা শেষ কৰি যেতিয়া মোক পদূলিমুখত আগবঢ়াই গেটখন ভালকৈ বন্ধ হৈছেনে পৰীক্ষা কৰে, তেতিয়া আৰু মোৰ বজাৰলৈ যোৱাৰ আগ্ৰহ নাথাকে; আৰু যেতিয়া গেটৰ ওচৰত থিয় হৈ দ্বিতায় পৰ্যায়ৰ আলোচনা শেষ কৰি তেওঁ মোক বিদায় দিয়ে, তেতিয়া

বোধকৰোঁ বজাৰ সঁচাকৈয়ে উঠি যায়। তীব্ৰ বিৰক্তিত মোৰ তেতিয়া ঘৰলৈ উভতি আহি শুই থাকিবৰ মন যায়।

আৰু মই, সেই মানুহটোৱে এতিয়া লোকক কথাৰে আমনি কৰিম? নহয় নহয়, নকৰোঁ। মই বুঢ়া হৈছোঁ, কিন্তু মোৰ প্ৰখৰ বুদ্ধি এতিয়াও আছে। অকল মানুহক কথাৰে আমনি কৰাৰ বিষয়ত নহয়, বৃদ্ধ বয়সৰ প্ৰত্যেকটো দিনৰ প্ৰত্যেকটো বিষয়তে তীক্ষ্ণ বুদ্ধি, উদাৰ বিবেচনা শক্তিৰ পৰিচয় দিয়াৰ ইচ্ছা আৰু সুচিন্তিত কাৰ্য্যসূচী মোৰ ডেকাকালৰপৰাই আছিল। আনকি মই মোৰ পত্নীক কৈছিলোঁ, "আমি এটা কাম কৰিম বুইছা। আমি বুঢ়া হ'লে এই বুঢ়া-বুঢ়ীবিলাকৰ নিচিনা টিপিকেল বুঢ়া-বুঢ়ী নহওঁ। এইযে দেখিছা এই বুঢ়া-বুঢ়ীবিলাকৰ সদায় পুতেক-জীয়েকহঁতক লৈ অশান্তি, আমি তেনেকুৱা অশান্তি হ'বলৈ নিদিওঁ। অতুল-গীতাহঁতে - আমাক অশান্তি দিয়াৰতো কোনো সুবিধাই নাপাব, বৰঞ্চ আমি সদায় লক্ষ্য কৰি থাকিব লাগিব সিহঁতে আমাৰ পৰা কিবা অশান্তি পাইছেনেকি? কেতিয়াবা যদি গম পাওঁ আমাক সিহঁতে সামান্যভাৱেও বোজা বুলি ভাবিছে, তেনেহ'লে হাতত পা-পইচা থাকিলে দুইটা ক'ৰবালৈ গুচি যাম, যদি নাথাকে তেনেহ'লে কিবা এটা কৰি দুইটাই মৰি থাকিম।"

মোৰ পত্নী আকৌ ঠিক মোৰ বিপৰীত, একেবাৰে বেঙী। মই কলেজত শিক্ষক আছিলোঁ কাৰণে, আৰু লগৰ কোনোবা দুষ্ট ছোৱালীয়ে শিকাই পঠিয়াইছিল কাৰণে হ'বলা, তেওঁ বিয়াৰ পাছত মোক ছাৰ বুলি সম্বোধন কৰিছিল। হাহোঁতে হাহোঁতে মোৰ পেটৰ নাড়ী ছিগিবৰ উপক্ৰম হৈছিল। কথাটো মনত পৰিলে এতিয়াও হাঁহি উঠে।

মই তেনেকৈ মৰি থাকিম বুলি কওঁতে তেওঁ মুখৰ ভিতৰতে 'ছিঃ নাপায়' জাতীয় কিবা এষাৰ কৈছিল।

মই যিকণ শুনিলোঁ। তাৰে সূত্ৰ ধৰি কৈছিলোঁ, "নাপায় কিহৰ? কিহৰ নাপায়? তুমি ভাবিছানেকি আমি দুটাই সিহঁতৰ চকিদাৰী কৰি থাকিম আৰু এদিন ডাঙৰ হৈ সিহঁতে 'আমি অকলে পাৰিম, আমাক চকিদাৰ নালাগে' বুলি আমাক বিসৰ্জন দিব আৰু আমি মায়া এৰিব নোৱৰা বিশ্বস্ত চকিদাৰৰ নিচিনাকৈ বাৰাণ্ডাত বহি বহি জীৱন কটাম? নহয়। সেইটো হ'ব নোৱাৰে। বৰঞ্চ আমি ঘৰৰ গৃহস্থ হৈ বহি থাকিম আৰু প্ৰয়োজন হ'লে সিহঁতে আহি আমাৰ সহায় বিচাৰিব, পৰামৰ্শ বিচাৰিব, সিহঁতে যেতিয়া মুখ খুলি ক'ব -'আমাক চকিদাৰ লাগে' -তেতিয়া আমি চকিদাৰী কৰিম। 'ফুটবল খেলা চাব নালাগে, পাটীগণিত খুলি ল, অংক কৰ'-- 'সিদিনা এযোৰ জোতা কিনিছিলিহে, আকৌ এযোৰ কিনিবৰ হ'লেইনে?' --'চাওঁ গীতা মুৰটোৰ এইখিনিত বৰ পিৰপিৰাই আছে; এইখিনিৰপৰা দুডালমান পকা চুলি ছিঙি দেচোন'-- এইবোৰ কাণ্ড মোৰ দ্বাৰা নহ'ব। সিহঁতক মই এৰি দিম, এৰি দি চাই থাকিম সিহঁতৰ আলেখ-লেখ। আমাৰ গাৱঁৰ পেহীহঁতৰ ভাটৌটোৰ কথা মনত আছে। তাৰ সজাৰ দুৱাৰ সদায় খোলা থাকে, ৰাতিপুৱা সি বাহিৰলৈ ওলায় আৰু গধূলি আপোনাআপুনি সজাত সোমাই থাকে। মনত আছেনে সি কেনেকৈ পেহাৰ কান্ধত উঠি পেহীৰ মুৰটো খুটিয়াই থাকে আৰু লাহে লাহে পেহীৰ চকু মুদ খাই আহে? এইটো কিয় হ'বলে পাইছিল জানা? সঁচ। ভাল সঁচৰ চৰাই সেই কাৰণে।

"ইহঁত যদি আমাৰ সন্তান হয়, সিহঁত ভাল হ'বলে বাধ্য। গীতাই নিজে আহি মোক ক'ব 'ইচ ৰাম দেউতাৰ ইমানবোৰ চুলি পকিল! ৰ'ব, মই এডাল এডালকৈ আটাইসোপা পকাচুলি শেষ কৰিম আজি!' এঘণ্টামানৰ পাছত মই ক'ম--'থ দে, হ'ল আৰু, একেথৰে মূৰটো পেলাই থওঁতে গলধনটো বিষাই গৈছে।' তাই ক'ব, 'ৰ'বচোন, এই হৈ গ'ল'; আজি এই ফালটো শেষ কৰি দিওঁ,

কাইলৈ সিটো ফাল কৰিম।' প্ৰতিবাদ কৰা মিছা বুলি বুজি মই আকৌ চকু মুদি পৰি থাকিম।"

মোৰ মনত আছে পত্নীক এইবোৰ কথা কওঁতে এক পবিত্ৰ, অনিৰ্বচনীয় আনন্দত মোৰ চকুযোৰ সেমেকি উঠিছিল। অলপ পাছত চকুৰ কোণত অকণমান পানী গোট খাইছিল; মই হাতৰ তলুৱাৰে মোহাৰি থৈছিলোঁ।

কিন্তু কথাখিনি কৈ উঠি মই বুজিছিলোঁ যে বক্তৃতাটো মোৰ বেঙী পত্নীৰ কাৰণে বৰ কাৰা হ'ল; সেই কাৰণে, আৰু নিজকে অভিভূত অৱস্থাৰপৰা উদ্ধাৰ কৰিবলৈ মই পাতল কথা উলিয়াই-ছিলোঁ। কৈছিলোঁ, "সৰুতে এনে মস্কিলত পৰিছিলোঁ বুইছা? নামঘৰৰ ওচৰৰ কদম গছৰ তলত ভটাগুটি খেলিবলৈ গোট খোৱা ল'ৰাৰ চিঞৰ-বাখৰবোৰ মনটোত পাখি এযোৰ হৈ লাগেহি, মনটোৱে উৰেঁ। উৰেঁ। কৰে, ইফালে পিতাদেৱে কয়--পকাচুলি কাঢ়, ভৰিৰ পিতটো পিটিকি দে, আঙুলিকেইটা ফুটাই দে। ভাবি চোৱাচোন কম কষ্ট হয়নে? পাছত শুনিছিলোঁ সকলো বাপেকেই হেনো ল'ৰা-ছোৱালীক এইবোৰ কামত লগায়; কোনো কোনোৱে হেনো ল'ৰা-ছোৱালীক দহ-পোন্ধৰডাল চুলিত একোটাকৈ পইচা দিয়াৰো বন্দোৱস্ত কৰে। নহয় নহয়, এইবোৰ বেয়া কথা। মোৰ সৰুকালৰ নিজৰ বিৰক্তিকৰ কথা মনত আছে। ল'ৰা-ছোৱালীক এনেকৈ বিৰক্ত কৰিব নাপায়।".

আচলতে মই কৰাও নাই। পত্নীৰ লগত বহি সেই তাহানিয়েই মোৰ বুঢ়া বয়সৰ বাবে কৰা আঁচনি মই আজিও মানি চলিছোঁ। মোৰ পত্নী ঢুকাল; এতিয়া মোৰ ভৰিৰ গাঠিবোৰ মাজে মাজে বিষায়, কিন্তু মই মোৰ ল'ৰা-ছোৱালীক মোৰ ভৰি পিটিকিবলৈ কোৱা নাই। অতুল ডাঙৰ হ'ল; সি চাকৰি কৰে; তাক ভৰি পিটিকিবলৈ কোৱাৰ প্ৰশ্নই নাই; গীতাক অৱশ্যে ক'ব পাৰি, কিন্তু মই তাইকো নকওঁ। মই মানুহৰ মন বুজোঁ, মই চালাক।

কিন্তু মোৰ অসুবিধাও হৈছে বহুত। পত্নী ঢুকাওতে মই বৰ কষ্ট পালোঁ। এজনী বেঙী মানুহ আঁতৰি যাওঁতে মোৰ পৃথিৱীৰ প্ৰত্যেকটো জীৱ থকা প্ৰাণী আঁতৰি যোৱা যেন লাগিছিল। আৰু কোনো নাই। একেবাৰে নিঃসংগ। কিছুদিনলৈ মোৰ কথা ক'বলৈ মন নগৈছিল; ক'ব খুজিলেও মাতটো ডিঙিৰ ওচৰত বন্দী হৈ বৈ গৈছিল, ওলাই নাহিছিল।

আওপকীয়াকৈ হ'লেও মোৰ কাণত পৰিল, মানুহে হেনো কোৱাকুই কৰে, মই অফিছ আৰু কিতাপৰ মাজত সোমাই থাকি পত্নীৰ চিকিৎসাত অৱহেলা কৰিলোঁ, নহ'লে মানুহজনী সুদুকাল- হেঁতেন। কথাটো কিমানদূৰ সঁচা ভাবি থাকোঁতে মোৰ বহুদিন গ'ল। পাছলৈ মোৰ গাটো ভাল নলগা হ'ল; এদিন কলেজৰ গভৰ্নিং বডিৰ ওচৰত চাকৰিৰপৰা অৱসৰ বিচাৰি দৰ্খাস্ত কৰিলোঁ, জোৰকৈ দৰ্খাস্তখন মঞ্জুৰ কৰালোঁ।

কিতাপ-পাতি পঢ়িবলৈ মই এৰি দিলোঁ। ভাল নালাগে। ফলত মোৰ অসুবিধা হৈছে বহুত। এসময়ত পত্নীক কৈছিলোঁ,— "বুঢ়া বয়সত সময়বোৰ কেনেকৈ কটাম ভাবোঁ ৰবা! ওঁ পাইছোঁ; এটা ভাল কথা ভাবি পাইছোঁ! গীতাকটো বিয়া দি উলিয়াই দিমেই, কিন্তু ইয়াৰৈ, অতুলৈ কম পঢ়া-শুনা কৰা, ধৰি লোৱা এই ইণ্টাৰমিডিয়েটমানলৈ পঢ়া লক্ষ্মী ছোৱালী এজনী আনিম; তাইক মই ঘৰত ডুপৰীয়া ডুপৰীয়া পঢ়াম। চাবা, ন বছৰৰ ভিতৰত তাইক মই ডক্টৰেট কৰি পেলাম।"

পিছে একো নহল। নহ'বও হবলা। 'বিয়া দি উলিয়াই দিয়া'—'লক্ষ্মী ছোৱালী অনা'—এইবোৰ ঘটনা ঘটাৰ আশা নাই। গীতা আৰু অতুলক লক্ষ্য কৰিয়েই মই এই কথা উপলব্ধি কৰিছোঁ। মই বুজোঁ। সকলো বুজোঁ। কিন্তু মই বুজোঁ বুলি ইহঁতে নুবুজে। ইহঁতে মোক বুৰ্বক বুলি ভাবে হবলা। অথচ সিহঁতৰ মূৰ্খামি দেখি

মোৰহে বেয়া লাগে। এয়া গীতাৰ ওচৰলৈ সুবোধ আহে, গীতাৰ লগত আহে তাইৰ বান্ধৱী অণু। অণু হেনো তাইৰ অতি মৰমৰ, পৃথিৱীৰ ভিতৰত শ্ৰেষ্ঠা বান্ধৱী। ইহঁত চাৰিটাই যেতিয়া সিটো কোঠালিত প্ৰতি দিনাই ঘণ্টাৰ পিছত ঘণ্টা কথা পাতি বহি থাকে, তেতিয়া মইনো এইকণ কথাও নুবুজোনে যে অণু আৰু অতুল, আৰু গীতা আৰু সুবোধে দুটা যোৰ পাতিছে? হঠাতে কিছুদিনৰপৰা মোক একাষৰীয়া কৰি অতুল আৰু গীতাই সিহঁত দুটাৰ মাজত যে এক অপূৰ্ব মিলাপ্ৰীতি, ককাই-ভনীৰ এক আদৰ্শনীয় মৰমৰ চানেকি দাঙি ধৰিছে, ইয়াৰ অন্তৰ্নিহিত অৰ্থ কি, মইনো নুবুজাকৈ আছোঁনে? মই ভালকৈ জানো, আজি গীতাই অণুক এষাৰ বেয়া কথা কওক, কাইলৈ অতুলে গীতাক ঠাচকৈ চৰ এটা মাৰি দিব। আজি অতুলে সুবোধক অকণমান বেয়া ব্যৱহাৰ কৰক, কাইলৈ অণু আৰু গীতাৰ মাজৰ পৃথিৱীৰ শ্ৰেষ্ঠ বন্ধুত্বৰ আচল চেহেৰা ওলাই পৰিব।

মই একো নকওঁ। যুগ যুগ ধৰি হেনো বুৰ্বক মাক-বাপেকবোৰ ল'ৰা-ছোৱালীহঁতৰ প্ৰেমৰ পথত হেঙাৰ হৈ থিয় দি সিহঁতৰ অশান্তি, বিৰহ, বেদনাৰ কাৰণ হৈছে, সিহঁতৰ অভিশাপৰ পাত্ৰ হৈছে। মই নহওঁ। সিহঁতক কিবা এষাৰ ক'ম, —সিহঁতে মোক পুৰণিকলীয়া, ঠেকমনৰ মানুহ বুলি মই নুশুনাকৈ তৰ্জন-গৰ্জন কৰিব, সেইটো হ'বলৈ দিব নোৱাৰোঁ। মই সিহঁতৰ প্ৰেমৰ খেলা যি দেখোঁ, উদাৰ, মুকলি মনেৰে লক্ষ্য কৰিম; যি শুনো তাকো উদাৰ দৃষ্টিভংগীৰে বিচাৰ কৰিম। সিহঁতক জন্ম দিলোঁ কাৰণেই আজীৱন সিহঁতৰ লাগাম ধৰি থকাটো মই ঠেক মনৰ কাম বুলি ভাবোঁ। সেইটো মোৰ দায়িত্ব নহয়।

দায়িত্ব—। দায়িত্বৰ কথাটো মনলৈ আহিলে মোৰ বুকুখনৰ কোনোবা এডোখৰত কিবা এটাই খোচা-বিন্ধা কৰা যেন লাগে; অকণমান যন্ত্ৰণা অনুভৱ কৰোঁ। মোৰ পত্নী জীয়াই থকা হ'লে তেওঁ মোৰ ওচৰতে চকী এখনত বহি—অ'.নহয় তেওঁ আকৌ কিবা পতিভক্তি

থকা ধৰণৰ তিৰোতা আছিল, তেওঁ মোৰ ওচৰত চকীত নবহিল-হেঁতেন, তেওঁ এটা চাপৰ মূঢ়াত বহি থকাৰ কথা আছিল;—মূঢ়াটোত বহি তেওঁ মাজে মাজে ছোৱালীজনী সুপাত্ৰৰ হাতত তুলি দিয়াৰ দায়িত্ব, ল'ৰাটোলৈ লক্ষ্মী ছোৱালী এজনী চপাই অনাৰ দায়িত্বৰ কথা কৈ থাকিলহেঁতেন নেকি? এনেকুৱা ধৰণৰ কিবা এটা মই কৰা উচিত নেকি? কিজানিবা উচিতেই! মই একো ধৰিব পৰা নাই। কথাবোৰ ভাবি মই কেৱল এটা যন্ত্ৰণা অনুভৱ কৰোঁ।

দিন গৈ আছে। ইহঁত দুয়োৰাৰ সিটো কোঠালিৰ গুঞ্জন আৰু নিবিড়, আৰু ঘনিষ্ঠ হৈ আহিছে। মই আৰু নিসংগ, আৰু দুৰ্বল, আৰু অসহায় হৈ আহিছোঁ। প্ৰায়েই মোৰ মন যায়—"শুনচোন অতুল,—চাওঁ আই গীতা, এইফালে আহচোন, কথা পাতোঁ।"—পিছে নামাতোঁ। সিহঁতৰ সময় কম। মই মনে মনে বহি থাকোঁ।

কিন্তু এদিন যেতিয়া গম পালোঁ—মোৰ এই মনে মনে বহি থকাটোও সিহঁতৰ সহ্য নহয়, সেইদিনা মই বৰ বেজাৰ পালোঁ। অতুলে মোক এদিন কলে, "দেউতা, আপুনি আবেলি ফুৰিবলৈ ওলাই যোৱা ভাল। অলপ হাত-ভৰি চলিলে আপোনাৰ স্বাস্থ্য ভাল হ'ব। অনবৰত বহি থাকিলে"—ইত্যাদি।

মই প্ৰথমতে তাৰ পৰামৰ্শ সৰল-সহজভাৱে গ্ৰহণ কৰিছিলোঁ, কিন্তু পাছলৈ যেতিয়া আবেলি হ'লেই সি সেইষাৰ কথা কোৱা কৰিলে আৰু এদিন গীতায়ো তাৰ লগতে যোগ দিলে, তেতিয়া হঠাতে মই আচল কথাটো বুজি পালোঁ। ইহঁতে মোক বুৰ্বক বুলি ভাবিছে। আচল কথাটো মই বুজা নাই বুলি ভাবিছে। সিহঁতৰ আবেলিৰ প্ৰেম ইমান নিবিড় হৈ আহিছে যে ইটো কোঠালিত মোৰ নিষ্প্ৰাণ-প্ৰায় উপস্থিতিও সিহঁতৰ কাৰণে অসুবিধা-স্বৰূপ। মই ঘৰত নাথাকিব লাগে।

ঠিক আছে। যাম ওলাই। উঠিলোঁ। উঠোঁতে মোৰ গোটেই গাটো, গোটেই মনটো জিকাৰ খাই উঠিল। মই গম পালোঁ মোৰ চকুযোৰ সেমেকিছে। চশমা খুলি চুৰিয়াৰ আগেৰে চকুৰ কোণ দুটা মচি ল'লোঁ। কলেজৰ বিদায় সভাত উপহাৰ দিয়া, আৰু কেতিয়াও ব্যৱহাৰ নকৰিম বুলি থৈ দিয়া লাঠিডাল হাতত ল'লোঁ। কেনেকৈ লাঠিডালত ধৰিলে সুবিধা হয় কেইবাবাৰো বেলেগ বেলেগ ভংগীত পৰীক্ষা কৰি চালোঁ; তাৰ পাছত এটা সুবিধাজনক ভংগীত লাঠিডালত খামোচ মাৰি ধৰিলোঁ। বাটলৈ ওলাবৰ সময়ত মোৰ গোটেই গাটো আকৌ এবাৰ কঁপিল।

বহুদূৰ আগবাঢ়ি গ'লোঁ। কিন্তু—কিন্তু মোৰ ভৰিৰ গাঠিবোৰ বিষায় আৰু খোজ কাঢ়িবলৈ মোৰ কষ্ট হয়। কি কৰা যায়? ক'ৰবাততো অলপ ৰ'ব লাগিব। ক'তো অকণমান বহাৰ সুবিধা নাই। বাটৰ কাষত মানুহবোৰৰ ঘৰবোৰ আছে। সকলো মানুহকে মই চিনি পাওঁ, মোকো সকলোৱে চিনি পায়; মই যিকোনো এঘৰলৈ সোমাই যাব পাৰোঁ। কিন্তু মই যে আগতে সদায় ভাবিছিলোঁ—বুঢ়া হ'লে বিনা কামত মানুহৰ ঘৰলৈ নাযাম, গধূলি গধূলি মানুহৰ ঘৰে ঘৰে ফুৰা বৰ বেয়া অভ্যাস! সেইবোৰ কথা মোৰ মনত আছে; মোৰ সেই চোকা বুদ্ধিও আছে, কিন্তু সঁচাকৈয়ে মোৰ ভৰিৰ গাঠিবোৰ বিষাইছে। এঘৰত মই সোমাব লাগিব। কাৰ ঘৰত সোমাওঁ। অচ্যুত, প্ৰদীপ, ৰমা, নহয় ৰামপ্ৰসাদৰ ঘৰেই ভাল হ'ব। সাধাৰণ মানুহ; কেতিয়াও নহা আৰু কাৰো ঘৰলৈ নোযোৱা মানুহ দেখিলে তেওঁলোকে বৰ আদৰ কৰিব। মোৰ অনুমান সঁচা হ'ল। ৰামপ্ৰসাদ নিজে, তেওঁৰ পত্নী, জীয়েক, পুতেক সকলো মোক লৈ ব্যস্ত হৈ উঠিল। চাহ? নালাগে। চৰবৎ? নালাগে এই গধূলি সময়ত। এগিলাচ শুদা পানী হ'লেই হ'ব।

পানী এগিলাচ খাই মোৰ শান্তি লাগিল। মোৰ দুই এষাৰ কথা পাতিবৰ মন গ'ল। মানুহবিলাকে সুবিধা পালেই মোৰ পত্নীৰ

গুণ গাবলৈ আৰম্ভ কৰে; সেই ভয়ত মই নিজে অইন প্ৰসংগ উলিয়ালোঁ। চহৰৰ ৰাটাৰ ছাপ্লাইৰ কথা, এইখিনিৰে নাদত এবাৰ ধোঁৱা এটা পৰাৰ কথা, ধোঁৱাৰ নেজৰ চুলি কি কি কামত লাগে তাৰ কথা—বহুত কথা। বহুত কথা পাতিলোঁ। বহুত পৰৰ মূৰত মই যেতিয়া ৰামপ্ৰসাদৰ ঘৰৰপৰা ওলাই আহিলোঁ, তেতিয়া কিয় ক'ব নোৱাৰোঁ, মোৰ মনটো বৰ মুকলি লাগিল, বুকুখন পাতল পাতল লাগিল।

পিছদিনাও ফুৰি ফুৰি ৰামপ্ৰসাদৰ ঘৰত সোমালোঁ, তাৰ পিছদিনাও, তাৰ পিছদিনাও। পিছৰ দিনবিলাকত কেতিয়াবা ৰামপ্ৰসাদ ঘৰত নাথাকে, কেতিয়াবা তেওঁৰ পত্নী পাকঘৰত থাকে, ল'ৰাটো প্ৰায়েই খেলিবলৈ, ফুৰিবলৈ বা বজাৰলৈ যায়। শেষত এদিন গম পালোঁ—ৰামপ্ৰসাদ সন্ধিয়া ঘৰলৈ পলমকৈ আহে; তেওঁৰ ল'ৰা-ছোৱালী দুটাৰ পৰীক্ষা, সিহঁতে আবেলিতে পঢ়িবলৈ বহে; আৰু ৰামপ্ৰসাদৰ পত্নীৰ বহুত ঘৰুৱা কাম।

তেওঁলোকৰ পদূলিৰপৰা উভতি মই ইফালে-সিফালে চালোঁ। কাৰ ঘৰত অকণমান বহোঁ। অচ্যুতে মোক বৰ সন্মান কৰে, তাৰ তালৈকে যাওঁ নহ'লে? এৰা যাওঁৱেই।

প্ৰদীপো ভাল মানুহ, ৰমাও বেয়া মানুহ নহয়। পাছলৈ সিহঁতৰ ঘৰলৈকো গলোঁ। আৰু বহুতৰ ঘৰলৈ, বহুতৰ ঘৰলৈ।

ইতিমধ্যে আৰু এটা ডাঙৰ আনন্দৰ কথা হ'ল। নাযাওঁ নাযাওঁ বুলি ভাবি থকা সত্ত্বেও এদিন এখন সভালৈ গ'লোঁ। সভাত 'সমজুৱাৰ ফালৰপৰা কোনোবাই দুষাৰ ক'বনেকি' বুলি সভাপতিয়ে সোধাত মই থিয় হৈ দিলোঁ। বহুত দিনৰ মূৰত মানুহৰ আগত বক্তৃতা দিবলৈ থিয় দিলোঁ! এটা অদ্ভুত শক্তি মোৰ নিজৰ ভিতৰতে বিচাৰি পালোঁ। মই ক'লোঁ; বহুত কথা ক'লোঁ, আৰু লক্ষ্য কৰিলোঁ পাছলৈ মই কোৱা কথাবোৰ মানুহবোৰে নিজৰ ভিতৰতে আলোচনা কৰিছে, বাৰে বাৰে শ্ৰোতামণ্ডলীৰ পিছফালৰ

পৰা গুণ-গুণনি উঠিছে ; দুই-এজনকৈ কিছুমান মানুহ সভাৰপৰা উঠি গৈছে ;—নিশ্চয় আঁতৰত মোৰ কথাৰ সাৰাংশৰ ওপৰত গুৰুত্বপূৰ্ণ আলোচনা কৰিবলৈকে । সভাৰ শেষত মোৰ বক্তৃতাটো বেছ দীঘল হৈছে বুলি মানুহে প্ৰশংসাও কৰিলে । মই ঠিক কৰিলোঁ। অন্ততঃ সভাবিলাকলৈ মই যামেই । আৰু গৈয়ো আছোঁ । প্ৰায় সকলো সভালৈকে ।

ইতিমধ্যে কিন্তু এটা ডাঙৰ দুৰ্ঘটনাও ঘটিল । সুবোধ আৰু অণুৰ হেনো বিয়া হৈ গ'ল । বিশেষ মই একো নাজানো। গল্প। আমাৰ দিনৰ গল্পৰ নিচিনা হ'ল । মোৰ হাঁহি উঠিল ।

হঠাতে গীতাৰ হ'ম ছায়েন্স পঢ়াৰ প্ৰতি তীব্ৰ আগ্ৰহ হ'ল । মই সকলো বুজোঁ । তাই বিৰহৰ যন্ত্ৰণাত ভুগিছে । তাই পলাব খুজিছে । আমাৰ দিনৰ গল্প ।

গীতা গুঁচি যোৱাৰ দিনা মই এটা অদ্ভুত যন্ত্ৰণাত অতিষ্ঠ হৈ উঠিছিলোঁ । মোৰ চকুৰ পানী বৈ আহিছিল ।

সুবোধ ম্লান আৰু নিষ্প্ৰভ হৈ গ'ল । মোৰ চকুলৈ সি পোন পোনে নাচায় । মই তালৈ মোৰ সমগ্ৰ চেতনা থূপ খুৱাই চাই থাকোঁ । তাক চাই চাই মোৰ হেঁপাহ নপলায় ।

এদিন মোৰ ভনীৰ ছোৱালী এজনীৰ মুখে শুনিলোঁ—আমাৰ ঘৰৰ ক্লাবটোৰ, মানে আমাৰ ঘৰখনৰ কথা সকলোৰে মুখত বেয়াকৈ শুনি তাই বৰ বেয়া পাইছে ।

মানে বদনাম ? নাই ইয়াত আৰু বদনামটোৰ কি আছে ? বুৰ্বক মানুহবোৰৰ কাম নাই । পিছে এটা কথা, এই মানুহবোৰ যে মোৰ ওচৰলৈ নাহে, বাটতো মোক বৰ বেছি উপযাচি নামাতে, ঘৰখনৰ এই মিছা বদনামটোৰ বিণত নেকি ? নহয় নহয়, সেইটো হ'বলৈ দিব নোৱাৰোঁ । মোৰ ঘৰ এখন সম্ভ্ৰান্ত ঘৰ, এজন তীক্ষ্ণ বুদ্ধিসম্পন্ন মানুহৰ ঘৰ, এদল স্বাধীনচিতীয়া মানুহৰ ঘৰ । ঠিক আছে ; মই এটা কাম কৰিম ; মই সকলো মানুহকে লগ ধৰি কথা

পাতি চাম, চাম তেওঁলোকৰ আমাৰ প্ৰতি কি মনোভাব ; আৰু তেওঁলোকৰ মনোভাব বেয়া যেন দেখিলে মই প্ৰকাৰান্তৰে বুজাই দিম—মোৰ জীৱনৰ দৰ্শন কি।

কিন্তু মানুহবোৰ দেখোন ঘৰত নাথাকেই। প্ৰায়বোৰ মানুহৰ ঘৰতে ৰাতিপুৱা চেষ্টা কৰি চাইছোঁ, দুপৰীয়া চেষ্টা কৰি চাইছোঁ, গধূলি চেষ্টা কৰি চাইছোঁ ; নাই, যাকেই বিচাৰোঁ—কাকো ঘৰত লগ নাপাওঁ। সকলো 'কেনিবা ওলাই যায়'। উত্তৰবোৰ ঘৰখনৰ সৰু ল'ৰা-ছোৱালীবোৰে দিয়ে।

ভৰিৰ গাঠিবিলাকৰ বিষটোও মোৰ লাহে লাহে বেছি হৈ আহিছে। সেই কাৰণে পৰাপক্ষত আগফালে হেলনীয়া চকী এখনতে বহি থাকোঁ।

কিন্তু কথাবোৰে মোৰ ডিঙিৰ ওচৰত লকলকাই থাকে। বহুত কথা ; মোৰ বহুত কথা ক'বলৈ আছে। মোক মানুহ লাগে। অনবৰত মোক ওচৰতে মানুহ একোজন লাগে। নহ'লে মই বৰ কষ্ট পাওঁ। মানুহ নাথাকিলেই, ডিঙিত শব্দ হৈ নাথাকিলেই নিঃসংগতাৰ সুবিধা পালেই এটা সম্পূৰ্ণ জীৱনৰ বেদনাই মোক হেঁচি ধৰে, যন্ত্ৰণাত মই হাঁহাকাৰ কৰি উঠোঁ।

মোক মানুহ লাগে। সৌজন—

"হেৰা সেয়া ধীৰেণ নেকি হে ?"

"হয় ছাৰ—"

"চাও আহাঁচোন—"

"ছাৰ মই বজাৰলৈ আহিছিলোঁ, আলহী এজন আহিছে—"

"এহ যাবা দিয়াচোন বজাৰলৈ। বজাৰখন কিবা উঠি যাবনে ? আহাঁচোন আহাঁ। তোমাৰনো আকৌ ক'ৰ আলহী ওলালহি ?"

# অমৃত

আঁঠুৰাৰ ভিতৰত মহ এটা ঘূৰি ফুৰিছে। মহবিলাকে কেনেবাকৈ বুজিয়েই পায়নেকি ঠিক নাই, য'ত পৰিলে সিহঁতক সহজে মাৰি থ'ব পাৰি তেনেকুৱা ঠাইত সিহঁত নপৰে। তুজনীয়া আঁঠুৰাখনৰ আহল-বহল বেৰ চাৰিখন আছে, তাত সিহঁত নপৰে; ওপৰৰ ছালখনত পৰিব, য'ত হাতৰ চাপৰটো তুইফালৰ কাপোৰত চেঁাচোৱাই আনি সমানে বহুৱাব নোৱাৰি। চাপৰটো মৰাৰ পাছত হাত তুখন সূৰ্য্য দেৱতাক প্ৰণাম কৰাৰ নিচিনা হয় আৰু আটাই-কেইটা আঙুলি সমান নোহোৱাৰ সুবিধা লৈ মহ পলাই যায়। তুখন বেৰ আৰু চালখন লগ লগা চুকটোত পৰিব, য'ত চাপৰটো বহুৱাবই নোৱাৰি, মহৰ গাত লগাৰ আগতেই হাত তুখন আঁঠুৰাৰ কাপোৰত লাগে, কাপোৰ লৰে, মহ উৰা মাৰে।

দিবাকৰ চিৎ হৈ পৰি আছিল। মহটো সি কেইবাবাৰো কেইবা ঠাইতো দেখিলে, এবাৰ সহজে মাৰিব পৰাকৈ তাৰ মুখৰ ওপৰতে উৰি ফুৰাও দেখিলে, তথাপি সি মহটো নামাৰিলে। এই কামটো সি সদায় মায়াৰ কাৰণে থৈ দিয়ে। সি নিজৰ গাৰুত, নিজৰ ঠাইত শুই থাকে, মায়াই আহি ভৰি পথানৰ ফালে আঁঠুৰাখনত হাত দিয়াৰ লগে লগে সি ভৰি তুখন কোঁচাই দিয়ে বিচনাত উঠি মায়াই খোজ কাঢ়িবলৈ নিশিকা কেঁচুৱাৰ নিচিনাকৈ আঁঠুকাঢ়ি কাঢ়ি বেৰৰ ফালে খালী হৈ থকা নিজৰ ঠাই পায়গৈ তাৰ পাছত বিছনাখনৰ মাজতে বহি লৈ খোপাটো খোলে; এনে

সময়তে দিবাকৰে কয়, "মহ এটাই কোনকোনাই কৰিছে বুইছা, চোৱাচোন।"

মায়াই সোধে, "ক'ত?"

"আঁঠুৱাৰ ভিতৰতে ক'ৰবাত আছে। এইমাত্র ইয়াতে দেখিছিলোঁ।"

তাৰ পাছত মায়াই মহটো বিচাৰি ফুৰা, বিভিন্ন কৌশলত মহটো মাৰিবলৈ কৰা তাইৰ বিভিন্ন ভংগী, চিৎ হৈ পৰি এইবোৰ চাই থাকিবলৈ দিবাকৰৰ ভাল লাগে। সেই কাৰণে মহ সি নিজে নামাৰে। এবাৰ হয়তো ওখত পৰি থকা মহটো মাৰিবলৈ মায়াই আঁঠুকাঢ়ি হাত মেলি চাপৰটো মাৰিবলৈ অতি সাৱধানে চোপ লৈছে, ঠিক তেনে মুহূর্ততে দিবাকৰে পিছফালৰপৰা তাইক কুটকুটাই দিব আৰু গোটেই মানুহজনী ধপকৈ বিছনাত পৰি যাব। আকৌ মহটোক বিচাৰি উলিয়াই উকুৱাই উকুৱাই আনি হত্যাৰ সুচল ঠাইত পেলাই ল'বলৈ মায়াৰ বহুত সময় লাগে।

আজি দিবাকৰে মহটো মায়াই আহি মাৰিব, এই আশাত এৰি থোৱা নাই। আচলতে সি মহটোৰ ওপৰত গুৰুত্বই দিয়া নাই। সি অন্য কথা ভাবি আছিল। ভাত খাই উঠাৰ পিছলৈকে তাৰ মনটো বৰ ভাল লাগি আছিল; মায়াই পাকঘৰৰ জঞ্জালবোৰ মাৰে মানে এইখিনি সময়ৰ ভিতৰতে সি নিজে বিছনাখন পাৰিছিল, তাৰ পাছত মায়াই যাতে পলম নকৰে, তাকে ক'বলৈ এবাৰ সি পাকঘৰলৈ গৈছিল, আৰু আহোঁতে তাৰ মনটো বেয়া লাগি আহিল। বিচনাত চিৎ হৈ পৰাৰ পাছতো তাৰ মনটো কিহবাই লাহে লাহে খুচি থকা যেন লাগিল।

মায়াই সাধাৰণতে পলম নকৰে। সিহঁত দুইটাই একেলগে ভাত খাবলৈ বহে; খোৱাৰ শেষত দিবাকৰ বহি থাকোঁতেই মায়াই কাঁহী-বাটি চপাই শেষ কৰে; দুটা মানুহৰ খোৱা বাচন ধুবলৈ তাইৰ দহ মিনিট লাগে; অকণমান পাকঘৰটো সাৰি-পুচি চাফা

কৰিবলৈ পাঁচ মিনিট লাগে; তাৰ পাছত দুৱাৰত তলাটো মাৰিলেই তাইৰ কাম শেষ,—তাই এতিয়া বিচনাত উঠিব পাৰে। দিবাকৰৰ এযোৰ পুৰণি চেণ্ডেল আছে, সেইযোৰ আজিকালি সিহঁত দুয়োৰে উমৈহতীয়া ভৰি ধোৱা চেণ্ডেল। দিবাকৰ বিছনাত উঠাৰ পাছত মায়াই চেণ্ডেলযোৰ নি কলৰ পাৰত ভৰি ধোৱে আৰু ভৰিত থাপ নোখোৱা চেণ্ডেলযোৰ চোচোৰাই-চোচোৰাই, তাই ভালকৈ নজনা অথচ প্ৰচলিত আৰু প্ৰসিদ্ধ গান এটাৰ এশাৰী গুণগুণাই শোৱা কোঠালিলৈ সোমাই আহে। কোঠালিৰ দুৱাৰখন বন্ধ কৰাৰ সময়ত তাই এবাৰ পাতল সুৰেৰে "আছে নে গ'ল ?" বুলি সোধে। দিবাকৰে সদায় "আছোঁ" বুলি কয়; মানে সি সাৰে আছে।

আজি মায়াৰ অলপ পলম হ'বলগীয়া আছিল। পাকঘৰৰ জঞ্জাল অলপ বেছি আছিল; সেই কাৰণে দিবাকৰ নিজে এবাৰ পাকঘৰলৈ গৈছিল; আৰু আহোঁতে তাৰ মনটো কোঁচ খাই আহিল। অথচ বাৰ দিনৰ মূৰত আজিয়েই তাৰ মনটো গধূলিৰেপৰা মুকলি-মুকলি লাগি আছিল। বাৰ ৰাতিৰ মূৰত আজি সি সিহঁতৰ নিজৰ বিছনাখন ঘূৰাই পাইছে; ভাত খোৱাৰ আগৰেপৰা বেছ উৎসাহেৰে সি বিচনাখনৰপৰা বাৰ দিনৰ আগতে আঁতৰাই পেলোৱা সিহঁতৰ নিজৰ তুলী, নিজৰ চাদৰ আকৌ পাৰিছে, এই কেইদিন চুচৰি-বাগৰি ফুৰা সিহঁতৰ বৰ আপোন গাৰুকেইটা কোবাই-থুকুচি কোমল কৰিছে, আৰু আজিয়েই ঠিক বিচনাত উঠাৰ আগমুহূৰ্তত সি মনৰ উজুতিটো খালে। দিবাকৰৰ প্ৰয়োজনতকৈ বেছি বেয়া লাগিল।

মায়াৰ বায়েক আৰু ভিনিহিয়েক আহিছিল। ছায়া আৰু অৰুণ। সিহঁত আহি পোৱাৰ দিনা দিনটো চিঞৰ-বাখৰ-হুলস্থুলতে গ'ল। আবেলি অৰুণ তাৰ চিনাকি চহৰখনত এপাক ফুৰিবলৈ ওলাই যোৱাৰ পাছত, ছায়াই তাইৰ দুবছৰীয়া ল'ৰাটোক ধুৱাই-পখলাই ভাল কাপোৰ এযোৰ পিন্ধাই দিয়াত ব্যস্ত হৈ থাকোঁতে শোৱা-কোঠালিত সোমাই মায়া আৰু দিবাকৰে সৰু সৰু মাতেৰে আলোচনা কৰাত

লাগিল—শোৱাৰ ব্যৱস্থা কি হ'ব। দুখন সৰু সৰু খাট আছে, সমান ওখ, লগ লগাই দিলে এখন বহল বিচনা হ'ব। মাজৰ কোঠালিতে বিচনাখন পাৰিব পৰা যাব। কিন্তু তক্তাপোচত শুবলৈ দিয়াৰ কাৰণে সিহঁতে বাৰু বেয়া পাব নেকি? ছায়াই বেয়া পোৱা কথাটো বাদ; তাই ঘৰৰ ছোৱালী, বুজিব। কথাটো হ'ল অৰুণক লৈ। হোষ্টেল-হোটেলৰ বাহিৰে এনেয়ে বোধহয় সি তক্তাপোচত শুই পোৱা নাই। শুইছে যদিও অশান্তিৰে শুইছে। দিবাকৰহঁতৰ সংসাৰলৈ প্ৰথমবাৰৰ কাৰণে আলহী হৈ আহি সি অসন্তোষ পাই গ'লে বৰ বেয়া কথা হ'ব। এটা উপায় অৱশ্যে আছে —দিবাকৰহঁতৰ নিজৰ বিচনাখন। নিজৰ বিচনাখনৰ কথা ভলাওঁতেই মায়া আৰু দিবাকৰে দুয়ো দুয়োৰে চকুলৈ চালে। সামান্য শব্দ এটা নকৰাকৈয়ে দুয়ো দুয়োৰে কথা বুজিলে। হাজাৰ হওক বিচনাখন সিহঁতৰ নিজৰ, মৰমৰ, সিহঁত দুটাৰ বাহিৰেও বিচনাখনৰ নিজৰে যেন এটা মধুৰ গোপনীয়তা আছে; মানুহ দুটাৰ ওপৰত বিচনাখনৰ এটা অধিকাৰ আছে। মায়াই মুখ খুলি একো ক'ব নোৱাৰিলে লাজত, "আমাৰ বিচনাখন কাকো এৰি নিদিওঁ দিয়ক"—কথাষাৰ তাইৰ মুখত শুনিবলৈকে বেয়া লাগিব। দিবাকৰে একো ক'ব নোৱাৰিলে ভয়ত। বিচনাখন এৰি দিয়া সম্পৰ্কে সামান্য দ্বিধা প্ৰকাশ কৰিলেও ছায়াহঁতে হয়তো একো গম নাপাব, কিন্তু মায়াৰ আগত তাৰ মনটো সৰু হৈ যাব। যিমান দিনলৈ তাৰ মনটো থাকে সিমান দিনলৈ। পাছত ছায়াহঁতক মেহগনি কাঠৰ পালেং এখন কৰাই দিলেও সি আৰু সহজ হ'ব নোৱাৰিব। এটা সিদ্ধান্তলৈ নহাকৈ নিঃশব্দে থিয় হৈ থাকিবলৈ দিবাকৰৰ অস্বস্তি লাগিছিল। তাৰ ধাৰণা হল—মায়াই বিচনাখন এৰি দিয়াৰ কথাটো ক'বলৈ টান পাইছে, অন্ততঃ সি বেয়া পায় বুলি। অৱস্থাটো সহজ কৰি দিবলৈ সি পাতল সুৰেৰে ক'লে, "এটা কথা বুইছা। জোৰা দিয়া বিচনা-খনত লৰাটোৰে সৈতে তেখেতসকলে বেয়া পায় নেকি! তেখেতসকল

নহ'লে ইয়াতে শোৱক দিয়া। তেখেতসকলে মুখেৰে একো নক'লেও কথাটো দেখিবলৈ বেয়া নহ'ব জানো?" তাৰ পাছত দিবাকৰে খোলা মনেৰে হাঁহি হাঁহি ক'লে, "আমাৰনো কি; আমি গৃহস্থ-গৃহিণীহাল এইকেইটা দিন থাকিম দিয়া পৰি কোনোমতে! নহয় জানো?"

হয়। গতিকে তেনেকৈয়ে বন্দোৱস্ত হ'ল। ছায়াহঁতে দুটা ডাঙৰ ডাঙৰ হ'ল্ড-অলত সিহঁতৰ শোৱাৰ আয়োজন গোটেইটো দাঙি লৈ আহিছিল, গতিকে মায়াহঁতৰ পাতল তুলীখনৰো প্ৰয়োজন নহ'ল। ল'ৰাটোও আছে, কেনেবাকৈ লেতেৰা হ'ব পাৰে, সেই কাৰণেই বোধহয় ছায়াই সিহঁতৰ কাৰণে নিজৰ তুলী-চাদৰকে পাৰি লোৱাৰ কথা ক'লে। দিবাকৰে নিজে বিচনাৰ বস্তু-বাহানিবোৰ মাজৰ কোঠালিলৈ দাঙি আনি শোৱা কোঠালিটো ছায়াহঁতৰ কাৰণে আজৰি কৰি দিলে। পায়াবোৰৰ তলত সৰু সৰু কাঠৰ টুকুৰা সুমুৱাই সি দুয়োখন খাটৰ ওখটো সমান কৰিলে। তাৰ পাছত বিচনাখন পাৰি নিজে এবাৰ বাগৰি চালে, মাজৰ জোৰাটো পিঠিত লাগেনেকি। নাই, ঠিকেই আছে।

বিচনা ঠিকেই হ'ল, কিন্তু পিছৰ বাৰটা দিন দিবাকৰৰ ঠিকমতে শোৱা নহ'ল। ঘৰখনৰ গোটেই ব্যৱস্থাবোৰ ছেদেলি-ভেদেলি হৈ গ'ল। ছায়াৰ অভ্যাস ৰাতি খোৱা-বোৱাৰ পাছত অন্ততঃ মাজ-নিশালৈকে কথা পতা। দুবছৰৰ আগতে মায়াহঁতৰ মাক ঢুকোৱা আৰু ছায়াৰ ল'ৰাটো জন্ম হোৱা—এই দুইটা ঘটনা ডেৰমাহৰ ভিতৰতে ঘটিছিল। তেতিয়াই যি অহা, তাৰ পাছত ছায়া আৰু ঘৰলৈ অহা নাই। দুবছৰৰ কথা তাইৰ পেটত ঠাহ খাই আছে। পাহাৰৰ মাজত ৰাস্তা বন্ধা কাম চাবলৈ গৈ ৰাতি তম্বুৰ তলত শুই থাকোঁতে অৰুণক বনৰীয়া হাতীয়ে আক্ৰমণ কৰাৰ কথা, ওচৰ-চুবুৰীয়া মানুহবোৰে ছায়াৰ লগত খাতিৰ লগাবলৈ চেষ্টা কৰাৰ কথা, অৰুণৰ ওপৰৱালা ইঞ্জিনীয়াৰ এজনে জোৰকৈ ছায়াৰ ফটো এখন লৈ

যোৱাৰ কথা! মুঠতে অজস্র কথা। যি গতিত ছায়াই কথা আৰম্ভ কৰে, দিবাকৰহঁতৰ সন্দেহ হ'ল—অৰুণৰ পোন্ধৰ দিনৰ ছুটীৰে একো নহ'ব।

প্ৰথম ৰাতি ভাত খাই উঠাৰ পাছত শোৱা কোঠালিৰপৰা ছায়াই চিঞৰি চিঞৰি মাতিলে, "মায়া, আহচোন কথা পাতোঁ।"

মায়াই পিছফালৰপৰা উত্তৰ দিলে, "গৈছো ৰবি, কঁাহী-বাটিখিনি ধুই লওঁ।"

কঁাহী-বাটি? ছায়া বেগাবেগিকৈ পিছফাললৈ ওলাই গ'ল। মায়াই তেতিয়া গাৰ কাপোৰ ভালকৈ চপাই বহি হাতত ফুটছাই লগোৱা সোপাটো লৈ বাটি এটাত হাত দিব খুজিছে। ছায়া তাইৰ নিচেই ওচৰলৈ চাপি গ'ল। তাই ক'লে, "তই কিয় এইবোৰ ধুবলৈ ওলাইছ? সি আছে নহয়।"

ছায়াহঁতে ৰামলাল নামৰ বনকৰা ল'ৰা এটা লগত লৈ আহিছে। ছায়াই তাৰ কথা ক'লে। মায়াই ক'লে, "হওক দে, মইতো সদায় ধোওঁৱেই।"

ছায়াৰ মাতটোত অকণমান শাসনৰ সুৰ ফুটি উঠিল। চেপা মাতেৰে তাই ক'লে "নালাগে। সি ধুব থ। তাৰ আগতে এইবোৰ কাম তই কৰিলে সি লাই পাই যাব নহয়।"

মায়া উঠি আহিল। ছায়াই পৰিষ্কাৰ মাতেৰে ৰামলালক কঁাহী-বাটিবোৰ ধুই ক'ত কেনেকৈ থ'ব লাগিব বুজাই দিলে।

সেইদিনাৰপৰা যোৱা বাৰ দিন মায়াই কঁাহী-বাটিত হাত দিয়া নাই। আনকি চাহখোৱা কাপ এটাও আওখালি থ'ব লগা হোৱা নাই। আটাইবোৰ ৰামলালেই কৰিছে।

বাৰ দিনৰ মূৰত আজি মায়াই আকৌ কঁাহী-বাটিত হাত দিছে। শোৱা কোঠালিত সোমাই দিবাকৰৰ বাৰ দিনৰ মূৰত মফস্বলৰপৰা অহা যেন লাগিছে। কাম-বন শেষ কৰি সোনকালে অহাৰ কথা

ক'বলৈ দিবাকৰ কলৰ পাৰলৈ গৈছিল, বাওঁহাতৰ থাৰু তুপাত ওপৰলৈ তুলি, মগুহত ভালকৈ খাপ খুৱাই, মায়াই সুধিলে, "ঘৰৰ কাম-বন কৰিবলৈ কম দৰমহাত সৰু ল'ৰা চ'ৰা এটা ক'ৰবাত পায়নে বাৰু ?"

দিবাকৰ প্ৰশ্নটোৰ কাৰণে একেবাৰে সাজু নাছিল। মায়াই লেমটো বাওঁফালে লৈ কাম কৰি আছিল, সোঁফালে তাই এটা প্ৰকাণ্ড ছাঁ পেলাইছিল ; সেই ছাঁটোতে দিবাকৰ এক মুহূৰ্ত নিস্তব্ধ হৈ থিয় হৈ থাকিল, তাৰ পাছত কোনোমতে 'চাওঁচোন' বুলি কৈ আঁতৰি আহিল। তাৰ বেয়া লাগিল।

দিবাকৰহঁতৰ অভাৱৰ সংসাৰ। ছায়া-মায়াহঁতৰো অভাৱৰ সংসাৰ আছিল। সিহঁতৰ দেউতাক কেতিয়াবাই ঢুকাল। ইন্সিঅ'ৰেন্সৰ টকাৰে মাকে ছোৱালী দুজনীক পঢ়ুৱাৰ কথা ভাবিছিল। পাছত হিচাপ কৰি দেখা গ'ল দুয়োজনী ছোৱালীক পঢ়ুৱাবলৈ গ'লে ভালকৈ এজনীৰো পঢ়া নহয় ! ছায়া মায়াতকৈ বহুত বেছি বুদ্ধিমতী, চালাক-চতুৰ ছোৱালী ; গতিকে তায়েই স্কুললৈ অহা-যোৱা কৰিবলৈ ধৰিলে ; মায়াই ঘৰতে লোকৰ চুৰেটাৰ গোঠাত লাগিল।

ছায়াই এবাৰ ইণ্টাৰমিডিয়েট পৰীক্ষা ফেল কৰাৰ লগে লগে ইন্সিঅ'ৰেন্সৰ টকাও শেষ হৈ থাকিল। তাই এমাহমান ঘৰতে বহি কি কৰা যায় ভাবিলে ; তাৰ পাছত পোন্ধৰ টকামানৰ ৰিক্সা উঠাৰ পাছত ইঞ্জিনিয়াৰিং অফিছ এটাত তাইৰ কাৰণে এটা চাকৰিৰ যোগাৰ হ'ল।

চাকৰিৰ দিনকেইটাই ছায়াৰ সোঁৱৰণীৰ ভাল দিনৰ পাতনি। স্বাস্থ্য আৰু চেহেৰাৰ ফালৰপৰা ছায়া চকুত পৰা ছোৱালী, গাৰ ৰংটো বগা, কিন্তু ছালখনৰ ঠিক তলতে, একেবাৰে বামতে ৰঙা ৰং এসোপা গোট খাই থকা যেন লাগে ; সাধাৰণ সুবিধা এটা পালেই ৰংবোৰ ওলাই আহিব খোজে। সামান্য লাজ পোৱা কথা এটা ক'লেই তাই ৰঙা পৰে, অলপ বেছিকৈ হাঁহিলেও ৰঙা পৰে, এচিষ্টেণ্ট ইঞ্জিনিয়াৰৰ কোঠালিৰপৰা ফাইল এটা চহী কৰাই ওলাই

আহোঁতেও ৰঙা পৰি আছে, গৰম দিনত খোজকাঢ়ি অফিছত সোমালেহিতো কথাই নাই। গাটো নিপোটল, বয়সৰ দানত ভুল-চুক নাই। কাপোৰে তাইক ধুনীয়া কৰিব নালাগে, তাইহে কাপোৰক ধুনীয়া কৰে যেন লাগে;—যি পিন্ধে, সেয়েই তাইৰ গাত শুৱাই পৰে। অৱশ্যে অভাৱৰ সংসাৰৰ ছোৱালী হিচাপে ছায়াৰ যিমান ধৰণৰ যিমান কাপোৰ থাকিব লাগিছিল, তাইৰ গাত তাতকৈ বেছি ধৰণৰ বেছি কাপোৰ মানুহৰ চকুত পৰে।

স্বাভাৱিকতে অফিছৰ বহুত মানুহ ছায়াৰ বন্ধু। ছায়াক দেখুৱাই ভাল পাওঁ বুলি যিমানে বন্ধুত্ব কৰে, তাই কেজুৱেল লিভ ল'লে তাতকৈ বেছি মানুহে মনে মনে বেয়া পায়। বন্ধুত্বৰ কৃপণালি ছায়াৰ লেশমাত্রও নাছিল; কিন্তু হঠাতে এবাৰ তাই এছিষ্টেণ্ট ইঞ্জিনিয়াৰ অৰুণ তালুকদাৰৰ প্ৰতি বন্ধুত্বত বৰ উদাৰ হৈ পৰিল। অৰুণ তালুকদাৰ চৌখীন, ডেকা ইঞ্জিনিয়াৰ আছিল; এদিন ছায়াই কিবা কাগজ এখনত চহী কৰাবলৈ যাওঁতে সি তাইৰ হতুৱাই তাই মনৰ চূড়ান্ত দৰ্খাস্তখনত চহী কৰাই ল'লে। নিঃশব্দে লাহে লাহে চহীটো দি ছায়া ৰঙা পৰি বেগেৰে ওলাই গুচি আহিল।

ছায়াৰ মাকে একো আপত্তি নকৰিলে। অভাৱৰ সংসাৰত ধুনীয়া গাভৰু ছোৱালীৰ শুধ-বগা কাপোৰ পিন্ধা মাকৰ শক্তি সাধাৰণতে কম হয়। ছায়াৰ মাকো দুৰ্বল আছিল। দুৰ্জয় আপত্তি কৰিছিল অৰুণৰ মাক-দেউতাকে। কিন্তু লাভ একো নহ'ল। অৰুণ লোহা-লক্কৰ, ছিমেণ্ট-পাথৰ, স্লাইড্ ৰুল-লগ্ টেবুলৰ মানুহ, কৌটি-কলীয়া পিতৃ-মাতৃ স্নেহে তাক কষ্ট দিলে, টলাব নোৱাৰিলে।

অফিছ এছিষ্টেণ্টক বিয়া কৰাই ইঞ্জিনিয়াৰ অৰুণৰ সেই অফিছতে চাকৰি কৰি থাকিবলৈ বেয়া লাগিল। ওপৰ মহলত ধৰা-মেলা কৰি সি অইন এখন চহৰলৈ বদলিৰ ব্যৱস্থা কৰি ল'লে আৰু এদিন ছায়াক লগত লৈ গুচি গ'ল।

মায়া অকলশৰীয়া হ'ল। তাই আৰু অকলশৰীয়া হ'ল যেতিয়া ছায়াৰ বিয়াৰ প্ৰায় এবছৰৰ পাছত তাইৰ মাক ঢুকাই থাকিল। চহৰৰ সিমূৰে থকা মোমায়েকৰ ঘৰত থাকিবলৈ মায়া গুচি গ'ল। সিহঁতৰ ঘৰটো ভাৰাত দিয়া হ'ল; ভাৰাৰ পইচাখিনি মায়াই আনন্দ মনেৰে মোমায়েকক ল'বলৈ ক'লে। কিন্তু ভাৰা ঘৰৰ পইচাখিনি পোৱাৰ তৃপ্তিতকৈ, মাক-দেউতাক নোহোৱা মায়াক ঘৰতে বহুৱাই ৰখাৰ অতৃপ্তিয়ে মোমায়েকক অশান্তি কৰিবলৈ ধৰিলে। শেষত এদিন এই মোমায়েকেই দিবাকৰক বিচাৰি উলিয়ালে। কেৰাণী কাম কৰে, মেছত থাকে, মাক-দেউতাক নাই, এটা ককায়েক আছে, গাৱঁত খেতি-বাতি কৰি নিজৰভাৱে থাকে, মাজে মাজে নগদ পইচাৰ অভাৱ হ'লে দিবাকৰলৈ প'ষ্টকাৰ্ড এখন লিখে। মায়াৰ মোমায়েকে দিবাকৰক বুজালে—"ছোৱালীজনীৰো কোনো নাই, তোমাৰো কোনো নাই; মায়াহঁতৰ ঘৰটো ভাৰা দিয়া পইচাকেইটা মোক্যো নালাগে, তোমালোককো নালাগে, কিন্তু তোমালোকক থাকিবলৈ এটা ঘৰ লাগে; গতিকে সেইটো তোমালোকৰে ঘৰ বুলি ভাবা, তোমালোক হালেই তাত থাকা।"

দিবাকৰ কলেজ গছকি পোৱা ল'ৰা, ভাল মগজৰ ল'ৰা। ককায়েকটো দুখীয়া খেতিয়ক নোহোৱা হ'লে সি কলেজৰ এমূৰে সোমাই দপদপকৈ আনটো মূৰেদি ওলাই গুচি গ'লহেঁতেন। সি ভাল মনেৰে, ভাল ধৰণে কথাবোৰ চিন্তা কৰি চাব পাৰে। মায়া ছোৱালীজনীক তাৰ বৰ ভাল লাগিছিল, সি সংকোচ কৰিছিল ছোৱালীজনীৰ লগত লাগি থকা কথাখিনিৰ কাৰণে। মায়াৰ মোমায়েক হলহলীয়া মানুহ; তেখেতে দিবাকৰ মনৰ ভাব বুজি খোলা হাঁহি এটা মাৰি কলে, "কিহে দিবাকৰ, তুমি হবলা মানুহে তোমাক চপনীয়া বুলি কয় বুলি ভয় কৰিছা? হেৰা তুমি কাৰ ওচৰ চাপিবাহে? হয় বোলে শাহু-শহুৰ-ননদ-দেওৰেৰে ঘৰখন ভৰি আছে, তেও এটা কথা। অকলশৰীয়া ছোৱালীজনীৰ কাষ চাপিলে যদি চপনীয়া হয়,

তেনেহ'লেতো পৃথিৱীখনৰ বিয়া কৰোৱা আটাইবোৰ মতা-তিৰোতা চপনীয়া"। তাৰ পাছত মায়াৰ মোমায়েকে মাতটো অলপ নমাই, ৰহস্য মিহলাই ক'লে, "বুইছা দিবাকৰ, তোমালোক মানুহহালৰ ইটোৱে সিটোৰ ওচৰত যিমানে বেছি চপনীয়া হ'বা তোমালোকৰ সিমানে শান্তি হ'ব।" কথাষাৰ কৈ মানুহজনে নিজৰ ৰসিকতাত নিজেই হাঁহিবলৈ ধৰিলে। দিবাকৰে তলমূৰ কৰি থাকিল; সি হাঁহিলে মেছত সোমাই, অকলে অকলে, কেইবাবাৰো।

তাৰ পাছত আৰু কথা নাবাঢ়িল। সময় মতে মায়াহঁতৰ ঘৰটো ভাৰা লৈ থকা মানুহঘৰক ন'টিছ দিয়া হ'ল। অতি সাধাৰণ আয়োজনেৰে সেইটো ঘৰৰপৰাই দিবাকৰে বিয়া পাতিলে। ছায়া-অৰুণহঁত আহিব নোৱাৰিলে। দিবাকৰৰ ককায়েক সাদিন থকাকৈ আহিল। কোনেৰে চাঁচি-চুকুকি ঘৰটোৰ আগফাল-পিছফাল চাফা কৰাৰপৰা কলবখুৰাৰ ডোঙা সজালৈকে সৰু-সুৰা অজস্ৰ কামৰ জাঁজ মাৰি, মৰমৰ ভায়েক-বোৱাৰীয়েকক অন্তৰ উবুৰিয়াই আশীৰ্বাদ কৰি, বিয়াৰ দুদিনৰ পাছত তেওঁ গ'লগৈ।

তাৰ পাছত এইটো ঘৰতে দিবাকৰহঁতৰ দুজনীয়া সংসাৰ আৰম্ভ হৈছে। অভাৱৰ সংসাৰ। অভাৱ কমাবলৈ এই বয়সতে দিবাকৰে অফিছৰপৰা আহি মায়াক লগত লৈ বাৰীচুকত সোমাই জলকীয়া-বেঙেনা পুলিৰ আলপৈচান ধৰা অভ্যাস কৰিছে। অভাৱৰ লগত মায়াৰো ঘনিষ্ঠ আৰু দুখলগা পৰিচয়; তাই নিজে বৰ বুজা ছোৱালী; সেই কাৰণে দিবাকৰৰ আশ্ৰয়ত তাই বৰ স্বস্তি অনুভৱ কৰিলে, নিৰাপদ অনুভৱ কৰিলে; ইয়াতকৈ আৰু বেছি সুখৰ কথা তাইৰ মনলৈ নাহিল।

আৰু এইখন ঘৰতেই, মাত্ৰ বাৰটা দিন কাঁহী-বাটি নোধোৱাকৈ থকাৰ পাছত মায়াৰ মুখত বনকৰা ল'ৰা এটাৰ প্ৰয়োজনৰ কথা শুনি দিবাকৰৰ বেয়া লাগিল। কোনকোনাই ফুৰা মহ এটাৰে সৈতে আঁঠুৱাৰ ভিতৰত সোমাই দিবাকৰে মায়াৰ কথাযাৰকে ভাবিবলৈ ধৰিলে।

সচঁা কথা, ঘৰখনৰ কাম-বনৰ ধুমুহাটো ঘাইকৈ মায়াৰ ওপৰেদিয়েই যায়। কিন্তু এই ধুমুহাত তাই জুৰুলা হোৱা কেতিয়াও দিবাকৰৰ চকুত পৰা নাই আৰু পৰাপক্ষত সি হ'বলৈ দিয়াও নাই। ঠাই সৰা, পাকঘৰলৈ পানী কঢ়িয়াই দিয়া, কাপোৰ ধোৱা, এইবোৰ কামত দিবাকৰৰ নিজৰ হাতো পকা ; এইবোৰ কাম সি কৰেও যথেষ্ট। মাজে মাজে সিহঁতৰ পানীকলটো বেয়া হয়, তেনেকুৱা সময়ত দিবাকৰে আধা ফার্লং দূৰৰ চৰকাৰী কলৰপৰা পানী কঢ়িয়াই ঘৰৰ ঘটিৰপৰা আলকতৰাৰ ড্ৰামলৈকে আটাইবোৰ বাচন ভৰাই থয়। ক'তা ? তেনেকুৱা সময়ততো মায়া বা দিবাকৰ কাৰো মনলৈ বনকৰা ল'ৰা এটাৰ কথা অহা নাই !

দিবাকৰে বুজে, এনেকুৱা কথা সহজে মনলৈ আহে ছায়াহঁতৰ। সিহঁতৰ সামৰ্থ্য আছে। সিহঁতে বহুত কথা ভাবিব পাৰে। পইচাৰ জখলা এটা থাকিলে বহুত কথা মনলৈ বগাই অহাৰ সুবিধা কৰি দিব পাৰি। ৰাতি ভাত খাই উঠি ছায়াই কোৱা বহুত কথাৰ ভিতৰত এই ধৰণৰ কথাও থাকে। তাইৰ মতে পিছফালে লাও-উৰহী যিয়েই নলগাওক, ঘৰটোৰ আগফালে অন্ততঃ কেইজোপামান বেলিফুলৰ গছ থাকিব লাগে। তাই ক্লাছ এইটত পঢ়োঁতেই ঘৰটোত এবাৰ চূণ দিয়া হৈছিল, এতিয়া পাৰিলে এবাৰ দি দিয়াব লাগে। পৰ্দা ? আগফালৰ কোঠালিটোৰ এক চেট পৰ্দা বাৰু তায়েই মায়াক প্ৰেজেণ্ট দি যাব। পিছফালৰ পানীকলৰ ওচৰৰ ঠাইডোখৰ গোন্ধাইছে, কথাটো ভাল হোৱা নাই, এইবোৰ ঠাইত মাজে মাজে ফিনাইল ছটিয়াব লাগে। ৰামলালৰ হতুৱাই অলপ ফিনাইল অনাব লাগিব ;

দিবাকৰ ফিনাইলপৰা মাখিৰ নিচিনাকৈ নিৰ্জীৱ হৈ বহি থাকে ; মুৰ তুলি কাৰো চকুৰ ফালে চাবলৈ তাৰ মন নাযায়। ছায়াই সোধে, "আপোনাৰ টোপনি ধৰিছেনে কি ?" দিবাকৰে নাই ধৰা বুলি কোৱাৰ আগতে ছায়াই কয়, "আপুনি শোৱকগৈ যাওক ;

আমাৰ পেনপেনীয়া মেলখন বখি থাকিবলৈ হ'লে আপোনাৰ কালে আধ্যা হ'ব।"

দিবাকৰ যোৰা দিয়া খাটত উঠৈগে। অৰুণো শোৱেগৈ, কিন্তু শোৱাৰপৰা সি বহুত পৰলৈ কথাৰ ভাগ লৈ থাকে; খুহুতীয়া কথা কয়; ত্বয়োজনীকে হঁহুৱায়। তাৰ টোপনি যোৱাৰ পাছত মায়া আৰু ছায়াৰ মাত সৰু হয়; বোধহয় সিহঁতৰ আলোচনাৰ প্ৰসংগ সলনি হয়। বহুত পৰলৈকে সিহঁতৰ গুণগুণনি চলে। দিবাকৰে মনে মনে ছায়াই কোঁচ খুৱাই দিয়া মনটো মোকোলাবলৈ চেষ্টা কৰে। সি নিজকে প্ৰবোধ দিয়ে,—ফিনাইল আহিব, ত্বদিনমান ফিনাইলৰ গোন্ধ থাকিব, তাৰ পাছত নোহোৱা হৈ যাব; কিন্তু সি আৰু মায়া সদায় থাকিব। ভাবি ভাবি এসময়ত দিবাকৰ টোপনি যায়; মায়া কেতিয়া শোৱেহি, সি গম নাপায়।

আজিও দিবাকৰে মায়া অহালৈ বাট চাই থাকোঁতে প্ৰথমতে কথাবোৰ ভাবি ত্বখ পালে। কিন্তু পাছলৈ সি নিজকে প্ৰবোধ দিবলৈ চেষ্টা কৰিলে। সি ভাবিলে, কাইলৈ যেতিয়া পুৱা সি পাক ঘৰলৈ পানী কঢ়িয়াব, গা ধুই আহি মায়াই তাক ঠাই সাৰি থকা দেখিব, তেতিয়া তাই নিজেই বুজিব, এইখন ঘৰলৈ বনকৰা ল'ৰা এটা অহাত পলম আছে; কথাষাৰ ভাবি আৰু কৈ তাই ভুল কৰিছিল। মায়াৰ ওপৰত সেইকণ বিশ্বাস দিবাকৰৰ হৈছে। সি এবাৰ আঁঠুৱাৰ তলৰ পৰাই চিঞৰি মায়াক মাতিবলৈ ওলাল। কিন্তু ঠিক তেনে সময়তে ত্বৱাৰৰ শব্দ শুনি সি বৈ গ'ল। মায়া আহিছে।

মায়া একেবাৰে বিচনাৰ ওচৰ পালেহি। দিবাকৰে সুধিলে, "হোৱাই নাই নে' তোমাৰ? কিনো কৰিছা ইমান পৰ?"

মায়াই কলে, "হ'ল, আহিলোঁ নহয়!"

দিবাকৰে জানে, মায়াই হ'ল বুলি কোৱাৰ পাছতো হাত-ভৰি ধুবলৈ থাকে। মানে অন্ততঃ দহ মিনিট। সি কৃত্ৰিম বিৰক্তিৰে ক'লে,

"কিডাল হ'ল! হাত-ভৰি ধুবলৈ আছেই!"

মায়াই কলে, "হাত-ভৰি একেবাৰে ধুই আহিছোঁ।"

"ক'তা? চেণ্ডেলযোৰ নিবলৈ দেখোন অহাই নাই" বুলি কৈয়েই দিবাকৰে মায়াই হাত-ভৰি ধুই অহা সচাঁনে মিছা চাবলৈ আঠুৰাৰ ভিতৰৰ পৰা মূৰ উলিয়াই মায়াৰ ভৰিৰ ফালে চালে। সঁচা। তাই হাত-ভৰি ধুই আহিছে। ছায়াই তুডাল ফিটাৰ ৰবৰৰ চেণ্ডেল এযোৰ এৰি থৈ গৈছে, হয়তো দি গৈছে। হাত-ভৰি ধুই মায়াই সেইযোৰকে পিন্ধি আহিছে।

দিবাকৰৰ মনটো আকৌ দমি গ'ল। তাৰ বুকুখন আকৌ কোঁচ খাই গ'ল। মায়াই সিহঁতৰ উমৈহতীয়া চেণ্ডেলযোৰকে নি, সেই আগৰ নিচিনাকৈ হাত-ভৰি ধুই অহা হ'লেই সি ভাল পালেহেঁতেন। মায়াই তাৰ আহল-বহল চেণ্ডেলযোৰ চোঁচোৰাই চোঁচোৰাই বিচনালৈ অহা অদ্ভুত শব্দটোৰ অভাৱ অনুভৱ কৰি দিবাকৰে এটা যন্ত্ৰণা অনুভৱ কৰিলে।

তাৰ আৰু বেছি অসহ্য লাগিল অকণমান পাছত। শুই দিলেই মূৰটো গাৰুতে পৰিব, এনেকুৱা ঠাইত বহি মায়াই খোপাটো খোলাৰ সময়ত তাইৰ গাৰপৰা এটা গোন্ধ আহি তাৰ নাকত লাগিল। এই গোন্ধটো সি চিনি পায়। কালি আবেলি শেষবাৰৰ কাৰণে চহৰখনত এপাক ফুৰিবলৈ অৰুণে চুৰিয়া-পঞ্জাবী পিন্ধি ওলাইছিল। যোৱাৰ আগমুহূৰ্তত অকণমান ধুনীয়া বটল এটা খুলি সি ৰুমালখন সুগন্ধি কৰিছিল। ওচৰতে বৈ থকা দিবাকৰক সি হাঁহি হাঁহি সুধিছিল, "ল'ব নেকি অকণমান?"

দিবাকৰে হাঁহি হাঁহি "এ নালাগে দিয়ক" বুলি কৈছিল। গোন্ধটো সি দূৰৰপৰাই পাইছিল। এইটো সেইটো গোন্ধ। একেটা গোন্ধেই এই মুহূৰ্তত, আঠুৱাৰ তলত, মায়াৰ গাত, ইমান বেয়া লাগিছে,—ইমান বেয়া লাগিছে! দিবাকৰে বাগৰ সলাই ইকাটি হৈ শুই দিলে।

খোপাটো খুলি খুলি মায়াই কলে, "ঘৰখন একেবাৰে ঠাণ্ডা হৈ গ'ল নহয় ?"

দিবাকৰে ধৰা পৰাৰ ভয়ত, অশান্তিৰ ভয়ত, ভদ্ৰতাৰ খাতিৰত "ওঁ" বুলি ক'লে। মায়াই কলে, 'ছায়াজনীয়ে একেবাৰে আগৰ নিচিনা হৈ আছে। ইমান যে কথা কয়! কৈয়েই থাকে, কৈয়েই থাকে,—তাইৰ ভাগৰ লাগেনে নালাগে জানো!"

এক মুহূৰ্ত্তে দিবাকৰৰ গোটেইখিনি বিৰক্তি ছায়াৰ ওপৰত পৰিল। বিয়াৰ দুবছৰৰ পাছত, এটা কেঁচুৱাৰ মাক হোৱাৰ পাছত যিমান চঞ্চল হৈ থকা উচিত, তাতকৈ বহুত বেছি চঞ্চল, দেহাটোক বিৰাট সম্পত্তি বুলি ভবা ছায়াৰ গোটেই গাটো তাৰ চকুৰ আগত ভাহি উঠিল। তাৰ এফালৰপৰা বহুত কথা ক'বলৈ মন, গ'ল, কিন্তু অত্যন্ত সংযতভাৱে লাহে লাহে সি ক'লে, "হয় দিয়া। আগতে অফিছত কাম কৰোঁতে মই তেওঁক দুদিনমান দেখিছিলোঁ; আগতলৈ অকণমান ভালহে হৈছে। আকৌ এবাৰ বিয়া দিব পৰা হৈছে। দেখাত তোমাৰ ভনী যেনহে লাগে।" এইখিনি কোৱাৰ পাছতে হঠাতে দিবাকৰৰ মনলৈ অকণমান ৰস আহিল; আঁঠুৰাৰ তলৰ পৰিবেশৰ লগত মাতটো খাপ খুৱাই সি সুধিলে, "তেওঁ পিন্ধি থকা ব্লাউজবিলাক চিলোৱাৰ পাছত মানুহজনী শকত হৈছে নেকি বাৰু ? হাঁচি এটা মাৰিলেই ফাটি যাব যেন লাগে !"

মায়া গম্ভীৰ হৈ গ'ল। অন্ততঃ নিজৰ মনটো লুকুৱাই ৰখাৰ কাৰণে নাইবা ভদ্ৰতাৰ খাতিৰত তাই যিষাৰ কথা ক'ব লাগিছিল, সেইষাৰো নক'লে। নিঃশব্দে তাই বিচনাৰপৰা নামি গ'ল। লেমটো কমাই থৈ আহিবলৈ নহ'ল। লেমটো কমাবলৈ গৈ মায়াই কোঠালিটোৰ এন্ধাৰ চুকটোত থিয় হৈ পিন্ধি থকা ব্লাউজটো সলাই পেলালে। সেইটো ছায়াৰ ব্লাউজ। কালি আবেলি ফুৰিবলৈ যাওঁতে পিন্ধা ব্লাউজটো। তাইক দি গৈছে। ব্লাউজটো তাইলৈ ঢিলা হয়। বাহুৰ তলত প্ৰাতখন খজুৱালে ব্লাউজটোৰ হাতখনেদি

চাৰিওটা আঙুলি সুমুৱাই বহুত ভিতৰলৈকে খজুৱাব পাৰি।

অলপ পাছত মায়া আহি শুলেহি। এটা অবুজ কথাই তাইৰ মনটোক কষ্ট দিবলৈ ধৰিলে। কথাটো কি তাই নিজেই ঠিককৈ ধৰিব নোৱাৰিলে। কিন্তু বাৰ ৰাতিৰ পিছৰ এই ৰাতিটোত তাইৰ কিবাকিবি অবুজ চিন্তা কৰি, বেৰৰ কালে মুখ দি শুই থাকিবলৈ মন নগ'ল। তাইৰ বহুত কথা ক'বলগীয়া আছে।

দিবাকৰেও ঠিক তাকে ভাবিছিল। চেষ্টা কৰি সি মনটো পাতলাই পেলাইছিল। এবাৰ সি সুধিলে, "শুবা নেকি?"

মায়াই ক'লে, "নোশোওঁ।" তাৰ পাছতে তাইৰ মুখ খুলি গ'ল। গুণগুণকৈ তাই ক'লে, "অইন যিয়েই নহওক, ছায়া অহাৰপৰা মোৰ কিন্তু এটা লাভ হ'ল। মই বহুত কথা জানি থ'লোঁ। তাই নিজৰ কথাবিলাক মোক আটাইবোৰ কৈছে। মোৰ বৰ ভয় লাগিছে। সেই কাৰণে মই অথনি কাম কৰা ল'ৰা এটাৰ কথা কৈছিলোঁ। তাই কৈছে, এতিয়া বোলে ইটো-সিটো সকস্থুৰা অসুখ লাগিয়েই থাকিব।"

"সঁচা?" দিবাকৰ যেন জিকাৰ খাই উঠিল।

মায়াই লাজ কৰি, লাহে লাহে ক'লে, "সঁচা। তাই মোক বেছি লৰা-ধপৰা কৰিবলৈ, গধুৰ বস্তু দঙা-পৰা কৰিবলৈ মানা কৰি গৈছে।"

এক অদ্ভুত আনন্দত দিবাকৰে মায়াক নিবিড়ভাৱে সাৱটি ধৰিলে।

কাইলৈৰপৰা সি বনকৰা ল'ৰা এটা বা ছোৱালী এজনীৰ খবৰ কৰিব।

# মৈদাম

পূবে মাংসৰ দোকান থকা চাৰি আলিটো আৰু পশ্চিমে চেৰাপ-ভাতী, ইয়াৰ মাজৰ অঞ্চলৰ ৰাস্তাত দীনৰ ডিউটি পৰিছিল। বাটৰ কাষে কাষে, ইফালে-সিফালে চাই চাই সি একোবাৰ মাংসৰ দোকানখনৰ ওচৰলৈকে গ'ল, একোবাৰ উভতি আহি চেৰাপ-ভাতী পালেহি ; কিন্তু বেছিভাগ সময় সি মাজৰ পূজা-মণ্ডপটোৰ ওচৰতে থিয়া-থিয়ি কৰি ৰ'ল। পূজা-মণ্ডপটোৰ নিচেই ওচৰতে বাছ ষ্টেণ্ড ; বিভিন্ন চেহেৰাৰ, বিভিন্ন ৰঙৰ, বিভিন্ন নামৰ বাছবোৰৰ গতি ষ্টেণ্ডটোৰ ওচৰে-পাজৰে সময়ে-সময়ে আৰম্ভ হৈছে, সময়ে সময়ে শেষ হৈছে। আধা ঘণ্টাৰ আগতে যদি কদমতলৰ পৰা মা-শীতলা নামৰ বাছখন আহি ৰ'লহি, আধা ঘণ্টাৰ পাছত ভাগ্যলক্ষ্মী নামৰ বাছখনে পলাশনি অভিমুখে যাত্রা কৰিলে। ইতিমধ্যে হয়তো দীপক নামৰ বাছখনৰ হেণ্ডিমেনটোৱে কুৰুৱাধৰালৈকে গোটেই বাটটোৰ কাষে কাষে থকা গাওঁবোৰৰ নামবোৰ চিঞৰি-চিঞৰি মুখস্থ মাতিবলৈ আৰম্ভ কৰিছে। এই ষ্টেণ্ডত সাধাৰণতে দিনটোত চাৰিখনমান বাছৰ যাত্রা আৰম্ভ আৰু শেষ হয় ; তাৰ বাহিৰে চহৰখনত যি কেইখন বাছ থাকে, সেই কেইখন ড্রাইভাৰ-হেণ্ডিমেনইঁতে ওচৰে যখিনীমৰা নামৰ নৈখনৰ পাৰলৈ লৈ যায় আৰু তলে-ওপৰে ভালকৈ ধোৱে। এই ছদিন পূজা বুলি বাছ-ষ্টেণ্ডটোৰ চাঞ্চল্য বৰ বেছি ধৰণে বাঢ়িছে ; যখিনীমৰাৰ পাৰলৈ কোনো বাছ যোৱা নাই ; প্রত্যেকখন বাছেই অসুস্থতা-জড়তা-বাৰ্ধক্য সকলো আওকাণ কৰি চাৰিওফালে থকা গাওঁবোৰৰ লগত চহৰখনৰ এটা উৎসৱসূচক যোগাযোগ ৰক্ষা কৰিছে।

প্ৰত্যেকখন বাছ ষ্টেণ্ডটোৰ ওচৰ পোৱাৰ লগে লগে দীনই পূজা-মণ্ডপটোৰপৰা অলপ আগুৱাই আহি বাছৰ যাত্ৰীবোৰৰ প্ৰত্যেককে লক্ষ্য কৰিব'লৈ চেষ্টা কৰিলে। চহৰখনৰ চাৰিওফালে পোন্ধৰ-কুৰি মাইলমানলৈ এই অঞ্চলটোত জনজাতীয় লোক আৰু চাহ-বাগিছাৰ বনুৱাৰ সংখ্যা বহুত; আৰু চহৰত পূজা চোৱাৰ হেঁপাহ সিহঁতৰেই বেছি; গতিকে বাছৰপৰা দলে দলে নামিলো প্ৰায় সিহঁতেই। ৰঙীন ৰেছমী শাড়ী পিন্ধা, মুখত তেল ঘঁহি চিকচিকীয়া হৈ অহা আটিল দেহাৰ ক'লা ক'লা গাভৰু ছোৱালী, কোলাই-বোকোচাই কেঁচুৱা আঁৰি লোৱা আদহীয়া তিৰোতা, নিয়াৰিকৈ সেওঁতা কাঢ়ি, ডিঙিত ৰুমাল মাৰি মুৰব্বী মুৰব্বী ভাবত অহা ডেকা, "আগৰ দিনৰ সেই পূজা আৰু ক'ত দেখিবি বে?"—বুলি আক্ষেপ আৰু বাহাদুৰি একেলগে মিহলাই কৰা বুঢ়া; ইত্যাদি বিচিত্ৰ ধৰণৰ যাত্ৰী। ইহঁতৰ মাজত লখিমী আৰু সৰুমাও আছে নে কি তাকে দীনই প্ৰতিখন বাছ আহি পোৱাৰ লগে লগে সাৱধানে লক্ষ্য কৰিলে আৰু সিহঁতক নেদেখি সি একোবাৰ হতাশো হ'ল, একোবাৰ আশ্বস্তও হ'ল। আৰু এখন বাছ আহি নোপোৱালৈকে এইখিনি সময় সি মাংসৰ দোকান থকা চাৰি আলিটো নাইবা চেৰাপ-ভাটীৰ ফালে খোজ কাঢ়িলে আৰু অলপ পাছতে আকৌ পূজা-মণ্ডপৰ ওচৰত থিয়া-থিয়ি কৰি থাকিলহি। সি নথকা সময়তেই জানোচা এখন বাছ আহিল আৰু তাতে কিজানি লখিমীহঁত আহিল, এই সন্দেহত সি প্ৰত্যেক-বাৰ উভতি আহিয়েই বাছ-ষ্টেণ্ডটোৰ ওচৰ-পাঁজৰবোৰ পৰীক্ষা কৰিলে। নাই, সিহঁত নাই অহা।

দীনৰ বৰ বিৰক্তি লাগি আছিল। এনেয়ে উলা-মুলা গৰমক সি গ্ৰাহ্যই নকৰে, তাতে আজি দিনটো বৰ গৰমো নহয়, তথাপি বাৰে বাৰে তাৰ বাটৰ কাষে কাষে খোজ কাঢ়ি ফুৰা বন্ধ কৰি পূজা-মণ্ডপৰ ছাঁৰ বেঞ্চ এখনত বহি থাকিবৰ মন গ'ল। বাহুত ছইছেলটো ওলোমাই লোৱা ৰছীডালৰ কাষে-কাষে ডাৰ খাকী ৰঙৰ চোলাটো

ঘামত তিতি গৈছে, ছুবাৰমান খুলি চাই সি দেখিছে মূৰৰ টুপীটোৰ তেলচিকটি লগা ভিতৰফালটো সেমেকি গৈছে। বাৰে বাৰে তাৰ ভৰিৰ পটি, জোতা, কঁকালৰ পেটি,—আটাইবোৰ খুলি, মুকলি হৈ বহি, টুপীটোৰে নিজকে বিছি থাকিবৰ মন গৈছে।

অইন দিনাৰ নিচিনাকৈ সি বাটৰ কাষৰ দোকানীৰ লগত কথা-বতৰা পাতি, খিলিপাণ ছুই-এখন খাই, ফূৰ্তি কৰি ডিউটিও কৰিব পৰা নাই। সামান্য কথাতে তাৰ মগজটো গৰম হৈ উঠিছে, মেজাজ খিংখিঙীয়া হৈ গৈছে। হঠাতে যেনিবা এটা ৰিক্সাৱালাই হৈ-হৈ কৈ চিঞৰি কাজিয়া আৰম্ভ কৰি দিলে; দীন ওচৰ চাপি গ'ল; কি হৈছে? হৈছে মানে,—শক্তিধাৰিণী শ্ৰীশ্ৰীদুৰ্গা পূজা উপলক্ষে অলপ ফটিকা খাই শক্তি সঞ্চয় কৰি লোৱা, চহৰত পূজা চাবলৈ অহা ছুটা বাগিছাৰ পশ্চিমীয়া মানুহে ৰিক্সাত উঠি গোটেই চহৰখন ফুৰিলে, এতিয়া নামিবৰ সময়ত ৰিক্সাৱালাই ভাৰা খুজিছে ডেৰ টকা, মানুহ ছুটাই যাচিছে চাৰি অনা। ৰিক্সাৱালাৰ মতে সিহঁত ডেৰ ঘণ্টা তাৰ ৰিক্সাৰপৰা নমাই নাই, মানুহ ছুটাৰ মতে গোটেই জীৱনটোত সিহঁতে মুঠতে বিছ বা পঁচিছ মিনিটতকৈ বেছি সময় ৰিক্সাত উঠাই নাই! দীনই মানুহ ছুটাক নিচা ফাটি যোৱা বিধৰ ধমক এটা দি টকা এটা দিবলৈ বাধ্য কৰালে; টকা এটা দি মানুহ ছুটা "সমস্ত ছনিয়াখনেই বেইমান" জাতীয় কথা কেইআষাৰমান ভোৰ ভোৰ কৰি আঁতৰি গ'ল। ঘটনাটো আচলতে সিমানতেই শেষ হ'ব লাগিছিল, কিন্তু নহ'ল। দীন ৰিক্সাৱালাটোৰ লগত লাগিয়েই থাকিল। "আগতে ভাৰা ঠিক নকৰাকৈ পেছেঞ্জাৰ উঠাৱ" বুলি কাঠৰ চুটি লাঠিডালেৰে সি কেইবাবাৰো ৰিক্সাৱালাটোৰ নাকটো চোওঁ-চোওঁ কৰিলে, এবাৰতো সি তাৰ বাহুটোত খোচ এটা মাৰিলেই। তাৰ পাছতো সি আঁতৰ হৈ যোৱা ৰিক্সাখনৰ পিছ ফালে লাঠিডালেৰে ধুমকৈ কোব এটা মাৰিলে, "যাও, ভাগো।"

দীনৰ আচলতে আজিশ ডিউটি নাছিলেই। পোন্ধৰ দিনৰ আগতে

সি থানাৰ ওপৰৱালাক অনুৰোধ কৰি থৈছিল, এইবাৰ যেন পূজাৰ কেইদিনৰ এদিন সি ছুটী পায়। অগত্যা যদি পোৱাটো সম্ভৱ নহয়, তেনেহলে তাৰ ডিউটি যেন ৰাতি পৰে। মাকৰ অসুখ, পামৰ মাটিৰ গণ্ডগোল মৰা, ভনীয়েক সৰুমাওৰ কাৰণে ল'ৰা এটা চাবলৈ যোৱা আৰু মাজে মাজে ঠিক লখিমীক চাবলৈ বুলি নহয়, এনেয়ে ঘৰলৈ যোৱা, এইবোৰ লেঠাত তাৰ প্ৰাপ্য ছুটী শেষ হ'ল; নহ'লে সি ওপৰৱালাক ডিউটিৰপৰা ৰেহাই বিচাৰি অনুৰোধ নকৰিলে-হেঁতেন। বহুত তলৰপৰা প্ৰমোচন পাই পাই ওপৰ হোৱা ওপৰৱালাজন বৰ কাৰা মানুহ; চিপাহীৰ ডিউটিৰ ইফাল-সিফাল হোৱা আৰু ইখন ভৰিৰ জোতা সিখন ভৰিত পিন্ধা তেওঁৰ কাৰণে একে কথা, সম্ভৱ হ'লেও অনিয়ম, কষ্টকৰ, অশোভনীয়। তথাপি তেওঁ কথা দিছিল, ঠিক আছে এদিন বাৰু দিনৰ বেলাটো দীনক ৰেহাই দিয়া হ'ব। কিন্তু যেই সেই এদিন হ'লেইতো নহব, ঠিক কোন দিনা সি আজৰি পাব সেইটো নিশ্চিতভাৱে জনাটো দীনৰ কাৰণে বৰ প্ৰয়োজনীয় আছিল, কাৰণ তেহে সি আগতীয়াকৈ বন্দোৱস্তবোৰ কৰিব পাৰিব। শেষত ঠিক হৈছিল—নৱমী পূজাৰ দিনা নিশা দহ বজালৈকে তাৰ ডিউটি নাথাকিব। এই বন্দোৱস্ত হোৱাৰ পিছদিনাই সি গাৱঁৰ ঘৰলৈ গৈ ঠিক কৰি থৈ আহিল নৱমীৰ দিনা দুপৰীয়া লখিমী আৰু সৰুমাও চহৰ পাবহি; সন্ধিয়াৰ আগলৈকে সি সিহঁতক চহৰৰ পূজা দেখুৱাব, সন্ধিয়া সি নিজে সিহঁতক ঘৰত থ'বগৈ, তাৰ পাছত সি উভতি আহি যদি প্ৰয়োজন হয় নিশা ডিউটি কৰিব। এইখিনি অহা-যোৱা কৰিবলৈ সিহঁতৰ একো অসুবিধা নহ'ব, কাৰণ পূজাৰ কেইদিন সিহঁতৰ গাৱঁৰ বাটেদি মাজ নিশালৈকে বাছ অহা-যোৱা কৰি থাকিব।

সৰুমাৱে পিছে এটা অসুবিধাৰ কথা উল্লেখ কৰিছিল, কেৱল ছোৱালী দুজনী, লগত কোনো নাই, অকলে অকলে টাউনলৈ যোৱা—

"নাই নাই, সেইটোনো কি কথা ? দিনে-পোহৰে, মাত্ৰ বিছ মাইল বাট, সৌখিনিতে বাছত উঠি বহিবি, একে কোবেই টাউন ওলাবিগৈ, আৰু তাত মটৰ ষ্টেণ্ডতে মইতো বৈ থাকিমেই।" দীনই চহৰ আৰু সিহঁতৰ গাওঁখন খিৰিকী থকা বেৰ এখনৰ ইফাল-সিফালৰ নিচিনা বুলি ধৰি লৈ কথাটো পাতলাই দিলে।

উভতি আহিবৰ সময়ত দীনৰ মনত এটা উকমুকনি উঠিছিল, লখিমীয়ে জানোচা আকৌ কিবা অসুবিধা উলিয়ায়,—এই বিষয়ে এবাৰ সি ভনীয়েকক সুধিব নেকি ? পিছে নুসুধিলে। বাৰে বাৰে ভনীয়েকৰ আগত লখিমীৰ নামটো উচ্চাৰণ কৰিবলৈ তাৰ লাজ লাগিল। তাৰ উপৰি সি জানে—সৰুমাৱে ক'লে, বিশেষকৈ গোটেই ব্যৱস্থাটো সি আয়োজন কৰা বুলি শুনিলে লখিমীয়ে আপত্তি নকৰে।

লখিমীলৈ আজিকালি দীনৰ সঁচাকৈয়ে বৰ লাজ লাগে। মুখা-মুখি হোৱাৰ পাছত কথা এষাৰ আৰম্ভ কৰিবলৈ তাৰ বিশেষ অসুবিধা নহয়; দুৰ্দান্ত সাহস থকা চিপাহী মানুহ, কত তিৰোতা মানুহ, গাভৰু ছোৱালীক সি কানি বেচা, গহনা চুৰ কৰা, ভিতৰৰ পৰা দুৱাৰ খুলি দি নিজে ভিতৰলৈ চোৰ সুমুৱাই অনা ইত্যাদি দোষ স্বীকাৰ কৰাবলৈ ডবিয়াই কন্দুৱাই পেলাইছে, তথাপি এষাৰ কথা সোধাৰ পাছতে লখিমীয়ে যেনেকুৱা খন কৰে, দীনৰ লাজ লাগি যায়; দ্বিতীয়বাৰ কথা সুধিবলৈ তাৰ নিজৰে থোতা-মোজা লাগে। এসময়ত চহৰৰ স্কুলৰ সমনীয়াৰপৰা শিকি যোৱা ৰস লগোৱা কথাৰে সি সাত বছৰীয়া লখিমীৰ ফ্ৰকটোৰ ফটাডোখৰ আঙুলিয়াই জোকাইছিল, "কি অ'? বতাহ লাগিবলৈ হবলা মাৰে চোলাত খিৰিকী কাটি দিছে ?" তেতিয়া লখিমীয়ে সাউৎকৈ ঘূৰি ফ্ৰকৰ ফটাডোখৰ দীনৰপৰা আঁৰ কৰিছিল।

এতিয়া লখিমীয়ে দীনৰ মুখামুখি হ'লেও গোটেই গাটো অদৃশ্য কৰাৰ উদ্দেশ্যেৰে চাদৰখন টানি টানি ফালিবৰ উপক্ৰম কৰে।

তাইৰ এনেকুৱা লাগে যেন সকলোৰে জোখৰ কৰি বোৱা চাদৰবোৰ তাইৰ কাৰণে চুটি হয়! একালত দীনই খেমালি কৰা খিৰিকীখন এতিয়া লখিমীয়ে মনে মনে মনত কাটি থৈছে আৰু সেই খিৰিকীখন সদায় খোলা থাকে কাৰণে দীনৰ মুখামুখি হ'লেই তাই ৰঙা পৰি যায়, বোবা হৈ যায়।

লখিমীৰ মাক-দেউতাক ঢুকাল; তাই বুঢ়ীমাকৰ লগত থাকে। দূৰত থকা মোমায়েক এজনে সিহঁতৰ মাটিখিনি চায়। চায় মানে লখিমী আৰু বুঢ়ীৰ বছৰেকৰ জোখাৰে ধান-মাহখিনি দিয়ে, বাকীখিনি নিজে খায়। লখিমী এফালে ওলাই গ'লে, বুঢ়ীয়ে বিদায় মাগিলে ধান-মাহ দিয়াৰ আৰু লেঠা নাথাকিব, মোমায়েকজনে তাকে ভাবি আছে। দীনৰ লগত লখিমীৰ কথা-বতৰা চলাৰ নিচিনা কিবা এটা হৈছে বুলি খবৰ পায়েই এদিন তেখেতে ব্যস্ত অভিভাৱকৰ ৰূপ লৈ চহৰৰ থানালৈকে দৌৰি আহিছিল; দীনক তেখেতে সুধিছিল, "তেনেহলে শুভ কামত পলম কৰাৰ কি দৰকাৰ?"

দীনই সসম্ভ্ৰমে লাজ কৰি কৰি কৈছিল,—অইন অসুবিধা একো নাই, কেৱল ভনীয়েকজনী, মানে সৰুমাওৰ ব্যৱস্থা এটা আগতে কৰিব পাৰিলে ভাল হয়। সি আৰু আশা প্ৰকাশ কৰিছিল— লখিমীৰ মোমায়েকেও যদি সেইফালে ক'ৰবাত ভাল ল'ৰা-চৰা এটা চায়! মোমায়েকে বাৰু বাৰু বুলি বৰ জোৰেৰে শলাগি গ'ল; গৈ পাছলৈ তাপ মাৰিলে।

এইজনৰ বাহিৰে লখিমীৰ আৰু কোনো অভিভাৱক নাই। সৰুমাও বেছি ভাগ সময় তাইৰ লগতে থাকে; সৰুমাওৰ মাকেও সদায় বুঢ়ীৰ খা-খবৰ লৈ থাকে। বুঢ়ীয়ে কেতিয়াবা লখিমীক ওচৰলৈ মাতি উপদেশ দিয়ে, "এতিয়াই তই তাৰ লগত বেছি হ'লি-গলি নকৰিবি, গাৱঁৰ মানুহে বেয়া বুলিব।"

গাৱঁৰ মানুহে পিছে দীনক বৰ ভাল পায়; সি কিবা হ'লি-গ'লি কৰা দেখিলেও তেওঁলোক কোনেও বেয়া নাপায়। আজি যে

সিহঁত চহৰলৈ আহিব, আহিবৰ সময়ত বুঢ়ীয়ে "দিনে-পোহৰে উভতি আহিবি,"—আৰু বাহুত উঠিবৰ সময়ত দুজনমান আদহীয়া মানুহে —"বাৰু গৈছ যা, পিছে তাতে থাকি নাযাবি। আৰু আহোঁতে আমালৈ মিঠৈ-চিঠৈ যি পাৰ লৈ আহিবি"—এনেকুৱা দুআষাৰমান কথাৰ বাহিৰে কোনেও আৰু একো নকয়।

এইকণ সুবিধা আছে কাৰণেই বহুত দিনৰেপৰা দীনৰ মনত এটা চখে বাহ লৈছিল,—কিবা এটা উছৱৰ দিনত সি লখিমীক যদি চহৰখন ভালকৈ দেখুৱাব পাৰিলেহেঁতেন! চহৰখনত কেতিয়াবা চাবলগীয়া বস্তু এটা দেখিলেই তাৰ তৎক্ষণাত লখিমীলৈ মনত পৰে,—ইছ, তাইক যদি সি কেনেবাকৈ এইবোৰ দেখুৱাব পাৰিলেহেঁতেন। চহৰখনত সভা-সমিতি, তিথি-উছৱ কিবা এটা হলেই লাঠিডাল হাতত লৈ কেৱল গণ্ডগোলবোৰৰ গোন্ধ লৈ ফুৰা বৰ কঠুৱা কাম! তাৰ মাজতে অকলে অকলে লোকৰ ৰং-ৰহইচবোৰ চাই ফুৰিবলৈ বৰ বেয়া লাগে। ডিউটি নাথাকিলে ঘৰত সোমাই থকাটো আৰু বিৰক্তিকৰ। ঘৰ মানে হ'ল এটা আহল-বহল কোঠালি, তাতে থেপা-থেপিকৈ দহখন কাঠৰ খাট, ৰাতি পাঁচখনমান খাটত মানুহ শোৱে, বাকীকেইখন খালী হৈ থাকে। কোঠালিটোৰ চাৰিওফালে জঞ্জাল;—আঁঠুৱা তৰা ৰছী, কাপোৰ থোৱা ৰছী, পেটি থোৱা ৰছী, টুপী থোৱা গজাল। তাৰ বাহিৰেও সময়ে-অসময়ে তাচপাতৰ উনত্ৰিছৰ খেল, বিড়িৰ গোন্ধ, মাৰপিট, চুৰি-ডকাইতিৰ তেজাল খবৰ, নতুন শিকাৰুৰ বাঁহীৰ পিঁপিঁয়নি, প্ৰত্যেকটো কাঠৰ চেপত অসংখ্য উৰহৰ অতপালি! বাহিৰত দুৰ্গাপূজা চলি থাকিলে ঘৰত বহি এইবোৰ সহ্য কৰি থাকিবলৈ দীনৰ বৰ কষ্ট হয়। প্ৰায়েই সি ভাবে এনেকুৱা এটা দিনত যদি লখিমী আহিলহেঁতেন আৰু যদি তাৰ ডিউটি নাথাকিলহেঁতেন!

এইবাৰ ঠিক সেই ঘটনাটোকে সি মিলাই লৈছিল। তাৰ ডিউটি নাথাকিব, দুপৰীয়া লখিমীহঁত আহিব, সিহঁতে লাহে লাহে ফুৰি ফুৰি

পূজা চাব, হোটেলত চাহ খাব, মেটিনি শ্ব' টকী চাব, কিবাকিবি চখৰ বস্তু দুটামান কিনিব; আৰু পাছলৈ যদি তাৰ আৰু লখিমীৰ লাজ নালাগিব যেন ভাব এটা দেখা যায়, তেনেহলে সিহঁতে এখন ফটো তুলিব। ইয়াৰ কাৰণে দীনই পইচা সাজু কৰি থৈছিল; খাকী লংপেণ্টটোত ডিউটিৰ গোন্ধ অকণমান থাকি যায়; সেই কাৰণে সি বগা লংপেণ্টটো আৰু বগা চোলা এটা ধোবাৰ হতুৱাই ধোৱাই থৈছিল; আনকি লংপেণ্টটোৰ কঁকালৰ দুক মৰা ঠাইৰ ৰঙা দাগটো গুচাব নোৱৰাৰ কাৰণে সি ধোবাটোক ডবিয়াইছিল, আৰু মামৰৰ দাগ কেনেকৈ যাব বুলি ধোবাটোৱেও তাক ঘুৰাই গেঙেৰি মাৰিছিল।

কিন্তু নহ'ল। ওচৰৰ গাওঁ এখনৰ মুকলি পথাৰত মটৰত যন্ত্র-পাতি লৈ ফুৰা কোম্পানি এটাই পূজাৰ কেইদিন ছিনেমা দেখুৱাবলৈ লৈছিল; কালি অষ্টমী পূজাৰ নিশা তাত ডাঙৰ মাৰ-পিট লাগিল; মাৰ-পিটৰ জুই ৰাতিয়েই নুমাল, কিন্তু কিছুমান বদমাচ মানুহে হেনো আওঠাবোৰত শুকান গছপাত আদি জাপি দি ফুৰাই থকা দেখা গৈছে; গতিকে সেই অঞ্চলত কেইটামান চিপাহী এই কেই-দিনৰ কাৰণে ৰাখি দিবলগীয়া হ'ল; ফলত চহৰত চিপাহী কমি গ'ল আৰু দীনৰ ডিউটি পৰিল।

দীনই খবৰটো শুনিয়েই ওপৰৱালাৰ ওচৰলৈ দৌৰি গ'ল, গৈ কাওঁ-বাওঁ কৰিলে; আৰু উত্তৰত ওপৰৱালাজনে ক'লে, অইন এজন ওপৰৱালাই হেনো দীনক সেই গাওঁখনলৈকে পঠোৱাৰ কথা কৈছিল, তেওঁহে বুদ্ধি কৰি তাক ইয়াতে ৰাখিলে। তাৰ উপৰি পূজাৰ কেইদিন ইমাৰ্জেন্সি চলিছে।

ফলস্বৰূপে দীনই পূবে মাংসৰ দোকান থকা চাৰি আলিটো আৰু পশ্চিমে চেৰাপ-ভাতী, এই অঞ্চলত ডিউটি কৰিছে, আৰু বাৰে বাৰে সি অস্থিৰ হৈ পূজা-মণ্ডপটোলৈ উভতি আহিছে আৰু যাত্ৰীৰ মাজত লখিমী আৰু সৰুমাওক বিচাৰি ফুৰিছে। পূজা-মণ্ডপৰ ওচৰতেই

গণ্ডগোল বেছি হয়, এই নিজে সজা যুক্তিটোৰ আশ্রয় লৈ সি বেছি ভাগ সময় এইখিনিতে ঘূৰাপকা কৰি থকাৰ সুবিধা লৈছে। প্ৰতিখন বাছৰ যাত্ৰীবোৰ চাই লখিমীহঁতক নেদেখি সি হতাশ হৈছে, আৰু একোবাৰ আশ্বস্তও হৈছে, সিহঁত যেন আজি নহাই ভাল; কিবা কাৰণত সিহঁত আজি আহিব নোৱৰাই ভাল। সিহঁত আহিলে আজি সি কি কৰিব? তাৰ ডিউটি কেতিয়া শেষ হ'ব? সি যেতিয়া মুকলি হ'ব, তাৰ পাছতো লখিমীহঁতক দেখুৱাবলৈ তাৰ কাৰণে পুজা থাকিবনে? আৰু সিহঁতকতো থৈয়ো আহিবগৈ লাগিব! নাই নাই, নালাগে, সিহঁত আজি আহিব নালাগে।

কিন্তু পিছ মুহূৰ্ত্ততে দীনৰ মনটো আকৌ দুখেৰে ভৰি গ'ল। তাৰ নিজকে বৰ অসহায় যেন লাগিল। সি ইমান আশা কৰি আছিল আজিৰ দিনটোলৈ। তাৰ বগা কাপোৰযোৰৰ ভাঁজ এবাৰো নোখোলাকৈয়ে তাৰ টিনৰ চুটকেচটোত সোমাই আছে; এয়া তাৰ বুকুৰ জেপৰ বেগটোত ডেৰকুৰি টকা আছে, ফটোৰ দোকানত ফটো এখন তুলিলে দহ টকা লাগিব বুলি সুধি জানি থোৱা আছে, বনোৱাৰীলালৰ দোকানখন আজি যে খোলা থাকিব সেইটো খবৰ লৈ থোৱা আছে; আৰু আটাইতকৈ ডাঙৰ কথা, আজি বহুতপৰ ধৰি লখিমীৰ মুখখন চাই থাকিবলৈ পোৱাৰ তাৰ এটা অদ্ভুত আশা আছে; এই চহৰখনক প্ৰথমবাৰৰ কাৰণে নতুনকৈ চাবলৈ তাৰ বৰ হেঁপাহ আছে!

দীন লাহে লাহে চেৰাপ-ভাতীৰ ফালে আগুৱাই গ'ল। চেৰাপ-ভাতীৰ ওচৰৰপৰা উভতিছে, এনেতে সি মন কৰিলে পিছ ফালৰ-পৰা এখন বাছ আহিছে। বাছখনে তাক পাৰ হৈ গুচি যোৱাৰ সময়ত সি এবাৰ মুৰ তুলি চালে আৰু দেখিলে খিৰিকীৰ কাষত লখিমী। বাছখন বেগেৰে পাৰ হৈ গ'ল। দীনৰ গোটেই গাটো যেন জিকাৰ খাই উঠিল। এক মুহূৰ্ত্তৰ কাৰণে তাৰ হিতাহিত জ্ঞান যেন নোহোৱা হৈ গ'ল; তৎক্ষণাত সি জেপৰপৰা চুইছেলটো

উলিয়াই ল'লে, আৰু যিমান পাৰে জোৰেৰে হুইছেলটোত ফু দিলে। বাছখন অলপ দূৰ গৈ ৰৈ গ'ল। এনেকুৱা পূজা-উছৱৰ দিনত বাছবোৰে অপৰাধৰ কাম বেছি কৰে, সেইটো কথা বাছৰ ড্ৰাইভাৰ-হেণ্ডিমেনে নিজেই বেছিকৈ জানে; সেই কাৰণে সিহঁত দুটাই চঁক খালে, এইবাৰ বা কি লেঠা লাগিল! যাত্ৰীৰে ঠাহ খাই থকা বাছখনৰ পিছ দুৱাৰত কোনোমতে থিয় হৈ দীনয়ো ভাবিলে—সি এতিয়া কি কাৰণে বাছখন ৰাখিলে বুলি ক'ব? সি প্ৰথমতে গহীন হ'ল; হেণ্ডিমেনক বাছখন চলাবলৈ ক'লে আৰু তাৰ পাছত কেউফালে এনেকুৱা এটা ভংগীৰে চাবলৈ চেষ্টা কৰিলে যেন কোনোবা এটা পলৰীয়া বদমাচক সি অকল এইখন বাছৰেই নহয় প্ৰত্যেকখন বাছৰেই যাত্ৰীবিলাকৰ মাজত বিচাৰি ফুৰিছে। থিয় হৈ থকা মানুহবিলাকৰ মাজে মাজে আগবাঢ়ি তাৰ সৰুমাওহঁতৰ ওচৰলৈ যাবলৈ বৰ মন গৈছিল, কিন্তু ইচ্ছাটো সি জোৰকৈ দমন কৰি ৰাখিলে।

বাছষ্টেণ্ডত নামিয়েই লখিমীয়ে এবাৰ লাজ-লাজ দৃষ্টিৰে দীনলৈ চাই লাহেকৈ হাঁহিলে। দীনই তাইৰ গোটেই গাটোকে এবাৰ চাই ল'লে। দুমাহমানৰ আগতে সি দিয়া ছিল্কৰ চাদৰ এখনকে তাই লৈ আহিছে। চহৰৰ মাটিত ভৰি দিয়াৰ লগে লগে যেন তাইৰ চেহেৰাটো মুকলি হৈ গৈছে। তাইৰ গাল, বাহু, হাত—মুঠতে গোটেই গাটোৰেই বৰ ধুনীয়াকৈ পুৱঠ হৈ উঠিছে; তাইৰ মুখৰ বগা ৰঙটো ইয়াৰ মাজতে কেতিয়াবা অলপ ৰঙচুৱা হৈ গৈছে; এইবোৰ কথা দীনই যেন ইমান দিন মনেই কৰা নাছিল।

সৰুমাওহঁত আহি পোৱাৰ লগে লগে দীনই তাৰ কপালৰ দুখৰ কথা ক'ব বুলি ভাবি আছিল, কিন্তু লখিমীৰ গাৰপৰা চকু ঘূৰাই অনাৰ পাছত সৰুমাওৰ চকুৱে চকুৱে পৰোঁতে সি খোতামোজা লগাই সুধিলে, "তহঁতৰ ইমান দেৰী হ'ল কিয়? ৰৈ আছোঁ, ৰৈ আছোঁ, পাছত তহঁত নাহিবি বুলিয়েই ধৰি লৈছিলোঁ।

সৰুমাৱে বুজাই দিলে, বাছত চিট নাছিল, সিহঁতো বৈ আছিল বৈ আছিল, এবাৰতো সিহঁতে আহিব নোৱাৰিব বুলিয়েই ভাবিছিল।

"আহ" বুলি দীনই সিহঁতক বাটৰ কাষে কাষে আগবঢ়াই নিলে। কিন্তু নিব ক'লৈ? দীনৰ মনটো আকৌ বেয়া লাগি গ'ল। এনেতে সৰুমাৱে সুধিলে, "তোৰ এতিয়া ডিউটি আছে নেকি অ'?"

"এ নকবি দে।" বিৰক্তিটো দীনৰ মুখত ফুটি উঠিল। গাৰ খাকী কাপোৰযোৰ তাৰ কুৎসিত, দুৰ্গন্ধময় কেঁচা বাঘ ছাল যেন লাগিল, কঁকালৰ পেটি, হুইচেলৰ ৰছী এইবোৰ লোহাৰ শিকলি যেন লাগিল, মূৰৰ টুপীটো অসহ্য গধুৰ বোজা যেন লাগিল। সি ক'লে, "এই গুণ্ডা-বদমাচবোৰৰ কাৰণে শান্তি নোহোৱা হ'ল। কোনোবাই কৰবাত মাৰ-পিট কৰিলে, আৰু ইফালে মোৰ আজি ছুটীটো কটা গ'ল।"

গুণ্ডা-বদমাচৰ নাম শুনি সৰুমাও লখিমী দুয়োজনীয়ে দীনৰ মুখলৈ চালে। গুণ্ডা-বদমাচৰ কথাই নাই, সাধাৰণ দন-খৰিয়াল বুলিলেই সিহঁতৰ বৰ ভয় লাগে। লখিমীৰ আকৌ তেজৰ নাম শুনিলেই মূৰ ঘূৰাই যায়। সৰুমাৱে লগে লগে সুধিলে, "কৰবাত কাজিয়া লাগিছে নেকি?"

দীনই কথাটো পাতলাই দিলে। সৰুমাৱে সুধিলে, "তোৰ ডিউটিনো কেতিয়া শেষ হ'ব?"

"জানো! ক'বই পৰা নাই। নিয়মমতেতো ছয় বজাত শেষ হ'ব লাগে।" বিৰক্তিটোৱে দীনৰ ভিতৰত বটলত জীয়াই থোৱা মাছৰ নিচিনাকৈ উঠা-নমা কৰি আছিল।

লখিমীয়ে সৰুমাওক সৰু মাতেৰে কিবা এষাৰ ক'লে, সৰুমাৱে "এৰা" বুলি শলাগিলে। লখিমীয়ে এতিয়ালৈকে কথা কোৱাই নাই; সেই কাৰণে দীনই আগ্ৰহেৰে ভনীয়েকক সুধিলে, "কি হ'ল?"

"একো হোৱা নাই; ভাই কৈছে আজি আমি নহা হ'লেই ভাল আছিল।"

দীন সন্ত্ৰস্ত হৈ উঠিল, "নাই নাই, একো নাই। মোৰ ইয়াতে ডিউটি; ডিউটি মানে বাটে-বাটে পূজা চাই ঘূৰি ফুৰাহে! একো অসুবিধা নহয়। আহ।"

"ৰবি আকৌ! আমি ইমান বেগ দি যাব পাৰোঁ নেকি?" সকমাৰে ক'লে।

দীন থমক খাই ৰ'ল। সি বেগ দিয়া নাছিল; তথাপি সি আগবাঢ়ি গৈছিল। ভৰি মিলাই খোজ কঢ়াৰ অভ্যাস সি বহুত কৰিছে, কিন্তু লখিমীহঁতৰ নিচিনা ভৰিৰ খোজৰ লগত খোজ মিলোৱা অভ্যাস তাৰ একেবাৰে নাই। তাৰ এবাৰ লখিমীৰ ভৰি চুখনলৈ চকু গ'ল। চহৰৰ ছোৱালীহঁতৰ ধীৰ, লঘু, আলফুলীয়া খোজ সি বহুত দেখিছে; সেই একে খোজ! তাৰ মনটো হঠাতে প্ৰসন্নতা, সন্তুষ্টিৰে ভৰি যাব খুজিলে; কেৱল তাৰ নিজৰ ভৰিৰ গধুৰ বুটজোতা-যোৰৰ তলৰপৰা ওলোৱা কৰ্কশ শব্দটোৱে তাক আমনি কৰিলে।

সিহঁত গৈ গৈ পূজা-মণ্ডপটোৰ ওচৰ পাইছিলগৈ, এনেতে মনোহৰ প্ৰসাদ নামৰ দীনৰ লগত হলি-গলি ৰাখিবলৈ চেষ্টা কৰা এক চালানী আমৰ ব্যৱসায়ীয়ে বাটৰ সিটো কাষৰপৰা আধা শব্দ কৰি, আধা ইংগিতেৰে দীনক মাত লগালে। দীন ৰ'ল, লখিমীহঁত আগবাঢ়ি গ'ল। ৰাস্তাটো পাৰ হৈ আহি মনোহৰ প্ৰসাদে গোপন কথা সোধাৰ নিচিনাকৈ সুধিলে "কি হ'ল?"

দীনই সুধিলে, "কি কি-হ'ল?"

মনোহৰ প্ৰসাদে চকুৰ ইংগিতেৰে লখিমীহঁতক দেখুৱালে। মুহূৰ্তৰ ভিতৰতে যেন তেজৰ চল এটা দীনৰ মুৰৰ ফালে উজাই গ'ল; মনোহৰ প্ৰসাদৰ ইংগিতটো সি সম্পূৰ্ণ হ'বলৈ নিদিলে; প্ৰায় লগে লগেই সি ক'লে, "সেইজনী মোৰ ভনী, আৰু ইজনী আমাৰ গাৱঁৰে ছোৱালী, তাইৰ লগৰ।"

মনোহৰ প্ৰসাদে তৎক্ষণাত আশ্ৰমৰ কন্যাসকলৰ তত্ত্বাৱধানত থকা বৃদ্ধ ঋষিৰ নিচিনা সৌম্যমূৰ্তি ধাৰণ কৰিলে; চাচিপাণ, কিমাম, জৰ্দাৰ

গচকত ৰক্তপাত হোৱা দাঁতকেইটা উলিয়াই সি এবাৰ হা-হাকৈ হাঁহিলে, তাৰ পাছত ক'লে "পূজা চাবলৈ আহিছে? দেখুৱাওক দেখুৱাওক। আমাৰ সেইফালে বৰ বজাৰৰ ওচৰতো এখন ডাঙৰ পূজা হৈছে নহয়; সেই ফালেও নিব এবাৰ।"

দীন গম্ভীৰ মুখেৰে আঁতৰি গ'ল।

দীনহঁতে সাধাৰণতে গণ্ডগোলত লিপ্ত থকা মানুহৰ লগে লগে খোজ কাঢ়ে আৰু প্ৰায়েই থানাৰ ফালে আগুৱাই যায়। এনেকুৱা পূজা উছৱৰ সময়ত কেতিয়াবা গাওঁ-ভুইৰপৰা অহা অভিভাৱক নোহোৱা তিৰোতা মানুহো বিপদত পৰেহি, আৰু সিহঁতৰ ত্ৰাণকৰ্তা-ৰূপে কিছুমান মানুহো চহৰখনত অনবৰত ঘূৰঘূৰকৈ ঘূৰি ফুৰে।

"পূজা হৈ যাওক, তাৰ পাছত তাক এবাৰ লগ পাব লাগিব।" বুলি দীনই ৰামপ্ৰসাদৰ নামত এবাৰ দাঁত কামুৰিলে।

কৰবাত এখন মটৰ ছাইকেলৰ টপ-টপনি শুনি দীনই এবাৰ কাণখন থিয় কৰি গম ল'লে। নহয়, এইখন বেলেগ; থানাৰ অ'-ছিৰ এখন মটৰ ছাইকেল আছে। সেইখনৰ শব্দটো সি চিনি পায়।

সি লখিমীহঁতক লগ পাওঁ পাওঁ হৈছিল, হঠাতে তাৰ ভৰিৰ গতিটো অকণমান কমি গ'ল। এনেকৈ লখিমীহঁতৰ লগে লগে যোৱাত তাৰতো অইন এটা অসুবিধাও আছে! কেনেবাকৈ যদি তাৰ ওপৰৱালা এজন এইফালে আহে; বিশেষকৈ এই তিৱাৰি বোলাটো! সাতশ মাইল দূৰত ল'ৰা-তিৰোতা থৈ কেৱল প'ষ্টকাৰ্ড, মণিঅৰ্ডাৰৰ ওপৰত ভাৰসা কৰি মহাসুখে বছৰৰ পাছত বছৰ চাকৰি কৰি আছে, সিনো লখিমীহঁতক লগত লৈ ডিউটি কৰা দেখিলে দীনক শুদাই এৰিবনে?

আগে আগে গৈ থকা লখিমীক দীনই করুণ দৃষ্টিৰে চালে। খোজ কাঢ়োঁতে তাইৰ গোটেই গাটোৱেই যেন ধীৰ গতিৰে নাচিছে। সি নিজে কিনি দিয়া ছিঙ্কৰ চাদৰখনে সেই নাচোনৰ

লগত জোটা-পুটি লগাইছে। দীনৰ এবাৰ লখিমীৰ পিঠিখনত চাদৰখনৰ ওপৰত আলফুলকৈ হাত বুলাবলৈ মন গ'ল।

সি লখিমীহঁতৰ সমান-সমান হ'বলৈ অলপ বেগ দিলে। যি হয় হ'ব। সি ফুৰিবও, ডিউটিও কৰিব; তাৰ পাছত সন্ধিয়া ডিউটি শেষ হ'লে সিহঁতক ঘৰত থৈ আহিবগৈ। কিন্তু মাংসৰ দোকান আৰু চেৰাপ-ভাতী, ইয়াৰ মাজতে ফুৰা!

এবাৰ সেমেনা-সেমেনি কৰি, ক্ষীণ মাতেৰে দীনই সৰুমাওলৈ চাই, লখিমীক উদ্দেশ্য কৰি ক'লে, "আচলতে ইয়াত টাউন বুলিবলৈ এই ৰাস্তাটোৰেই বুইছ? ভাল ভাল দোকান-পোহাৰ আটাইবোৰ এইখিনিতে আছে। সিফালে আৰু এটা ৰাস্তা আছে, সেইটোত কাছাৰী ঘৰ, ছিনেমা হল, আমাৰ থানা, সেইবোৰ আছে। বৰ স্কুলস্কুল মিছামিছি। তাতে পূজাৰ বজাৰ; এই কেইদিন ভাল-ভদ্ৰ মানুহে সেইফালে ফুৰা-চকা কৰিবলৈ এৰিয়েই দিছে।"

চহৰখন সৰু নিশ্চয় হয়, কিন্তু দীনই কোৱাৰ সমান সৰু নহয়। কথাখিনি কৈ দীনৰ নিজৰে বৰ দুখ লাগিল। কেনেবাকৈ যদি এই মুহূৰ্ততে ইমাৰ্জেন্সি শেষ হৈ যায়, এই মুহূৰ্ততে যদি গাৰঁৰপৰা চিপাহীবোৰ উভতি আহে, আৰু তাৰে এটা চিপাহীয়ে যদি মাত্ৰ এঘণ্টাৰ কাৰণে তাক ডিউটিৰপৰা ৰেহাই দিয়ে!

সেইবোৰৰ সম্ভাৱনা নাই, ইফালে তাৰ হাতত থকা ঘণ্টাকেইটাও পাৰ হৈ যায় যায়! গতিকে সি যি যি কৰিব খুজিছে, কৰিবলৈ আৰম্ভ কৰি দিয়াই ভাল।

"তহঁতৰ জানো ভোক লগা নাই?" আৰু অলপ দূৰ খোজ কাঢ়ি গৈ দীনই সুধিলে। কথাষাৰ সুধি সি লখিমীৰ চকুলৈ চাওঁতে তাই তলমূৰ কৰিলে। সৰুমাৰেও একো উত্তৰ নিদিলে।

"ব'ল তেনেহ'লে"—বুলি হোটেলৰ কথাটো উল্লেখ কৰিব খুজিয়েই দীন ৰৈ গ'ল। দূৰত মানুহ এজাকে জুম পাতিছে; জুমটোৰপৰা গণ্ডগোল এটাও ভাঁহি আহিছে।

"অকণমান সময়ৰ কাৰণে তহঁতে এটা কাম কৰচোন।" দীন ব্যস্ত হৈ উঠিল। "ব'লচোন তহঁতে সৌ পূজা ঘৰটোতে গোসাঁনীও চাবি, অকণমান বহিবিও, মই ফৎকৰে সৌথিনিত কি হৈছে চাই আহোঁ।"

পূজাঘৰৰ ছালিখনৰ তলত সৰুমাও আৰু লখিমীক এৰি দীন চিপাহীৰ খোজেৰে মানুহৰ জুমটোৰ ফালে আগবাঢ়িল।

গণ্ডগোল বিশেষ একো নাই। এটা মানুহে খনে দুটকা দামৰ ছুৰী-কটাৰী এসোপা হঠাতে আঠ অনাকৈ বেচাৰ সিদ্ধান্ত কৰি পেলালে; ফলত গ্ৰাহকৰ হেতা-ওপৰা লাগিল আৰু তাৰ মাজতে এক অনাও নিদিয়াকৈ কোনোবাই চাৰিখন ছুৰী লৈ গ'ল। কোনে নিলে কি ঠিক; কিন্তু উপস্থিতসকলৰ ভিতৰত কাৰোবাক সন্দেহ কৰিলেই তেওঁলোকে ছুৰীৰে বেপাৰীটোৰ পেট ফালি দিব বুলি ঘোষণা কৰিছে, এনেতে দীন গৈ তেওঁলোকৰ ওচৰ চাপিল। বেছি বাছ-বিচাৰ কৰাৰ দীনৰ ধৈৰ্য্য নাই; চৰকাৰী ৰাস্তাৰ মাজত ফটাকানি পাৰি দোকান দিয়াৰ অপৰাধত সি বেপাৰীটোৰ মূৰৰ ওপৰত ডুবাৰমান লাঠিডাল ঘূৰালে; নিজ হাতেৰে ফটাকানিখন গুপাই ছুৰী-কটাৰীখিনিৰ টোপোলা এটা কৰিলে আৰু বাটৰ কাযৰ বাৰাণ্ডা এখনত টোপোলাটো ঠেকেচকৈ পেলাই থৈ পূজা মণ্ডপলৈ উভতি আহিল।

পূজা-মণ্ডপত লখিমী আৰু সৰুমাও প্ৰায় গাত গা লগাই থিয় হৈ আছিল; সিহঁতৰ ওচৰতে বেঞ্চ এখনো আছিল কিন্তু সিহঁত বহা নাই। ক'ৰ বা বেঞ্চ, কোন বহিবলৈ বা থৈছে!

দূৰৰ পৰা সিহঁতক দেখি দীনৰ মনটো বেয়া লাগিল। সিহঁতৰ মুখ দুখন মলিন হৈ গৈছে। দীনৰ এনেকুৱা লাগিল, সিহঁতে যেন ভয় খাইছে, সিহঁতৰ যেন ভাগৰ লাগিছে। চাৰিওফালৰ মানুহ-বিলাকৰ কোনোবাই পোনে পোনে, কোনোবাই বেঁকা-বেঁকিকৈ, কোনোবাই আঁৰ চকুৰে সিহঁত দুজনীক চাইছে। দীনৰ নিজকে

অপৰাধী-অপৰাধী যেন লাগিল। নহয়, এইবাৰ সি সিহঁত দুজনীৰ লগে লগে থাকিব।

কিন্তু সি নোৱাৰিলে। বেলি পৰি অহাৰ লগে লগে যেন গোটেই চহৰখনৰ মানুহবোৰৰ নিজ নিজ কাম শেষ হ'ল; নৰমী পূজাৰ আবেলিটোকে জীৱ দিয়াৰ বাহিৰে যেন কাৰো একো কাম বাকী নাথাকিল। দোকান-পোহাৰ, বাটপথ লাহে লাহে মানুহেৰে ভৰি আহিল আৰু মানুহবোৰো যেন লাহে লাহে প্ৰাণপ্ৰাচুৰ্যেৰে ভৰি পৰিল।

এবাৰ দীনই লখিমীহঁতক বাটৰ কাষত অকণমান ৰ'বলৈ কৈ আগতে মনে মনে নিৰ্দিষ্ট কৰি থোৱা চাহৰ দোকান এখনৰ আঁৰ-বেৰ থকা, তিৰোতা মানুহ বহিব পৰা কোঠালিকেইটাত ভুমুকি মাৰি আহিল। এটা কোঠালিও খালী নাই; প্ৰতিটো কোঠালিতে মতা মানুহ বহি আছে। অলপ পাছত আকৌ এবাৰ চাবহি বুলি ঠিক কৰি লৈ দীনই লখিমীহঁতক মাংসৰ দোকান থকা চাৰি আলিটোৰ পৰা ঘুৰাই আনিলেগৈ। লখিমীহঁতৰ খোজবোৰ লাহে লাহে মন্থৰ হৈ আহিছিল; গতিকে পিছৰবাৰো যেতিয়া চাহ দোকানখনৰ আছুতীয়া কোঠালীকেইটা মানুহেৰে ভৰি থকা দেখিলে, তেতিয়া দীনই সাহ কৰি মুকলিৰ মেজ এখনৰ কাষতে লখিমী আৰু সৰুমাওক বহুৱাই দিলে আৰু সিহঁতৰ মুখামুখিকৈ সি নিজে বহিল। বহিয়েই সংকোচ মিহলি দৃষ্টিৰে সি চাৰিওফালৰ মানুহবিলাকলৈ এবাৰ চালে আৰু প্ৰায় প্ৰতেকটো মানুহৰ লগতেই তাৰ চকুৱে চকুৱে পৰিল। ঘোপমৰা কোঠালিত বতাহৰ চলাচল প্ৰায় নাছিলেই; তাৰ মাজত তাৰ খাকী কাপোৰবোৰৰ যন্ত্ৰণাত সি ভিতৰি-ভিতৰি ঘামি উঠিল।

"তহঁতৰ ভৰি বিষাইছে নেকি?" নিজৰ দোষী মনটো ঢাকি দীনই লখিমী আৰু সৰুমাওক তোষামোদ কৰিবলৈ চেষ্টা কৰিলে। সৰুমাৱে ক্ষীণ মাতেৰে নাই বিষোৱা বুলি ক'লে। লখিমীৰ মুখখন ৰঙা পৰিছে। তাইৰ চকুৱে-চকুৱে পৰোঁতে দীনৰ মনটো এক

অদ্ভুত উত্তেজনাত কঁপি উঠিল। ইমান ওচৰা-উচৰিকৈ, এনেকৈ মুখামুখিকৈ লখিমীৰ লগত সি কেতিয়াও বহা নাই, এনেকৈ লখিমীক সি কেতিয়াও দেখা নাই। ডিউটিৰ বেদনা আৰু লখিমীৰ সান্নিধ্যৰ চেপাত পৰি তাৰ কথাবোৰ বেবেৰিবাং হৈ গ'ল। চাহ আহি মেজ পায়হি মানে সি চহৰৰ পূজা, চিপাহীৰ দায়িত্ব, সিহঁতে অলপতে থাকিবলৈ সৰু সৰু স্বকীয়া ঘৰ পাব, এতিয়া কোনোমতে থাকিব লাগে, আছে ; এনেকুৱা বিভিন্ন বিষয়ৰ ওপৰত বহুত বেবেৰিবাং কথা কৈ গ'ল। পিছৰ ফালে লাহে লাহে লখিমীৰ চকুযোৰো তিৰবিৰাবলৈ ধৰিলে।

মিঠাইটো খাই উঠি দীনই চিঙৰাটোত কামোৰ মাৰিছে, এনেতে বাহিৰত, অলপ দূৰত মটৰে হঠাতে জোৰেৰে ব্ৰেক টনাৰ এটা আৰ্তনাদৰ নিচিনা শব্দ হ'ল। চিঙৰাৰ অৱশিষ্টখিনি হাতত লৈ দীনই কাণ থিয় কৰিলে। সি এবাৰ ভাবিলে, থাকক, যি হয় হৈ থাকক, কিন্তু পিছ মুহূৰ্ততে তাৰ অস্বস্তি লাগিল ; আৰু কেই মুহূৰ্তমানৰ ভিতৰতে তাৰ অস্বস্তিটো এটা দৃঢ় কৰ্তব্যবোধলৈ পৰিণত হ'ল। "তহঁতে খাচোন, মই এতিয়াই আহিম"—বুলি সি ওলাই গ'ল।

দীন গৈ পোৱাৰ আগতেই ওচৰৰ চাৰি আলিটোত ট্ৰাকৰ ড্ৰাইভাৰ এটা আৰু জীপ গাড়ীৰ ড্ৰাইভাৰ এটাই ইটোৱে সিটোক প্ৰায় চোওঁ চোওঁকৈ মেইন ৰাস্তা কোনটো তাকে লৈ তৰ্ক কৰিছে ; চাৰি আলিটোত ট্ৰাকখনৰ আগৰ বাওঁফালটোৱেও জীপখনৰ আগৰ সোঁফালটো ছোওঁ ছোওঁ কৰি আছে। জীপৰ ড্ৰাইভাৰটোৰ চকু ৰঙা, ট্ৰাকৰ ড্ৰাইভাৰটোৰ চকুৰ ৰং দেখিবলৈ সি ভালকৈ চকু মেলাই নাই। অইন দিনালৈ চাই ইহঁত দুটাক হুৰ হুৰকৈ থানালৈ টানি নিবলৈ অইন কোনো যুক্তিৰেই প্ৰয়োজন নাই ; আজি কিন্তু দীনই কাম নবঢ়ালে ; গাড়ী দুখনৰ নম্বৰ দুটা লিখি লোৱা যেন দেখুৱাই সি দুয়োখন গাড়ীক দুফালে পঠিয়াই দিলে।

লখিমীহঁতে চাহ খোৱা শেষ কৰি তলমূৰকৈ বহি আছিল; দীনও আকৌ আগৰ চকীখনতে বহিলহি। বাকী থকা চাহ-মিঠাইখিনি খাবলৈ তাৰ মন নগ'ল। সৰুমাৱে সুধিলে, "সেইখিনি নাখাৱ?"

"নাখাওঁ দে আৰু।" দীনই বিৰক্তিটো চেপা মাৰি ৰাখি ক'লে।

"বল তেনেহলে, ওলাই যাওঁ।" সৰুমাৱে গাটো লৰালেই।

"কিয়? অকণমান সময় ইয়াতে বহোঁ দে; তহঁতৰ খোজ কাঢ়ি কাঢ়ি বেয়া লগা নাই?"

"লাগিলেও ইয়াত বহিবলৈ ভাল লগা নাই; বল।"

অলপ অবাক হৈ দীন লাহে লাহে দোকানখনৰ পৰা ওলাই আহিল। বাটৰ কাষত থিয় হৈ সি আকৌ সৰুমাওক সুধিলে, "কিয়, কি হ'ল কচোন।"

সৰুমাৱে অলপ লাজ কৰিলে, তথাপিও তাই বিক্ষোভ মিহলোৱা মাতেৰে ক'লে, "মানুহবোৰ বৰ বেয়া, কিবা গুণ্ডাৰ নিচিনা।" কথাষাৰ কৈ তাই লখিমীলৈ চালে; লখিমীয়ে লাজ আৰু ভয়ে আৰবি ৰখা মুখখন তল কৰিলে।

দীনৰ মগজত যেন দপকৈ একুৰা জুই জ্বলি উঠিল। তাৰ এনেকুৱা লাগিল যেন সি এবাৰ হোটেলখনৰ ভিতৰলৈ গৈ আটাইবোৰ মানুহক লাঠিডালেৰে কোবাই কোবাই ৰাস্তালৈ উলিয়াই আনিব। কিন্তু সি একো নকৰিলে; বৰঞ্চ লৰালৰিকৈ মানুহবোৰৰ দৃষ্টিৰপৰা আঁৰ হোৱাটোকে বাঞ্ছা কৰি সি লখিমীহঁতক লৈ আঁতৰি গ'ল, আৰু অনবৰত ভিতৰি ভিতৰি এটা যন্ত্ৰণা অনুভৱ কৰি থাকিল।

কিন্তু যন্ত্ৰণাই তাক বোবা কৰি পেলালে সন্ধিয়াৰ আগে আগে। তাক ওচৰত লৈ সৰুমাওহঁতে এখন দোকানত থাৰু আৰু চুলিৰ ক্লিপ কিনিছিল; এনেতে দীনই লক্ষ্য কৰিলে ছাইকেল চলাই, ইফালে-সিফালে চাই চাই তেৰাৰী আহিছে। সৰুমাওৰ হাতত পাঁচটকীয়া নোট এখন পেলাই থৈ দীন তেৰাৰীৰ ফালে আগুৱাই গ'ল।

তেৰাৰীয়ে প্ৰথমতে খবৰ ল'লে ক'ৰবাত কিবা বেয়া ধৰণৰ গণ্ডগোল হৈছিল নেকি ;—তাৰ পাছত তেওঁ খবৰ দিলে, আৰু কেইবাখনো গাঁৱত আৰু টাউনৰ ভিতৰতো কেইবা ঠাইতো মাৰপিট লাগিছে; কালি মাৰপিট হোৱা গাঁওখনৰপৰা আজি আবেলি এজাক মানুহ ধৰি আনি থানাত থোৱা হৈছে ; দুটা মটৰ এক্সিডেণ্ট হৈছে ; গাঁৱলৈ আৰু ছজন চিপাহী পঠিয়াই দিয়া হৈছে ; গতিকে পহৰা দিয়া ডিউটি শেষ হ'লে দীন থানাৰ সন্মুখৰ ট্ৰাক এখনত বহি ৰে'ডি পাৰ্টি হৈ থাকিব লাগিব। ইমাৰ্জেন্সি ডিউটি ।

দীনই থৰ লাগি অলপ সময় তেৰাৰীৰ মুখলৈ চাই থাকিল। তাৰ বুকুৰপৰা এটা কান্দোন ডিঙিৰ ওচৰলৈ উঠি আহিব খুজিলে। সৰুমাও, লখিমী আৰু সি তিনিওটাই তেৰাৰীৰ ভৰিত পৰি যেন কাকুতি কৰিব, তাৰ এনেকুৱা লাগিল। কিন্তু সি এষাৰ কথাও ক'ব নোৱাৰিলে। তাৰ লগত কথা পাতোঁতে তেৰাৰীয়ে দূৰৰ দোকানৰ বাৰাণ্ডাত থকা লখিমী আৰু সৰুমাওৰ ফালে বাৰে বাৰে চায়েই আছিল ; কিন্তু সিহঁত দুজনীৰ কথা উল্লেখ কৰিবলৈও তাৰ মন নগ'ল। লখিমী আৰু সৰুমাওৰ ফালে চাই চাই তেৰাৰীয়ে ছাইকেল চলাই গুচি গ'ল। দীন বোবা হৈ থিয় দি থাকিল।

দোকানৰ বাৰাণ্ডালৈ উভতি আহি দীনই অভিমানত আহত মাতেৰে সৰুমাওক ক'লে, "তহঁতক বাছত তুলি দিওঁ, যাবগৈ পাৰিবি ?"

সৰুমাওৰ চকু দুটা ডাঙৰ ডাঙৰ হৈ গ'ল। আচৰিত হৈ তাই সুধিলে, "কিয় ? তই নাযাৱ ?"

অইন ফালে চাই দীনই ক'লে, "মোৰ ডিউটি শেষ নহ'ব হবলা।"

সৰুমাও অস্থিৰ হৈ উঠিল। আন্ধাৰ নামি আহিছে ; টেলেকাকৈ চকু মেলি মেলি প্ৰত্যেকটো মানুহেই সিহঁতক চাইছে, চাহৰ দোকানৰ সেই বদমাচ মানুহকেইটা এতিয়াও চাগৈ ওচৰে-পাজৰে ঘূৰি ফুৰিছে ; সিহঁতৰ গাঁৱলৈ যোৱা বাটৰ দুয়ো কাষৰ বাগিচাৰ

পূজাবিলাকত নৰমীৰ ৰাতি উন্মত্ত হৈ যোৱা মানুহবিলাকৰ কাহিনী সিহঁতে প্ৰতি বছৰেই শুনি ঘৰতে ভয়ত কোঁচ খাই থাকে। এতিয়া সিহঁত তুজনীয়ে অকলে কোনোমতেই ঘৰলৈ যাব নোৱাৰে।

"তেনেহ'লে কি কৰিবি? মোৰতো ডিউটি শেষ নহ'বও পাৰে।" দীনই অসহায়ৰ সুৰত ক'লে।

সৰুমায়ে অবুজ ছোৱালীৰ নিচিনাকৈ ক'লে, "আমি তোৰ লগে লগে থাকিম। তোৰ ডিউটি যেতিয়া শেষ হ'ব তেতিয়া আমাক থৈ আহিবিগৈ।"

"গোটেই ৰাতিটো যদি"—

দীনৰ কথা শেষ হ'বলৈ নাপালে, সৰুমায়ে সুধিলে, "তইনো ৰাতি ক'ত থাকিবি?"

"থানাত।"

"আমাকো থানাতে বহুৱাই থ'বি. গোটেই ৰাতি থানাতে বহি থাকিম। তই খালী ওচৰতে থাকিবি।" এটা অজান ভয়ত সৰুমাও কোঁচ খাই গৈছিল। লখিমীৰ চকুযোৰ চলচলীয়া হৈ উঠিছিল।

তুটামান হৃষ্ট-পুষ্ট ডেকা মানুহ তাইৰ নিচেই কাষেদিয়েই পাৰ হৈ গ'ল। তাই অলপমান লখিমীৰ কাষলৈ চাপি আহিল।

দীনৰো ভয় লাগিছিল। নৰমী পূজাৰ সন্ধিয়াই বাধাহীন আনন্দ আৰু উত্তেজনাত মতলীয়া ৰূপ লৈছে। চেৰাপ-ভাতীৰ ওচৰত উন্মত্ত মানুহৰ হেঁচা-ঠেলা লাগিছে; মাংসৰ দোকানত ছাগলীৰ ছালকেইখনৰ বাহিৰে আৰু একো নাই। চেৰাপ-ভাতীৰ ওচৰত নতুন মাংস-তৰকাৰীৰ দোকান বহিছে। গোসাঁনীৰ আগত তুপৰীয়া বলি দিয়া ছাগলীৰ মঙহো এইখিনি পাইছেহি নেকি তাৰ ঠিক নাই। মানুহৰ মাজে মাজে লখিমী আৰু সৰুমাওক আগুৰাই নি থাকিবলৈ দীনৰ বৰ কষ্ট হৈছে। মানুহবিলাকে যেন পোন,-মুকলি বাটেৰে খোজ কাঢ়িবলৈ পাহৰি গৈছে। তুই ফালে হাত তুখন নাৱৰ বঠা মৰাদি নামাৰিলে সিহঁতে যেন আগুৰাবই নোৱাৰে।

লখিমী বাৰে বাৰে জিকাৰ খাই খাই উঠিল, সৰুমাও বাৰে বাৰে দীনৰ কাষ চাপি চাপি আহিল আৰু অনবৰত এটা তীব্ৰ বিক্ষোভৰ চেতনা আৰু যন্ত্ৰণাই দীনক খুটি থাকিল।

ছয় বজাৰ লগে লগে দীনহঁত সেই ৰাস্তাটোৰপৰা আঁতৰি আহিল। বাছ-ষ্টেণ্ডটোত অলপ ইফাল-সিফাল কৰি দীনই সিহঁতৰ গাঁৱৰ বিশ্বাসী মানুহ এটা বিচাৰিলে, কিন্তু নাপালে। বাছত উঠি উভতি যাব খোজা প্ৰত্যেকটো মানুহেই যেন চহৰৰ শেষ কৰ্তব্য হিচাপে চেৰাপ-ভাতীত একোবাৰ সোমাই আহিছে। শেষত এখন বাছৰ ড্ৰাইভাৰ এটাক দীনই অনুৰোধ কৰিলে, সি যেন ঘৰত খবৰ দিয়েগৈ যে সৰুমাওহঁত আজি ওভতে নে নোভতে ঠিক নাই, যদি নোভতে তেনেহ'লে সিহঁত বৰ দাৰোগাৰ ঘৈণীয়েকৰ লগত থাকিব।

মিছা কথা। বৰ দাৰোগাৰ ঘৈণীয়েকক দীনই দেখাই নাই।

এটা অলপ আন্ধাৰ বাটেদি দীনহঁত আগবাঢ়িল। আত্মগ্লানিৰ যন্ত্ৰণাত কাতৰ হোৱা মুখখন আন্ধাৰত লুকুৱাবলৈ পাই দীনৰ ভাল লাগিল। মাজতে এবাৰ সৰুমাৰে ক'লে, "তই থকা ঘৰটোলৈ এবাৰ যাওঁ বলচোন। আমি জানো ৰাতিটো তাতে থাকিব নোৱাৰিম?"

পাৰিব। যদি বংশীৰাম বুঢ়াৰ ডিউটি নাথাকে, তাৰ বাহিৰে বাকী সকলোৰে ৰাতি ডিউটি থাকে, তেনেহ'লে হয়তো সিহঁত দুজনী সেই ঘৰটোতে ৰাতিটো পৰি থাকিব পাৰিব। বংশীৰাম বয়সস্থ মানুহ, বৰ ভাল মানুহ; সকলোৱে তেওঁক বুঢ়া বুলি মাতে আৰু তেওঁ প্ৰায়বিলাক ডেকা চিপাহীলৈকে নিজৰ জীয়েকক বিয়া দিব বুলি কয় আৰু বিড়ি খোজে।

দীনই তাৰ ঘৰটোৰ ফালে ইহঁত দুজনীক আগবঢ়াই নিলে কিন্তু ঘৰটোৰ ওচৰ পাই সি থমক খাই ৰ'ল। ভিতৰৰপৰা কেইবাটাও মানুহৰ মাত ওলাই আহিছে। সৰুমাওহঁতক বাহিৰতে বৈ থাকিবলৈ দি দীন ভিতৰ সোমাই গ'ল। সিহঁতৰ দলটোৰ আটাইতকৈ বদমাচ চিপাহী চাৰিটা দুখন খাট জোৰা দি তাৰ

ওপৰত বহি আছে। চাৰিওটাৰে মাজত এখন খবৰ কাগজত এসোপা ভজা বুট। কোঠালিটোৰ বতাহত উৎকট গোন্ধ।

দীনই অলপ টান মাতেৰে সুধিলে, "তহঁতৰ ডিউটি পৰা নাই?"

"ধুৰ ধুৰ, আজি পূজাৰ শেষ বজাৰত ডিউটি কৰে!"

যাৰ যিমান চয়তানী বুদ্ধি বেছি, সি সিমানে ডিউটিৰপৰা ৰেহাই পায়, এইটো কথা দীনই আগৰপৰাই জানে; কিন্তু আজি ইহঁত চাৰিটাক সি সহ্য কৰিব নোৱাৰিলে। আৰু অলপ টান মাতেৰে সি সুধিলে, "আৰু সেই কাৰণে হবলা তহঁতে ইয়াত বহি এইবোৰ কৰিছ?"

প্যাৰেলাল বোলাটোৱে ক'লে, "আৰে আমিতো একো কৰাই নাই, বৰ দাৰোগাৰ ঘৰত চাগৈ; মই নিজে দোকানৰপৰা ইমান দীঘল দীঘল দুটা বিলাতী দি আহিছোঁ।" সি এটা হাতৰ আঙুলি ইটো হাতৰ কিলাকুটিত লগাই দীঘলৰ জোখ দেখুৱালে।

দীন ওলাই আহিল। সৰুমাও আৰু লখিমীক তাৰ দুই হাতেৰে সাৱটি ধৰি ৰাখিবৰ মন গ'ল। তাৰ মূৰত যেন জুই জ্বলি গ'ল। সি লাঠিডাল জোৰেৰে খামোচ মাৰি ধৰি খোজ কাঢ়িবলৈ ধৰিলে। লখিমীহঁতক সি এখন হোটেলত ভাত খুৱালে; তাৰ পাছত সি সিহঁতক থানাৰ বাৰাণ্ডালৈ লৈ আহিল।

থানাৰ ভিতৰ বাৰাণ্ডাত গাৰ্ডৰপৰা ধৰি অনা, মদ খাই গণ্ডগোল কৰা মতা মানুহ পাঁচটা আৰু মাইকী মানুহ তিনিজনী বহি আছিল। আটাইবোৰ চাহ বাগিছাৰ বনুৱা। কাযেদি পাৰ হৈ যাওঁতে সিহঁত আটাইজাকে দীনৰ ফালে কাতৰ দৃষ্টিৰে চালে।

দীন পোনে পোনে থানাৰ একেবাৰে ওপৰৱালাজনৰ ওচৰলৈ গ'ল। নিৰ্ভীক কণ্ঠেৰে সি ক'লে, "ছাৰ, মোৰ ভনী দুজনী গাঁৱৰপৰা পূজা চাবলৈ আহিছিল; মই ৰাতি বোলে ডিউটি কৰিব লাগিব, সেই কাৰণে সিহঁত দুজনীক আজি মই ইয়াতে ৰাখিম।"

ওপৰৱালাজনে একো ক'বলৈ নাপাওঁতেই ইটো চালাম দি দীন ওলাই আহিল। পিছ বাৰাণ্ডাৰ এখন বেঞ্চত সি লখিমী আৰু সৰুমাওক বহিবলৈ ক'লে। সি নিজে ওচৰতে ঘূৰাপকা কৰি থাকিল।

থানাৰ বিজুলী চাকিৰ পোহৰত লখিমী আৰু সৰুমাওৰ চেহেৰা দুটা জিলিকি উঠিল।

থানাৰ প্ৰত্যেকটো মানুহে এবাৰ, দুবাৰ, তিনিবাৰ—কোনোবাই বহুবাৰকৈ লখিমী আৰু সৰুমাওক চাই গ'ল। দীনৰ মগজুটো যেন বিকৃত হৈ গ'ল। প্ৰত্যেকটো মানুহৰ দৃষ্টি বীভৎস, লেতেৰা। দীনৰ ভিতৰৰপৰা আচল পুলিছ এটা তাৰ মগজলৈ ওলাই আহিল। প্ৰত্যেকটো মানুহ বদমাচ, প্ৰত্যেকটো মানুহ গুণ্ডা। কাৰো বিশ্বাস নাই। সমগ্ৰ পৃথিৱী মাতাল।

আৰু সি পুলিছ!

কিন্তু—কিন্তু—! দীনই বাওঁহাতেৰে কপালখন পিহিবলৈ ধৰিলে। সিয়ে কিমান অসহায়! সিযে কিমান অসহায় পুলিছ!

এসময়ত সিও লখিমীৰ কাষতে অকণমান সময় বহিল। তাইৰ ওচৰত তাৰ এবাৰ ক্ষমা খুজিবৰ মন গ'ল। কিন্তু সি এটা শব্দও উচ্চাৰণ নকৰিলে।

অলপ দূৰৈত বহি থকা বাগিছাৰ বনুৱাজাকৰ কোনোবাই কোনোবাই টোপনিয়াইছিল। সিহঁতৰ মদৰ জাল কেতিয়াবাই আঁতৰি গৈছিল, লগে লগে পূজাৰ ৰঙো সিহঁতৰ মনৰপৰা উৰি গৈছিল। সিহঁতৰ মাজৰ মাইকীকেইজনীয়ে বৰ আগ্ৰহেৰে, বিস্ময়াভিভূত দৃষ্টিৰে, একেথৰে লখিমী আৰু সৰুমাওৰ ফালে চাই আছিল।

সিহঁতৰ মাজৰে এটাই এবাৰ দীনক কাতৰ কণ্ঠেৰে ক'লে, "পুলিছ বাবু, আমাক যাবলৈ নিদিয়ে নে কি?"

"নিদিয়ে।" দীনই নিৰ্বিকাৰ মাতেৰে ক'লে।

"আমাক ৰাতি ক'ত ৰাখিব?"

"লক-আপত।" দীনই বাৰাণ্ডাৰ এমূৰে থকা বিশেষ ধৰণে সজা কোঠালি দুটালৈ দেখুৱালে।

অনুতপ্ত, নিস্তেজ মানুহজাক আৰু ম্ৰিয়মান হৈ পৰিল।

অলপ পাছতে বাৰাণ্ডাৰ সিটো মূৰে থানাৰ আটাইতকৈ ওপৰ-ৱালাজনক দেখা গ'ল। দীন বহাৰপৰা উঠিল। ওপৰৱালাজনে এক দৃষ্টিৰে লখিমী আৰু সৰুমাওৰ ফালে চালে।

লাঠিডালত দীনৰ হাতৰ খামোচটো টান হৈ গ'ল। প্ৰত্যেকটো মানুহ বদমাচ, প্ৰত্যেকটো মানুহ গুণ্ডা। কাৰো বিশ্বাস নাই।

ওপৰৱালাজন আগবাঢ়ি আহিল। তেওঁ ওচৰ পাই দীনক সুধিলে, "ছোৱালী মানুহ, কত সুবিধা-অসুবিধাৰ কথা আছে; তেওঁলোকক তুমি এনেকৈতো বাৰাণ্ডাত বহুৱাই থ'ব নোৱাৰা। ক'ত ৰাখিবা কিবা ভাবিছানে তুমি?"

"ভাবিছোঁ ছাৰ।" দীনই লাহেকৈ ক'লে।

"কি ভাবিছা? ক'ত থ'বা?" ওপৰৱালাই আগ্ৰহেৰে সুধিলে।

"লক-আপত ছাৰ।"

কথাষাৰ কৈ দীনই আন্ধাৰৰ ফালে মুখ ঘূৰালে।

# বৰ্ণবোধ

ক্লেৰিওনেট বজাই থকা, মুখখন বৰ আইৰ দাগেৰে ভৰা, ক'লা শকত মানুহটোৰ ওপৰত জয়ন্তীৰ বিৰক্তি জন্মিল,—সেই পেঁপাডাল মুখত লগাই তেনেকৈ ধৰি থাকোঁতে তাৰ নো বাহু বিষোৱা নাইনে ? কেঁচা খৰিৰ জুই ফুউৰাদি পেঁপাডাল ফুৱাই থাকোঁতে তাৰনো মুখ ডিঙি বিষোৱা নাইনে ? আৰু সি বজাইছেনো কি সোপা ? কোলাঘটীয়া পেনেৰা কেঁচুৱাৰ চিঞৰৰ নিচিনা টেঁ-টেঁ-টেঁ-টেঁ ! জয়ন্তীহঁতৰ গাৰঁত এটা বেণ্ড বজোৱা দল আছিল; জয়ন্তীৰ মনত আছে—বিয়াঘৰত বেণ্ড বজাই থাকি মাজতে একোবাৰ সিহঁত আটাইমখা উঠি যায়, ওচৰৰে কাৰোবাৰ ঘৰৰ নিজঞ্জাল ঠাই এডোখৰত বহি সিহঁতে ভাং খায়। ইহঁত জাকেনো এবাৰ ভাং-বিৰি খাবলৈ উঠি নাযায় নে ? তেতিয়া হ'লে সিহঁত বহি থকা চকীকেইখন খালী হয় আৰু জয়ন্তীয়ে অকণমান সময়ৰ কাৰণে হ'লেও সকাহ পায় !

জয়ন্তীৰ বাহু বিষাইছে। বিশেষকৈ বাওঁ বাহুটোৰ সিৰবোৰৰ অসহ্য টনটননি উঠিছে। বাওঁ কান্ধৰ ওপৰত মঙহ এডোখৰ যেন গেঁঠেলা মাৰিছে, বিষাই বিষাই শেষত এতিয়া মঙহডোখৰৰ সাৰ-সুৰ নোহোৱা যেন হৈছে। প্ৰায় আঢ়ৈ বজাৰপৰা বিয়াঘৰখনত মানুহৰ উকমুকনি উঠিছে, আৰু সেই তেতিয়াৰপৰা এতিয়ালৈকে,—এতিয়া পাঁচ বাজি গ'ল চাগৈ,—এই ইমান সময়ৰ ভিতৰত এক মুহূৰ্ত্তও মণ্টু তাইৰ কোলাৰপৰা নমা নাই। মণ্টুৰ মাক মাখনীয়ে মানুহৰ

আগত মণ্টুৰ কথা কয়,—"যোৱা মাহত তাৰ ওজন আছিল একৈছ পাউণ্ড, যোৱা দুসপ্তাহমান যে নেৰানেপেৰাকৈ বৰষুণ আহিছিল, সেই তেতিয়াই তাৰ ঠাণ্ডা লাগি, চৰ্দি-তৰ্দি হৈ একেবাৰে অৱস্থা নোহোৱা হ'ল। এদিনতো নাইনটি নাইন, হাণ্ড্ৰেড—এনেকুৱা জ্বৰ; সেই-কেইদিনতে সি একদম পোটোকা পৰি গ'ল। দুদিনমান মোৰ তাৰ মুখলৈ চাবলৈকে বেয়া লাগি আছিল।" একৈছ পাউণ্ড ওজনৰ কেঁচুৱা মণ্টু; মাকৰ হিচাপমতে ঠাণ্ডা চৰ্দি জ্বৰ হাণ্ড্ৰেড—এইবোৰৰ কাৰণে যেনিবা চাৰি পাউণ্ডেই বাদ গ'ল,— বাকী সোতৰ পাউণ্ডেই এতিয়া জয়ন্তীৰ কাৰণে সোতৰ হন্দৰ যেন লাগিছে। তাইৰ বাহুৰ টনটননি উঠিছে, বাওঁ কান্ধৰ মঙহ যেন গেঁঠেলা মাৰি গৈছে।

কেইবাবাৰো জয়ন্তীয়ে কিবা একোটা চেলু উলিয়াই মণ্টুক পিছ চোতালৰ ৰভাতলিত থকা মাকৰ ওচৰলৈ লৈ গৈছে, কিজানি মাকে মৰমতে তাক একোলা লয়েই! আৰু প্ৰতিবাৰেই মাখনীয়ে "আয়ৈ দেহি! মোৰ সোণটোক মই ইমানপৰে দেখাই নাই, মাহীয়েৰাৰ বিয়া চাইছা?"—বুলি মণ্টুৰ গালত আঠা লাগি ধৰা ধৰণৰ চুমা একোটা খাই পঠিয়াই দিছে। এবাৰ মণ্টুৱে হাত দুখন মেলি মাকৰ কোলালৈ যোৱাৰ উপক্ৰম কৰি ঠেন ঠেন কৰিলে, ফলত জয়ন্তীয়ে ওচৰে-পাঁজৰে থকা দহজনীমান মানুহে শুনাকৈ ডাবি এটা খালে,—"তইনো কিয় বাৰে বাৰে তাক মোৰ ওচৰলৈ আন? জানই সি মোক দেখিলে হাজাৰ মৰম কৰক, হাজাৰ ফুচুলাওক, অইন কাৰো কোলাত নাথাকে। আৰু এইখনত মানুহৰ প্ৰতাপত একে-বাৰে গুপগুপনি উঠিছে, আমি ডাঙৰবোৰেই উশাহ-নিশাহ নোপোৱা হৈছোঁ, সিনো ইয়াত কেনেকৈ তিষ্ঠে বাৰু?"

"সি কান্দিছিল, সেই কাৰণে" জয়ন্তীয়ে সৰু মাতেৰে কৈ চালে।

"কান্দিবতো। সি সদায় নিজঞ্জালত থকা ল'ৰা, আজি ইমান-বোৰ মানুহ দেখিছে, ইমান গণ্ডগোল, নাকান্দি কি কৰিব? চাওঁ—"

এইবুলি মাখনীয়ে তাইৰ চাদৰৰ আগেৰে মণ্টুৰ কোৱাৰি দুটা মচি দিলে ;—তাৰ মুখৰপৰা অকণমান থু ওলাইছিল। তাৰ পাছত তাই জয়ন্তীক ক'লে,—"যা আগফালৰ মুকলিলৈ উলিয়াই নে।"

মানুহৰ প্ৰতাপত গুপগুপনি উঠাটো সঁচা। বাহিৰ-ভিতৰ বাৰাণ্ডা, ক'তো মানুহৰ গাত গা নলগোৱাকৈ পাঁচহাত দূৰ যাব নোৱাৰি। কিন্তু কিমান মানুহ আহিছে, কিমান মানুহ গৈছে, কিমান মানুহ আছে—এইবোৰত জয়ন্তীৰ অকণো আগ্ৰহ নাই ; তাই কেৱল মাজে মাজে আগ্ৰহেৰে গজেন বা ৰমাক ক'ৰবাত দেখেনে চাৰিওফালে চকু ঘূৰাই চায়, নাইবা দুই এজনী এনেয়ে ইফাল-সিফাল কৰি থকা বা বহি থকা মানুহৰ মুখলৈ চায়— কোনোবাই কোলাত লৈ মণ্টুক মৰম কৰে যদি কৰক। কোনোবা এজনীৰ কোলাত নকন্দাকৈ থকা যেন দেখিলেই তাই সাউৎকৈ অকণমান সময়ৰ কাৰণে হ'লেও আঁতৰি যাব পাৰে, বাহুটো পোনাই আহিব পাৰে। কিন্তু নাই ; বিয়ালৈ বুলি সকলোৱে ভালৰো ভাল· কাপোৰ-কানি পিন্ধি আহিছে ; এই কাপোৰ পিন্ধি কোনেও মণ্টুৰ নিচিনা স্থান-কাল-পাত্ৰৰ বিচাৰ নোহোৱা অবিবেচক আঁঠমহীয়া কেঁচুৱা কোলাত ল'ব নোৱাৰে। আগফালে মতা মানুহ বহা ঠাই-ডোখৰ নীলা কাপোৰ এখনেৰে বেৰা আছে, ঘৰটোৰ বাৰাণ্ডা আৰু কাপোৰখনৰ মাজত অলপমান ঠাই খালী হৈ আছে ; সেইডোখৰ ঠাইতে জয়ন্তী অহা-যোৱা কৰি থাকিল। মাজতে এবাৰ মাখনীয়ে "চাওঁ, তাক লৈ আহচোন, অপৰা বৰমাই বোলে তাক দেখাই নাই—" বুলি তাইক পিছফাললৈ মাতি নিলে, আৰু অপৰা বৰমাই জয়ন্তীৰ কোলাত থকা অৱস্থাতে "নাকৰপৰা তলছোৱা তোৰ নিচিনাই হৈছে, কপালখন দেউতাকৰ নিচিনা হৈছে" বুলি মণ্টুক আলফুলকৈ স্পাৰ্শ কৰা তেখেতৰ নিজৰ আঙুলিকেইটাতে চুমা এটা খাই জয়ন্তীক বিদায় দিলে।

এবাৰ জয়ন্তীয়ে এখন্তেক বহিব পৰা যায় নেকি বুলি এখন

চকী বিচাৰিলে। খালী চকী আছে; আগফালৰ ৰভাতলীত পিছফালৰ বাৰাণ্ডাত বহি থকা মানুহৰ ওচৰে-পাঁজৰে খালী চকী আছে, কিন্তু তাই তাত বহিবও নোৱাৰে, তাৰপৰা চকী এখন তাই বহিব পৰা ঠাইলৈ আনিবও নোৱাৰে। চোতালত পাৰি থোৱা সতৰঞ্চিৰ এচুকত তাই বহিব পাৰে, কিন্তু তেনেকৈ বহাৰ লগে লগে মণ্টুৱে চিঞৰ ধৰিব, আৰু য'ত যেনে অৱস্থাতেই নাথাকক সকলো এৰি থৈ মাখনী "কি হ'ল, কি হ'ল" বুলি লৰি আহিব। এহাজাৰমান কেঁচুৱাৰ কান্দোনৰ মাজৰপৰা মণ্টুৰ কান্দোন মাখনীৰ কাণে ঠিক বাছি ল'ব। কোনোবা এটুকুৰা আজৰি হৈ থকা পিৰালি বা চিৰিত ভৰি ওলোমাই বহিবলৈ জয়ন্তীৰ মন যোৱা নাই; এইখন শাৰী পৰহি জোৰণৰ দিনা মণ্টুৰ দেউতাক প্ৰকাশে আনি দিছে; শাৰীখন লেতেৰা হ'লে অকণমান চাবোনৰ সংস্পৰ্শলৈ অহাৰ সম্ভাৱনা অহা কেইদিনৰ ভিতৰত নাই, আৰু এইখন শাৰী এৰি তাইৰ আগৰ কাপোৰযোৰ পিন্ধিব পৰা অৱস্থা এইখন ঘৰত কেইদিনৰ পাছত হয়, তাইৰ ধাৰণা নাই। শেষত জয়ন্তী বেণ্ডবজোৱা দলটোৰ ফালে আহিল। বিয়াখনৰ কাৰণে বেণ্ড-ফেণ্ডৰ কোনো দৰকাৰ নাই বুলি ডাঙৰ জোঁৱাই অবলাই কৈ চাইছিল, কিন্তু ঘৰৰ বুঢ়া মালিক বৰ্মন ডাঙৰীয়াই ক'লে, "বাজনা-চাজনা নহ'লে মোৰ বিয়া যেনেই নালাগে। গোটেইখন কিবা নিমাওনাও –"। বেণ্ডপাৰ্টি আহিল, কিন্তু অবলাই মানুহকেইটাক বহিবলৈ দিলে মূল ৰভাৰ বাহিৰত, একেবাৰে এটা চুকৰ গছ এজোপাৰ গুৰিত। বজাই থাক কিমান বজাব, কেৱল ৰভাতলিত মানুহে মানুহৰ কথা শুনা নহ'লেই হ'ল। বেণ্ডপাৰ্টিটোৰ ওচৰলৈ সময়ে সময়ে একোজাক ল'ৰা-ছোৱালীৰ বাহিৰে কোনো নাহে; আৰু অলপ লাজ লাগে যদিও, সেইডোখৰ ঠাইলৈ যোৱাত জয়ন্তীৰ আপত্তি নাই। সেই কাৰণে এখোজ দুখোজকৈ এসময়ত তাই সেইখিনি পালেগৈ, আৰু ঢোল দুটাৰে বেঞ্চখন আৱদ্ধ কৰি চকীবোৰত' গজগজীয়াকৈ বহি থকা

মানুহবিলাক দেখিয়েই তাইৰ বিৰক্তি লাগিল। তাই এটা এটাকৈ আটাইকেইটাৰ বাহু আৰু মুখবোৰলৈ চালে। ক্লেৰিওনেট বজাই থকা, আয়ে খোৱা মুখৰ সেইটো,—তাৰ বাহু মুখ বিষোৱা নাইনে? কোলাঘটীয়া পেনেৰা কেঁচুৱাৰ চিঞৰৰ নিচিনা টেঁ-টেঁ-টেঁটেঁকৈ —সেইসোপা বাজনা বজাইছে! উঠি যাব পাৰ, এঘণ্টামান ঘূৰি পকি ভাং-বিৰি কি খাৱ খাই উভতি আহিব পাৰ!

জয়ন্তী অলপ আঁতৰি আহিল। মণ্টু ইতিমধ্যে অকণমান তললৈ খহি গৈছিল, দোপ এটা মাৰি তাই তাক ওপৰলৈ তুলি ল'লে আৰু দোপটোৰ লগে লগে তাইৰ বাহু আৰু কান্ধৰ সিৰ একোছা ছিগি যোৱা যেন লাগিল। ৰভাখনৰ একেবাৰে শেষৰ শাৰীৰ ভলুকা বাঁহৰ খুটা এটাত সোঁ বাহুৰ ভেজা দি তাই অকণমান সকাহ পোৱাৰ চেষ্টা কৰিলে। যন্ত্ৰণাত তাইৰ ওঁঠ, নাক, কপালত কিছুমান আঁক বিৰিঙি উঠিল। বহুত দিন ধৰাৰ নিচিনাকৈ, কোনেও নেদেখা অৱস্থাত ফংকৰে চকু চলচলীয়া কৰিব পৰা এক গভীৰ বেদনাই তাইৰ মনটো আৱৰি ধৰিলে।

মাখনী এইখন ঘৰৰ দ্বিতীয় জীয়াৰী, তাই ভনীয়েক চিত্ৰাৰ বিয়ালৈ আহিছে। জয়ন্তী বনকৰা ছোৱালী---চাকৰণী --তাই মাখনীহঁতৰ লগে লগে আহিছে। মাখনীয়ে মানুহক কোৱা মতে চাকৰণী-বাকৰণীৰ ওপৰত নিৰ্ভৰ কৰাৰ অভ্যাস তাইৰ নাই। এই-বোৰক কাম এখন কৰিবলৈ দিলে কাম টুটিব ক'ত, বাঢ়েহে। লগতে দাঁতৰ এফাল মুখৰ এফাল খৰচ! তাতকৈ—অলপ কষ্টই হওক লাগে—আটাইবোৰ কাম নিজে কৰাই ভাল। বিয়াঘৰৰ পাৰ নোহোৱা কামৰ মাজত মাখনী ডুবি গ'লে অকণমান সময়ৰ কাৰণে হ'লেও মণ্টুক চাব পাৰিব,—এই আশাতহে মাখনীয়ে জয়ন্তীক লগত আনিছে। ল'ৰা হোৱা হ'লে কিজানি নানিলেইহেঁতেন, পিছে ইমানজনী গাভৰু ছোৱালী, লগে লগে লৈ ফুৰাৱো উপায় নাই।

এইখন বিয়াঘৰ। ইয়ালৈ জয়ন্তী দহ-পোন্ধৰ দিনৰ কাৰণে

আহিছে। ইয়াত মাখনীৰ মুখৰ এনেকুৱা কথা তাইৰ কাণত পৰিলেও তাই একো কৰিব নোৱাৰে; তাই যদি মনত কষ্ট পাই এচোখৰ আচুতীয়া ঠাইত অকলে অকলে বহি থাকে, কোনোবা এজনী অচিনাকি মানুহে হয়তো ক'ব,—"অ'ই ছোৱালী, তই এনেয়ে বহিহে আছ, এই দাইলখিনিকে বাছি পেলাচোন। এইবোৰ ক'লা-ক'লা বনগুটিয়েই নে শিলগুটিয়েই—!"

ইয়াত জয়ন্তীৰ অভিমান কৰাৰ কোনো সুবিধা নাই। অৱশ্যে তাই য'ত থাকে, মাখনীৰ গিৰিয়েকৰ যিখন ঘৰ, তাত তাই এনেকুৱা কথা শুনিলে নিজৰ ওপৰতে প্ৰতিশোধ লয়। মাখনী আৰু প্ৰকাশৰ কাৰণে ৰাতি খোৱা পানী ভুগিলাচ, মণ্টুৰ কাৰণে হঠাতে কিবা কাৰণত লাগি যাব পৰা ফ্লাস্কৰ গৰম পানী—এই সকলোবোৰৰ যোগান ধৰি, তাইৰ ভাতখিনি বাঢ়ি থোৱা কাঁহীবাতিবোৰৰ বাহিৰে সকলো সাজ-বাচন ধুই, পাগঘৰ চাফা কৰি, তাৰ পাছত তাই ভাত-কাঁহী সমুখত লৈ বহি থাকে। খাবলৈ তাইৰ সত নাযায়। বহুত পৰৰ মূৰত তাই যেতিয়া একোটেপা ভাত মুখলৈ তোলে, তেতিয়া লগে লগে একোটোপাল পানী তাইৰ চকুৰপৰা নামি আহে। প্ৰথম অৱস্থাত তাই দুৰাতিমান লঘোণে থাকি ভাতবোৰ পকী লোৰটোত পেলাই পানী ঢালি উটুৱাই দিছিল; কিন্তু মাজনিশা তাইৰ বৰ ভোক লাগিছিল; ভোকত ৰাতি টোপনি নাহিছিল; পুৱা পাঁচ বজাত উঠি মণ্টুৰে ছয় বজাত খোৱা গাখীৰ বটল ঠিক কৰিবলৈ তাই গাত বল নাপাইছিল। আৰু আটাইতকৈ ডাঙৰ কথা, মনৰ দুখত ৰাতি ভাত-পানী নাখাই তাই নিজক কষ্ট দিছিল, —এইটো কথা জানিবলৈ, জনাবলৈ দ্বিতীয় প্ৰাণী তাইৰ কাৰণে কোনো নাছিল।

জয়ন্তীৰ কোনো নাই। তাইৰ দুটা ককায়েক আছিল; তাৰে ডাঙৰটো মিলিটেৰিত সোমাইছিল; সি এখন যুদ্ধলৈ যোৱালৈকে জয়ন্তীয়ে ক'ব পাৰে; তাৰ পাছত আৰু তাৰ খবৰ তাই নাজানে।

সি মৰিল চাগৈ, নহ'লে ইমানদিনে কিবা উপায়েৰে তাইৰ কাণলৈ এটা নহয় এটা বাতৰি আহিলহেঁতেন। ইটো ককায়েক চোৰ আছিল, অইন দুটামানেৰে সৈতে এবাৰ এঘৰত চুৰ কৰিবলৈ সোমাই সি বোলে মানুহ এটা ঘপিয়ালে। পাছত মানুহটো মৰিল। তাইৰ ককায়েকে বাচিবৰ কাৰণে আদালতত বহুত দিন মকৰ্দমা চলাইছিল, পিছে নাবাচিল। তাৰ যিমান বছৰ জেল হ'ল, সিমান বছৰ মানে কিমান দিন, জয়ন্তীয়ে নাজানে। জেললৈ যোৱাৰ সময়ত সি সিহঁতৰ হৈ কে'চ চলোৱা কুশল উকীলক কৈছিল, —"ছাৰ মোৰ এজনী ভনী আছে—"

কুশল উকীলৰ প্ৰথম কেঁ'চুৱা পাঁচ মহীয়া ছোৱালী পান্না নবছৰীয়া জয়ন্তীৰ কোলাত উঠিছে, তিনি বছৰৰ মূৰত তাই কোলাৰ-পৰা নামিছে, পোন্ধৰদিনীয়া কেঁচুৱা মুন্না উঠিছে। সেই মুন্নাই এসময়ত পান্নাক বাইদ' আৰু জয়ন্তীক জন্তী বুলি মাতিব পৰা হ'ল, আৰু সেই সময়তে কুশল উকীলৰ ভায়েক প্ৰকাশৰ কেঁ'চুৱা ৰাখিবলৈ ছোৱালী এজনীৰ প্ৰয়োজন হ'ল। কুশল উকীলে ঠিক কৰিলে,— কেঁ'চুৱা ৰখাৰ কামত জয়ন্তীয়েই ঠিক হ'ব। তেওঁলোকৰ ঘৰত এতিয়া যিখিনি কাম থাকিল, সেইখিনি ৰান্ধনিটোৱেই চম্ভালিব পৰা উচিত। অগত্যা যদি মুন্নাৰ কাৰণে দৰকাৰ হয়, তেনেহ'লে তেওঁ কোনোবা মক্কেলক সৰু ছোৱালী এজনী যোগাৰ কৰি দিয়াৰ কথা ক'ব।

জয়ন্তী ডাঙৰ হৈছে। দোকানত আটাইতকৈ ডাঙৰ জোখৰ যিবোৰ ফ্ৰক পোৱা যায়, সেই জোখৰ শেষ ফ্ৰক দুটা জয়ন্তীৰ গাত উৰ্ঁলি গৈছে। এটা ফ্ৰকৰ সোঁফালে কঁকালত, হাত ঘহাঁওতে ঘহাঁওতে হবলা সীয়নী এৰাইছে—ডাঙৰ তামোলৰ টেমা ব্যৱহাৰ কৰা পুৰণি কোটৰ জেপৰ মুখ ওলমাদি সেইডোখৰ ওলমি থাকে। ফটা-কাপোৰ পিন্ধাত জয়ন্তীৰ কোনো আপত্তি নাই, কিন্তু এই শেষ জোখৰ ফ্ৰকবোৰ তাইক বৰ আমনি কৰে। ফ্ৰকবোৰে তাইক ঢাকে, কিন্তু তাইৰ লাজবোৰ নাঢাকে। মাজে সময়ে ঘৰটোৰ

পিছফালখন আবুৰ কৰি ৰখা চকোৰা, গছ-লতাবোৰকহে তাইৰ আচল কাপোৰ যেন লাগে। বাটৰ মানুহৰ চকুত পৰা ঠাই এডোখৰত থিয় হ'বলৈ তাইৰ বেয়া লাগে। গুৱালটোৰপৰা চচ্-পেনটো পাতি গাখীৰখিনি লোৱাৰ সময়কণ তাইৰ নাযায় নুপুৱায় লাগে। ডাঙৰ বাচন এটাৰে একে জোখতে গাখীৰখিনি বাকি দিলেই হয়,—নাই; সি পিত্‌কনি বাচন এটাৰে চাৰিবাৰ জুখিব, আৰু সেইখিনি সময় জয়ন্তীয়ে জাৰ লগা ছোৱালীৰ নিচিনাকৈ বাওঁহাতখনেৰে সোঁ-বাহুটো খামোচ মাৰি ধৰি থাকিব। লাজত কেতিয়াবা জয়ন্তীৰ কেইবামাহলৈ দুয়োসাজ লঘোণ দিবৰ মন যায়।

প্ৰকাশ-মাখনীহঁতৰ ঘৰলৈ যাবৰ সময়ত কুশল উকীলৰ ঘৈণী-য়েকে জয়ন্তীক তেওঁৰ ফাটো ফাটো হোৱা কাপোৰ এযোৰ দিলে। কুশল উকীলৰ ঘৈণীয়েক মানুহজনীৰ গা পাতল, জয়ন্তীয়ে ব্লাউজটো প্ৰথমবাৰ গাত সুমুৱাওঁতেই ফাটিল। হওক। তথাপি জয়ন্তীয়ে শান্তি পালে। অন্ততঃ ফটা ব্লাউজটো ঢাকিবলৈ তাইৰ এখন চাদৰ হ'ল।

মাখনীৰ ব্লাউজকেইটা কিন্তু জয়ন্তীৰ গালৈ ঢিলা হ'ল, হাতটোৰ কিনাৰেদি আঙুলি সুমুৱাই বাহুলৈকে সহজে খজুৱাব পৰা হ'ল। মাখনী মঙহাল মানুহ। এই কথাটো জয়ন্তীয়ে বহুদিন, বহু কাৰণত লক্ষ্য কৰিছে। বিশেষকৈ গধূলিৰ পাছত আমনি কৰা মণ্টুক শুৱাবলৈ বুলি বিছনাত পৰি যেতিয়া মাখনী নিজে টোপনি যায়, আৰু ওচৰতে মণ্টুৱে ঠেনঠেনাই থাকে, তেতিয়া মাখনীৰ ব্লাউজৰ তলত ওলাই থকা কঁকালৰ মঙহখিনি জয়ন্তীৰ ঠিক সিহঁতে গাঁৱৰ বুঢ়বৰীয়া হাতত বাগানৰ বনুৱাই বেচিবলৈ অনা গাহৰিৰ মঙহৰ নিচিনা লাগে। তেনেকুৱা সময়ত জয়ন্তীয়ে মণ্টুক দাঙি অইন এটা কোঠালিলৈ নি, কান্ধত লৈ লৈ শুৱাই, আকৌ মনে মনে বিচনাত থৈ যাবহি লাগে।

এইখন ঘৰ জয়ন্তীৰ বৰ বেলেগ বেলেগ লাগিছে। কুশল উকীল, তেওঁৰ ঘৈণীয়েকৰ তেজ কম আছিল; সময়ৰ বুকুলৈ তাপ এৰি দি, তেওঁলোক নিজে অলপ চেঁচা হৈছিল। তেওঁলোকে কেতিয়াবা তৰ্কাতৰ্কি কৰিছিল, জয়ন্তীয়ে তাৰ ভাগ পাইছিল। তেওঁলোকে মাতবোল বন্ধ কৰি জয়ন্তীৰ মুখেৰে কাম চলাইছিল। এইখন ঘৰত কেৱল বন্ধ দুৱাৰ,—গুণগুণনি,—অসহ্য লাগে। মাখনীয়ে শোৱনী কোঠাৰপৰা চিঞৰিব—"অ'ই জয়ন্তী, চাহাবলৈ ভালকৈ পানী এগিলাচ আন।" বন্ধ দুৱাৰৰ বাহিৰত থিয় হৈ জয়ন্তীয়ে মাত লগাব,—"বাইদেউ পানী আনিছোঁ।" মাখনীয়ে ভিতৰৰপৰা' নিজে আঁৰ হৈ থাকি কোনোমতে গিলাচটো সৰকাব পৰাকৈ ফাক এটা কৰি দুৱাৰখন মেলিব আৰু গিলাচটো সৰকায়েই দুৱাৰখন বন্ধ কৰি দিব। জয়ন্তীৰ এক অৰ্থহীন অস্বস্তি লাগে।

হঠাতে বেণ্ডপাৰ্টিৰ ডাঙৰ ড্ৰামটোত ঘনঘনকৈ আৰু ডাঙৰ ডাঙৰকৈ কেইটামান কোব পৰিল, তালবোৰৰপৰাও অবিৰাম ঝনঝননি উঠিল, যিটো বৰ বহল মুখৰ পিতলৰ চকচকীয়া পেঁপাই প্ৰায়েই নিস্তব্ধ হৈ থাকি কেৱল মাজে মাজে একোবাৰ ভেঁ ভেঁ কৰে, সেই পেঁপাটোও বৰ ডাঙৰকৈ বাজি উঠিল, আৰু পিছ মুহূৰ্ততে ঠাইডোখৰ নিজান পৰি গ'ল। বেণ্ডপাৰ্টিৰ বাজনা শেষ হ'ল। লাহে লাহে জয়ন্তীৰ কাণলৈ কাপোৰখনৰ সিফালে বহি থকা মানুহবোৰৰ কথা-বতৰা, হাঁহিৰ শব্দ, দূৰৈৰ ল'ৰা-ছোৱালীৰ চিঞৰ-বাখৰ, আনকি ঘৰটোৰ মূধৰ বেৰ আৰু পকী দেৱালখনৰ মাজেদি অহা পিছফালৰ তিৰোতা মানুহৰ দুই এটা মাতো সোমাই আহিল। তাই খুটাটোৰ ভেজাটো এৰি পোন হ'ল; আকৌ এটা দোপ মাৰি মণ্টুক ওপৰলৈ উঠাই ল'লে। কি কৰা যায় এতিয়া? পিতলৰ পেঁপা বজোৱা মানুহ এটাই পেঁপাটোত সোমোৱা থুখিনি উলিয়া-বলৈকে হবলা, পেঁপাটো জোকাৰিছে আৰু তাল বজোৱা মানুহটোক জয়ন্তীক দেখুৱাই কিবা কৈছে।

জয়ন্তী আঁতৰি আহিল। ঘৰটোৰ মুধৰ বেৰখন আৰু দেৱালখনৰ মাজেদি তাই আকৌ এবাৰ পিছ চোতাললৈ যাবলৈ বুলি আগবাঢ়িল আৰু ঘৰটোৰ চুকটো পাৰ হৈয়েই তাই আচৰিত হৈ গ'ল !

"এ ৰমা ! তুমি অকলে অকলে ইয়াত বহি কি কৰিছা ?" জয়ন্তীৰ মুখত হাঁহি ফুটি উঠিল। "তুমি দোকানলৈ গৈছিলা নহয়, কেতিয়া আহিলা। তুমি আহিলানে নাই, তাকে মই অথনিৰেপৰা চাই, ফুৰিছোঁ, আৰু তুমি ইয়াত মনে মনে বহি আছা !"

এই ঠাইডোখৰত মানুহ-দুনুহৰ আহ-যাহ একেবাৰে নাই তথাপি ৰাতি-বিয়লি কেনেবাকৈ অসুবিধা হয় বুলি কোনোবাই মুধৰ বেৰত থকা খালী হ'ল্ডাৰটোত বাল্ব এটা লগাবলৈ মেজ এখন আৰু টিনৰ চকী এখন এইখিনিলৈ আনিছিল, বাল্বটো লগাই সিহঁতে বস্তু দুপদ এৰি থৈ গ'ল। সেই চকীখনতে ৰমা বহি আছে, -তাইৰ কোলাত দুয়োফালে দুখন ভৰি মেলি কাজল।

এইখন ঘৰৰ প্ৰথম জীয়াৰী কুন্তলা, তেওঁ পাঁচ বছৰীয়া ল'ৰা বাদল আৰু এবছৰীয়া ছোৱালী কাজলক লৈ ভনীয়েকৰ বিয়ালৈ আহিছে, লগত আহিছে কাজলক ৰখা ছোৱালী ৰমা। বিয়া বুলি বাদল আৰু কাজলৰ কাৰণে কিনিবলগীয়া নতুন সাজপাৰৰ দুই-এটা বস্তু থাকি গ'ল, তাকে কিনিবলৈ দেউতাক অবলা সিহঁতক লৈ দোকানলৈ গৈছিল, কাজলক চম্ভালিবলগীয়া হ'ব বুলি তেওঁ ৰমাকো লগত নিছিল।

ৰমাই ক'লে,—"অকমান আগতে আহিলোঁ। ময়ো আহিয়েই আপোনাক বিচাৰিছিলোঁ। আপুনি ক'ত আছিল বাইদেউ ?"

জয়ন্তীয়ে মেজখনৰ ওপৰত মণ্টুক থিয় কৰাই ধৰি বাওঁ বাহুটো গৰুৰে কুঁজ লৰোৱাদি দুবাৰমান লৰালে, তাৰ পাছত ক'লে,—"কি কৰিবা আৰু ! মহাৰাজক লওঁতে লওঁতে গাৰ বিষ উঠি গৈছে ; —বহিবলৈ ঠাই অকমান বিচাৰি ফুৰিছিলোঁ।"

ৰমাই কাজলক সাৱট মাৰি ধৰি চকীখনৰপৰা উঠিল, তাৰ

পাছত ক'লে,—"আপুনি ইয়াতে বহক বাইদেউ। মোৰো খুব ভাগৰ লাগিছে, বুজিছে ! কাজলে যে দোকানত ইমান কান্দিছিল, তেতিয়াৰেপৰা লৈয়েই আছোঁ, লৈয়েই আছোঁ—।"

ৰমাৰ মুখখন ক'লা পৰি আছে। কথাকেইষাৰ কওঁতে তাইৰ মুখখন আৰু বিষণ্ণ হৈ পৰিল। জয়ন্তীয়ে সুধিলে,—"তুমি কিবা খালানে নাই ?"

"খালোঁ।" ৰমাই লাহেকৈ ক'লে।

"কি খালা ?"

"লুচি আৰু ভাজি।"

"আৰু ?"

"আৰু নাই।" ৰমাই অসহায়ভাৱে ক'লে। কোৱাৰ পাছতে তাইৰ কিবা এটা চিন্তা মনলৈ আহিল আৰু ফৎকৰে সুধি পেলালে,—"আপুনি কি কি খালে বাইদেউ ?"

"সেই একে" বুলি জয়ন্তীয়ে চমুকৈ উত্তৰ দিলে। আচলতে তাই লুচি আৰু ভাজিৰ লগতে দুই ৰঙৰ দুটা মিঠাই খাইছিল; কিন্তু এই অকণমান ছোৱালীজনীক সেইটো কথা ক'বলৈ তাইৰ বেয়া লাগিল।

এই অকণমান ছোৱালীজনীক জয়ন্তীৰ বৰ আপোন আপোন লাগিছে। তাই জয়ন্তীতকৈ আগতে এইখন ঘৰলৈ আহিছে। জয়ন্তীহঁত অহাৰ দিনাই দুপৰীয়া কলৰ পাৰত কাঁহী-বাটি ধুবৰ সময়ত তাই সুধিছিল,—"আপুনি ক'ব পৰা আহিছে বাইদেউ ?"

বাইদেউ ? এইটো সম্বোধন জয়ন্তীক কোনেও কেতিয়াও কৰা নাই; কোনোবাই যে কেতিয়াবা কৰিব, সেই আশাও তাই কৰা নাছিল। বহুত দিন আগতে এবাৰ তাই ভাবিছিল,—কুশল উকীলৰ ল'ৰা-ছোৱালী দুটাই তাইক বাইদেউ বোলেনে কি ! ইমান যত্নেৰে সিহঁতক ডাঙৰ কৰিছিল ! কিন্তু যেতিয়া মুন্নাই পান্নাক বাইদ' আৰু জয়ন্তীক জন্তী বুলি মাতিবলৈ শিকিলে, তেতিয়া তাই

সেই আশা বাদ দিলে। আৰু জয়ন্তীয়ে তুমি বুলি মতাৰ কাৰণে ৰমাৰো একেবাৰে নতুন কিবা এটা লাগি গ'ল। তাইকো তুমি বোলে ?

পিছৰ কেইদিন কামৰ সময়ত, কেঁচুৱা ৰখাৰ সময়ত সিহঁত দুজনীয়ে প্ৰায় একেলগে থকা কৰিলে। ঘৰত বাকীবোৰ মানুহে বিয়াখনকে কেন্দ্ৰ কৰি নানা প্ৰকাৰৰ অদৰকাৰী আলোচনা, ঠাট্টা-মস্কৰা, ফুৰ্তি-ৰহইচ কৰিবলৈ জুম পাতে আৰু জয়ন্তী আৰু ৰমাই আগফালৰ বাৰাণ্ডাৰ এচুকত কেঁচুৱা দুটা লৈ নিবিড়ভাৱে কথা পাতিবলৈ বহে। সিহঁতৰ কথাৰ মাজত কেতিয়াবা ভুটুংকৈ ওলায়হি —এইখন ঘৰৰ বনকৰা ল'ৰা গজেন। "অ' তহঁত দুজনী হবলা বহিলিহি ? অ'ই জয়ন্তী, চাওঁ, তাক মোক দে, কলৰ পাৰত টৌ দুটা থৈ আহিছোঁ, ধোগৈ যা। যা, ৰাতিলৈ বাৰু তোক এটুকুৰা মাছ বেছিকৈ দিম যা। যাচোন অ' মোৰ ভাগৰ লাগিছে কাৰণেহে কৈছোঁ। দে, ওঁ, বাচ্। অ'ই খবৰদাৰ, নাকান্দিবি কিন্তু কৈ দিছোঁ ; মই তহঁতক ফুচুলাব-চুচুলাব নাজানো। পেঁ কৰিবি, মাৰৰ কোলাত পেলাই থৈ আহিমগৈ। বাৰু ৰমা, কচোন এতিয়া, তোৰ নাম ৰমাকান্ত নে শ্ৰীমতী ৰমা দেৱী। আচ্ছা, আচ্ছা, বুজিলোঁ বাৰু। বাৰু কচোন, তোক সৰুতে কোনে কোলাত লৈছিল ?"— এইবোৰ গজেনৰ কথা। জয়ন্তী আৰু ৰমা দুয়োজনীয়ে গজেনৰ কথা শুনিলেই হাঁহে। অকলে থকা সময়খিনিত জয়ন্তী আৰু ৰমাই একান্তমনে নিজৰ নিজৰ কথা কৈ যায়। প্ৰথম অৱস্থাত জয়ন্তীয়ে কৈছিল—তাইৰ বাইদেৱেক মাখনী ভাল মানুহ। ৰমায়ো তাকে শুনি কৈছিল—তাইৰ বাইদেৱেক কুন্তলাও ভাল মানুহ। কিন্তু এদিন ৰমাৰ আগতে মাখনীয়ে জয়ন্তীক একেচৰে বিছু দেখুৱাই দিয়াৰ কথা ক'লে, আৰু অইন এদিন জয়ন্তীৰ আগতে কুন্তলাই ৰমাক চৰ এটা মাৰিলে। সেইদিনাৰপৰা সিহঁতে বাইদেৱেকহঁতৰ কথা একো নুলিয়ায়। সিহঁতে একেবাৰে নিজৰ কথা পাতে। ক'ত ঘৰ

কেনেকৈ আছিল, ক'লৈ আহিল,—সেইবোৰ কথা। জয়ন্তীয়ে নিজৰ কথাবোৰ চমুৰাই পেলায়, কিন্তু ৰমাৰ কথা যেন কেতিয়াও শেষ নহয়।

ৰমাৰ বাপেকে মদ খাইছিল, ভাওনা আৰু যাত্ৰাত ভাও লৈছিল। তেওঁৰ ঘৰতে এখন দাইল-তেলৰ সৰু দোকান আছিল কিন্তু দোকানৰ পাচি, কাঠৰ বাকচ, টিন এইবোৰ প্ৰায়ে উদং হৈ আছিল। গাওঁখনৰ ভিতৰত তেৰেঁই আটাইতকৈ বেছি লিখা-পঢ়া জনা মানুহ আছিল, প্ৰায়বোৰ মানুহৰ টান টান দৰ্খাস্তবোৰ তেৰেঁই লিখি দিছিল। ৰমাৰ মাকেও পঢ়াশুনা জানিছিল, আৰু বৰ ভালকৈ কাপোৰ ব'ব জানিছিল। তেওঁ আজৰি সময়ত ৰমাক ওচৰত বহুৱাই লৈ ক খ লিখিবলৈ শিকাইছিল। ৰমাৰ বয়স যেতিয়া চাৰি বছৰ, তেতিয়া তাইৰ মাকে আৰু ভালকৈ কাপোৰ বোৱা শিকিবলৈ এটা বৃত্তি পালে। ৰমাৰ এজনী ভনীয়েক আছিল, তাইক মোমায়েকৰ লগত থৈ ৰমাৰ মাক চহৰলৈ গ'লগৈ। চহৰৰপৰা তেওঁ চিঠি দিয়ে। যিদিনা ৰমাৰ দেউতাকে নিচা কৰি ঘৰলৈ ওভতে, সেইদিনা তেওঁ ৰাতি বিচনাত বহি ৰমাক চিঠিবোৰ পঢ়ি শুনায়,— "মাৰে তহঁতলৈ ভাল ভাল কাপোৰ গোটাই থৈছে; তোলৈ মাৰে এখন নতুন চিলঠ আনিব, তোক মৰমৰ চুমা দিবলৈ কৈছে,— চাওঁ— চাওঁ —এয়া দিলোঁ। মৰমৰ চুমা। পালি; ওঁ, মাৰ আহিলে ক'বি পালোঁ বুলি। আৰু এয়া—এহ, এইবিলাক মাৰে যিহকে পায় তাকে লিখিছে। নইনো ক'ত কিটো খাওঁ ? তয়ে কচোন, মই ভাত-চাহৰ বাহিৰে জানো কিবা খাইছো ? নাই খোৱাতো! মাৰ আহিলে তই মোৰ হৈ সাক্ষী দিবি বুইছ ?"

ৰমাই মাকৰ চিঠিবোৰ স্কুললৈ লৈ যায় আৰু লগৰ ছোৱালীৰ আগত চিঠিবোৰৰ যিকেইটা শব্দৰ সিহঁতৰ কিতাপত থকা শব্দ লগত মিলে, সেইকেইটাকে আকৌ পঢ়ে।

হঠাতে এবাৰ ৰমাৰ মাকৰ চিঠি নহা হ'ল। মাত্ৰ এটা দিনৰ

তীব্ৰ জ্বৰত, ডাক্তৰে জ্বৰটো চিনি পোৱাৰ আগতেই, মানুহজনী ঢুকাল।

ৰমাই বাপেকক কেৱল মাকৰ চিঠিৰ কথা সোধে, কিছুদিনলৈ বাপেকে অইনফালে চাই আহিব আহিব বুলি কয়। এদিন অইনৰ মুখৰপৰা তাই গম পালে মাকৰ চিঠি আৰু নাহে। এসময়ত ৰমাই পাঠশালা স্কুল পাছ কৰিলে, আৰু সেই সময়ত ৰজতৰ দোকানত নিতৌ মেল মৰা এজাক মানুহৰ পৰামৰ্শ মতে ৰমাৰ বাপেকে আকৌ বিয়া কৰালে। নতুন মানুহজনীয়ে ৰমাক বৰ ভাল নাপালে, ফলত এদিন বাপেকে ৰমাক অবলা আৰু কুন্তলাক গতাই দি আহিল। ৰমাই সেইদিনা বৰ কন্দাকটা কৰিছিল; তাই কৈছিল তাই স্কুলত পঢ়িব, চিঠি লিখিব। যাবৰ সময়ত তাই মাকৰ চিঠিকেইখন সামৰি লৈছিল।

কুন্তলাহঁতৰ ঘৰতো ৰমাই কেৱল পঢ়াৰ চেষ্টা কৰিছিল; কাগজ এটুকুৰা পালেই তাই লিৰিকি-বিদাৰি চাইছিল। কেতিয়াবা কিবা-কিবি অলপ পঢ়িব পাৰিছিল, কেতিয়াবা নোৱাৰিছিল। বাদলক ক খ পঢ়িবলৈ লিখিবলৈ তাই শিকাইছিল। এতিয়াও শিকায়। সেই-বোৰ কৰিবলৈ তাই সময় পাইছিল, কাৰণ তাই দিনটো ঘৰটোৰ চাৰি সীমাৰ ভিতৰতে সোমাই থাকিব লাগিছিল। কুন্তলাই তাইক ওচৰ চুবুৰীয়াৰ অইন বনকৰা ছোৱালীৰ লগত লগ লাগিবলৈ নিদিছিল; সিহঁতে ঘৰৰ ভিতৰুৱা কথা শিকায়, সিহঁতৰ মুৰৰপৰা অইনৰ মুৰলৈ ওকণি বগায়।

কুন্তলাৰপৰা ঠিকনা কেনেকৈ লিখিব লাগে সেইটো শিকি লৈ ৰমাই দেউতাকলৈ মাজে মাজে প'ষ্টকাৰ্ডত একোখন চিঠি লিখিছিল। এবাৰ দেউতাকৰপৰা এখন চিঠি আহিছিল; চিঠিখন পোৱাৰ দিনৰ-পৰা এমাহলৈ যেন তাইৰ গাত হুঁচ নাছিল। পাছলৈ দেউতাকৰ চিঠি আৰু কেতিয়াও নাহিল। তথাপি সেই যে এখন চিঠি আহিছিল, সেইখনৰ কথা ভাবিলেই তাইৰ এনেকুৱা লাগে যেন তাইক হাতত

এটা চকলেট দি কাজলৰ বিচনাখনত শুৱাই দিছে, ওচৰত টেবুল ফেনখন লাহে লাহে ঘূৰিবলৈ দিছে, ওচৰতে বহি দেউতাকে কৈছে, —"চাওঁ—চাওঁ—এইয়া দিলোঁ মৰমৰ চুমা, পালি ?—"

এইখন ঘৰত এদিন গজেন, জয়ন্তী আৰু ৰমাই কলৰ পাৰত এদ'ম কাঁহী-বাটি, সাজ-বাচন লৈ বহিছিল,—সিহঁতে ভাগ বটাই লৈছিল,—ডাঙৰ ডাঙৰ বাচনবোৰ গজেনে, মজলীয়াবোৰ জয়ন্তীয়ে আৰু সৰু সৰুবোৰ ৰমাই ধুব। বাচন ধুই থকাৰ মাজতে ৰমাই সুধিলে,—"আপুনি ঘৰলৈ গৈ মোলৈ চিঠি দিব বাইদেউ ?"

জয়ন্তীয়ে ম্লান হাঁহি এটা মাৰিলে ; ক'লে,—"আঁচ এডালকে মাৰিব নাজানো, তোমালৈনো কেনেকৈ চিঠি লিখিম ৰমা ?"

গজেনে মুখতে ধৰিলে,—"তই লেখা-পঢ়া নাজান ? ভাল হৈছে। ঠিক হৈছে। তয়ে ময়ে এক পাৰ্টি। মোৰো সেইবোৰ কৰিবলৈ নহ'ল বুজিছ।" অলপপৰ মনে মনে থাকি গজেনে আকৌ ক'লে,— "সেইবোৰ কৰি থোৱা হ'লে আজি ইয়াত এইবোৰ বাচন মাজি মৰোঁ নেকি ? এবাৰ গৈছিলোঁ নহয় চিপাহীৰ কামত সোমাবলৈ। সেই কাৰণেই নহ'ল বুজিছ ? আৰু হয়ো দেচোন, মটৰ এখনে তোক খুন্দিয়াই থৈ গ'ল, আৰু মই চাই থাকিলোঁ, মটৰখনৰ নম্বৰটোও পঢ়িব নোৱাৰিলোঁ ; সেইটোনো চিপাহীৰ কাম হ'লনে ?"

ৰমাই ক'লে,—"ক খ বিলাক বৰ সহজ বুইছে গজেন দাদা।" তাৰ পাছতে ৰমাই ফুটছাইৰে লেটিয়াই পেলোৱা কাঁহীখনত আঙুলিৰে ক এটা লিখি দেখুৱালে,—"এইটো ক।"

গজেন আৰু জয়ন্তীয়ে কথাটোত ৰস পালে। টৌ এটাৰ পিঠিত গজেনে, আৰু চচপেন এটাৰ গাত জয়ন্তীয়ে ৰমাৰ হাতৰ কাঁহীখনলৈ চাই চাই ক একোটা লিখি উলিয়ালে। আখৰকেইটাৰ গঢ় দেখি তিনিওটাই পাৰে মানে হাঁহিলে।

সেইদিনাৰপৰা ৰমাই সময় পালেই জয়ন্তীক ক খ লিখিবলৈ শিকায়। আগৰকেইদিনা তাই কঁকালৰ খোচনিত পাঁচটা চেংগুটি

লৈ ফুৰাইছিল ; সেইকেইটাৰ কথা তাই পাহৰি গ'ল। বাৰাণ্ডাৰ মাটিত পাথৰেৰে, বেৰত আঙুলিৰে, যেতিয়াই য'তে সুবিধা পায় তাতে তাই ক খ লিখে। জয়ন্তীয়েও নির্বিকাৰভাৱে চেষ্টা কৰে।

ঘৰটোৰ মুধৰ ফালে নিজঞ্চাল ঠাইত চকী-মেজবোৰ লৈ এই বিয়াৰ দিনাও ৰমাই জয়ন্তীক লৈ স্কুল খুলিলে। জয়ন্তীয়ে ইতিমধ্যে 'ক'টো একে পাকতে লিখিব পৰা হৈছে। আখৰটোৰ চেহেৰাটোও ভাল হৈছে। মাজতে এবাৰ জয়ন্তীয়ে সুধিলে,--"ই গজেননো আজি ক'লৈ গ'ল? পিছফালে মিঠাই বনোৱা ঠাইত সোমাই আছেনেকি?"

ৰমাই ক'লে,—"জানো! হয়তো, গজেন দাদাক একেবাৰে দেখাই নাই।"

অলপ পাছতে ডিঙিত লগোৱা ৰছী টানি টানি, তিনিটা ছাগলী লৈ গজেন সেই ফালেদি সোমাই আহিল।

জয়ন্তীয়ে সুধিলে, -ক'লৈনো গৈছিলি অ' তই? এইটোক অকমান লৈ সহায় কৰিব লাগে বুলি পলাই ফুৰিছিলি নহয়? গোটেই আবেলিটো অকলে অকলে—"

"অ' আই!" গজেন যেন বৰ আচৰিত হ'ল, "এই সাত শ আঠ শ মানুহ তোক গোটাই দি গ'লোঁ, শেষত তই অকল-শৰীয়াহে হ'লি? মই ক'লৈ গৈছিলোঁ এয়া দেখিছনে নাই? এই দুটা আজি দৰা পাৰ্টিৰ কাৰণে, এইটো কাইলৈ আমাৰ ঘৰুৱা ভোজৰ কাৰণে। ন মাইল দূৰৰপৰা আনিছোঁ বুজিছ? যাওঁ, চাৰে দহ বজাত বোলে দৰা পাৰ্টিৰ মুখত ভাত পৰিবই লাগিব, ইফালে এয়া ছাগলীয়ে এতিয়াও খোজ কাঢ়িয়েই আছে। কি, তহঁতৰ আকৌ স্কুল বহিছেনে কি?" কথা কেইষাৰ কৈয়েই গজেনে আঙুলি এটা মুখত সুমুৱাই থুৰে তিয়াই ল'লে আৰু মেজ-খনত আঙুলিটোৰ আগেৰে কিম্ভুত-কিমাকাৰ ক এটা লিখি লৰা-লৰিকৈ আঁতৰি গ'ল। দূৰৰপৰা সি চিঞৰি মাৰি ৰমাক সুধিলে,---

"দেখিলি? চাই থাক, দুদিনমানৰ পাছত তোকহে মই ওভোতাই শিকাম।"

বিয়া পাৰ হৈ গ'ল। গজেনে কোৱামতে তৃতীয় ছাগলীটোৰ মঙহৰ ভোজটোও হৈ গ'ল। তাৰ পাছত এদিন ৰমাই কুন্তলাহঁতে ঘৰাঘৰি যোৱাৰ কথা পাতি থকা শুনিলে। সেইদিনাই তাই জয়ন্তীক সুধিলে,—"আপোনালোক কেতিয়া যাব বাইদেউ?"

"জানো!" জয়ন্তীয়ে চমুকৈ উত্তৰ দিলে। এইখন ঘৰত বিয়া-বাৰু ৰং-ৰহইচ একোৰে লগত জয়ন্তীৰ সম্পৰ্ক হোৱা নাছিল, তথাপি তাইৰ কিবা এটা বুজি নোপোৱা কাৰণত বেয়া লাগিল। ৰমাই সুধিলে, —"আপুনি চিঠি দিব মোলৈ?"

জয়ন্তীয়ে হাঁহিলে। তাই ক'লে,—তিনটা নে চাৰিটা আখৰেৰেনো চিঠি লিখেনে? আৰু মোৰ হৈ চিঠিখন লিখি দিবলৈও মোৰ কোনো নাই বুইছা?"

"হওক বাৰু, সেইকেইটা আখৰকে লিখিবচোন চাম, আপুনি কিমান মনত ৰাখিছে।" চিঠি বুলিলেই বলিয়া ৰমা আঁকৰী লগাদি লাগিল। জয়ন্তীয়ে ক'লে, —"আখৰকেইটা যেনিবা হ'ল, কিন্তু মই পচ'কাৰ্ড পাম ক'ত, তোমাৰ ঠিকনা লিখি দিব কোনে?"

সেইদিনাই ৰমাই গজেনৰ হতুৱাই ডাকঘৰৰপৰা চাৰিখন প'ষ্টকাৰ্ড অনালে। আবেলি পৰত ঘৰত মানুহ বৰ কম থাকে; মাখনী, কুন্তলাহঁতে এইকেইদিন আবেলি আবেলি আপোন মানুহৰ ঘৰ ফুৰি লৈছে—আকৌ বা কেতিয়া আহিবলৈ পায়! তেওঁলোকে লগত চাকৰণী-বাকৰণী নিনিয়ে; মানুহৰ ঘৰত সিহঁতকো বেলেগে চাহ-জলপান যোগাৰ ধৰাটো বৰ জঞ্জালৰ কথা।

এনেকুৱা নিজঞ্জাল অৱস্থাতে গজেনে এটা কলম যোগাৰ কৰিলে আৰু বাৰাণ্ডাত উবুৰি খাই বহি ৰমাই জয়ন্তী আৰু গজেনক সুধি সুধি প'ষ্টকাৰ্ডকেইখনত একোটা ঠিকনা লিখি উলিয়ালে। দুখন কাৰ্ড তাই জয়ন্তীক দিলে, তাৰে এখনত ৰমাৰ ঠিকনা লিখা আছে,

ইখনত গজেনৰ ঠিকনা। ৰমা আৰু জয়ন্তীৰ ঠিকনা লিখা বাকী দুখন কাৰ্ড দিলে গজেনক। তাৰ পাছত পৰম তৃপ্তিৰে চকু দুটাত তিৰবিৰণি তুলি তাই ক'লে,---"মই চব ঠিক কৰি দিলোঁ; এইবাৰ চিঠি দিব লাগিব কিন্তু?"

জয়ন্তীয়ে অলপ সময় তললৈ চাই ৰ'ল। এক মুহূৰ্তৰ কাৰণে এজনী বহু বেছি বয়সীয়া মানুহ হৈ তাইৰ এই অকণমান ছোৱালী-জনীক বুকুত সাৱটি ল'বৰ মন গ'ল।

কেইদিনমানৰ ভিতৰতে বিয়াঘৰ আৰু নিজম পৰি আহিল। শেষত জয়ন্তীহঁত যাবলৈ মাত্ৰ এটা দিন বাকী থাকিল। সেইদিনা সন্ধিয়াতে ঘৰখনৰ ইলেকট্ৰিক লাইটবোৰ নুমাই গ'ল। ৰাস্তাৰ আৰু ওচৰ-চুবুৰীয়াৰ ঘৰৰ লাইট জ্বলি আছে, কেৱল এইটো ঘৰতহে কিবা বিজুতি ঘটিল। মিস্ত্ৰীবোৰে ৰভাৰ তাঁৰবোৰ খুলিছিল, সিহঁতেই ক'ৰবাত কিবা কৰি থৈ গ'ল হবলা। মিস্ত্ৰীৰ খবৰ কৰি লৰা-ঢপৰা কৰিবলৈ ঘৰখনত কাৰো উৎসাহ নাছিল। সন্ধিয়াটো পাৰ কৰি দিবলৈ লেম চাৰিটাকে জ্বলোৱা হ'ল। সকলোৰে গাত ভাগৰ, সকলোৰে চকুত জমা হৈ থকা টোপনি। সন্ধিয়াৰ দুঘণ্টামানৰ পাছতে, কেঁচুৱাবোৰৰ লগে লগে, ডাঙৰ মানুহবিলাকৰো সাৰস্থুৰ নোহোৱা হ'ল। কেৱল কলৰ পাৰত লেম এটা আৰু কাঁহী-বাটি এদ'ম লৈ বহিল গজেন, জয়ন্তী আৰু ৰমা।

জয়ন্তীয়ে এবাৰ ক'লে, –"গজেন, সেই পানী বাল্টি এইখিনি-লৈকে আনি দেচোন; এইখিনিতে বহি এইসোপা ধুই পেলাওঁ, সেইখিনিত বৰ কাপোৰ তিতে।"

গজেনে প্ৰকাণ্ড বাল্টিটোৰ ধেনুভিৰীয়া লোহাডালত ধৰিলে, জয়ন্তীয়ে সুধিলে, "বলে পাৰিবি?"

"এ-স্! তোৰ নিচিনাকৈ এনেয়ে গাৰ মঙহ বঢ়োৱা যেন পাইছ? তোকো এখন হাতেৰেই সোমানু ওপৰলৈ তুমি দিম। চাবিনেকি প্ৰমাণটো?"—বুলি গজেন জয়ন্তীৰ ফালে দুখোজমান

আহিলেই। জয়ন্তীৰ গোটেই গাটো সিৰসিৰাই উঠিল। এক মুহূৰ্তৰ কাৰণে যেন গোটেই পৃথিৱীখনেই এটা হেন্দোলনি খালে। ডাঙৰকৈ চকুহাল মেলি তাই গজেনৰ মুখলৈ চালে, আৰু লগে লগে তাইৰ মুখেদি ওলাই আহিল,---"নালাগে নালাগে, বুজিছোঁ তোৰ বৰ বল, মই বুজিছোঁ।"

ৰমাই খিকখিকলৈ হাঁহিবলৈ ধৰিলে।

লাজ লাজ দৃষ্টিৰে জয়ন্তীয়ে গজেনৰ উদং গাটোলৈ এবাৰ চালে। হয়, তাৰ বল আছে চাগে। আটিল হাত-ভৰি, ধুনীয়া গাটো, ক'ৰবাত এটোপাল ঘাম ওলালে ঘামটোপালে খোপনি পুতিবলৈ ঠাই নাপায়,—নিমজ, নিটোল। জয়ন্তীয়ে খকামকাকৈ বাচনত হাত দিলে! সোপাসোপে ফুটছাই ঘঁহি তাই বাচনবোৰ একাষে থৈ গ'ল।

গজেনে কলে,—"বুইছ জয়ন্তী, মোৰ আৰু ভাল লগা নাই। এইবাৰ মিলিটেৰিতে সোমাম। যাম বুলিছোঁ যামেই। ময়ো গুলী মাৰিম, মোলৈকো গুলী মাৰিব—যাৰ গাত লাগে লাগিব। মৰিলে মৰি যাম। সেইবোৰহে মতা মানুহৰ কাম।"

জয়ন্তীয়ে আঁঠুত এবাৰ নাকটো ঘহাঁই ল'লে, তাৰ পাছত সুধিলে --"তই তোৰ নিজৰ কথা কিন্তু একোকে নক'লি, আমি ইমান সুধিলোঁ।--"

গজেনৰ খং উঠি গ'ল,—"মই কৈছোঁ নহয়, মোৰ আই-বোপাইৰ ঠিক নাই, মোৰ ঘৰ ক'ত, ক'ৰ মানুহ একোৰে ঠিক নাই, সেইবোৰ মোক নুসুধিবি।"

জয়ন্তী মনে মনে ৰ'ল।

বাচনসোপা ঘঁহি শেষ নহওঁতেই ফুটছাই ঢুকাল। জয়ন্তীয়ে ক'লে,—"ৰমা, চৌকাৰপৰা ছাই অলপ আনাগৈ যোৱা।"

"ই—এন্ধাৰ মুন্ধাৰ, মোৰ ভয় লাগে।"

গজেনে ক'লে,—"লেমটো লৈ যা আক'!"

লেমটো লৈ ৰমা পাকঘৰলৈ গ'ল।

ঠাইডোখৰ আন্ধাৰ হৈ গ'ল। জয়ন্তীয়ে পোহৰৰ আশাত আকাশলৈ চালে। আকাশত জাক জাক তৰা, অলেখ তৰা; কাৰো মাতবোল নাই, মনে মনে তিৰবিৰাই আছে।

গজেন জয়ন্তীৰ একেবাৰে কাষতে বহিল। সি সুধিলে, "মই তোক এটা কথা কওঁ নে জয়ন্তী?"

ভৰিৰপৰা মূৰলৈকে জয়ন্তী গোটেই মানুহজনী কঁপি উঠিল। সেই কঁপনিত লৰচৰ কৰি তাইৰ মনটোৱে যেন বুকুৰ ভিতৰৰ-বেৰবিলাকত খুন্দিয়াবলৈ ধৰিলে। গোটেই প্ৰাণশক্তিটোৱে আহি যেন তাইৰ ডিঙিত সোপা মাৰি ধৰিলে। তাই জঠৰ হৈ গ'ল।

"কওঁ নে কথা এটা?" গজেনে আকৌ সুধিলে।

ফুটছাই এবাতি আৰু লেমটো হাতত লৈ ৰমা কলৰ পাৰলৈ ওলাই আহিল।

পিছদিনা জয়ন্তীহঁত গুচি আহিল।

আকৌ সেই ঘৰ। জয়ন্তীৰ মনটো উৰুঙা উৰুঙা লাগিল। বিয়াখনৰ লগত তাইৰ কোনো সম্পৰ্ক নাছিল, কিন্তু তথাপি তাত ঘৰটোৰ বাহিৰেও আহল বহল ৰভা আছিল, কিয় জানো তাই ক'ব নোৱাৰে---সেই মুকলি ৰভাবোৰ তাইৰ ভাল লাগিছিল। এতিয়া আকৌ সেই বন্ধ দুৱাৰ, গুণগুণনি; ভিতৰত লাইট নুমাই যায়, হঠাতে আকৌ জ্বলে; বন্ধ দুৱাৰৰ পৰ্দা আৰু আয়নাৰ মাজেদি অহা পোহৰে কাষৰ তাই শোৱা কোঠালিটো পোহৰ কৰি পেলায়, সেই পোহৰত আঠুৱাৰ ভিতৰত তাই কেৱল নিজৰ গাটো দেখে। সিটো কোঠালিৰপৰা খুটুকুকৈ গা-ধোৱা ঘৰৰ দুৱাৰখনৰ হুকটো খোলাৰ শব্দ হয়। এইবিলাক খুটখাট জয়ন্তীৰ ভাল নালাগে, তাতকৈ কোনেও কাৰো মাত নুশুনা কৰিব পৰা সেই বেণ্ডপাৰ্টিৰ বাজনায়েই ভাল; নাইবা জাক জাক তৰাৰ সেই নিস্তব্ধতায়েই ভাল।

এদিন ৰাতি শোৱাৰ আগতে মাখনীয়ে সিহঁতৰ শোৱনী কোঠাৰ

ছুৱাৰখন বন্ধ কৰাৰ আগতে জয়ন্তীক প'ষ্টকাৰ্ড এখন দিলে, ক'লে,—"এইখন ৰমাই তোলৈ চিঠি দিছে।"

"কি লিখিছে বাইদেউ ?"

"লিখিছে তাইৰ ভাল ; তই ভালে আছ নে সুধিছে।"—তাৰ পাছত মাখনীয়ে ছুৱাৰখন বন্ধ কৰি দিলে।

জয়ন্তীয়ে প'ষ্টকাৰ্ডখন লুটিয়াই বগৰাই বহুত পৰ বিচনাত পৰি থাকিল। এটা অশান্তি তাইৰ বুকুৰ তলিৰপৰা উজাই আহিল। এবাৰ বিচনাৰপৰা উঠি গৈ তাই তাইৰ টিনৰ বাকচটোৰপৰা ৰমাই দিয়া প'ষ্টকাৰ্ড দুখন উলিয়ালে আৰু আগফালৰ প্ৰকাশে অফিছৰ কাম কৰা কোঠালিটোৰ মেজৰপৰা ফাউণ্টেন পে'ন এটা লৈ বিচনালৈ উভতি আহিল। ফাউণ্টেন পে'নেৰে তাই জীৱনত একো কৰি পোৱা নাই, তথাপি তাই লোকে যেনেকৈ ধৰে, তেনেকৈ পোনতে ধৰিবলৈ চেষ্টা কৰিলে। এনে সময়তে সিটো কোঠালিৰ-পৰা মাখনীয়ে ডাঙৰকৈ মাতিলে,—"জয়ন্তী !"

"বাইদেউ !"

"লাইট নুনুমাৱ কিয় ?"

টোপনি ধৰক নধৰক জয়ন্তীয়ে লাইট নুমুৱাই টোপনি যোৱাৰ নিচিনাকৈ পৰি থাকিব লাগে। বেৰৰ গজালবোৰত বান্ধি বান্ধি আঠুৱা নতৰাকৈয়ে জয়ন্তীয়ে লাইটটো নুমুৱাই দিলে। লাহে লাহে এটা অচিনাকি অদ্ভুত উত্তাপ তাইৰ গাত বিয়পি পৰিল। কাণ দুখন অসাৰ কৰি ৰাখি তাই আন্ধাৰতে প'ষ্টকাৰ্ড দুখন মনিবলৈ চেষ্টা কৰিলে।

তাই কি লিখিব ? ৰমাই যিমান পঢ়িব পাৰে, তাই সেইবোৰ একো লিখিব নাজানে ; তাইৰ ভাষাৰ লগত ৰমাৰ ভাষা নিমিলে। সেই অকণমানি চিঠিবিলাক ছোৱালীজনীৰ মুখখন জয়ন্তীৰ বাৰে বাৰে মনত পৰিল। তাইৰ কান্দো কান্দো লাগিল।

হঠাতে এবাৰ সিটো কোঠালিত লাইট জ্বলিল, খুটখাট শব্দ হ'ল। এইটো কোঠালিত বস্তু মনিব পৰা পোহৰ হ'ল। জয়ন্তী বিচনাত বহিল। জুপি জুপি ঠিকনাৰ গ আখৰটো চিনি লৈ ইখন কাৰ্ড তাই আঁতৰাই থ'লে আৰু মনে মনে ক'লে,—"তুমি মোক বেয়া নাপাবা বমা।"

তাৰ পাছত গজেনৰ ঠিকনা লিখা কাৰ্ডখনৰ ওপৰত কলমৰ আগটো লগাই জয়ন্তীয়ে এটা দীঘল উশাহ টানি ল'লে। তাইৰ ডিঙি আৰু কপালৰপৰা অকণ অকণ ঘাম ওলোৱা যেন লাগিল। তাইৰ হাতখন কঁপি কঁপি উঠিল।

গজেনে তাইক সুধিছিল,—"মই তোক এটা কথা কওঁ নে জয়ন্তী ?" সি আকৌ সুধিছিল,—"কওঁ নে কথা এটা ?"

অলপীয়া পোহৰত কলমটো ঘহাঁই ঘহাঁই প'ষ্টকাৰ্ডখনত জয়ন্তীয়ে এটা আখৰ লিখিলে—ক।

পৃথিৱীৰ অজস্ৰ ভাষাৰ অযুত বিননি সেই এটা আখৰৰ বিন্দুৱে বিন্দুৱে সোমাই গ'ল।

# খনিকৰ

বাটেদি প্ৰেছেছন এটা অহাৰ নিচিনা ডাঙৰ ঘটনা ঘটিবই নালাগে, পদুলিমুখত কাৰোবাৰ ছাইকেলৰ চকা এটা ফুটিলেও মাধৱ পেস্কাৰৰ চাৰিজনী কানসমনীয়া গাভৰু ছোৱালী দুৱাৰডলিটোৰ ওপৰত হেঁচাঠেলাকৈ থিয় হয়হি। গা-পাতল, ওখ-ওখ ছোৱালী; সিহঁতৰ প্ৰত্যেকৰে কঁকালৰ আৰু পিঠিৰ ভাঁজ একোটা আছে; গতিকে হেঁচা-ঠেলাকৈ থিয় দি বাটৰ ঘটনাটোৰ উমান ল'বৰ সময়ত দুৱাৰৰ ফ্ৰে'মটোৰে সৈতে সিহঁতক গাঁৱৰ আঁহত গছৰ তলৰ দোকানত এফালে আয়না লগোৱা টিনত ভৰাই বেচিবলৈ থোৱা দীঘল দীঘল, বেঁকা-বেঁকি বিস্কুট যেন লাগে। এইবোৰ অৱশ্যে কেইবাবছৰৰো আগৰ কথা। আজিকালি মাধৱ পেস্কাৰৰ ঘৰটোৰ কোঠালি কেইটাত চাৰিজনী কানসমনীয়া গাভৰু ছোৱালীৰ পাতল ধেমালিৰ হাঁহি-খিকিন্দালি নাই, কাজিয়া-পেঁচাল মান-অভিমান, তৰ্কাতৰ্কিৰ উত্তেজনা নাই, অৱদমিত আকাংক্ষা-কামনা-বাসনাৰ হা-হুতাশ নাই, যৌৱনৰ বন্দীশালৰ উষ্ণতা নাই, একো নাই। এতিয়া ঘৰখন শীতল। বাটত কাৰোবাৰ ছাইকেলৰ চকা ফুটিলেতো কথাই নাই, এজাক শুকুলা ঘোঁৰাই টনা মহাভাৰতৰ ৰথ এখন পদুলিমুখত ৰ'লেহিও এতিয়া ঘৰখনৰ অৱশিষ্ট একমাত্ৰ ছোৱালী মণিকা দুৱাৰমুখলৈ ওলাই আহিবনে নাহে সন্দেহ; তাই বোধহয় এনেকুৱা এটা ভাব দেখুৱাব, —ৰথখন যেন তাইৰ নিজৰে, বনকৰা ল'ৰাটোৱে বজাৰলৈ নিছিল, এতিয়া উভতি আহিছে। ঘৰখনৰ দ্বিতীয় প্ৰাণী মণিকাৰ মাকে

পিছবাৰাণ্ডাৰপৰা চিৰাচৰিত প্ৰথা মতে, বৰ্তমানৰ দুৰ্বল মাতেৰে বোধহয় মাত লগাব, "হয় নে মণি, তই ক'ত আছ? চাচোন আগফালে সেয়া কি? গুৱালটো আহিছিল, জপনাখন মেলিয়েই থৈ গ'ল নেকি। এটামান গৰু কেনেবাকৈ সোমাব লাগিলে তোৰ ফুলৰ ফালে হ'ব আৰু।"

ইয়াতকৈ বেছি চঞ্চল প্ৰাণ ঘৰখনত বহুত দিনৰ আগৰেপৰা নাইকিয়া হৈ গৈছে। মাধৱ পেস্কাৰে জীৱনৰ সুদীৰ্ঘ কাল আদালতৰ চকীত বহি বহি বহুতৰ জীৱনৰ চাঞ্চল্য আৰু উত্তেজনাৰ হিচাপ ৰাখিলে, কিন্তু নিজৰ জীৱনৰ শেষৰ ফালে অকণমান প্ৰাণ-চাঞ্চল্য জোৰ কৰিও তেখেতে উলিয়াই ল'ব নোৱাৰিলে। এটা পুত্ৰ-সন্তানৰ মুখ দেখিলে চৌহদৰ এচুকত সৰুকৈ এটা কাঠৰ চাংবঙলা সজাব বুলি তেখেতে একালত পইচা গোটাইছিল, পাছলৈ পইচা গোটোৱাটো বাদ দিলে'। গোটোৱা পইচাখিনিৰ অলপ খৰচ কৰি মাজতে কিছুদিন তেখেতে নিচা কৰি চালে, কিন্তু শান্তি নাপালে। শেষৰ ফালে মাধৱ পেস্কাৰে দুবছৰত চাৰিবাৰ চচমাৰ পাৱাৰ সলনি কৰিলে, আৰু এদিন কোনো উদ্বেগ-উৎকণ্ঠা প্ৰকাশ নকৰাকৈ অত্যন্ত নিৰ্বিকাৰভাৱে তেখেত গুচি গ'ল। মাধৱ পেস্কাৰৰ পত্নীৰ স্বাস্থ্য বিয়াৰ আগৰেপৰাই দুৰ্বল আছিল, পাছলৈ তেখেত বেছি দুৰ্বল, অসুখীয়া আৰু নিষ্প্ৰভ হৈ গ'ল। তেখেতেও যদি কেতিয়াবা কাঠৰ চাংবঙলাটোৰ কথা ভাবিছিল, পাছলৈ সেইবোৰ ভাব-চিন্তা দুৰ্বল দেহা আৰু ৰুগীয়া মনটোৰ মাজতে মনে মনে সামৰি-সুঁতৰি থৈ দিলে। আজিকালি ৰাতিপুৱা শোৱাৰপৰা উঠাৰ সময়ত তেখেতৰ গাৰ গোটেই বাওঁফালটো অৱশ-অৱশ, সাৰ-সুৰ নোহোৱা যেন লাগে। ডাক্তৰে মণিকাক কৈছে, "তেখেতৰ বাওঁফালটো হয়তো পেৰেলাইজড হৈ যাব।" এতিয়ালৈকে পিছে হোৱা নাই, আৰু কেতিয়া হয় ঠিক নাই।

পেস্কাৰৰ চাৰিজনী ছোৱালীৰ তিনিজনী—কণিকা, অনিতা

আৰু বিনীতাৰ বিয়া হৈ গৈছে। আটাইকেইজনীৰ ভিতৰত মণিকা ডাঙৰ, তাইৰ বিয়া হোৱা নাই। পেৰেলাইছিছ ৰোগত ভোগাৰ নিচিনা শান্ত, ধীৰ-স্থিৰ ঘৰখন আগুৰি তাই দিনবোৰ কটাই দিছে।

হঠাতে আজি দুদিনমানৰপৰা এই শান্ত-শীতল ঘৰখন আকৌ অকণমান চঞ্চল হৈ উঠিছে। দুটা ল'ৰা-ছোৱালী লৈ অনিতা মাকৰ ঘৰলৈ আহিছে। গিৰিয়েক ব্ৰজনাৰায়ণে তাইক লৈ আহিছে। ব্ৰজনাৰায়ণ বহুত কামৰ লেঠাত থকা মানুহ; তেওঁ ৰাতিটোৰ ভিতৰতে মণিকাৰ মাকৰ লগত ভুনভুনকৈ বহু কথা পাতিলে, মাজতে দুবাৰমান মণিকাৰ লগত অলপ ৰসিকতাও কৰিলে; তাৰ পাছত পুৱাই গুচি গ'ল।

দুবছৰীয়া পুতেকটো আৰু বনকৰা ছোৱালী এজনী লগত লৈ বিনীতাও আহিছে। তাইৰ গিৰিয়েক দিব্যজ্যোতি আহিব নোৱাৰিলে; তাইক নিবলৈ দুদিনমানৰ পাছত অহাৰ কথা আছে; নাহিলেও নাই, বিনীতাৰ অভ্যাস আছে, ভয়-চয় নাই, তাই অকলেই উভতি যাব পাৰিব।

এজনী এজনীকৈ তিনিজনী ছোৱালী ঘৰখনৰপৰা ওলাই যোৱাৰ পাছত মাত্ৰ এবাৰ তিনিজনী একেলগ হৈছিলহি; তেতিয়া অৱশ্যে বাকীকেইজনীৰ ল'ৰা-ছোৱালী নাছিল, কেৱল কণিকাই ছমহীয়া ল'ৰাটো লৈ আহিছিল। ইতিমধ্যে ইবাৰ ইজনী, সিবাৰ সিজনীকৈ আটাইকেইজনীয়েই ঘৰলৈ মাজে-সময়ে আহি আছে, কিন্তু বহুদিনৰ পাছত এইবাৰহে আকৌ দুজনী একেলগে ঘৰত লগ লাগিছেহি।

কণিকা পিছে আৰু নাহে। তাইৰ পাঁচ বছৰীয়া ল'ৰা ৰঞ্জুক লগত লৈ তাইৰ গিৰিয়েক ৰমণীমোহন আজি অহাৰ কথা আছে, আৰু তেওঁ আহি পোৱাৰ মুহূৰ্তটোলৈ যেন এই ঘৰখনে অধীৰ আগ্ৰহেৰে বাট চাই আছে।

অনিতা, বিনীতা, সিহঁতৰ ল'ৰা-ছোৱালীকেইটা—এই আটাই-মখাই মাধৱ পেস্কাৰৰ ঘৰখন বহুত দিনৰ মূৰত আকৌ চঞ্চল কৰি

তুলিছে ; কিন্তু আটাইতকৈ বেছি চাঞ্চল্য অনুভৱ কৰিছে মণিকাই —তাইৰ বুকুৰ মাজত। তাই ঘৰখনত শান্তিৰে তিষ্ঠিব পৰা নাই। খোজ কাঢ়িব পৰা ল'ৰা-ছোৱালীকেইটাই মণিকাই নিজ হাতেৰে পানী দি দি ডাঙৰ কৰা ফুলগছবোৰ আঁজুৰি-আঁজুৰি নষ্ট কৰাৰ উপক্ৰম কৰিছে, মণিকাই ভ্ৰূক্ষেপ কৰা নাই ; বৰ যত্নেৰে, আটোমটোকাৰিকৈ ৰখা পৰিষ্কাৰ বিচনাখনত ল'ৰা-ছোৱালীবোৰে বোকা ভৰিৰে উঠি ফুল, পাত, মাকহঁতৰ গোলাপী পাউদাৰৰ টেমাৰে খেলিবলৈ আৰম্ভ কৰি দিছে। মণিকাৰ চকুৰেদি যেন এইবোৰ দৃশ্য সোমোৱাই নাই। অনিতা-বিনীতাহঁত আহি সেমোৱাৰ পিছ মুহূৰ্তৰপৰাই এক অভূতপূৰ্ব অস্থিৰতাই তাইক বেৰি আছে। পৰহি তাই স্কুলৰ সৰস্বতী পূজাৰ নাম কৰি আগবেলাই ঘৰৰপৰা ওলাই গৈছে ; সৰস্বতী পূজা আছিল কালি, গতিকে কালি তাই পুৱাৰে-পৰা নিশা ন বজালৈকে বাহিৰত কটাইছে। আজি প্ৰতিমা বিসৰ্জনৰ দিন, আজি তাই স্কুললৈ নগ'লেই নহ'ব, বাৰ বজাৰ আগতেই তাই স্কুল পাবগৈ লাগিব ; ট্ৰাকত গোসাঁনী তুলি সজোৱাৰ সময়ত তাই নাথাকিলে ছোৱালীবিলাকে খেলিমেলিখন লগাব।

উখল-মাখল লাগি থকা ঘৰখনত ভাত ভালকৈ হয় মানে এক-ডেৰ বাজিব ; ইমান পৰলৈ মণিকা ৰ'ব নোৱাৰে ; যি হৈছে তাৰেই দুটামান খাই তাই যাবলৈ ওলাল। অনিতা-বিনীতাহঁতে লগত আয়না অনা নাই, মণিকাৰ আয়নাখনৰ ওচৰতে সিহঁতৰ বিভিন্ন ধৰণৰ স্ন'-পাউডাৰ ইটো-সিটোৰ বটলবোৰ সিঁচৰতি হৈ পৰি আছে ; মূৰ আঁচুৰিবলৈ আহি মণিকাই সেইবোৰৰ মাজত তাইৰ নিজৰ স্ন' আৰু পাউডাৰৰ বটল দুটা যেন অকণমান সময়লৈ বিচাৰিয়েই নাপালে। এবাৰ তাই ভাবিলে এইবোৰেৰেই আজি তিনি লেপমান দি, আঁকি-বাঁকি ওলাই যোৱা যাওক নে কি ! তাইতো এইবোৰৰ ব্যৱহাৰ পাহৰা নাই ! পাছত তাই ভাবিলে, নাই নালাগে। সময় নাই।

মণিকা ঘৰৰপৰা ওলাল। ওলায়েই তাই লক্ষ্য কৰিলে, তিনি-আলিত ৰিক্সাৱালাটো আছে। স্কুলৰ চাকৰি লোৱাৰেপৰা এইটো ৰিক্সাৱালাৰ লগত মণিকাৰ ঘৰুৱা সম্বন্ধ। চাৰে ন বজাত লোভনীয় ভাৰা পালেও সি অইনক ৰিক্সাত নুঠায়। কেতিয়াবা মণিকা ওলোৱাত পলম হ'লে সি নিজে আগবাঢ়ি আহি বাৰাণ্ডাৰপৰা সোধে, "বাইদেউ আজি নাযায় নেকি?"

ভাৰাৰ পইচা-পাতিৰ ক্ষেত্ৰতো তাৰ লগত মণিকাৰ স্বকীয়া বন্দৱস্ত; কেতিয়াবা দেশলৈ পইচা পঠিয়াবৰ সময়ত হিচাপতকৈ কম পৰিলে সি মণিকাৰপৰা দহ পোন্ধৰ টকা লৈ যায়, কেতিয়াবা দহ-পোন্ধৰ দিন পইচা-পাতি নিদিয়াকৈ মণিকা তাৰ ৰিক্সাত উঠি ফুৰে।

ৰিক্সাত উঠি বহাৰ পাছত ৰিক্সাৱালাটোৱে সুধিলে, "স্কুললৈ যাবনে কি বাইদেউ?"

"স্কুললৈ নগৈ আৰু ক'লৈ যাবি?" মণিকাই মলিন হাঁহি অকণমান মিহলাই ক'লে।

ৰিক্সা চলিল। অলপ পাছতে, চাৰি-আলি এটা পাওঁ পাওঁ হওঁতেই মণিকাই মাত লগালে, "দশৰথ, ৰ'বিচোন।"

দশৰথে ব্ৰে'ক টানিলে।

"এটা কাম কৰোঁ দে। এতিয়াইনো স্কুললৈ গৈ কি কৰিম! বাওঁফালে ঘূৰ, ঘূৰি নৈৰ পাৰে পাৰে একেবাৰে শিৱ মন্দিৰলৈকে গৈ এপাক ফুৰি আহোঁ ব'ল। মূৰটো আজি বেয়া লাগি আছে; অকণমান মুকলিত ফুৰিলে ভাল লাগিব।"

অজস্ৰ চিন্তা, বহুত বেদনা আৰু অনেক অপূৰ্ব অনুভূতিয়ে মণিকাৰ মূৰটো যেন হেঁচা মাৰি ধৰিছে।

প্ৰথমতে অনিতা, তাৰ কেইঘণ্টামানৰ পাছতে বিনীতা আহি সোমোৱাৰ লগে লগে মণিকাই অলপ আচৰিত হৈ সুধিছিল, "কি হ'ল অ' তহঁতৰ, একেবাৰে দলে বলে আহিলি দেখোন?"

বিনীতাই সুধিলে, "কিয় ? আহিলে বেয়া পায় নেকি ? আমনি পাইছ যদি কৈ দে।"

নহয় নহয়, মণিকাই আচলতে সেইটো অৰ্থত কথাষাৰ সোধা নাছিল। "নহয়, মানে - তুয়োজনী এনেকৈ একেদিনাই আগে-পিছে নাহতো! সেই কাৰণে—" মণিকাই সন্ত্ৰস্ত হৈ ক'লে।

"কাম আছে, কথা আছে, সেই কাৰণেহে আহিছোঁ"— বুলি বিনীতাই এটা ৰহস্য মিহলোৱা হাঁহি মাৰিলে। মণিকা ভিতৰি ভিতৰি উচাপ খাই উঠিল। বিনীতাহঁতৰ মুখত এনেকুৱা হাঁহি তাই বহুত দিনৰ আগতে, সেই তুৱাৰডলিত চাৰিজনী কাণসমনীয়া ছোৱালী হেঁচা-ঠেলাকৈ থিয় হোৱাৰ দিনতে দেখিছিল; তাৰ পাছত বিনীতাহঁতেও তেনেকৈ হাঁহিবলৈ পাহৰিলে, মণিকায়ো দেখাৰ কথা পাহৰিলে। কিন্তু আজি হঠাৎ!

সেইদিনাই ৰাতি মণিকাই অনিতাৰপৰা কথাবোৰ গম পালে। অনিতা আৰু বিনীতাই বহু দিনৰপৰা চিঠি লিখা-লিখি কৰি কথা-বোৰ ঠিক কৰিছে; সিহঁত আটাইকেইজনী এবাৰ একে সময়তে ঘৰত গোট খাবহি, তাৰ পাছত এটা স্থিৰ সিদ্ধান্ত কৰিব, পাৰিলে ঘটনাটোকে সিহঁতে শেষ কৰি থৈ যাব। সিহঁতে মণিকাৰ বিয়া পাতিব।

বিয়া ? এতিয়া ? অস্থিৰভাৱে মণিকাই অনিতাক "তহঁতে কি কৰিছ, কি ভাবিছ, সেইবোৰ মোকতো আগতে জানিবলৈ দিব লাগে!" বুলি ক'ব লাগে কাৰণে ক'লে; তাৰ পাছত নিজৰ কোঠালিলৈ গৈ, অনিতাৰ তিনি বছৰীয়া ল'ৰাটোৰ কাষত পৰি এটা টোপনিৰ লগত সম্পৰ্ক নোহোৱা ৰাতি কটাই দিলে। আৰু পিছ-দিনা পুৱাই তাই স্কুলৰ সৰস্বতী পূজাৰ নাম কৰি ওলাই গ'ল।

সৰস্বতী পূজাৰ কাম ভালধৰণে আগবাঢ়িছে। চালি, বেৰ ইত্যাদিৰ কাম হৈয়েই গ'ল বুলিব লাগে। নিমন্ত্ৰণী চিঠিবোৰো ঠিকমতে ভগাই দিয়া হৈছে, ইতিমধ্যে চাগে বিলোৱা হৈ গ'ল।

আবেলি বজাৰখিনি কৰিব লাগিব, সেইটো দায়িত্ব শিক্ষককেইজনক দিয়া আছে। প্ৰধান শিক্ষয়িত্ৰীয়ে পূজা পাৰ হৈ নাযায় মানে এই কেইদিন স্কুলৰ অইন সকলো কৰ্তব্যৰপৰা মণিকাক ৰেহাই দিছে। গতিকে পুৱাই স্কুললৈ আহি মণিকাই এতিয়া কৰে কি? অলপ সময় স্কুলৰ বননিখনত ইফালে সিফালে অহা-যোৱা কৰি তাই এবাৰ ভাবিলে প্ৰতিমাকে চাই অহা যাওক। এইবাৰ আকৌ স্কুলৰ প্ৰতিমা সদায় গঢ়ি থকা দূৰৰ ব্যৱসায়ী খনিকৰক গঢ়িবলৈ দিয়া নাই। ছোৱালী স্কুলৰ প্ৰতিমা, প্ৰত্যেক বছৰে খনিকৰৰ ঘৰৰ পৰা স্কুলৰ পূজামণ্ডপলৈ অনা কথাটোতে বাৰে-বেমেজালি হয়; সেই কাৰণে এইবাৰ চখ কৰি মাটিৰ শিল্প চৰ্চা কৰা দুখীয়া ল'ৰা এটাক স্কুলৰ চৌহদৰ এচুকতে সৰুকৈ চালি এখন দি প্ৰতিমা গঢ়া কামত লগোৱা হৈছে। মণিকা এখোজ-দুখোজকৈ চালিখনৰ ওচৰ পালেগৈ। ল'ৰাটোৱে টুল এখন মণিকাৰ ফালে আগবঢ়াই দিলে। টুলখনত বহি মণিকাই স্থিৰ দৃষ্টিৰে লাহে লাহে গঢ় খাই অহা সৰস্বতীজনালৈ চাই ৰ'ল।

প্ৰতিমা প্ৰায় হ'লেই। চুলি লগোৱা হ'ল, কাপোৰত ৰং দিয়া হ'ল, গহনাবোৰতো ৰং দিয়া হ'ল। বৰ ধুনীয়া হৈছে। চকুত পৰাৰ ভিতৰত কেৱল চকুৰ মণি দুটা দিবলৈ আছে, তাৰ পাছত বোধহয় ওচৰতে থুটা এটাত ৰং-চং দি সাজু কৰি থোৱা বীণাখন হাত দুখনত তুলি দিলেই--বাচ--হৈ গ'ল। খনিকৰ ল'ৰাটোৱে পিছে ক'লে, "নহয় বাইদেউ, ঢেৰ কাম বাকী।" কথামাৰ কৈ সি বুৰুজ এডালেৰে প্ৰতিমাৰ গালখনত মাটিৰ মলা এটাৰপৰা এবিধ তেল সানিবলৈ ধৰিলে।

মণিকাই আঁঠুৰ ওপৰত কিলাকুটিৰ ভেজা দি, বাওঁহাতখনৰ তলুৱাত বাওঁ গালখন থৈ প্ৰতিমা চাই আছিল; এবাৰ এনেয়ে তাইৰ আঙুলিকেইটাই গালৰ হাড়ডাল পিটিকি চোৱাৰ নিচিনা কৰিলে। তাৰ পাছত তাইৰ চকুযোৰ মুদ খাই গ'ল।

তাইৰ বিয়া হ'ব? • এই প্ৰশ্নটোকেই তাইৰ অচিনাকি অচিনাকি

লাগিল। পোহনীয়া চৰাই উৰি গৈ আকৌ বহুত দিনৰ মূৰত কেনেবাকৈ ঘৰৰ মুধত পৰিলেহি যেনেকৈ তাক চিনি পোৱাত সন্দেহ হয়, ঠিক তেনেকৈয়ে একালৰ বৰ আপোন প্ৰশ্নটো চিনি পাওঁতেও মণিকাৰ সন্দেহ জন্মিল। তাইৰতো বিয়া হোৱাৰ কথা নাই! তাইৰ বিয়া নহয়, হ'ব নোৱাৰে। তাইৰ খবৰ ৰখা প্ৰত্যেক মানুহে জানে তাই এসময়ত যি কেলেংকাৰীৰ হেঙাৰ বান্ধি থৈ আহিল, বিয়াৰ নিচিনা পৱিত্ৰ, সুন্দৰ বস্তু সেই হেঙাৰ পাৰ হৈ তাইৰ জীৱনলৈ আৰু আহিব নোৱাৰে। তাইৰ জীৱনৰ সন্মুখত যেন বাঘ-মকৰাৰ জাল তৰা আছে, তাৰ মাজেদি পখিলা সৰকাৰ উপায় নাই।

চাৰিজনী কাগসমনীয়া ছোৱালীয়ে তুৱাৰডল্লিত হেঁচা-ঠেলা কৰাৰ দিনতে মণিকাই হেনো ভাগ্যৰ লগত যৌৱনৰ কিলাকুটি ব্যৱহাৰ কৰি অন্যায় ঠেলা-হেঁচা কৰিলে। তাই দিগেন্দ্ৰ নামৰ ডেকা ল'ৰা এটাৰ লগত প্ৰেমৰ সম্পৰ্ক পাতিলে। এতিয়া মণিকাই যিবোৰক বাঘ-মকৰাৰ জালৰ সূতা বুলি ভাবিছে, সেইবোৰ এসময়ত দিগেন্দ্ৰ আৰু মণিকাই খেলিমেলিকৈ টানি-আজুৰি বহলাই পেলোৱা প্ৰণয়ৰ ডোল। মণিকাহঁতৰ প্ৰণয়ৰ ৰূপ আছিল উদভ্ৰান্ত; স্থান-কাল-পাত্ৰৰ সকলো বাধা-আপত্তিক সিহঁতে তুবৰি বন হেন জ্ঞান কৰিছিল; গ্ৰাহ্য কৰিব নালাগে, কেৱল গচকি আগুৱাই গৈ থাকিলেই হয়।

দিগেন আছিল ফুল-গান-আকাশ-মলয়া-সপোন আদি জড়িত থকা প্ৰেমৰ নাম শুনিলে হাঃ হাঃ কৈ অট্টহাস্য কৰা নিৰ্ভীক, সাহসী ল'ৰা। সি প্ৰায়েই সন্ধিয়াৰ আগে আগে মণিকাহঁতৰ ঘৰলৈ আহি কৈছিল "ব'লা, ফুৰিবলৈ যাওঁ।"

মণিকাই কৈছিল, "ৰ'বা মই ফৎকৰে ওলাই লওঁ।"

প্ৰথমতে কিছুদিনলৈ নিনিলে বেয়া দেখি কাৰণে মণিকাই বিনীতাক লগত লৈছিল; কিন্তু পাছলৈ দেখা গ'ল মণিকাই বিনীতাক যিমান সৰল আৰু কথাবোৰ নুবুজা ছোৱালী বুলি ভাবিছিল,

আচলতে তাই সিমান নহয়। পাছলৈ ফুৰি আহি বিনীতাই কণিকা আৰু অনিতাক লৈ বহুত পৰলৈ গোপন আলোচনা কৰা কৰিলে। দিগেন আৰু মণিকাৰ আগে আগে, অকলে অকলে গৈ থাকিবলৈ বিনীতাৰ লাজ নালাগে নেকি? সিহঁত দুটা কৰবাত বহিলে, অলপ আঁতৰত অকলে অকলে বহি থাকিবলগীয়া হ'লে বিনীতাৰ খং নুঠিব নেকি?

এসময়ত কণিকা, অনিতা আৰু বিনীতাই দল পাতি মণিকাক শাসন কৰাৰ কথা ভাবিলে। দুদিনমান সিহঁতে—"তোৰ উৎপাত বেছি হৈছে কিন্তু"—ইত্যাদি বুলি কৈয়ো চালে, কিন্তু কথাবোৰ মণিকাৰ একাণেদি সোমাই সিকাণেদি ওলাই গ'ল। মাজে মাজে তাই "আয়ৈ দেহি বেচেৰীহঁত!"--বুলি এনেকুৱা এটা পুতৌৰ হাঁহি মাৰে, যেন ইহঁত তিনিজনীয়ে হিংসাত নাইবা সিহঁতৰ উকা জীৱনৰ যন্ত্ৰণাতহে এটা বিৰোধী দল সংগঠন কৰিছে।

ইতিমধ্যে চহৰৰ চুকে-কোণে উৎসাহী শিল্পীসকলৰ হাতত দিগেন-মণিকাৰ প্ৰণয়ৰ ডোলে বীভৎস বাঘ-মকৰাৰ কেলেঙ্কাৰী জালৰ সূতাৰ ৰূপ ল'বলৈ আৰম্ভ কৰিলে। মাধৱ পেস্কাৰৰ তেতিয়া কাঠৰ চাংবঙলা সাজিবলৈ গোটোৱা টকাবে নিচা কৰি কটোৱাৰ দিন; প্ৰথম বাৰৰ কাৰণে তেখেতৰ চচমাৰ পাৱাৰ সলাবলগীয়া অৱস্থা। মাধৱ পেস্কাৰৰ পত্নীও তেতিয়া এগৰাকী অসহায়া মহিলা। বহুত সময়ত এজাক ছোৱালীৰ মাক নিজেও এজনী ছোৱালী হৈ যায়; চাৰিজনী কানসমনীয়া ছোৱালীৰ মাক মাধৱ পেস্কাৰৰ পত্নীয়েও তেতিয়া নিজকে ঘৰখনৰ পঞ্চম কণিষ্ঠা কন্যা বুলি গ্ৰহণ কৰিছে। কণিকাহঁতৰ তিনিজনীয়া দলটোৰ গোজগোজনিত অতিষ্ঠ হৈ কেতিয়াবা তেখেতে মণিকাক—"সাৱধানে চলিবলৈ শিকিবি বুইছ? আমি বাৰু ঘৰৰ মানুহখিনিয়ে বুজিম, বাহিৰৰ মানুহেতো নুবুজিব"--এই জাতীয় কথা দুআষাৰমান কয়; আৰু প্ৰায়েই কণিকাহঁতক "তুই এদিন অকণমান ফুৰা-চকা কৰাটোনো কি কথা? তহঁতৰ ককায়েৰ এটা

থকা হ'লেওতো সি তহঁতক ফুৰালেহেঁতেন" বুলি কৈ নিজৰ দুৰ্বলতা তল পেলাবলৈ চেষ্টা কৰে আৰু নিজকে প্ৰৱঞ্চনা কৰে।

এসময়ত মণিকাৰো অলপ ভাগৰ লাগিল। তাই চহৰখনৰ চুক-কোণ, নৈৰ পাৰ, চাহৰ দোকান— এইবোৰৰপৰা মৰমবোৰ গোটাই আনি এটা আটোমটোকাৰী কোঠালিৰ ভিতৰত সজাই লোৱাৰ কথা ভাবিলে; আৰু ঠিক এনে সময়তে দিগেনৰ এটা বুকুৰ অসুখ হ'ল। প্ৰথমতে মণিকাই অসুখটোক চোলাৰ বুটাম খুলি লাহে লাহে বুকুত হাত বুলাই দিলেই ভাল হোৱা অসুখ বুলি ভাবিছিল, কিন্তু পাছত তাই অসুখটোৰ মাৰাত্মক ৰূপ দেখি শিয়ঁৰি উঠিল। এখন পৰ্বতীয়া চহৰত কিছুদিন কটাই দিগেন বহুদূৰৰ সাগৰৰ পাৰৰ চহৰ এখনলৈ গুচি গ'ল। মণিকা ধীৰ, স্থিৰ, ম্লান হৈ গ'ল।

সাগৰৰ পাৰৰ চহৰখনৰপৰা দিগেনে মণিকালৈ কিছুমান চিঠি লিখিলে; সৰু ল'ৰাৰ নিচিনা তাৰ হাতৰ আখৰ, সৰু ল'ৰাৰ নিচিনা তাৰ ভাষা। লাহে লাহে চিঠিবোৰ চুটি হৈ আহিল; লাহে লাহে তাৰ চিঠিবোৰত ফুল-গান-আকাশ-মলয়া-সপোন আদিৰ টুকুৰা মিহলি হৈ আহিবলৈ ধৰিলে। জীৱনটো কিমান সুন্দৰ তাৰ বৰ্ণনা দি, হাতৰপৰা পুতলা কাঢ়ি নিয়া কেঁচুৱাৰ নিচিনাকৈ সি চিঠিবোৰতে ফেঁকুৰি ফেঁকুৰি কান্দিলে। এবাৰ সি মণিকালৈ সাগৰৰ ধুনীয়া ধুনীয়া শামুক কেইটামান পাৰ্চেল কৰি পঠিয়াই দিলে। সি হেনো সাগৰৰ বালিত নিজে বোটলা শামুক।

তাৰ পাছত এদিন দিগেনৰ জীৱন-সাগৰৰ বালিত শামুক বোটলা শেষ হৈ গ'ল।

মণিকা বহুদিন শামুকৰ খোলাৰ নিচিনাকৈ নিশ্চল হৈ পৰি থাকিল। গোটেই পৃথিৱীখন তাইৰ কাৰণে আন্ধাৰত ডুবি গ'ল, কেৱল এই চহৰখনৰ এসময়ৰ মধুৰ স্মৃতি সনা ঠাইবোৰ তাইৰ মুদখোৱা চকুযোৰৰ সম্মুখত মুকুতা হৈ জিলিকি থাকিল। অসহ্য যন্ত্ৰণাত কাতৰ হৈ তাই এবাৰ অইন ক'ৰবালৈ গুচি যোৱাৰ কথা ভাবিলে;

কিন্তু যাব নোৱাৰিলে। যাওঁ বুলিয়েই এজনী ছোৱালী গুচি যাব নোৱাৰে। কণিকা, অনিতা, বিনীতাহঁতৰ উচ্ছল সংসাৰত তাই যোৱা বছৰৰ ভুল কেলেণ্ডাৰৰ নিচিনাকৈ ওলমি থাকিল; যেন কেৱল ছবিখনৰ কাৰণে!

কিন্তু এদিন আকৌ মণিকা চঞ্চল হৈ উঠিল। তাইৰ কাণত পৰিল—তাইৰ ওচৰলৈতো কোনো নাহেই, বৰঞ্চ তাই উপাৰ্জন কৰা অপবাদৰ গোন্ধত কণিকাহঁতৰ জীৱনলৈ আহিব খোজা প্ৰজাপতিও উভতি গৈছে। মণিকাই হাঁহাকাৰ কৰি উঠিল। নহয় নহয়, এইটো কথা কেতিয়াও হ'ব নোৱাৰে। তাই খবৰ লৈ গম পালে ৰমণীমোহন নামে এক ভদ্ৰলোক কণিকাক গ্ৰহণ কৰিবলৈ বুলি এইখন চহৰৰ ডাক-বঙলা পৰ্য্যন্ত পাইছেহি; তাৰ পাছত হেনো মণিকাৰ কীৰ্তিৰ কথা কাৰোবাৰ মুখত শুনি তেওঁ পিছ হুহঁকিব খুজিছে।

মণিকা পোনে পোনে ডাক-বঙলাৰ বাৰাণ্ডাত থিয় হ'লগৈ। অচিনাকি ৰমণীমোহনক অলপ সময়ৰ ভিতৰতে চিনাকি কৰি লৈ মণিকাই কাতৰভাৱে অনুৰোধ কৰিলে, "চাওক, মোৰ এজন পুৰুষৰ লগত এটা সম্পৰ্ক আছিল; সেই সম্পৰ্কক আমি বহুত ধৰণে লুটিয়াই বগৰাই খেলি চালোঁ। মই এনেকুৱা বহুত কাম কৰিলোঁ—যিবোৰ আপোনালোকৰ নিচিনা ভাল মানুহৰ চকুত ঘোৰ কলংক। এইবোৰ মোৰ কীৰ্তি; কিন্তু সেই কীৰ্তিক মই কাহানিও সংক্ৰামক বেমাৰৰ বীজাণু কৰা নাই; মোৰ কীৰ্তিক মই কেতিয়াও ওচৰত যেয়ে থাকে তাকে আগুৰি ল'বলৈ দিয়া নাই। আপুনি বিশ্বাস কৰক, কণিকা মোৰ ভনী হ'ব পাৰে, কিন্তু তাই ভাল ছোৱালী; আপোনালোকে যেনেকুৱা ছোৱালীক ভাল ছোৱালী বুলি ভাবে, তাই তেনেকুৱা ছোৱালী। মই আপোনাক মিনতি কৰি কৈছোঁ—অইন যিহকে নকৰক, অন্ততঃ মোৰ কলংক আপুনি তাইৰ গাত নাসানিব। নহ'লে তাইৰ প্ৰতি বৰ অন্যায় কৰা হ'ব।"

ৰমণীমোহন প্ৰথমতে স্তব্ধ হ'ল, তাৰ পাছত বিচলিত হ'ল, তাৰ পাছত তেওঁৰ মনটো প্ৰসন্ন হ'ল। দুমাহমানৰ পাছত তেওঁ কণিকাক লৈ গ'ল। যাবৰ সময়ত কণিকাই বায়েকক সাৱটি ধৰি বহুত পৰ কান্দি গ'ল।

অনিতা এবাৰ এক বান্ধৱীৰ বিয়ালৈ গৈ তিনিদিন বিয়াঘৰতে আছিল। বান্ধৱীৰ সম্পৰ্কীয় ব্ৰজনাৰায়ণ নামৰ এক ভোলানাথ মানুহ অনিতাৰ চলন-ফুৰণ কথা-বতৰা দেখি তাইৰ প্ৰতি আকৃষ্ট হ'ল। অনিতা নিজেও ক'ৰবাত আকৃষ্ট হৈ পৰাৰ কাৰণে প্ৰায় উন্মুখ হৈয়েই আছিল বুলিব পাৰি ; গতিকে বান্ধৱীৰ মধ্যস্থতাত হঠাতে এদিন অনিতাৰ বিয়াখন হৈ গ'ল ; মানুহে ভালকৈ খবৰেই নাপালে।

বাকী থাকিল বিনীতা। চাৰিজনী বাই-ভনীৰ ভিতৰত বিনীতাই আছিল আটাইতকৈ ধুনীয়া; তাইৰ মগজৰ শক্তিও আছিল আটাইতকৈ বেছি। বহুত দিনৰ আগৰপৰাই তাই "মোৰ কাৰণে তহঁতে চিন্তা কৰিব নালাগে" বুলি ঘৰখনত সদম্ভে ঘোষণা কৰি আছিল আৰু ভিতৰি ভিতৰি চাৰিজনমান মানুহক জালেৰে ধৰি মনৰ পুখুৰীত জীয়াই ৰাখি, ৰেহ-ৰূপ পৰীক্ষা কৰি আছিল। অনিতা ওলাই যোৱাৰ পাছতে তাই দিব্যজ্যোতি নামৰ তেজস্বী ডেকা এজনক ৰাখি বাকীকেইজনক য'ৰপৰা আনিছিল ত'ত এৰি দিলে। অলপ দিনৰ পাছতে হাকিমৰ সম্মুখত কাগজ-পত্ৰত চহী কৰি অনিতা আৰু দিব্যজ্যোতিয়ে অনাড়ম্বৰভাৱে বিয়া পাতিলে আৰু যথেষ্ট আড়ম্বৰ কৰি কোনো এক স্বাস্থ্যকৰ চহৰলৈ গুচি গ'ল।

মণিকাৰ কীৰ্তিয়ে অইন কাৰো জীৱনৰ গতি ৰুদ্ধ নকৰিলে; সেই কাৰণে মণিকাই শান্তিৰ নিশাহ এৰিলে। কিন্তু লাহে লাহে তাইৰ নিশাহবোৰ দীঘলীয়া হৈ গ'ল, বহুত সময়ত তাইৰ নিশাহবোৰ হুমুনিয়াহ বুলি ভুল কৰিব পৰা বিধৰ হ'ল। তাই এতিয়া কি কৰিব? তাই থকা কোঠালিটোৰপৰা আৰম্ভ কৰি বাহিৰৰ গোটেই পৃথিৱীখন

ইমান শীতল, ইমান নিৰ্জন ! এই শীতলতাই কেতিয়াবা তাইৰ দেহ-মন অসাৰ কৰি তোলে, এই নিৰ্জনতাই কেতিয়াবা হাজাৰ হাজাৰ অশৰীৰী ভাগ্যবিধাতাৰ ৰূপ লৈ তাইক চাৰিওফালৰপৰা আগুৰি ধৰে, আৰু তাইৰ প্ৰাণটোৱে আৰ্তনাদ কৰি উঠে।

এদিন এই শীতলতা আৰু নিৰ্জনতাৰপৰা নিষ্কৃতি বিচাৰি মণিকা বাটলৈ ওলাল। কেইবাদিনো তাই চহৰৰ স্কুলে স্কুলে ঘুৰিলে, আৰু শেষত এদিন এখন ছোৱালী হাইস্কুলত তাই এটা চাকৰি পালে।

মণিকাৰ ভাল লাগিল। প্ৰাণশক্তিৰে ভৰপূৰ, ফুটফুটীয়া ছোৱালীবোৰ,--সিহঁতৰ মাজত সোমাই থাকি মণিকাৰ ভাল লাগিল। আৰু কি কৰিব পৰা যায়? মণিকাই প্ৰায়েই ভাবে। নাই, আৰুতো কৰিব পৰা কাম একো নাই! ভাবি-চিন্তি তাই ঠিক কৰিলে--তাই ঘৰৰ সন্মুখত এখন ফুলনি কৰিব।

কৰিলে। বিভিন্ন ঠাইৰপৰা বিভিন্ন ধৰণৰ ফুলৰ সঁচ আনি মণিকাই নিজ হাতেৰে ৰুই, পানী দি এখন ফুলনি কৰিলে। ৰাতিপুৱা-আবেলি তাই পঢ়ে, ফুলনিৰ আলপৈচান ধৰে, দিনটো স্কুলীয়া ছোৱালীহঁতৰ লগত কটায় আৰু ৰাতি--ৰাতিহে প্ৰায়েই মণিকাই বাকচৰপৰা দিগেনৰ চিঠি আৰু শামুকৰ টোপোলাটো উলিয়াই লয়; পঢ়া চিঠিখনকে আকৌ অতি যত্নেৰে পঢ়ে; বিচনাৰ ওপৰত শামুকবোৰ বহলাই দি লিৰিকিবিদাৰি থাকে, তাৰ পাছত তাই নিঃশব্দে কান্দে।

এয়াই মণিকাৰ ভাল লাগিছে। ইয়াতকৈ বেছি ভাল লগাৰ কিবা উপায় আছে জানো? নাই চাগৈ। এই ভাল লগাৰ মাজে-দিয়েই মণিকাৰ বছৰবোৰ পাৰ হৈ গ'ল।

দুবছৰৰ মূৰত কণিকাৰ এখন চিঠিত খবৰ আহিল--তাইৰ এটা ল'ৰা হৈছে। ল'ৰাটো ধুনীয়া হৈছে। দেখিবলৈ তাইৰে নিচিনাই হৈছে, পিছে তাইতকৈ অলপ বেছি বগা হৈছে।

ৰাতি গাৰুত মূৰ থৈ মণিকাই অন্যমনস্ক ভাৱে কণিকাৰ চিঠিখন

লুটিয়াই-বগৰাই থাকিল। তাইৰ বৰ ভাগৰ লাগি আছিল ; শোৱাৰ-পৰাই এবাৰ তাই দিগেনৰ চিঠি আৰু শামুকৰ টোপোলাটো থকা বাকচটোৰ ফালে চালে, উঠি নগ'ল।

তাৰ ছমাহমানৰ পাছত অনিতাৰপৰা টেলিগ্ৰাম আহিল, তাইৰো ল'ৰা এটা হৈছে। তাৰ কিছুদিনৰ পাছত বিনীতাৰ কেঁচুৱা হোৱাৰ খবৰ আহিল—তাইৰো ল'ৰা ! মণিকাৰ হাঁহি উঠি গ'ল ; কিন্তু হাঁহিটো তাইৰ মুখেদি এক অদ্ভুত সেমেকা ৰূপত ওলাই আহিল। আটাইকেইজনীৰে ল'ৰা হ'ল !

ল'ৰাটোৰ মাত ফুটিবলৈ আৰম্ভ কৰোঁতে কণিকা এবাৰ কেইদিন-মানৰ কাৰণে ঘৰলৈ আহিছিল। সঁচাকৈয়ে তাইৰ ল'ৰাটো বৰ ধুনীয়া হৈছে। সি শুই থকা মণিকাৰ গাৰ ওপৰত উঠি তাইৰ মুখত থপথপকৈ মাৰে, নাক কোনটো বুলি সুধিলে সোঁহাতৰ তৰ্জনী আঙুলিটোৰে তাৰ নাকৰ আগটো চুই দিয়ে, মটৰ কেনেকৈ চলে বুলি সুধিলে ওঁঠ দুখন লগ লগাই মাজেদি বতাহ উলিয়াই দি ভ্ৰূ-ভ্ৰূ শব্দ কৰে। মাজতে কণিকা আহি বিচনাখনৰ একাষত বহে আৰু ল'ৰাটোক শিকায় "মাত, জেঠাইদেউক মাতচোন, জেঠাইদেউ ক, জেঠাইদেউ।"

এইকণ সময়ত মণিকাৰ বুকুখন এবাৰ মোচোকা খাই উঠে ; অলপ সময়ৰ কাৰণে তাই উন্মনা হৈ যায় ; তাই এটা অতি ম্লান হাঁহি মাৰে।

অনিতা আৰু বিনীতায়ো সিহঁতৰ কেঁচুৱাকেইটা বুঢ়ীমাক আৰু জেঠায়েকক একোবাৰকৈ দেখুৱাই নিলেহি। সেই কেইদিনত মণিকাই স্কুলৰপৰা ছুটী লৈছিল ; সিহঁত যোৱাৰ পাছত আকৌ সেই স্কুলনি, সেই স্কুল।

স্কুলখনতো ছোৱালীবোৰ দেখি দেখি আজিকালি মণিকা প্ৰায়েই আচৰিত হয়। এদিন ক্লাছ ছিক্সত ডাবি খাই কন্দা ছোৱালীয়ে এইবাৰ মেট্ৰিক পৰীক্ষা দিব। এতিয়া ডাবি দিলে

সিহঁতৰ বহুতৰে গালবোৰ ৰঙা পৰি যায়! কি সুন্দৰ ৰং। মণিকাই কমনৰুমৰপৰা পথাৰত জুম বান্ধি থকা, খেলি থকা ছোৱালীবোৰলৈ অপলক দৃষ্টিৰে চাই থাকে। কি সুন্দৰ!

মণিকাৰ বান্ধৱী এজনীয়ে এদিন তাইৰ ডাঙৰ জীয়েকজনীক ক্লাছ ফ'ৰত নাম লগাই দি মণিকাক কৈ গ'ল, "তই আছ যেতিয়া মই তাই স্কুলত থকা সময়খিনি নিশ্চিন্ত হৈ থাকিব পাৰিম। তই চাবি।" সেই ছোৱালীজনীক প্ৰায়ে কাসলৈ মাতি আনি মণিকাই নানা প্ৰকাৰৰ কথা সোধে। ইমান মিঠা মিঠা তাইৰ কথাবোৰ!

এইবোৰকে লৈ মণিকাই আজৰি সময়খিনি স্কুলৰ কমনৰুমত নিমাত-নিস্তব্ধ হৈ বহি থাকে। স্কুলখনত শিক্ষয়িত্ৰীসকলৰ লগতে কেইজনমান শিক্ষকো আছে। তেওঁলোকে কেতিয়াবা মণিকাক বেৰি লৈ গল্প মেলে। এদিন এজন শিক্ষকে সুধিলে---"কওকচোন, আপোনাৰ খবৰ-বাতৰি।"

মণিকাই উদাস হাঁহিটো মুখত লৈ ক'লে, "আছোঁ; ভাল; সিমানেই। আৰুনো কি খবৰ ক'ম?"

শিক্ষকজনে অবিশ্বাস কৰি সুধিলে, "ইস, ইমান দিনেনো আপোনাৰ একো খবৰেই গোট খোৱা নাইনে?"

মণিকাই আকৌ এবাৰ হাঁহিলে; হাঁহি হাঁহি তাই ক'লে, "আওগৰীয়া চালত হাজাৰ বছৰ বৰষুণ পৰিলেও পানী গোট নাখায়, বুজিছে?"

সঁচা। তাইৰ এটামান নতুন খবৰ গোট খোৱা হ'লে! তাইৰ আওগৰীয়া জীৱনটোৰ কৰবাত অকণমান পানী গোট খাব পৰা খলা-বমা থকা হ'লে!

হঠাতে এবাৰ মণিকালৈ এটা ডাঙৰ খবৰ আহিল। পোন্ধৰ দিনৰ ছুটীৰ দৰখাস্ত এখন প্ৰধান শিক্ষয়িত্ৰীৰ মেজত পেলাই থৈ তাই অধৈৰ্য্য হৈ স্কুলৰপৰা ওলাই গ'ল।

দ্বিতীয় সন্তানটোৰ জন্ম দিওঁতে কণিকা ঢুকাল। লগতে

সন্তানটোও। মণিকাৰ পোন্ধৰ দিনৰ ছুটী শেষ হৈ গ'ল, তাৰ পাছতো আৰু এমাহমান সময় তাইৰ বৰ বেয়া লাগি থাকিল ; তাৰ পাছত দিন-মাহ বাগৰিল ; মণিকা লাহে লাহে আকৌ তাইৰ নিঃকিন জীৱনটোলৈ উভতি আহিল।

তাৰ পাছত কালি ৰাতি অনিতা আৰু বিনীতাৰপৰা তাই গম পালে, সিহঁতে বহুদিনৰেপৰা পৰামৰ্শ কৰি তাইৰ বিয়া পাতিবলৈ আহিছে, কণিকাৰ গিৰিয়েক ৰমণীমোহনৰ লগত।

সৰু সৰু ছোৱালীবিলাক প্ৰয়োজনতকৈ এঘণ্টামানৰ আগতে স্কুললৈ আহে। তেনেকুৱা এজাক ছোৱালীয়ে কিতাপ-বহী নিজ নিজ কোঠালিত থৈ সৰস্বতী প্ৰতিমা চাবলৈ আহিল। সিহঁতৰ কলকলনিত মণিকাই যেন সাৰ পালে। তাই টুলখনৰপৰা উঠিল। গোঁসানীজনাৰ ফালে ভালকৈ এবাৰ চাই তাই লক্ষ্য কৰিলে ইতিমধ্যে থনিকৰ ল'ৰাটোৱে ৰং আৰু তেল সানি সৰস্বতীৰ মুখখন বৰ উজ্জ্বল কৰি তুলিছে। আঁতৰি আহিবলৈ বুলি মণিকা ঘূৰিল। অকণ-অকণ ছোৱালীবিলাকে চালিখনৰ ওচৰত জুম পাতিছে। সুন্দৰ সুন্দৰ প্ৰতিমাহেন মুখবিলাক সিহঁতৰ! হঠাতে মণিকাৰ মনটো চঞ্চল হৈ উঠিল। তাই লৰালৰিকৈ কমনৰুমলৈ গুচি আহিল।

ৰমণীমোহনৰ লগত তাইৰ বিয়া হ'ব? হয়তো; হ'বওতো পাৰে! আওগৰীয়া জীৱনত যদি অকণমান পানী গোট খাব পৰা খলাবমা তাইক লাগে, তেনেহ'লে আৰুতো উপায় নাই! হওক তেনেহ'লে! হুঁ? হ'বনে কি?

মণিকা দূৰৰ বননিখনলৈ চাই আকৌ স্তব্ধ হৈ ৰ'ল। জাকে জাকে ছোৱালীবোৰ হাঁহি-খিকিন্দালি কৰি কৰি বননিখন পাৰ হৈ গুচি গ'ল। এসময়ত মণিকাই লক্ষ্য কৰিলে তাইৰ বান্ধৱীৰ ছোৱালী-জনীও কান্ধত কিতাপৰ জোলোঙাটো ওলোমাই দৌৰি গুচি গ'ল।

হওক তেনেহ'লে। মণিকা যেন এটা স্থিৰ সিদ্ধান্তলৈ আহিল।

তাই বহাৰপৰা উঠিব খুজিলে । কিন্তু তাই আকৌ বহিল । কেৱল এটা কথা থাকি গ'ল । দিগেনৰ কথাটো ।

মাজনিশা মণিকাই বাকচৰপৰা দিগেনৰ চিঠি আৰু শামুকৰ টোপোলাটো উলিয়াই ল'লে । ইতিমধ্যে প্ৰত্যেকটো শব্দ মুখস্থ হৈ যোৱা চিঠিবোৰৰ প্ৰত্যেকটো শব্দ তাই আকৌ পঢ়িলে । প্ৰত্যেকটো শামুক তাই আকৌ এবাৰ ভালকৈ চুই চালে । তাৰ পাছত তাই ভালকৈ টোপোলাটো বান্ধিলে । টোপোলাটো কোলাত লৈ তাই এবাৰ স্থিৰ দৃষ্টিৰে ওপৰলৈ চালে । তাই যেন এটা স্থিৰ সিদ্ধান্তলৈ আহিছে । দিগেনে তাইক মৰম কৰিছিল ; তাইৰ এনেকুৱা এটা দুঃসহ জীৱন সিও চাগৈ কেতিয়াও সমৰ্থন নকৰিলে-হেঁতেন । য'তে আছে তাৰেপৰা দিগেনে নিশ্চয় উপলব্ধি কৰিব— মণিকা মৰা হ'লে বেলেগ কথা আছিল । তেতিয়া তাইৰ শান্তি হ'লহেঁতেন, কিন্তু তাই জীয়াই থাকিল যেতিয়া,---এনেকৈ,—এনেকৈ কেৱল জেঠাইদেউ, বাইদেউ হৈ জীয়াই থকা বৰ অমানুষিক--বৰ অমানুষিক—

মণিকাৰ চকুৰপৰা ধাৰাসাৰে পানী বৈ আহিল ।

পিছদিনা, সৰস্বতী পূজাৰ দিনা, মণিকাই পুৰাই দিগেনৰ চিঠি আৰু শামুকৰ টোপোলাটো স্কুললৈ লৈ আহিল । ইয়াৰ পাছত যি কোনো এদিন তাই হয়তো তাইৰ বিবেকৰ ওচৰত অশুচি হৈ যাব পাৰে ; কিন্তু এই টোপোলাটো তাই অশুচি নকৰে । কমনৰুমত তাইৰ ড্ৰয়াৰটোত টোপোলাটো থৈ মণিকা লৰালৰিকৈ পূজামণ্ডপলৈ আহিল । প্ৰতিমা স্থাপন কৰাৰ সময়ত তাই নিচেই ওচৰতে লেপেটা কাঢ়ি বহি ল'লে । প্ৰতিমাজনা বৰ ধুনীয়া হৈছে । একেবাৰে শেষত দিয়া চকুৰ মণি দুটাই তিৰবিৰাই আছে । খনিকৰ ল'ৰাটোৰ আচৰিত শক্তি ।

সৰস্বতী পূজাৰ মণ্ডপত কেইবাশও উচ্ছল আনন্দেৰে ভৰপূৰ সৰু সৰু ছোৱালীৰ মাজত দিনটো কটাই দিওঁতে মণিকাক বাৰে বাৰে

সংশয়, সংকোচ দ্বিধাই আমনি কৰিছিল, কিন্তু তাৰ পাছত বাৰে বাৰে তাই একেটা সিদ্ধান্তকে জোৰকৈ মনত বহুৱাই লৈছিল,—হওক।

ৰাতি ন বজাত ঘৰলৈ উভতি আহি তাই অনিতাক ক'লে, "তহঁতে যি ভাল দেখ কৰ।"

তাৰ পাছত আজি প্ৰতিমা বিসৰ্জনৰ দিন। আজি ৰঞ্জুক লগত লৈ ৰমণীমোহন আহিব। মাজবাটত নাৱৰ পাল ফাটি চিৰাচিৰ হৈ যোৱা সক্ষম অথচ অসহায় নাৱৰীয়া ৰমণীমোহন; নাৱৰ বুকুত বহুমূলীয়া সম্পত্তি ৰঞ্জু! অন্ততঃ এই সম্পত্তিখিনিৰ কাৰণেই ৰমণী-মোহনক এখন পাল লাগে।

ৰমণীমোহনে কথাটোৰ আভাস আগতে পাইছে, কেৱল এটা স্থিৰ সিদ্ধান্তৰ কাৰণে আজিৰ দিনটো।

শিৱ মন্দিৰৰ সন্মুখ পোৱাৰ লগে লগে মণিকাৰ এনেয়ে এবাৰ মন্দিৰটোৰ ফালে চকু গ'ল। মন্দিৰৰ দুৱাৰখন বন্ধ; বাটৰপৰা ভিতৰৰ শিলটো নেদেখি। মণিকাই দশৰথক ৰিক্সা ঘূৰাবলৈ ক'লে।

সঁচাকৈয়ে তাইৰ মনটো বহুত মুকলি মুকলি লাগিল! শেষবাৰৰ কাৰণে তাই নিজকে বুজাবলৈ চেষ্টা কৰিলে—অন্ততঃ তাইক এতিয়া উদ্বেগ সংশয়ৰ লগত যুঁজি থকাটোৱে নুশুৱায়। উদ্বেগ, সংশয়ৰ দিন তাইৰ তেতিয়াবাই পাৰ হৈ গৈছে।

বাৰিষা নৈৰ লগত সংযুক্ত হৈ যোৱা ওচৰৰে পুখুৰী এটাত স্কুলৰ প্ৰতিমা বিসৰ্জন দিয়া হয়। মণিকা ছোৱালীহঁতৰ লগত ট্ৰাকত উঠি চহৰ প্ৰদক্ষিণ কৰিবলৈ নগ'ল। তাই স্কুলতে ৰহি থাকিল। সন্ধিয়াৰ আগে আগে ছোৱালীহঁত পুখুৰীৰ পাৰ পোৱাৰ কথা; তাৰ অলপ আগতে মণিকা পুখুৰীৰ পাৰলৈ গ'ল। লগত তাই কমনৰুমৰ ড্ৰয়াৰৰ-পৰা দিগেনৰ চিঠি আৰু শামুকৰ টোপোলাটো লৈ গ'ল। কিছু সময় পুখুৰীৰ পাৰে পাৰে ফুৰি এবাৰ তাই বেগৰপৰা টোপোলাটো হাতলৈ উলিয়াই ল'লে; অপলক দৃষ্টিৰে কিছু সময় তাই টোপোলাটো লৈ চাই ৰ'ল; এবাৰ তাই আলফুলকৈ টোপোলাটো তাইৰ ওঁঠত

লগালে ; তাৰ পাছত তাই টোপোলাটো পানীলৈ দলিয়াই দিলে, -- পাৰৰপৰা যিমান বেছি দূৰলৈ পাৰি, সিমান দূৰলৈ ।

অলপ সময় তাই পানীত উঠা ঢৌখিনিলৈ চাই থাকিল । ডুবিলতো ? ডুবিল । কমনৰুমৰ ড্ৰয়াৰৰপৰা আনিবৰ সময়ত মণিকাই টোপোলাটোৰ ভিতৰত দুপাহমান ফুল আৰু এটা শিলগুটি সুমুৱাই দিছিল ।

অলপ পাছতে ট্ৰাকত উঠি চিঞৰ-বাখৰ কৰি ছোৱালীহঁত আহিল আৰু আধা ঘণ্টাৰ ভিতৰতে পুখুৰীৰ পানীত প্ৰতিমা ডুব গ'ল ।

সন্ধিয়া নিজৰ ঘৰৰ পদুলিমুখত থিয় দিওঁতে মণিকাৰ বুকুখন ধপধপাই উঠিল । দুৱাৰডলিটোত ভৰি দিয়েই তাই গম পালে ৰমণীমোহন আহিছে । বহুত বছৰৰ মূৰত, এটা লাজ লাজ অনুভূতিত মণিকাৰ কাণ দুখন গৰম লাগিল । তাই পোনে পোনে নিজৰ কোঠালিলৈ সোমাই গ'ল ।

অনিতা আৰু বিনীতা নিজৰ নিজৰ ল'ৰা-ছোৱালী লৈ ব্যস্ত হৈ আছিল, গতিকে ৰঞ্জুক খুৱাই-বুৱাই বিচনালৈ লৈ আহিল মণিকাই । এই গোটেই কামখিনি কৰোঁতে তাইৰ হাত-ভৰিবোৰ কঁপি-কঁপি উঠিছিল ।

বিচনা এখনত ৰঞ্জুক শুৱলৈ দি মণিকাই ওচৰতে বহি তাৰ গালে-মুখে হাত ফুৰাই ৰ'ল । এসময়ত তাৰ টোপনি গ'ল । তাৰ অলপ পাছতে কোঠালিটোলৈ অনিতা সোমাই আহিল । তায়ো বিছনাৰ এটা চুকত বহিল । অলপ সময় নিৰৱে পাৰ হৈ গ'ল । তাৰ পাছত মণিকায়েই প্ৰথমতে সুধিলে, "কি হ'ল ? কচোন কথা-বতৰা ।" বুকুৰ এটা তীব্ৰ আলোড়ন চেপা মাৰি লুকুৱাবৰ কাৰণে মণিকাই ৰঞ্জুৰ ফালে চাই ৰ'ল ।

অনিতাই লাহে লাহে ক'লে, "ভিনদেউৰ তেনেকৈ আপত্তি একো নাই । কেৱল—"

"কেৱল কি ?" মণিকাই উশাহটো বন্ধ কৰি ৰাখিলে ।

"কেৰল মানে,—দিগেনদাই তোক আমনি কৰে বুলি তেখেতে অলপ ভয় খাইছে।"

"কি ?" মণিকাই গৰ্জি উঠিল। ৰঞ্জুৱে বোধহয় টোপনিতে চক খালে ; তাৰ মুখটো অকণমান ল'ৰি গ'ল। মণিকা তৎক্ষণাৎ বিচনাৰপৰা উঠি থিয় হ'ল।

অনিতাই অবাক হৈ তাইলৈ চাই আছিল, ভয়ে ভয়ে তাই এবাৰ ক'লে, "বহচোন তই।"

মণিকা নবহিল। মুখটোৰ ভিতৰত তাই এটা অদ্ভুত উত্তাপ অনুভৱ কৰিলে। এইটো তেজ-মঙহৰ জীৱন্ত ল'ৰা ৰঞ্জু, এয়া তাই তাৰ গালে-মুখে হাত ফুৰাই আছিল, অথচ তাইক আমনি কৰিব দিগেনে ? জঘন্য ! নীচ !

মণিকা অলপ আঁতৰি গ'ল ; বেৰৰ কাষত তাই আকৌ অলপ সময় নিস্তব্ধ হৈ থিয় দি ৰ'ল ; তাৰ পাছত বেৰখনত গাটো আউজাই লৈ তাই বৰ ক্লান্ত মাতেৰে লাহে লাহে ক'লে, "নালাগে দে।"

এটা কান্দোন ভিতৰৰপৰা তাইৰ ডিঙিৰ ওচৰলৈকে উঠি আহিল। তাই জোৰকৈ কান্দোনটো ঠেলি ৰাখিলে। তাই ক'লে, "দিগেনদাৰ কথা মই ভবা নাছিলোঁ ; মই ভাবিছিলোঁ, ই—ৰঞ্জুৱে হয়তো মোক আমনি কৰিব।" অলপ ৰৈ মণিকাই ক'লে, "তই তেখেতক ক'বি, ই মোক যিমান আমনি কৰিব, দিগেনদাই তেখেতক তাতকৈ বেছি আমনি কৰিব। গতিকে নালাগে দে।"

দুদিনৰ ভিতৰতে ঘৰখন আকৌ আগৰ নিচিনা হৈ গ'ল। শীতল, নিৰ্জন। অনিতা আৰু বিনীতাৰ বহুত অনুৰোধ সত্ত্বেও মণিকাই কথাবোৰ দ্বিতীয়বাৰ বিবেচনা কৰি নাচালে।

পাছৰ বহুত দিনলৈ মণিকাই প্ৰতিমা বিসৰ্জন দিয়া পুখুৰীটোৰ পাৰেদি স্কুললৈ অহা-যোৱা কৰিলে। পুখুৰীৰ পানী শুকাই আহিছে। সদায় পৰম আগ্ৰহেৰে সেমেকা দৃষ্টিৰে মণিকাই পুখুৰীৰ পানীখিনিলৈ চাই চাই অহা-যোৱা কৰিলে।

ফাগুন মাহৰ শেষৰ ফালে এদল মানুহে পুখুৰীটোত নামি মাছ ধৰাৰ আয়োজন কৰিলে। সেইকেইদিন মণিকাই ৰাতিপুৱা-আবেলি সতৃষ্ণনয়নে মানুহে মাছ ধৰা চালে। কেনেবাকৈ কিজানি কাৰোবাৰ হাতত টোপোলাটো উঠে !

নুঠিল।

এদিন স্কুলৰপৰা উভতি যাওঁতে মণিকাই দেখিলে কোনোবাই পুখুৰীৰ বুকুৰপৰা সৰস্বতীজনা তুলি পাৰৰ বোকাত থিয়কৈ থৈ দিছে। ৰং-মাটি একো নাই, কেৱল খেৰৰ আধা জহি-খহি যোৱা মূৰ্ত্তিটো। কুৎসিত। মূৰ্ত্তিটোৰ হাত দুখনো বীণা লৈ থকাৰ ভংগীত নাই; কোনোবাই অলপ কষ্ট কৰি হাত দুখন সম্মুখলৈ আগবঢ়াই থৈছে,—হাহাকাৰৰ ভংগীত।

# নিৰ্বাণ

মাক-দেউতাকৰ ওপৰত খং কৰি, বিহ খাই, দুদিনমান মাত-বোল বন্ধ, অচেতন অৱস্থাত পৰি থকাৰ পাছত যদি ল'ৰাটোৱে চকু মেলি অবাইচ মাত এষাৰো উচ্চাৰণ কৰে, তথাপি মাক-দেউতাকে অলপ সকাহ পায়। ৰাণুৰ খবৰটো পাই ভানুৱে ঠিক তেনেকুৱা সকাহ এটা পালে।

ৰাণুৱে তাইক বৰ চিন্তাত পেলাইছিল। বহুদিন ভানুৱে ৰাণুক দেখা নাই; একেবাৰে আপোন, ঘৰুৱা মানুহৰ মুখত তাইৰ নো আচলতে কি হৈছে সেই সম্পৰ্কে সঠিক বাতৰি ভানুৱে পোৱা নাছিল। ইমান দূৰৰ এই মহানগৰলৈ সিহঁতৰ চহৰখনৰপৰা তেনেকুৱা মানুহ প্ৰায় নাহেই; আহিলেও হয়তো মহানগৰৰ ব্যস্ততাৰ মাজত কেইদিনমান সোমাই থাকি ভানুহঁতক লগ নোপোৱাকৈ উভতি যায়। কিন্তু দুই-এজন মানুহৰ মুখে, দুমাহ তিনি মাহমানৰ মূৰে-মূৰে তাই ৰাণুৰ বিষয়ে যিকণ শুনে, সেইকণেই তাইৰ বুকুখনত যেন আঁচোৰ একোটা মাৰে। কথাকেইষাৰ শুনি থাকোঁতে তাই বাৰে বাৰে সেপ গিলে; সেপখিনি গিলোঁতেও তাইৰ কষ্ট হয়; যেন কথাবোৰ বিষাদ হৈ তাইৰ ডিঙিয়েদি ঢৌ তুলি-তুলি নামি যায়।

এবাৰ হেমাংগ মজুমদাৰ নামৰ ডেকা এজন ব্যৱসায়ৰ কামত ভানুহঁতৰ চহৰলৈ গৈছিল। ভানুৱে ৰাণুলৈ এই মহানগৰৰ বৈশিষ্ট্যৰে ৰঙীণ এজাপ কাপোৰ, দেউতাকলৈ ফিৰফিৰীয়া পঞ্জাবী চোলা,

মাকলৈ গহীন ৰং, গহীন ডিজাইনৰ চেণ্ডেল ইত্যাদিৰে আকাশী জাহাজৰ যাত্ৰী হেমাংগই যিমান ডাঙৰ টোপোলা নিবলৈ অসুবিধা নাপায়, সিমান ডাঙৰ টোপোলা এটা বান্ধি দিছিল। হেমাংগ উভতি অহাৰ লগে লগে ভানুৱে অধৈৰ্য্য হৈ প্ৰশ্ন কৰিছিল—মা-দেউতাহঁতৰ ভাল নে; মাই কি কৈছিল, দেউতাই কি কৈছিল, আপুনি আমাৰ তালৈ কেইদিন গৈছিল, কিমান সময় বহিছিল, ৰাণুৱে কি কৈছিল?

ৰাণুক হেমাংগই দেখাই নাপালে। দেখাই নাপালে? "আপুনি আমাৰ ঘৰত চাহ-টাহ খালেনে নাই?" ভানুৱে আচৰিত হৈ সুধিলে।

"খালোঁ।"

"চাহ কোনে দিলে?"

"ল'ৰা এটাই আনি দিছিল, আপোনাৰ মাকে সজাই আগবঢ়াই দিছিল।"—হেমাংগই ক'লে।

আচৰিত কথা। চাহখিনি দিবলৈও ৰাণু ওলাই নাহিল? সিহঁতৰ ঘৰততো ব্যৱস্থাবোৰ আগতে এনেকুৱা নাছিল। আগতে সিহঁতৰ ঘৰলৈ মানুহ আহিলে প্ৰথমতে সিহঁত দুয়োজনীয়ে চাহ-জলপান কৰে; চাহ-জলপান সাজু হোৱাৰ অলপ আগতে এজনীয়ে নিজকে আগফাললৈ চাহখিনি লৈ যাব পৰাকৈ সাজু কৰে। আগ ফাললৈ কোনজনী যাব, সেইটো আলহীসাপেক্ষে কেতিয়াবা ইংগিত, কেতিয়াবা বুজাবুজি, কেতিয়াবা দুই-এষাৰ ৰসাল মন্তব্যৰ সহায়ত ঠিক হৈ যায়। কেতিয়াবাহে অবাঞ্ছিত, বিৰক্তিকৰ আলহীৰ ক্ষেত্ৰত "তই যা—তই যা, মই লেতেৰা হৈ আছোঁ, তইহে মোতকৈ চাফা হৈ আছ"—ইত্যাদি কৈ দুয়োজনীয়ে কথা কটাকটি কৰে। হেমাংগ ৰাওঁতে আগৰ হিচাপত ভানুৰ দেউতাকে তেওঁৰ লগত কথা পাতিব লাগিছিল, মাক পাকঘৰত সোমাব লাগিছিল, ৰাণুৱে প্ৰথমৰ-পৰাই পিন্ধি থকা কাপোৰযোৰ সলাই লোৱাৰ আয়োজন কৰিব লাগিছিল। তাৰ পাছত চাহ-টাহ খাই হৈ যোৱাৰ পাছত দেউতাক,

মাক, ৰাণু একেলগে হেমাংগৰ লগত বহিব লাগিছিল; কথা পাতোঁতে-পাতোঁতে আৰু এপিয়লা শুদা চাহ খোৱাৰ সময় আৰু পৰিবেশ হৈ যাব লাগিছিল। শেষত দেউতাক হেমাংগৰ লগে লগে বাটলৈকে, মাক গেটৰ ওচৰলৈকে আৰু আটাইতকৈ আগবাঢ়ি যাবলৈ মন থকা সত্ত্বেও ৰাণু কেৱল আগফালৰ বাৰাণ্ডাৰ চিৰিৰ ওচৰলৈকে ওলাই আহিব লাগিছিল।

কিন্তু ৰাণুক হেমাংগই নেদেখিলেই! হেমাংগ অবিবাহিত, ধুনীয়া, সুন্দৰ স্বাস্থ্যৰ ডেকা ল'ৰা। ৰাণুৱে বাৰু তেওঁক নেদেখিলেই নে কি? তেনেকুৱাতো হ'ব নালাগিছিল। অন্ততঃ আগতেতো কথাবোৰ তেনেকুৱা নাছিল! আগতে ঘৰলৈ যেয়েই নাহক, আনকি দেউতাকৰ ওচৰলৈ ককাদেউতাকৰ বয়সীয়া কোনোবা অচিনাকি মানুহ আহিলেও ভানু আৰু ৰাণুৰ দৃষ্টিৰপৰা তেখেতসকল সাৰি নগৈছিল। সন্মুখলৈ আহিবলগীয়া নহ'লেও সিহঁত দুজনীয়ে কেতিয়া কোন সুকণ্ডাইদি মানুহবোৰ লক্ষ্য কৰিছিল, সেইটো সিহঁতে নিজেই ক'ব নোৱাৰিছিল; কিন্তু সিহঁতে মানুহবোৰৰ ভৰিৰ জোতাৰ ৰঙৰ-পৰা চুলিৰ ধৰণ-কৰণলৈকে সকলো খুটিনাটি পাছত হুবহু বৰ্ণাব পাৰিছিল। সেই ৰাণুৱে হেমাংগৰ নিচিনা ল'ৰা এটাক নেদেখিলে? হ'বই নোৱাৰে। কিন্তু হেমাংগক দেখিও তাই—আনকি চাহখিনি দিবলৈও ওলাই নাহিল?

ৰাণুৰ নিশ্চয় কিবা এটা হৈছে।

তাৰ পাছত এবাৰ ভানুহঁতৰ চহৰৰপৰা এজন কেন্সাৰৰোগী চিকিৎসাৰ কাৰণে এই মহানগৰলৈ আহিছিল। মানুহজনক ইয়াত থ'বলৈ অইন মানুহৰ লগতে তেওঁৰ জীয়েকো আহিছিল। সেই খবৰটো কেনেবাকৈ ভানুৱে পাইছিল, আৰু তাই এদিন দুপৰীয়া অকলে অকলে কেন্সাৰ হাস্পটাল ওলাইছিলগৈ। ছোৱালীজনীক তাই আথে-বেথে ঘৰলৈ মাতি আনিছিল, চাহ-ভাত খুৱাইছিল। ছোৱালীজনীৰ লগত ভানু-ৰাণুৰ বন্ধুত্ব নাছিল, একে চহৰৰ ছোৱালী

হিচাপে "তোমাৰ কথা অমুকে খুব কয়" জাতীয় চিনাকি এটা আছিল। পাছলৈ ছোৱালীজনীয়ে ৰাণুক ভালকৈ চিনি পাইছিল, কাৰণ ৰাণুহঁতৰ ঘৰৰ আগেদিয়েই তাই 'চিলাই স্কুল'লৈ অহা-যোৱা কৰিছিল।

সেইজনী ছোৱালীৰ মুখে ভানুৱে শুনিলে, ৰাণু হেনো আজি-কালি একেবাৰে বেলেগ হৈ গ'ল। পিন্ধন-উৰণৰ চখ তাইৰ মাকতকৈও বোলে অলপ কমিলহে। উকা পাটৰ মেখেলা, পাৰি লগোৱা চাদৰ, পাতল ৰঙৰ ব্লাউজ,—সেয়াই আটাইতকৈ ভাল। ফুৰা-চকা তাই একেবাৰে নকৰে; আগফাললৈ গুলাবলৈকে টান পায়; মানুহৰ লগত কথা-বতৰাও পাতে বৰ কম; ছিনেমা-থিয়েটাৰৰতো নামেই ল'ব নোখোজে। কিয় ৰাণু এনেকুৱা হ'ল ছোৱালীজনীয়ে নাজানে বুলি ক'লে।

ভানু অবাক হ'ল। ৰাণু তাইতকৈ মাত্ৰ ডেৰ বছৰৰ সৰু; কিন্তু ৰাণুৰ স্বাস্থ্য আৰু বাঢ়ন তাইতকৈ ভাল; ফলত এসময়ত সিহঁতৰ কোনজনী ডাঙৰ, কোনজনী সৰু, তাৰ চিন নোহোৱা হৈছিল। অচিনাকি মানুহে সিহঁতক যঁজা বুলি সন্দেহ কৰিছিল। জন্মৰ কাৰণে যঁজা নহ'লেও মন দুটাৰ কাৰণে কিন্তু প্ৰতি খোজে খোজে সিহঁতৰ নিজকে যঁজা যেনেই লাগিছিল। এইযোৰ মোৰ কাপোৰ, এইযোৰ মোৰ চেণ্ডেল বোলা কথা এষাৰ সিহঁতৰ মাজত নাছিল; এজনীয়ে এটা কোঠালিত কোনোবা এটা গানৰ দুশাৰী গোৱাৰ পাছত "তাৰ পিছৰখিনি কি আছিল" বুলি সুধিলে সিজনীয়ে সিটো কোঠালিৰপৰা গানটোৰ পিছৰ কেইশাৰী গাই দিছিল; এজনীয়ে "আজি আবেলি বাণীহঁতৰ ঘৰলৈ যাম দে" বুলি কোৱাৰ লগে লগে ইজনীয়ে "ইস ৰাম, ময়ো ঠিক তাকে ভাবি আছিলোঁ, কেনেকৈ বাৰু ইমান মিলি যায়?" বুলি জঁাপ মাৰি উঠিছিল; এজনীয়ে "আজি মই সোনকালে শুই থাকিম" বুলি ক'লে ইজনী আগে-ভাগে বিচনাত উঠিছিল।

সেই ৰাণু ইমান বেলেগ হৈ গ'ল?

তাৰ পাছত ভানুৱে এবাৰ সিহঁতৰ চহৰখনৰপৰা এয়াৰ-হ'ষ্টেছৰ কাৰণে ইণ্টাৰভিউ দিবলৈ এই মহানগৰলৈ অহা ৰূপা নামৰ ছোৱালী এজনীক লগ পাইছিল। ৰূপাৰপৰাও ভানুৱে গম পালে,—হয়, সেই কেন্সাৰ ৰোগীজনৰ জীয়েকে কোৱা কথাবোৰ একেবাৰে সঁচা। তাৰ বাহিৰেও ৰূপাই ৰাণুৰ বিষয়ে বহুত কথা ক'ব পাৰিলে। চহৰখনৰ সকলো মানুহৰ সকলো খবৰ যেন ৰূপাৰ জিভাৰ আগত ওলমি আছিল। চকু, নাক, ওঁঠ একোৰে সামান্যও বিকৃতি নঘটোৱাকৈ, এক বিচিত্ৰ ভংগীৰে, তাই যেন গন্থি কৰি কৰি শব্দবোৰ মুখৰপৰা উলিয়াই দিছিল। তাই কৈছিল, "তোমাৰ বিয়াৰ পিছৰপৰাই তাইৰ তেনেকুৱা হ'ল বুইছা? মই কথাবোৰ কৈ দিয়াৰ কাৰণে তুমি বেয়া নাপাবা কিন্তু—"

ভানুৰ বিয়াৰ পিছৰপৰা? ভানুৰ বিয়াৰ পিছৰপৰা ৰাণুৰ তেনেকুৱা হ'বৰ কিটো হ'ল? অৱশ্যে হয়, ভানুৰ বিয়াখন স্বাভাৱিক বিয়া নাছিল। স্বাভাৱিক নাছিল মানে, তাইৰ তেনেকৈ বিয়াই হোৱা নাছিল, আজিও হোৱা নাই। এবাৰ মোমায়েকৰ ঘৰৰপৰা ৰাণু আৰু তাই উভতিবৰ সময়ত সম্বন্ধীয় ককায়েক এজনে সিহঁত দুজনীক বাছত তুলি দিবলৈ আহিছিল। এনেতে দেখা গ'ল ককায়েকৰ বন্ধু প্ৰভুদয়ালে খালী গাড়ী চলাই ভানুহঁতৰ চহৰলৈকে যাবলৈ আহিছে। বাছত নুতুলি ককায়েকে ভানু আৰু ৰাণুক প্ৰভুদয়ালৰ গাড়ীত তুলি দিলে। প্ৰভুদয়ালে সিহঁত দুজনীক ঘৰৰ সমুখত নমাই দিলে। ইমান সহায় কৰাৰ পাছত প্ৰভুদয়াল পদূলিৰ পৰাই, শুদা মুখেৰেই উভতি যাবনে? সেইটো হ'বই নোৱাৰে। ভানু আৰু ৰাণুৱে গাড়ীখনৰ সম্মুখৰ দুয়োখন দুৱাৰত ধৰি চিঞৰ-বাখৰ লগাই দিলে। প্ৰভুদয়াল নামি আহিল। তেওঁ সেইদিনা ভানুহঁতৰ ঘৰত চাহ-জলপান খালে। তাৰ পাছত ব্যৱসায়ৰ কামত প্ৰভুদয়াল ভানুহঁতৰ চহৰখনত দীঘলীয়াকৈ থাকিবলগীয়া হৈছিল।

সেইখিনি দিনত এই সুপুৰুষ মানুহজন যে এজন সুন্দৰ স্বামী হ'ব পাৰিব, তাৰ অলেখ প্ৰতিশ্ৰুতি ভানুৰ অন্তৰে কেনেবাকৈ পাইছিল। এক সুদীৰ্ঘ আনন্দময় জীৱনৰ বুকুলৈ উৰা মাৰিবলৈ ভানু আৰু প্ৰভুদয়ালে কিন্তু একেবাৰে অনাড়ম্বৰ আয়োজন এটা কৰিছিল। উজ্জ্বল চাকি জ্বলালে নানা ধৰণৰ পোক-পৰুৱাৰ উপদ্ৰৱ হ'ব পাৰে বুলি ভয় কৰি সিহঁতে আন্ধাৰতে ইটোৱে সিটোক নিবিড়ভাৱে পোৱাৰ আয়োজন কৰিছিল। প্ৰভুদয়ালে এই মহানগৰত থকা সিহঁতৰ হেড-অফিছলৈ তেওঁৰ কৰ্মস্থান সলনি কৰি লৈছিল আৰু এদিন ভানুক লগত লৈ ইয়ালৈ গুচি আহিছিল। আহিবৰ সময়ত ভানুৱে দেউতাকলৈ চিঠি এখন লিখি থৈ আহিছিল; চিঠিখনত তাই মুঠতে ইয়াকে বুজাইছিল, তেখেতসকল যাতে পুলিছ-টুলিছ এইবোৰ জঞ্জাললৈ নাযায়। ভানুৰ বয়স তেইছ বছৰ হৈছে; বহুত পুলিছৰেই বয়স তেইছ বছৰ হোৱা নাই।

ভানুৱে একো ভুল কৰা নাছিল, আজিও তাই ভুল কৰিলে বুলি নাভাবে। প্ৰভুদয়াল যে দিনে দিনে আৰু সুন্দৰ, আৰু সুন্দৰ হৈ যাব, সেই কথাটো তাই এদিন বুজিছিল, আৰু তাৰ প্ৰমাণবোৰ নিজ হাতেৰে গোটাই গোটাই আজি তাই শান্ত, তৃপ্ত, ভৰপূৰ হৈ উঠিছে। এনেকুৱা অৱস্থাত ৰাণুৰ বিষয়ে এইবোৰ কথা শুনিলে তাইৰ মনটো ম্লান হৈ যায়। তাই গুচি অহাৰ পিছৰপৰা ৰাণুৰ কিয় এনেকুৱা হ'ব লাগে? এদিন নহয় এদিন ভানুতো তাইৰ-পৰা আঁতৰি আহিব লাগিলেইহেঁতেন!

ভানু আঁতৰি অহাটো একো ডাঙৰ কথা নহয়; ৰূপাই বুজাই দিলে,--ডাঙৰ কথা হ'ল, তাই কেনেকৈ আঁতৰি আহিছিল, সেইটো। এক অজ্ঞাতকুলশীল মানুহৰ লগত ভানুৰ সেই পলায়নৰ ঘটনাই সিহঁতৰ ঘৰখনৰ সন্মান, মৰ্য্যাদা, গৌৰৱ এই আটাইবোৰ মাটিৰ লগত মিলাই দিলে।

এই কথাটো লৈ ভানুৱেও বহুদিন চিন্তা কৰিছে। ভানুহঁতৰ বংশটো হেনো বৰ ডাঙৰ বংশৰ অংশ। সিহঁতৰ বংশৰ গুৰি বিচাৰি হেনো মগধ নে কান্যকুব্জ কোনোবাখিনি পাবগৈ লাগে। সিহঁতৰ বংশাৱলীখন হেনো মাটিৰপৰা উঘালি শিপা ওপৰলৈ কৰি দিয়া কেইবা শ বছৰীয়া বট গছৰ নিচিনা দেখি; আকাশৰ ফালে থকা শিপাবোৰৰ দুই-এডালে কোনোবা দেৱতাকো ছোওঁ ছোওঁ কৰি থাকে। আৰু সেইজোপা বটগছৰ একেবাৰে তলৰ ডালত উঠিল প্ৰভুদয়াল, আৰু প্ৰভুদয়ালৰ ভৰত ডালটো লেতেৰা মাটিত লাগি গ'ল,—এইটো ভানুৰ কাৰণেও চিন্তা কৰিবলগীয়া কথা। কিন্তু এইটো কথাও ভানুৱে প্ৰতি মুহূৰ্তে বিশ্বাস কৰে যে মাক-দেউতাকে আকাশৰ ফালে শিপা থকা বটগছৰ ভেমটো জীয়াই ৰাখিব পাৰিলে-হেঁতেন, কিন্তু ভানুক এতিয়াতকৈ বেছি সুখী কৰিব নোৱাৰিলে-হেঁতেন। তেন্তে কৰিবলৈ তেখেতসকলে কোনো চেষ্টাও কৰা নাছিল। তথাপি মাক-দেউতাকৰ মনোকষ্ট লাঘৱ কৰিবলৈ ভানুৱে এই মহানগৰলৈ আহিয়েই নানা ধৰণৰ চেষ্টা আৰম্ভ কৰিছিল। আৰু সেই চেষ্টাৰ ফলাফলতো ভালেই হৈছে! মাকে তাইলৈ নিয়মীয়াকৈ, সহজ-সৰল কথাৰে চিঠি লিখি আছে, ভানুৱে মানুহৰ হাতত পঠিওৱা টোপোলাবোৰ পাই মাকে আনন্দ প্ৰকাশ কৰিছে, প্ৰভুদয়ালৰ বন্ধু হেমাংগৰ হাতত মাকে তাইলৈ এটোপোলা পিঠা পঠিয়াইছে। কেৱল ভাৰাঘৰৰপৰা পোৱা পইচাৰে ঘৰ-সংসাৰ চলোৱাত যদি অসুবিধা হৈছে, তেনেহ'লে ভানুৱে মাহে দুশমানকৈ টকা পঠিয়াব পাৰে বুলি প্ৰস্তাৱ দিছে; মাকে ভাল ভাবেৰেই "এতিয়া থাকক দে, পাছত লাগিলে জনাম" বুলি লিখিছে। সাঁচতীয়া ধন আটাইখিনি ব্যৱহাৰ কৰি দেউতাকে কনিষ্ঠ সন্তান একমাত্ৰ ল'ৰা ৰাজুৰ কাৰণে ঘৰৰ চৌহদতে থকা ভাৰাঘৰৰ মানুহ আঁতৰাই তাত এটা ছপাখানা খুলিছে; সেই ছপাখানাৰ প্ৰায়বোৰ যন্ত্ৰ-পাতি ইয়াত কিনি-কুটি পঠিয়াই দিয়াৰ ব্যৱস্থা প্ৰভুদয়ালেই

কৰিছে। তাৰ পাছত ভানুৱে খবৰ পাই আছে—প্ৰেছটো ভাল চলিছে। বাবুলাল নামৰ বৰ চুচিয়াৰ আৰু ফুটিয়াল ল'ৰা এটা পোৱা গৈছে। প্ৰথমতে তাক পিয়ন-চকীদাৰ হিচাপে নিযুক্ত কৰা হৈছিল যদিও, পাছলৈ সি ব্যৱসায়, যন্ত্ৰ-পাতি আদিৰ প্ৰায় সকলো কামতে পাৰ্গতালি দেখুৱাব পাৰিছে। সি ছপাখানাৰ লগতে সৰু কোঠালি এটাত থাকে ; ঘৰৰ বজাৰ-সমাৰো সিয়েই কৰে, ভাতো সিহঁতৰ ঘৰতে খায়।

এয়াতো সকলো ঠিকেই চলি আছে! ইয়াৰ মাজতনো বংশৰ সন্মান, মৰ্য্যাদাই কি খেলিমেলি লগাইছে? নহয় নহয়, ৰাণুৱে গোটেই ঘটনাটোত বৰ কষ্ট পাইছে।—ৰূপাই কাৰণবোৰ কঁহিয়াই দেখুৱালে। মাকে হয়তো জীয়েকৰ মৰম এৰিব নোৱাৰি সহজ-সৰলভাৱে এটা সম্পৰ্ক ৰাখি আছে, কিন্তু গোটেই চহৰখনৰ চকুত সিহঁতৰ ঘৰখন কি হৈ গ'ল, সেই কথাটোৱে ৰাণুক বৰ আঘাত দিছে। দেউতাকে মানুহৰ চকুলৈ মুৰ তুলি চাব নোৱাৰে ; মানুহ-বোৰে ৰাণুৰ ফালে কমদামী, সহজলভ্য বস্তুলৈ চোৱাদি চায়। মানুহৰ সেই দৃষ্টিয়ে ৰাণুক পুৰি পুৰি ডেই নিয়াব খোজে। ৰাণু ভানুৰ লগৰ যঁজা ছোৱালীৰ নিচিনা আছিলতো, সেই কাৰণে ভানু গুচি অহাৰ পাছত ৰাণুও যায়নে কি তাকে পৰীক্ষা কৰিবলৈ সিহঁতৰ ঘৰৰ পদূলিত হেনো মানুহবোৰৰ ভৰিৰ খোজ মন্থৰ হয়, মানুহবোৰৰ চকুত নানান ইংগিতে বাহ লয়। এইবোৰ ৰাণুৰ অসহ্য হৈছে। দিনে দিনে নিৰ্বিকাৰ, ম্ৰিয়মান হৈ যোৱা দেউতাকৰ মুখলৈ চাই ৰাণুৱে হেনো ঠিক কৰিছে—তাই এনেকৈ চলিব, যাতে সিহঁতৰ পদূলিত কাৰো ভৰিৰ খোজ মন্থৰ নহয়, কোনেও যেন ভাবিবলৈ সম্বল নাপায় যে এইখন ঘৰত গানৰ কলিয়ে ওঁঠ চঞ্চল কৰি ৰখা ৰঙীণ উৰণীয়া মানুহ আছে ; সিহঁতে যেন বাটৰপৰাই গম পায় যে তেনেকুৱা মানুহ যদি আছিলো, সিহঁত উৰি গুচি গ'ল। গতিকেই ৰাণুৰ গাত বেছিভাগেই উকা পাটৰ মেখেলা-চাদৰ, মুখত

নিশঙ্কতা, তাইৰ খোজ নিৰুত্তাপ, দৃষ্টি শৈতা—

বাণুৱে কথাবোৰ এনেকৈ ভাবিছে? ভানুৰ বুকুখনে হাহাকাৰ কৰি উঠিল। ৰূপাই কথাবোৰ কৈ যোৱাৰ পাছত তাইৰ মনটো বাৰে বাৰে জোকাৰ খাই উঠিল। একো একো সময়ত মাকৰ চিঠিৰ প্ৰতিষাৰ কথাই তাইৰ দৃষ্টিত নতুন ৰূপেৰে ধৰা দিলে। এবাৰ তাই মাকলৈ লিখিছিল, তইঁতে যদি বেয়া নাপাৱ, তেনেহ'লে আমি এবাৰ ঘৰলৈ যাম। এবাৰ ঘৰলৈ যাবলৈ মোৰ বৰ মন গৈছে।— তাৰ উত্তৰত মাকে লিখিছিল,—আৰু দুদিনমান যাওক দে। মোৰ মনৰ কথাতো তই জানই। কেৱল বাহিৰা মানুহবোৰক অলপ তাপ মাৰিবলৈ সময় দিছোঁ।—

অৰ্থাৎ ভানুহঁত ঘৰলৈ গ'লেই আকৌ মানুহবোৰ মুখৰ হৈ উঠিব, আকৌ লাজ-অপমান-কলংকই ঘৰখন আগুৰি ধৰিব,—এইটোৱেইতো কথা? এতিয়া ভানুৰ বিশ্বাস জন্মিল—এইবোৰ তাইৰ মাকৰ কথা নহয়, এইবোৰ বাণুৰ কথা। বাণু ঘৰখনক কলংকৰপৰা উদ্ধাৰ কৰাত লাগিছে। ঘৰখনৰ সুনাম ঘূৰাই আনিবলৈ বাণু লাহে লাহে বৈৰাগী হৈ যাব? দেউতাকৰ মুখত ভানুৱে সনা কালিমা মচিবলৈ বাণু এটুকুৰা বগা কাপোৰ হৈ যাব? নহয় নহয়, এইটো কেতিয়াও হ'ব নোৱাৰে। বাণু যিমানদিনলৈকে এনেকৈ থাকিব, সিমান দিনলৈকে ভানুৱে উপাৰ্জন কৰি দিয়া দুৰ্নামহে জিলিকি থাকিব; কাৰ কলংক কোনে মোচন কৰিবলৈ চেষ্টা কৰিছে, তাৰ হিচাপহে জিলিকি থাকিব।

তাৰ উপৰিও বাণু তাইতকৈ মাত্ৰ ডেৰ বছৰৰ সৰু। আজি বাণু এনেকুৱা হৈ যাব নোৱাৰে। তাইক এতিয়া এনেকুৱা হৈ যাবলৈ দিব নোৱাৰি।

অকলশৰে থকা সময়ত, এই মহানগৰৰ বিলাসে গৰকি ৰখা, মেহগনি কাঠৰ যঁজা পালেঙৰ কোমল বিচনাত শুই শুই এইবোৰ কথা ভাবি ভাবি ভানু প্ৰায়েই অধৈৰ্য্য, বিচলিত হৈ পৰিছিল।

এবাৰ তাই ৰাণুলৈ এখন চিঠি লিখিলে, তাইক কাবৌ-কোকালি কৰি অনুৰোধ কৰিলে—তই এবাৰ আমাৰ ইয়ালৈ আহ। তোৰ বহুত কথা শুনো। এইবোৰ তই কিয় কৰিছ মই ক'ব নোৱাৰোঁ। তই এইবোৰ কৰিলে মই কিমান কষ্ট পাওঁ—

ৰাণুৱে চুটিকৈ উত্তৰ দিছিল। তাইৰ উত্তৰৰ সাৰমৰ্ম আছিল—তোৰ যদি সুখ হৈছে, সেই সুখকে লৈয়েই থাক। আমি আছোঁ। আমাৰ খবৰ লৈনো কি কৰিবি?

চিঠিখন পঢ়াৰ পাছত অসহ্য যন্ত্ৰণাই ভানুক কাতৰ কৰি পেলাইছিল।

তাৰ পিছৰ দিনবোৰত ৰাণুৰ কথাবোৰে এটা অসহনীয় বোজা হৈ ভানুৰ মনক কষ্ট দিছিল। তাই বৰ চিন্তাত পৰিছিল।

শেষত এদিন তাইৰ মনটোৱে অলপ সকাহ পালে।

এদল কলেজীয়া ল'ৰা-ছোৱালী শিক্ষামূলক ভ্ৰমণৰ কাৰণে আহি এই মহানগৰত দুদিনমান আছিলহি। ভানুহঁতৰ ঘৰৰ ওচৰৰে এজনী ছোৱালীও সেই দলটোত আছিল। তাই ঠিকনা লৈ আহিছিল; এদিন তাই নিজেই ভানুহঁতৰ ঘৰটো বিচাৰি উলিয়ালে। ভানু আনন্দত যেন আত্মহাৰা হৈ পৰিল। এই মহানগৰলৈ অহাৰ পাছত সিহঁতৰ ঘৰৰ ইমান ওচৰৰ কাকো আজিলৈকে তাই লগ পোৱা নাছিল। দলটোৰ লগত অভিভাৱক হিচাপে অহা অধ্যাপকজনৰ অনুমতি লৈ ভানুৱে ছোৱালীজনীক এৰাতি সিহঁতৰ ঘৰত থাকিবলৈ লৈ আহিল। একেখন বিচনাতে পৰি সেইদিনা সিহঁতে যেন গোটেই নিশা কেৱল কথা পাতিয়েই কটাই দিয়াৰ উপক্ৰম কৰিলে। ভানুৱে যেন সিহঁতৰ চহৰখনৰ প্ৰতি ইঞ্চি মাটিৰ, প্ৰতিটো মানুহৰ বাতৰি যোগাৰ কৰাৰ চেষ্টা কৰিলে। এসময়ত সিহঁতৰ কথাবোৰ যেতিয়া এক গভীৰ, গোপন আত্মীয়তাৰ সুৰত ডুবি গ'ল, তেতিয়া ছোৱালীজনীয়ে আকৌ ৰাণুৰ কথা উলিয়ালে -

"জানো ৰাণু বাইদেৱে এইবোৰ কি কৰিছে! এতিয়া কথাবোৰ চৰেই জনা হৈছে।"

"কি? কি হৈছে কচোন।" ভানু যেন জঁাপ মাৰি উঠিল।

ছোৱালীজনীয়ে চিৰাচৰিত প্ৰথামতে কথাবোৰ ক'ব নোখোজেঁা নোখোজেঁাকৈ, অকণ অকণকৈ কয়। বাবুলাল নামৰ যে ছপাখানাৰ ল'ৰাটো আছে, তাৰ লগত ৰাণুৰ কিবাকিবি—

কিবাকিবি মানে? কি কিবাকিবি?

কিবাকিবি মানে কি আৰু, সেইবোৰেই।

কথাটো প্ৰথম উল্লেখ কৰাৰ প্ৰায় আধা ঘণ্টামানৰ পাছত ভানুৱে ছোৱালীজনীৰপৰা ইমানলৈকে উদ্ধাৰ কৰিব পাৰিছিল— এদিন ৰাতি, আঠ-নমান বজাত ছপাখানা ঘৰটোৰ পিছফালে—

ভানুৰ মনৰপৰা এটা গধুৰ বোজা নামি গ'ল। তাই অলপ সকাহ পালে। কাৰোবাৰ ওপৰত খং কৰি, বিহ খাই, দুদিনমান মাতবোল বন্ধ, অচেতন অৱস্থাত পৰি থকাৰ পাছত যদি ল'ৰাটোৱে চকু মেলি অবাইচ মাত এষাৰো উচ্চাৰণ কৰে, তথাপি মাক-দেউতাকে অলপ সকাহ পায়। ভানুৱেও সকাহ পালে।

হওক। ৰাণুৱে অন্ততঃ ব্যস্ত হ'বলৈ আৰম্ভ কৰিছে।